


# সূত্ৰধাৰ

তৃতীয় বছৰ, ষষ্ঠদশ সংখ্যা
১-১৫ চেপ্টেম্বৰ, ১৯৯১
Vol. III, No. 16
1-15 August, 1991

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ

**মাৰ্ক্সবাদৰ পট পৰিৱৰ্তন ৫**

বিশ্বৰ ৰাজনৈতিক ঘটনাচক্ৰৰ পৰিৱৰ্তনৰ লগে লগে কমিউনিষ্ট জগততো দ্ৰুত পৰিৱৰ্তন ঘটিব ধৰিছে। পূব ইউৰোপৰ বেছিভাগ দেশতেই কমিউনিষ্ট প্ৰভাৱৰ চৰকাৰৰ পৰিৱৰ্তন ঘটিছে, তাৰ ঠাইত আহিছে পশ্চিমীয়া গণতান্ত্ৰিক ঢঙৰ চৰকাৰ। ৰুছ বিপ্লৱৰ পাছত যি ছোভিয়েত ৰাছিয়াই আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ নেতৃত্ব লৈছিল সেই ৰাছিয়াতো ঘটিছে আভ্যন্তৰীণ ব্যাপক পৰিৱৰ্তন। এই পট পৰিৱৰ্তনে মাৰ্ক্সবাদৰ পৰাজয় আনিছে নে ই মাৰ্ক্সবাদী সমাজ বিপ্লৱৰ প্ৰাৰম্ভিক পৰ্ব তাৰে বিশ্লেষণ তাৰেই ইংগিত সুজিৎ চৌধুৰীৰ সুদীৰ্ঘ প্ৰবন্ধত।

প্ৰচ্ছদ নিবন্ধ

**বিশ্ব কমিউনিষ্ট আন্দোলনৰ সংকটৰ উৎসৰ সন্ধানত ১০**

পূব ইউৰোপৰ অথন্তৰ আৰু ছোভিয়েত ইউনিয়নৰ বিসদৃশ ঘটনা প্ৰবাহে বিশ্ব কমিউনিষ্ট আন্দোলনৰ কাৰণে জটিল সমস্যাৰ সৃষ্টি কৰিছে। অচিন্ত্য ভট্টাচাৰ্যৰ চিন্তা গধুৰ প্ৰবন্ধত তাৰেই আভাস।

**সাময়িক প্ৰসংগ**
বিক্ৰীৰ বাবে বিকলাংগ বিদ্যুৎ বোৰ্ড □ দুলাল বৰা ১৭

**বিশেষ নিবন্ধ**
বুদ্ধিভ্ৰষ্ট বুদ্ধিজীৱীৰ যুৱ-শক্তিলৈ আহ্বান □ ডঃ পবিত্ৰ কুমাৰ শৰ্মা ২০

**শিক্ষা**
দস্যু দানৱৰ হাতৰ পৰা শিক্ষানুষ্ঠানক বচাওক □ মুনীন চৌধুৰী ২২

**ৰাজধানী সংবাদ**
অসমৰ সমস্যা সমূহ সম্পৰ্কে শইকীয়া চৰকাৰৰ দৃষ্টিভংগী
সজাওঁতা □ হৰেন বুঢ়াগোহাঞি ২৬

**ৰাজনীতি**
ৰাজনৈতিক দল সমূহত সংকট □ হিতেন মহন্ত ২৭

**চুই যাওঁ**
উল্‌ফাৰ সমুখত চূড়ান্ত পৰীক্ষা □ অনিল বৰুৱা ২৯

**বিশ্ববিদ্যালয়ৰ বাতৰি**
বিশ্ববিদ্যালয়ত ধান পকে মানে টুনিৰ মৰণ □ স্বপ্না বেজবৰুৱা ৩১

**সাহিত্য**
কবি নৱকান্ত বৰুৱা
মোৰ স্ববিৰোধৰ জড়তা আৰু গতিৰ কাহিনী □ কুমুদ বৰুৱা ৩৪



**দৃষ্টিকোণ**
হত্যাৰ ভাবুকিৰে বিপ্লৱ নে অভিযানবাদ?
□ যোগানন্দ গোস্বামী ৩৮

**ভ্ৰমণ কাহিনী**
ডাৱৰৰ মাজে মাজে □ অনুৰাধা দাস ৪৩

**বিজ্ঞান**
শক্তি সংকট – পেট্ৰ'লিয়াম
□ ডঃ প্ৰদীপ কুমাৰ দাস ৪৭

**বিতৰ্ক**
বিতৰ্ক, বিকৃতি আৰু বিতণ্ডা
□ লক্ষ্মীনাথ তামুলী ৪৯

**চিনেমা আৰু অন্যান্য**
শুনা কথা □ সবিতা লহকৰ ৬১

চিঠি ৪
সম্পাদকৰ টোকাবহী ১৫
কবিতা ৩৩
গল্প ৪০
উপন্যাস ৫৫
ঘৰজেউতি ৫৯

*বেটুপাত – চম্পক বৰবৰা*

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) P.K. Narain/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □

OKDISCD

## সংৰক্ষিত আসন আৰু নাৰীৰ মৰ্যাদা

সূত্ৰধাৰৰ তৃতীয় বছৰ ত্ৰয়োদশ সংখ্যাত (১৬-৩১ জুলাই)হৰিচৰণ দাসৰ 'বিচিত্ৰা' শিতানত প্ৰকাশিত 'চিটি বাছ, সংৰক্ষিত আসন আৰু নাৰী মৰ্যাদা' – পঢ়ি বৰ আনন্দিত হলো যদিও কেইটামান কথা ভালদৰে পোহৰলৈ নহাত দু-আষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলো। দাসে প্ৰবন্ধটিত গুৱাহাটী মহানগৰীৰ চিটি বাছত ঘটা সৰু নিত্য নৈমিত্তিক অথচ তাৎপৰ্যপূৰ্ণ ঘটনা এটা সুন্দৰভাবে অংকিত কৰিছে। কিন্তু আমাৰ বোধেৰে পুৰুষৰ সৈতে একেলগে খোজ মিলাই সভ্যতাৰ চূড়ান্ত শিখৰত আৰোহণ কৰা, বুলি দাবী কৰিব খোজা মহিলা সকলৰ 'সংৰক্ষিত আসনৰ কিবা প্ৰয়োজন থাকিব পাৰে জানো? আমাৰ মনত সঘনে এটা প্ৰশ্নৰ উদয় হয় যে শাৰীৰিক ভাবে সক্ষম যুৱতী এগৰাকীয়ে কিয় বাৰু চিটি বাছত থিয় হৈ যাব নোৱাৰে? আমি চিটি বাছত সংৰক্ষিত আসন ৰাখিব লাগে 'তেওঁলোকৰ বাবেহে – যি সকল শাৰীৰিক ভাবে অক্ষম। তেওঁলোক পুৰুষেই হওক বা মহিলাই হওক। যদি এখন বাছৰ আসনবোৰ সম্পূৰ্ণ ভৰ্তি হৈ থাকে আৰু তেনে পৰিস্থিতিত এগৰাকী বৃদ্ধা বা গৰ্ভৱতী মহিলা বাছখনত উঠে, মানৱীয়তাৰ খাতিৰত পুৰুষেহে তেওঁলোকক আসন এৰি দিয়া দেখা যায়। কিন্তু এগৰাকী শাৰীৰিক ভাবে সক্ষম যুৱতীয়ে তেওঁৰ আসনখন উক্ত বৃদ্ধা বা গৰ্ভৱতী মহিলা গৰাকীক এৰি দিবলৈ অলপ টান পায়। তেনে স্থলত বৃদ্ধা গৰাকীয়ে বা গৰ্ভৱতী মহিলা গৰাকীয়ে পুৰুষৰ আসনৰ ওচৰলৈ অহা দেখা যায়। এই ক্ষেত্ৰত পুৰুষে কিন্তু আসনখন এৰি দিবলৈ সিমান টান নাপায়। এইটোৱেই সহানুভূতিৰ চূড়ান্ত নিদৰ্শন নহয়নে? নিজকে 'মুক্ত নাৰী' বুলি কব খোজা আজিৰ যুৱতীয়ে অইন এগৰাকী নাৰীৰ প্ৰতি কোনো কৰ্তব্য নাই বুলি ভাবেনে? এতিয়াও বহু আধুনিক মহিলাই বহু কাম পুৰুষৰ ফালে ঠেলি নিদিয়েনে বাৰু? তেওঁলোকে এতিয়া নিজকে বহুক্ষেত্ৰতেই অক্ষম বুলি ভাবে; এইটো পুৰুষৰ কিবা জগৰ নে? সদৌ শেষত,আমি এটা কথাই কব খোজো যে যদি সংৰক্ষিত আসনৰ ব্যৱস্থা কৰিবই লাগে তেনেহলে শাৰীৰিক ভাবে অক্ষম সকলৰ কাৰণেহে কৰিব লাগে, সক্ষম সকলৰ কাৰণে নহয়। লাগিলে তেওঁ পুৰুষেই হওক বা মহিলাই হওক।

অপূৰ্ব কুমাৰ দাস
মীন মহাবিদ্যালয়, ৰহা।

## ভুল তথ্য

১৬-৩১ জুলাই '৯১ সংখ্যা সূত্ৰধাৰত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ ওপৰত হেমন্ত বৰ্মনে যুগুতোৱা সাক্ষাৎকাৰটিত ছ'চাইটিৰ পৰা শ্ৰীযুত নীলপৱন বৰুৱা আঁতৰি যোৱা বুলি দিয়া উক্তিত আমি আশ্চৰ্য বোধ কৰিছো। কিয়নো শ্ৰীযুত বৰুৱাদেৱ এতিয়াও পৰিষদৰ কাৰ্যকৰী সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে আৰু যোৱা ৫-৭-৯১ ইং তাৰিখৰ কাৰ্যকৰী কমিটিৰ সভাত পৰিষদৰ সভাপতি শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ অনুপস্থিতিত শ্ৰীযুত বৰুৱাদেৱে সভাপতিত্ব কৰে। পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত বৰুৱাদেৱে ব্যক্তিগত কাৰণত সম্পাদক পদৰ পৰা অব্যাহতি বিচৰাত যোৱা ২৮-৫-৯০ তাৰিখে শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সভাপতিত্বত বহা সভাত শ্ৰীৰাজেশ্বৰ শৰ্মাক সম্পাদকৰ দায়িত্ব দিয়া হয় আৰু শ্ৰীযুত বৰুৱাদেৱক কাৰ্যকৰী সভাপতিৰ দায়িত্ব দিয়া হয়।

অসম চাৰুকলা পৰিষদৰ লগত শিল্পীৰ উপৰিও কবি-সাহিত্যিক, সংগীতজ্ঞ, বুদ্ধিজীৱী আদি পৰিষদৰ জন্ম লগ্নৰে পৰা জড়িত হৈ আছে। চাৰুকলা পৰিষদৰ প্ৰতিষ্ঠাৰে পৰা চলি থকা অসমৰ আটাইতকৈ পুৰণি শিশু চিত্ৰাংকন বিদ্যালয়খনে সমাজত চিত্ৰ কলাৰ এক পৰিবেশ গঠনৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে আৰু ইয়াতে প্ৰাথমিক পাঠ আৰম্ভ কৰা কেইজনমান শিল্পীয়ে বৰ্তমান অসমৰ শিল্প জগতত এক সুকীয়া স্থান লবলৈ সক্ষম হৈছে। পৰিষদৰ প্ৰতিষ্ঠাৰে পৰা শ্ৰীযুত নীলপৱন বৰুৱাদেৱৰ উদ্যোগত চলি অহা এই সমূহ পৰম্পৰাক লৈ আমি গৌৰৱান্বিত। আপোনাৰ আলোচনীৰ সাংবাদিকে ভুল তথ্য দি পৰিষদৰ নামত কালিমা সানিব খোজাৰ অন্তৰালত কি আছে আমি নাজানো।

অসম চাৰুকলা পৰিষদৰ হৈ
ৰাজেশ্বৰ শৰ্মা
সাঃ সম্পাদক

## আছু

আপোনাৰ দ্বাৰা সম্পাদিত প্ৰগতিশীল জনপ্ৰিয় 'সূত্ৰধাৰ'ৰ ১-১৫ আগষ্ট ৯১ সংখ্যাৰ 'সাক্ষাৎ নিবন্ধত' সদৌ অসম ছাত্ৰ সংস্থাৰ সভাপতি অতুল বৰাৰ সৈতে হোৱা সাক্ষাৎকাৰৰ সম্পৰ্কত দু-আষাৰ নিলিখি নোৱাৰিলো।

প্ৰথম প্ৰশ্নটোৰ উত্তৰ হিচাপে অতুল বৰাই কোৱা কথাখিনিৰ পৰা মোৰ এইদৰে কবৰ মন গৈছে যে তেওঁ ৰাজনীতিৰ সংজ্ঞা বুজি নাপায়। তেওঁ কোৱাৰ দৰে তিনিটা দলক – (কংগ্ৰেছ (ই), বিজেপি আৰু আৰ্মকা) সিহঁতে আগতে বা বৰ্তমানেও ৰাইজৰ ওপৰত কৰা অত্যাচাৰ, শোষণ আদিৰ কাৰণেহে ৰাইজক সেই তিনিটা দলক ভোট নিদিবলৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল। এইবোৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য চলাইয়ো তেওঁ কব বিচাৰে যে আছুৱে ৰাজনীতিত বা নিৰ্বাচনত অংশ গ্ৰহণ কৰা নাই! আনহাতে তেওঁ কৈছে; কোনো দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ নাই চলোৱা। উপৰোক্ত তিনিটা দলৰ বাহিৰেও পাঁচ বছৰে গাদীত বহি অগপ-ই ৰাইজৰ প্ৰতিশ্ৰুতি ভংগ কৰি কিমান শোষণ কৰিলে সিমানখিনি আজিলৈকে কোনো শাসনাধিষ্ঠ দলেই বা চৰকাৰেই কৰা নাই বুলি একাংশ ৰাইজে দাবী কৰে। অথচ তেওঁলোকে (ছাত্ৰ সংস্থা) অগপ-ৰ বিষয়ে কিয় আন তিনিটা দলৰ দৰে ব্যৱস্থা নললে! ই জানো পক্ষপাতিত্বমূলক কাৰ্য নহয়! কিন্তু ছাত্ৰ সংস্থাই ভবাৰ দৰে ('মাজ মূৰত নাই চুলি পৈয়েকে মাতে ৰূপহী বুলি' সাবিত্ৰী মহন্ত, দৃষ্টিকোণ) অসমৰ ৰাইজে যে মানি লব নিবিচাৰে তাৰ প্ৰমাণ যোৱা ৯১ নিৰ্বাচনী ফলাফলেই দিলে।

দ্বিতীয় প্ৰশ্নৰ উত্তৰত অতুল বৰাই দাবী কৰাৰ দৰে যদি একাংশ ছাত্ৰ-ছাত্ৰীয়ে কয় যে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলক আছুৱেই দিকভ্ৰষ্ট কৰিছে, তেন্তে বৰাই কি উত্তৰ দিব? অসম বন্ধ আদি বন্ধবোৰৰ বাবে অসমৰ ছাত্ৰ-ছাত্ৰীৰ কিমান ক্ষতি হৈছে ছাত্ৰ সংস্থাই ভাবি চাইছেনে? অকল সেয়ে নহয়, অৰ্থনৈতিক দিশতো এই বন্ধবোৰে মাধমাৰ শোধাইছে। ছাত্ৰ হৈ স্কুলৰ পাঠ্য-পুথি নোহোৱাত ছাত্ৰ সংস্থাই কিবা কৰিছেনে? অকল এদিন বা দুদিন ধৰ্ণা দিলেই কাম শেষ নহয়।

আঞ্চলিকতাবাদৰ নামত আছুৱে অসম গণ পৰিষদৰ দৰে শোষণকাৰী ৰাজনৈতিক দলহে গঢ়ি তুলিছে। তাৰবাদে অসমীয়াৰ জাতীয় অস্তিত্ব ৰক্ষা কৰিব পৰা নাই। কিয় আজি অসমৰ প্ৰতিটো গোষ্ঠীয়েই বেলেগ বেলেগ সংস্থা খুলিছে! মোৰ মতে ছাত্ৰ সংস্থাই বিদেশী বহিষ্কাৰ প্ৰশ্নটো উত্থাপন নকৰিলেই ভাল। ৰাইজে জানে – ছাত্ৰ সংস্থাৰ দ্বাৰাই গঠিত অগপ-ৰ দিনত বিদেশী কিমান বহিষ্কৃত হ'ল।

মোহিনী মোহন লিগিৰা।
লাচিত নগৰ, ডিব্ৰুগড়

## শিক্ষা বিভাগৰ জালিয়াতি চিঠি

'সূত্ৰধাৰ'ৰ ১-১৫ জুলাই '৯১ সংখ্যাত প্ৰকাশিত শিক্ষা বিভাগৰ জালিয়াতি' শীৰ্ষক প্ৰতিবেদনৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। বিষয়টো পলমকৈহে জানিব পৰাত, লগতে বিভাগীয় বিষয়াই এই সন্দৰ্ভত প্ৰকৃত তথ্যৰে আপোনাসৱক উত্তৰ দিব আৰু সেয়া প্ৰকাশ হব বুলি ধাৰণা কৰি থাকোতে এই পত্ৰ লিখা পলম হ'ল।

১৯৯১ চনৰ ৩১ জানুৱাৰী তাৰিখে প্ৰাথমিক শিক্ষা বিভাগৰ চাকৰিৰ পৰা অৱসৰ লওঁ বিধি অনুযায়ী। ১৯৪৭ চনৰ ১ অক্টোবৰ তাৰিখে চাকৰি কালত বেতনৰ বাৰ্ষিক বৃদ্ধিৰ বাবে আবেদন কৰাটো সত্য। বিভাগীয় বিষয়াৰ পৰা এই ক্ষেত্ৰত মোৰ চাকৰিৰ সেৱা পুস্তিকাখনৰ অভাৱত এই কাম কৰিব পৰা হোৱা নাই বুলি জানিব পৰাত আমি তেনেদৰে আবেদন কৰিব লগা হৈছিল। সেৱা পুস্তিকা নোপোৱা বাবে বিভাগীয় বিষয়াই মোৰ পৰা এখন জন্ম পত্ৰিকাৰ প্ৰতিলিপি বিচাৰে। জন্মৰ প্ৰমাণ পত্ৰৰ প্ৰতিলিপিৰ বাবে আমি পূৰ্বৰ প্ৰাথমিক বিদ্যালয়ত পঢ়া দৰং জিলাৰ ভালুকে খোৱা প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষকৰ লগত যোগাযোগ কৰিব লগা হ'ল। প্ৰধান শিক্ষকৰ পৰা পোৱা জন্মৰ প্ৰমাণ পত্ৰৰ প্ৰতিলিপিৰ কাকতখন কাৰ্যালয়ত জমা দিয়া হয়। তাত থকা অশোকস্তম্ভটো লৈ আৰু কাকতখনি ছপা কৰা প্ৰেছটোক লৈ সন্দেহ প্ৰকাশ কৰা হৈছে। বিষয়টো জন্ম পত্ৰিকা লৈহে আছিল। এই কথাটোকে আপোনাৰ আলোচনীত বিকৃত ভাবে বিৱৰণ দি মোক আৰু লগতে প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক জনমানসত হেয় কৰাৰহে চেষ্টা কৰা হৈছে। এনে চেষ্টাই আলোচনীখনৰ মানদন্ডহে হ্ৰাস কৰে।

দেৱকান্ত মহন্ত
অৱসৰপ্ৰাপ্ত শিক্ষক
কুৱৰীটোল, নগাঁও

★ 'চাণক্য'ৰ বক্তব্যঃ কোনো ব্যক্তিক হেয় কৰিবৰ বাবে আমাৰ প্ৰতিবেদনৰ উদ্দেশ্য নাছিল। মাত্ৰ, ১৯৪৩ চনতে চহী কৰা বুলি দেখুওৱা অথচ 'অশোক স্তম্ভ' থকা চাৰ্টিফেকেট এখনৰ যোগেদি কিদৰে আবেদনকাৰীয়ে ১৯৮৮ চনতো অৱসৰ নোপোৱাকৈ থকাৰ ক্ষেত্ৰত, শিক্ষা বিভাগটোৱে সহায় কৰিছিল, সেই কথা পাঠকক অৱগত কৰোৱাৰ উদ্দেশ্যেৰেহে প্ৰতিবেদনখন প্ৰকাশ কৰা হৈছিল।

## জীৱন শিল্পী

সূত্ৰধাৰৰ তৃতীয় বছৰ অষ্টম সংখ্যা ১–১৫ মে'ত প্ৰকাশিত প্ৰচ্ছদ নিবন্ধ জীৱন শিল্পী একাধাৰে নাট্যকাৰ, অভিনেতা, চিত্ৰ পৰিচালক কবি, সাংবাদিক আৰু ৰাজনৈতিক পন্ডিত লক্ষ্মীধৰ চৌধুৰী অসমীয়া সমাজ তথা অসমীয়া জাতিৰ বাবে গৌৰৱৰ বিষয় আৰু প্ৰেৰণাৰ উৎস।

এনেকুৱা প্ৰতিভাশীল ব্যক্তিৰ বিষয়ে সূত্ৰধাৰত পঢ়িবলৈ পোৱাত শূল শৰ্মাৰ লগতে সাক্ষাৎ গ্ৰহণ কৰা মালবিকা পাঠককো মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

আশা কৰিছো তেওঁলোকৰ পৰা পাছতো অসমৰ প্ৰতিভাশীল ব্যক্তিৰ সম্বন্ধে বিভিন্ন ধৰণৰ তথ্য পাম।


কৃষ্ণ পাল
জয়পুৰ চাৰিআলি
ডিব্ৰুগড়(অসম)





# মাৰ্ক্সবাদৰ পট পৰিৱৰ্তন

সুজিৎ চৌধুৰী



এই আলোচনাৰ শিৰোনামা 'মাৰ্ক্সবাদৰ পট পৰিৱৰ্তন' নহৈ 'মাৰ্ক্সবাদ'ৰ পৰাজয় হোৱা হলেই বোধহয় বেছি ভাল আছিল, কাৰণ আমি চকুৰ আগত দেখি থকা পৃথিৱীখনত মাৰ্ক্সবাদৰ পৰাজয়ৰ লক্ষণ সুস্পষ্ট আৰু তাৰ কোনো ধৰণৰ পুনৰুজ্জীৱনৰ সম্ভাৱনাও দুৰ্লক্ষ্য। তথাপিও যে আমি 'পৰাজয়' শব্দটোৰ পৰিবৰ্তে 'পট পৰিৱৰ্তন' শব্দটোকে সচেতনভাবে ব্যৱহাৰ কৰিছো, তাৰ কাৰণ মাৰ্ক্সবাদৰ অনিবাৰ্য পৰাজয় সম্পৰ্কে আমি এতিয়াও সম্পূৰ্ণ নিশ্চিত নহয়। গুণগত আৰু পৰিমাণগত যি ধৰণৰ বিশ্লেষণৰ জৰিয়তে এটা চিন্তাদৰ্শৰ জয়-পৰাজয়ৰ পৰিমাপ কৰিব পাৰি, সেই ধৰণৰ কোনো বিশ্লেষণৰ চেষ্টা নকৰাকৈয়ে আমাৰ গণ মাধ্যমবোৰে মাৰ্ক্সবাদৰ মৃত্যু ঘোষণা কৰিছে বুলি আমাৰ ধাৰণা। সেই ধাৰণাই এতিয়া সৰ্বসাধাৰণ মানুহৰ মাজত বিয়পি পৰিছে আৰু সি ক্ষেত্ৰ আৰু পাত্ৰভেদে উৎসাহ কিম্বা নৈৰাশ্যৰ সৃষ্টি কৰিছে।

এটা চিন্তাদৰ্শৰ জয় কিম্বা পৰাজয় ঠিক কি ভাবে নিৰ্ণীত হ'ব পাৰে? মাৰ্ক্সবাদৰ যি প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বী সেই পুঁজিবাদ আৰু তাৰ সহযোগী ৰাজনৈতিক আদৰ্শ গণতন্ত্ৰৰ কথাই ধৰা যাওক। আদাম স্মিথে পুঁজিবাদক যি ধৰণৰ অৰ্থনৈতিক প্ৰক্ৰিয়া হিচাপে চিহ্নিত কৰিছিল তাৰ মূল উপাদান আছিল মুক্ত বাণিজ্য। আৰ্থনীতিক কৰ্মপ্ৰবাহৰ লগত ৰাষ্ট্ৰীয় হস্তক্ষেপৰ কোনো সম্পৰ্কই থাকিব নোৱাৰে; সেইটোৱেই হ'ল পুঁজিবাদৰ মূলগত বৈশিষ্ট্য। পুঁজিবাদৰ কাৰণে যিটো ৰাজনৈতিক মতাদৰ্শক অনুকূল বুলি ভবা হ'ল সেইটো হৈছে ভোট নিৰ্ভৰ গণতন্ত্ৰ, যাৰ সাৰমৰ্ম হ'ল ৰাষ্ট্ৰীয় ক্ষমতাৰ বিভাজন (Separation of power) আৰু ব্যক্তিগত স্বাধীনতাৰ চূড়ান্ত স্বীকৃতি। অলপ দকৈ ভাবি চালেই দেখা যাব – পৃথিৱীৰ যি অঞ্চলটোক আজি পুঁজিবাদী সমাজ ব্যৱস্থাই সৰ্বশ্ৰেষ্ঠ প্ৰতিফলন হিচাপে ধৰি লোৱা হৈছে, তাত কিন্তু আৰ্থনীতিক ক্ষেত্ৰত ৰাষ্ট্ৰৰ নিৰপেক্ষ ভূমিকা আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত ক্ষমতাৰ বিভাজন বা ব্যক্তি স্বাধীনতা একোটোৱেই সেই পৰিকল্পনা অনুযায়ী কাৰ্যকৰী হোৱা নাই। আনকি আমেৰিকা যুক্তৰাষ্ট্ৰ বা পশ্চিম ইউৰোপৰ দেশবোৰতো অৰ্থনীতিক ৰাষ্ট্ৰৰ হস্তক্ষেপ পৰ্যাপ্ত পৰিমাণেই ঘটিছে। ক্ষমতাৰ বিভাজন বা ব্যক্তি স্বাধীনতাৰ স্বীকৃতি – এই দুটাৰ কোনো এটাই আজি আৰু পশ্চিমীয়া গণতন্ত্ৰৰ মৌলিক বৈশিষ্ট্য নহয়। এতেকে পুঁজিবাদ আৰু তাৰ সহযোগী ৰাজনৈতিক মতাদৰ্শ অৰ্থাৎ গণতন্ত্ৰ দুয়োটাই সিহঁতৰ ধ্ৰুপদী সংজ্ঞাৰ বন্ধনৰ পৰা বহুত দূৰ আঁতৰি আহিছে। আচৰিত কথা এয়েহে যে সেই ক্ষেত্ৰত কিন্তু কোনেও এই কথা কোৱা নাই যে পুঁজিবাদ বা গণতন্ত্ৰৰ পৰাজয় ঘটিছে। মূল নিৰ্দিষ্ট পৰিধিৰ পৰা আঁতৰি অহাৰ যিটো প্ৰক্ৰিয়াক কব লাগিছিল বিচ্যুতি বুলি তাকেই কিন্তু ধৰি লোৱা হৈছে পৰিৱৰ্তনশীল পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই লোৱাৰ স্বাভাৱিক প্ৰৱণতা হিচাপে।

কমিউনিষ্ট দুনিয়াত আজি কি ঘটিছে সেইটো এতিয়া এবাৰ পৰীক্ষা কৰি দেখা যাওক। পূব ইউৰোপৰ বেছিভাগ দেশতেই কমিউনিষ্ট প্ৰভাৱৰ চৰকাৰৰ পৰিৱৰ্তন ঘটিছে, তাৰ ঠাইত আহিছে পশ্চিমীয়া গণতান্ত্ৰিক ঢঙৰ চৰকাৰ। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে ছোভিয়েত ৰাছিয়াৰ আভ্যন্তৰীণ পৰিৱৰ্তন। তাত কমিউনিষ্ট পাৰ্টিৰ এনে কিছুমান ৰাজনৈতিক আৰু অৰ্থনৈতিক সংস্কাৰৰ পথ মুকলি কৰি দিছে –যিবোৰ কমিউনিষ্ট কৰ্মপন্থাৰ প্ৰচলিত ধাৰাৰ লগত একেবাৰেই সংগতিপূৰ্ণ নহয়। এইবোৰৰ ভিতৰত বিশেষভাবে উল্লেখযোগ্য হ'ল বহুদলীয়



OKDISCD

ৰাজনীতিৰ স্বীকৃতি, অংগৰাজ্যবোৰৰ স্বায়ত্তশাসন বঢ়াই দিয়াৰ প্ৰস্তাৱৰ প্ৰতি অনুমোদন আৰু ক্ষুদ্ৰ আৰু মজলীয়া বিধৰ শিল্প বাণিজ্যৰ ক্ষেত্ৰত ব্যক্তিগত মালিকানাৰ প্ৰতি আইনসন্মত স্বীকৃতি। কোৱা বাহুল্য মাথোন যে এই শেষৰ সিদ্ধান্তটোৱেই মাৰ্ক্সবাদৰ লগত আটাইতকৈ বেছি সংগতিবিহীন।

এইবোৰৰ পৰা বুজা গৈছে যে পৃথিৱীৰ যিবোৰ দেশত কমিউনিষ্ট শাসন প্ৰতিষ্ঠিত আছিল সেইবোৰৰ ভিতৰত কোনো কোনো দেশত কমিউনিষ্ট শাসনৰ উচ্ছেদ ঘটিছে আৰু আন কিছুমান দেশত কমিউনিষ্ট পাৰ্টিয়েই পুৰণি কমিউনিষ্ট পন্হাৰ পৰা বহু দূৰলৈ আঁতৰি আহিছে। ওপৰে ওপৰে চালে ইয়াক মাৰ্ক্সবাদৰ পশ্চাদপসৰণ বুলিয়েই কব পাৰি। কিন্তু এই প্ৰসংগত দুটা কথা স্মৰ্তব্য। প্ৰথমতে ছোভিয়েত ৰাছিয়াৰ অনুগ্ৰহতেই পূব ইউৰোপৰ দেশবোৰৰ পক্ষে কমিউনিষ্ট পন্হাৰ পৰা আঁতৰি অহাতো সম্ভৱ হৈছে, কাৰণ ৱাৰ্ছৰ চুক্তিৰ বন্ধনৰ পৰা এই দেশবোৰ ছোভিয়েত ৰাছিয়াই নিজেই মুক্তি দিছে। যদি অনুৰূপ ভাবে লেটিন আমেৰিকাৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ তীব্ৰ খবৰদাৰি স্থগিত ৰখা হয়, তেন্তে তাত যে একাধিক ৰাষ্ট্ৰত কমিউনিষ্ট অভ্যুত্থান নঘটিব এনে কথা কিন্তু কোনো ৰাজনৈতিক পৰ্যবেক্ষকেই শপত খাই কব নোৱাৰিব। দ্বিতীয়তে, পূব ইউৰোপৰ দেশবোৰত কমিউনিজম বাহিৰৰ পৰা জাপি দিয়া হৈছিল; দ্বিতীয় মহাযুদ্ধত। ছোভিয়েত সামৰিক বাহিনীৰ সফলতাৰ কাৰণেই সেইটো কৰা সম্ভৱ হৈছিল। চীন, ভিয়েতনাম, কিউবা আৰু ছোভিয়েত ৰাছিয়া আদি যিবোৰ দেশত কমিউনিজমক মানুহে নিজে সংগ্ৰাম কৰি অৰ্জন কৰি লৈছে সেইবোৰ দেশত মতাদৰ্শগত আনুগত্যৰ স্তৰভেদ সত্ত্বেও ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত কমিউনিষ্টৰ প্ৰভাৱ কিন্তু এতিয়ালৈকে অটুট হৈয়েই আছে। আলোকিত কমিউনিজম আৰু অৰ্জিত কমিউনিজমৰ মাজত থকা এই পাৰ্থক্যখিনি অনেক সময়ত পৰ্যবেক্ষক সকলৰ চকুতেই নপৰে।

## ।। দুই ।।

আলোচনাৰ এই পৰ্যায়ত শব্দাৰ্থ সম্পৰ্কে দুটা কথা কৈ লোৱা প্ৰয়োজন। কমিউনিজম আৰু মাৰ্ক্সবাদ দুয়োটা শব্দকেই আমি ব্যৱহাৰ কৰিছো, কিন্তু একেটা অৰ্থত নহয়। মাৰ্ক্সৰ জন্মৰ আগতো সাম্যবাদী চিন্তাৰ অস্তিত্ব আছিল; মাৰ্ক্সে তাক এটা সুস্পষ্ট আৰু সৰ্বাত্মক দৰ্শন হিচাপে প্ৰতিষ্ঠিত কৰিলে আৰু লেনিন-ষ্টেলিনৰ হাতত ই এটা কাৰ্যকৰী ৰাজনৈতিক প্ৰয়োগতত্ত্বত পৰিণত হ'ল। মাওঁ জে দঙে তাকেই আৰু অলপ সম্প্ৰসাৰিত কৰিলে। লেনিন, ষ্টেলিন আৰু মাওঁ জে দঙে নিজৰ নিজৰ ক্ষেত্ৰত প্ৰয়োগৰ কাৰণে মাৰ্ক্সীয় চিন্তাৰ যি বিশ্লেষণ দাঙি ধৰিছিল, আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনে দীৰ্ঘদিন ধৰি তাৰেই অনুসৰণ কৰিছিল আৰু লোকায়ত বিচাৰত তাৰ নামেই হ'ল কমিউনিজম। আমি 'কমিউনিজম শব্দটো সেই অৰ্থতেই ব্যৱহাৰ





*মিখাইল গৰ্বাচভ কমিউনিজমৰ ইতিহাসত যিজনে যুগান্তৰ আনিছে*

কৰিছো। আনহাতে মাৰ্ক্স আৰু এঙ্গেলচে কিছু বিষয়ে বিস্তৃতভাবে আৰু কিছু বিষয়ে সূত্ৰাকাৰে লিপিবদ্ধ কৰি থৈ গৈছে। কেৱল তাকেই এতিয়া আমি মাৰ্ক্সবাদ বুলি চিহ্নিত কৰিব বিচাৰিছো।

এই কথা এতিয়া স্পষ্টভাবে প্ৰতীয়মান হৈছে যে কমিউনিজমে আজি পিছ হোহকিবলৈ আৰম্ভ কৰিছে। এনে এটা দিন আছিল যিদিনা মাৰ্ক্সবাদৰ প্ৰায়োগিক কৌশলে অক্টোবৰ বিপ্লৱ আৰু তাৰ পৰৱৰ্তী পৰ্যায়বোৰ সফল কৰি তুলিছিল। ফলত সেই কৌশলৰেই বিভিন্ন ধৰণৰ বিন্যাসত দেশ-কাল-পাত্ৰ ভেদে সাধাৰণভাবে উপযোগী বুলি বিবেচনা কৰা হৈছিল। কিন্তু নতুন যুগৰ পৰিবৰ্তিত পৰিপ্ৰেক্ষিতত তাৰ উপযোগিতা নষ্ট হৈ গৈছে বুলি ধৰি লোৱাৰ যথেষ্ট কাৰণ আছে। কিন্তু এই পিছ হোহকাটো যদি কৌশলগত কাৰণতেই হৈছে, অৰ্থাৎ পৰিবৰ্তিত পৰিস্থিতিৰ দাবী পূৰাবৰ কাৰণে নতুন ৰণ কৌশল ৰচনাৰ প্ৰস্তুতি পৰ্ব হিচাপে এই পিছ হোহকাৰ কৌশলটোক ব্যৱহাৰ কৰা হৈছে, তেন্তে এতিয়া দেখাত পৰাজিত যেন লাগিলেও কমিউনিজমৰ পুনৰুজ্জীৱনৰ সম্ভাৱনা থাকিয়েই যাব। এই সম্ভাৱনাৰ কথা মনত ৰাখিয়েই আমি কৃত আৰু অৰ্জিত কমিউনিষ্ট ৰাষ্ট্ৰ সংগঠনৰ মাজত এটা প্ৰভেদ ৰেখা টানিবলৈ বিচাৰিছো।

আমি যে মাৰ্ক্সবাদৰ এটা সংকীৰ্ণ সংজ্ঞা নিৰূপণ কৰিছো সি এইটো ক্ষেত্ৰতেই আটাইতকৈ প্ৰাসঙ্গিক। কমিউনিষ্ট সকলৰ যিকোনো নতুন উদ্যমৰ ভিত্তি মাৰ্ক্সবাদেই হ'ব, এই কথা ধৰি লৈয়ে কব পাৰি যে মাৰ্ক্সবাদৰ যিটো প্ৰায়োগিক কৌশল সম্প্ৰতি অসফল বুলি প্ৰতীয়মান হৈছে, তাৰ বাহিৰত নতুন কোনো কৌশল আৰু ৰাজনীতিৰ উৎস হিচাপে মাৰ্ক্সবাদক ব্যৱহাৰ কৰা সম্ভৱ হ'ব নে নহয় সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। আমাৰ বিবেচনাত সেইটো সম্ভৱ। কেৱল আজিৰ প্ৰয়োজনৰ কথা ভাবিয়েই যে সেইটো সম্ভৱ বুলি কোৱা হৈছে সেই কথা নহয়। বৰং এই সম্ভাব্যৰ এটা দীৰ্ঘ ধাৰাবাহিকতা আছে। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে কমিউনিজমৰ ছোভিয়েত ধাৰণাৰ বাহিৰেও আৰু এটা সমান্তৰাল চিন্তাধাৰা ৰুচ বিপ্লৱৰ যুগৰ পৰাই চলি আহিছে। মেনচেভিক-বলচেভিক বিভাজনটো সেই সূত্ৰেই ঘটিছিল, আৰু ট্ৰস্কীৰ ঘটনাটোৰ লগতো আদৰ্শগত মতভেদ জড়িত আছিল।

পশ্চিম ইউৰোপত মাৰ্ক্সবাদী চিন্তাৰ বহুতো ধাৰা বৰ্তমান। অনেক ক্ষেত্ৰত সেইবোৰ ছোভিয়েত ঘটনাৰ বিৰোধী। তাৰেই কিছুমান আকৌ সমন্বয় প্ৰয়াসী দক্ষিণ আমেৰিকাতো এই ধৰণৰ ঘটনা ঘটিছে। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত মাৰ্ক্সবাদ যে আজি কিমানখিনি প্ৰাসঙ্গিক এই কথা উপলব্ধি কৰাৰ ক্ষেত্ৰত এই বিতৰ্কবোৰৰ গভীৰতা আৰু ব্যাপ্তিয়ে যথেষ্ট সহায় কৰিব পাৰে।

কোন পথেৰে মাৰ্ক্সবাদৰ নতুন ৰূপায়ণ কিম্বা উত্তৰণ সম্ভৱ অথবা হোৱা উচিত এই বিষয়ে পথৰ নিৰ্দেশ দিয়াতো এতিয়াই সম্ভৱ নহয়। কিন্তু বহুতো সম্ভাৱনাৰ দিগন্ত যে এতিয়াও উন্মুক্ত হৈ আছে সেই বিষয়ে সংশয়ৰ কোনো অবকাশ নাই। এই প্ৰসংগত পশ্চিমীয়া গণতান্ত্ৰিক দেশবোৰত যি ধৰণৰ মাৰ্ক্সবাদী চিন্তা-চেতনাক কেন্দ্ৰ কৰি আলোচনা আৰু বিতৰ্ক চলিছে তাৰ ওপৰতেই আমি আটাইতকৈ বেছি গুৰুত্ব দিব বিচাৰিছো। এই গুৰুত্ব প্ৰদানৰ এটা বিশেষ কাৰণো আছে আৰু সেই কাৰণটো অতি সৰল। বয়সত এতিয়া যি সকল প্ৰবীণ হৈছে তেওঁলোকৰ বহুতৰে এই কথা মনত থাকিব পাৰে যে অক্টোবৰ বিপ্লৱৰ পৰৱৰ্তী অৰ্ধ শতাব্দী ধৰি মাৰ্ক্সবাদৰ ওপৰত যি আক্ৰমণ চলিছিল এই আক্ৰমণৰ মূল বক্তব্যই আছিল এই যে ৰুছ বিপ্লৱেই কাৰ্লমাৰ্ক্সক এজন ভ্ৰান্ত প্ৰফেট বুলি প্ৰমাণ কৰিছে; তেওঁৰ ভৱিষ্যত দৃষ্টিত যে ভুল আছিল সেই কথাও এই বিপ্লৱেও প্ৰমাণ কৰিছে। কাৰণ মাৰ্ক্সে ভৱিষ্যতবাণী কৰিছিল যে প্ৰথম সমাজতান্ত্ৰিক বিপ্লৱ ঘটিব সেইবোৰ দেশত –যিবোৰ দেশত ধনতন্ত্ৰৰ বিকাশ হৈছে আটাইতকৈ বেছি। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গ'ল যে ইউৰোপৰ তুলনামূলক ভাবে এখন পিছপৰা দেশত। অৱশ্যে এই সৰলীকৃত সমালোচনাৰ এটি সৰল উত্তৰো দিব পাৰিঃ সেইটো হ'ল এই যে ৰুছ বিপ্লৱ কাৰ্লমাৰ্ক্সৰ নেতৃত্বত হোৱা নাই; এতেকে তাৰ দায়িত্ব লবলৈকো কাৰ্লমাৰ্ক্স বাধ্য নহয়। কিন্তু এইখিনিতে আৰু এটা গুৰুত্বপূৰ্ণ প্ৰশ্নও উত্থাপন কৰিব পাৰি! ৰুছ বিপ্লৱ আচলতেই কিমানখিনি মাৰ্ক্সবাদী আছিল? আজি এই প্ৰশ্নটো পশ্চিমীয়া মাৰ্ক্সবাদী মহলত অতি গুৰুত্ব সহকাৰেই আলোচিত হৈছে। এই সংশয় তেতিয়াও আছিল আৰু এই বিতৰ্ক এৰাই চলিবৰ কাৰণে বিস্তৰ যুক্তিজালৰ অৱতাৰণা কৰিবলৈ লেনিন বাধ্য হৈছিল। কিন্তু সেই বিতৰ্ক আজিও চলিছে আৰু আগতকৈ বেছি জোৰেৰেহে চলিছে। ইটালীৰ মাৰ্ক্সবাদী নেতা আৰু লুচিও কোলেত্তিয়ে (Lucio Collottee) এই বিষয়ে যি বিশ্লেষণ দিছে তাৰ পৰা দীঘলীয়া উদ্ধৃতি দিলেহে এই বিতৰ্কৰ স্বৰূপটো ভালকৈ বুজা যাব। তেওঁ লিখিছেঃ "'But after the October Revolution, from the early twenties onwards, what happened? In the west, where the revolution failed and the proletarian was defeated, Marxism lived in merely as an academic current in the universities, producing works of purely theoretical scope or cultural reflection..... Culturally they may have a very positive value, but they no longer have any connection with the life of the working class movement. They represent attempts to achive a cognitive advance on the blame of theory, that at the same time are completely devoid of any strategic or political implecations. This was the fate of the west. Mean while, what happened in the East? These revolution did occur, but in countries whose level of capitalist development was so. backward that there was no chance of them building a socialist categories of Marxism had no objective system of correspondences in reality. These were revolutionary

OKDISCD


political practice, which some times generated very important and relative mass experience, but these occured in a historical theatre which was alien to the central categories of Marx's own theory........ Thus simplifying greatly, we can say that in the west Marxism has become a purely cultural and academic phenomenon; while in the east, revolutionay processes developed in an ambience too retarded to permit a realisation of socialism, and hence inevitably formed expression in non-Marxist ideas and traditions."

(Western Marxism 1349)

উদ্ধৃতিটো অলপ দীঘলীয়াকৈয়ে দিয়া হ'ল। দিয়া হ'ল এই কাৰণেই যে কমিউনিজমৰ যিটো ৰূপত ছোভিয়েত ঘৰানাৰ বা মূল ধাৰাৰ কমিউনিজম বুলি কোৱা হয় তাৰ চূড়ান্ত বিপৰীত প্ৰান্তৰ পৰা উত্থাপিত হৈছে এই বক্তব্যটো। ইয়াত যিটো কথা কোৱা হৈছে তাৰ সৰল অৰ্থ হ'ল এই যে ৰাছিয়াত বিপ্লৱ অনুষ্ঠিত হোৱাৰ কাৰণে মাৰ্ক্সবাদ ভ্ৰান্ত বুলি প্ৰমাণিত হোৱা নাই; বৰং ৰাছিয়াৰ বিপ্লৱৰ লগত মাৰ্ক্সবাদৰ নাম জড়িত হোৱাৰ কাৰণেহে অমাৰ্ক্সীয় মতবাদ আৰু পদ্ধতি কমিউনিজমৰ নামত প্ৰচাৰিত আৰু প্ৰসাৰিত হোৱাৰ সুযোগ পালে। অৰ্থাৎ আজি যাক মাৰ্ক্সবাদৰ পৰাজয় বুলি অভিহিত কৰা হৈছে সি মূলতে অমাৰ্ক্সীয় ছোভিয়েত পন্থী তথাকথিত কমিউনিজমৰ বিপৰ্যয়। এই ঘটনা এই কাৰণেই ঘটিব পাৰিলে যে সমাজতান্ত্ৰিক বিপ্লৱৰ দায়িত্ব বহণ কৰিবলৈ যি ধৰণৰ ক্ষমতা লাগে সেই ক্ষমতা অনগ্ৰসৰ ৰাছিয়াৰ নাছিল। লেনিনে যি যুক্তিধাৰা অৱলম্বন কৰি ৰাছিয়াত মাৰ্ক্সবাদী সমাজতান্ত্ৰিক বিপ্লৱ সম্ভৱ বুলি প্ৰতিপন্ন কৰিছিল, তোলোত্তিয়ে সেই যুক্তিধাৰাৰ বিৰুদ্ধে চিধাচিধি আক্ৰমণ কৰিছে। তেওঁ ৰুছ বিপ্লৱক গণ-অভ্যুত্থান বুলি কবলৈ ৰাজি আছে, কিন্তু তাক মাৰ্ক্সীয় সংজ্ঞা অনুযায়ী সমাজতান্ত্ৰিক বিপ্লৱ বুলি কবলৈ তেওঁ একেবাৰেই ৰাজি নহয়।

পশ্চিম ইউৰোপৰ মাৰ্ক্সবাদ চৰ্চা সম্পৰ্কে তোলেত্তিয়ে যি কথা কৈছে সি কুৰিৰ দশকৰ পৰৱৰ্তী ত্ৰিশ বছৰৰ কাৰণে সত্য আছিল। তাৰ কাৰণো আছিল। উন্নত পুঁজিবাদী দেশবোৰত বিপ্লৱৰ সম্ভাৱনা নষ্ট হৈ যোৱাৰ কাৰণে সেইবোৰ দেশৰ কমিউনিষ্ট সংগঠনবোৰৰ ব্যৰ্থতাকেই একমাত্ৰ দোষী সাব্যস্ত কৰিব নোৱাৰি। ৰুছ বিপ্লৱৰ পিছত আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ নেতৃত্ব কাৰ্যতঃ ছোভিয়েত ৰাছিয়াৰ হাতলৈ গুচি গ'ল। ৰাছিয়াই কমিউনিষ্ট আন্দোলনৰ কাৰণে যিবোৰ ৰণ কৌশল নিৰ্ধাৰণ কৰি দিছিল সেইবোৰ উন্নত পুঁজিবাদী দেশবোৰৰ ক্ষেত্ৰত একেবাৰেই প্ৰয়োগযোগ্য নাছিল। সেইবোৰ দেশৰ মাৰ্ক্সবাদী চিন্তাবিদ সকলৰ চিন্তাৰ মানো আছিল উন্নত। তেওঁলোকে বিশেষকৈ ষ্টালিন পন্থী বিশ্লেষণ মানিবলৈ অকণো উৎসাহবোধ কৰা নাছিল। অথচ প্ৰকাশ্যে বিদ্ৰোহ ঘোষণা কৰাও তেওঁলোকৰ পক্ষে সম্ভৱ নাছিল, কাৰণ তেতিয়া হলে বামিনটাৰ্নৰ নিৰ্দেশত নিজ নিজ দেশৰ কমিউনিষ্ট আন্দোলনৰ লগত তেওঁলোকৰ বাধ্যতামূলক বিচ্ছেদ ঘটাৰ সম্ভাৱনা আছিল। সেই কাৰণে ৰাজনৈতিক কৰ্মসূচী সংক্ৰান্তত বিতৰ্কলৈ নগৈ সংস্কৃতি আৰু তাত্ত্বিক ক্ষেত্ৰত মাৰ্ক্সবাদৰ আলোচনাৰ মাজতেই তেওঁলোকে নিজকে আৱদ্ধ ৰাখিবলৈ ঠিক কৰিলে। ফলত ৰাজনৈতিক ক্ৰিয়া-কানুনৰ দায়িত্ব গুচি গ'ল দ্বিতীয় শাৰীৰ নেতৃত্বৰ হাতলৈ। তত্ত্বগত বিষয়বোৰৰ ক্ষেত্ৰত নতুন চিন্তাৰ উল্লেখ ঘটাবলৈ এই নেতা সকলৰ বিশেষ আগ্ৰহ নাছিল। ছোভিয়েতৰ অন্ধ অনুকৰণেই আছিল তেওঁলোকৰ একমাত্ৰ ধ্যান-জ্ঞান। প্ৰথম শাৰীৰ চিন্তাবিদ সকলৰ লগত মূল ধাৰাৰ কমিউনিজমৰ এই বিচ্ছেদৰ আটাইতকৈ কৰুণ চিকাৰ হৈছিল লোকাচ। তেওঁক ছোভিয়েত ৰাছিয়াত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু মাৰ্ক্সবাদৰ ৰুছ ব্যাখ্যাৰ লগত তেওঁৰ প্ৰচণ্ড মত পাৰ্থক্য থকা সত্ত্বেও লোকাচে পঞ্চাশৰ দশকৰ আগলৈকে প্ৰকাশ্যে ষ্টালিনৰ মতবাদৰ বিৰোধিতা কৰিবলৈ সাহস কৰা নাছিল।

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী সময়ত আৰু পৰিবৰ্তিত পৰিস্থিতিত পশ্চিম ইউৰোপৰ মাৰ্ক্সবাদী বুদ্ধিজীৱী সকলে অৱশ্যে পূৰ্ববৰ্তী তিনিটা দশকত জড়তা দলিয়াই পেলাই চিন্তাৰ লগত কৰ্মৰ সমন্বয় সাধন কৰিবলৈ নতুনকৈ প্ৰয়াস আৰম্ভ কৰে। ৰুছ বিপ্লৱৰ সম্পৰ্কত তোলেত্তিৰ নিচিনাকৈ চূড়ান্ত বিপৰীত বিন্দুত অৱস্থান নোলোৱাকৈয়ে মাৰ্ক্সবাদৰ এই নতুন প্ৰবক্তা সকলে ষ্টালিন বাদৰ বিচ্যুতি সম্পৰ্কে তেওঁলোকৰ মতামত স্পষ্টভাবে প্ৰকাশ কৰিবলৈ ধৰিলে। তদুপৰি পশ্চিম ইউৰোপৰ স্বতন্ত্ৰ পৰিবেশত মাৰ্ক্সীয় চিন্তাৰ স্বতন্ত্ৰ ধৰণৰ প্ৰয়োগ সম্পৰ্কেও তেওঁলোকে নতুন উদ্যোগ লবলৈ ধৰিলে। ফ্ৰাংকফুৰ্ট নামেৰে খ্যাত এটা গোষ্ঠীয়ে এই সম্পৰ্কে যি নতুন চিন্তাৰ সূত্ৰপাত কৰিছিল তাৰ প্ৰভাৱতেই যাঠীৰ দশকত ইউৰোপত ছাত্ৰ বিদ্ৰোহ



বৰিছ ইয়েলৎছিন: ৰাছিয়াৰ পৰা কমিউনিজম উৎখাত কৰিবলৈ বদ্ধপৰিকৰ





সংঘটিত হৈছিল। এই গোষ্ঠীৰ হাৰবাৰ্ট মাৰ্কুইজ বা অন্যান্য পণ্ডিত সকলৰ চিন্তাৰ মাজত বেলেগ এক ধৰণৰ বিচ্যুতি আহিল নে নাই সি এটা স্বতন্ত্ৰ বিষয়। কিন্তু তেওঁলোকৰ বিশ্লেষণে যে সমাজৰ এটা বিশেষ গোষ্ঠীক কিছু কাৰ্যকৰী প্ৰকল্প গ্ৰহণ কৰিবলৈ উদ্বুদ্ধ কৰিছিল, আৰু সেইটো আছিল মাৰ্ক্সবাদৰ ইতিবাচক প্ৰয়োগৰ এটা উজ্জ্বল দৃষ্টান্ত – সেই বিষয়ে কোনো সন্দেহ নাই। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে যাঠীৰ দশকৰ ছাত্ৰ বিদ্ৰোহৰ ব্যৰ্থতাৰ পিছতো ফ্ৰাংকফুৰ্ট স্কুলৰ প্ৰভাৱ বা প্ৰাসঙ্গিকতা একোতেই হ্ৰাস পোৱা নাই। বৰ্তমান ইংৰাজী ভাষী মাৰ্ক্সবাদী সকলৰ ওপৰতেই তেওঁলোকৰ প্ৰভাৱ আটাইতকৈ বেছি।

ফ্ৰান্সত মাৰ্ক্সবাদৰ নতুন বিশ্লেষণৰ অগ্ৰণী নায়ক আছিল জাঁ পল ছাৰ্ত্ৰেৰ, আৰু আজিলৈকে তেওঁৰ বক্তব্যক কেন্দ্ৰ কৰিয়েই তাত মাৰ্ক্সবাদৰ চৰ্চা আৰু পৰীক্ষা চলি আছে। মাৰ্ক্সবাদৰ ব্যক্তিকেন্দ্ৰিক বা পলায়নবাদী ব্যাখ্যা বুলি সমালোচিত হোৱা স্বত্ত্বেও জাঁ পল চাৰ্ত্ৰেমাৰ্ক্সীয় তত্ত্ব আৰু তাৰ প্ৰয়োগ সম্পৰ্কে যি নতুন চিন্তাৰ সূচনা কৰিছিল, একমাত্ৰ মূল ধাৰাৰ কমিউনিজমৰ প্ৰবক্তা সকলৰ বাহিৰে আন সকলো মাৰ্ক্সবাদী গোষ্ঠীয়ে তাক যথেষ্ট গুৰুত্ব দিয়ে।

ইটালীত মূল ধাৰাৰ কমিউনিজমৰ তাত্ত্বিক অৱস্থানৰ বিৰুদ্ধে বিতৰ্কৰ সূচনা কৰিছিল গ্ৰামশ্চীয়ে। ইটালীত কমিউনিষ্ট পাৰ্টি আছিল অতি শক্তিশালী, সেই কাৰণে গ্ৰামশ্চীৰ পক্ষে আৰু বিপক্ষে থিয় হবৰ কাৰণে বহুতো মাৰ্ক্সবাদী আগবাঢ়ি আহিছিল। তেওঁলোকৰ তৰ্কৰ গুণগত মানো আছিল অতি উন্নত। সেই বিতৰ্কৰ পৰা যিবোৰ নতুন চিন্তাধাৰাৰ জন্ম হ'ল তাৰ অন্যতম প্ৰবক্তা হ'ল তোলেত্তি। তেওঁৰ কথা আগতেই কৈ অহা হৈছে। এই ধাৰাৰ আন এজন অগ্ৰণী তাত্ত্বিক আছিল আলথুছাৰ। আলথুছাৰৰ যুক্তিধাৰা অনুসৰণ কৰিয়েই ফ্ৰান্সত আৰু এটা নতুন বিতৰ্কৰ সূচনা কৰিলে গ্লাক্সমেনে। বস্তুতঃ আজিৰ পশ্চিম ইউৰোপত এওঁলোকে মূল ধাৰাৰ বিপৰীতে নতুন মাৰ্ক্সবাদী চিন্তাধাৰাৰ নেতৃত্ব দিছে। অৱশ্যে এই কথা নহয় যে এওঁলোক সকলোৱেই একেটা মতকেই পোষণ কৰে। তত্ত্ব আৰু পদ্ধতিৰ প্ৰশ্নৰ এওঁলোকৰ মাজতো মতভেদ আছে। কিন্তু মূল ধাৰাৰ কমিউনিজম যে মাৰ্ক্সবাদৰ বিচ্যুতিহে মাত্ৰ সেই সম্পৰ্কে তেওঁলোক সকলোৱেই এক মত। আকৌ এওঁলোকৰ সকলোৰ বক্তব্যৰ বিৰুদ্ধে থিয় হৈ তাত্ত্বিক বিতৰ্ক চলাইছে 'নিউ লেফট ৰিভিউ' গোষ্ঠীয়ে। কিন্তু এওঁলোকো ষ্টালিনবাদী কমিউনিজমৰ প্ৰতি সমানেই বীতশ্ৰদ্ধ। লেটিন আমেৰিকাতো কমিউনিষ্ট আন্দোলনৰ এটি বেগবান প্ৰবাহ বৰ্তমান। কিন্তু আমাৰ আলোচনালৈ তেওঁলোকৰ কথা এই কাৰণেই আনিব খোজা নাই যে লেটিন আমেৰিকাত পুঁজিবাদৰ বিকাশ এতিয়াও অসম্পূৰ্ণ; আনহাতে এইবোৰ দেশত কমিউনিষ্ট সকলৰ অশেষ আত্মত্যাগ আৰু আন্তৰিকতা থকা সত্ত্বেও তেওঁলোকে মূল ধাৰাৰ কমিউনিজমৰ বিচ্যুতিৰ পৰা নিজকে মুক্ত ৰাখিব পৰা নাই বুলি পশ্চিমীয়া মাৰ্ক্সবাদী সকলৰ বিশ্বাস।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে মাৰ্ক্সবাদৰ মাজত মানুহৰ মুক্তিৰ যি বিচিত্ৰ সম্ভাৱনা নিহিত আছিল তাক কাৰ্যকৰী কৰাৰ প্ৰধান সূত্ৰটো মূল ধাৰাৰ কমিউনিজমে ব্যৱহাৰ কৰিছে নে নাই সেই বিষয়ে পশ্চিমৰ মাৰ্ক্সবাদী সকলে বহুদিন ধৰি সংশয় পোষণ কৰি আহিছে। তদুপৰি তাৰ বিপৰীত তত্ত্ব আৰু বিপৰীত কৰ্ম পদ্ধতি নিৰ্ণয় কৰিবলৈকে তেওঁলোকে বহুদিন ধৰি চেষ্টা কৰি আছে। এই আটাইবোৰ তত্ত্বৰ ব্যৱহাৰৰ ক্ষেত্ৰত মূল ধাৰাৰ কমিউনিজমে বাধাৰ সৃষ্টি কৰি আহিছে। আজি যেতিয়া সেই ধাৰাটো ব্যৰ্থ হোৱাৰ উপক্ৰম হৈছে, সেই অৱস্থাত বিপৰীত চিন্তাবোৰে বিশ্বৰ শ্ৰমজীৱী মানুহৰ মুক্তিৰ — আন্দোলনক আৰু বেছি কাৰ্যকৰী ভাবে প্ৰভাৱিত কৰাৰ সুযোগ পাব। আৰু তাৰ পৰিণতি নেদেখা পৰ্যন্ত মাৰ্ক্সবাদৰ ব্যৰ্থতা বা পৰাজয় সম্পৰ্কে চূড়ান্ত কথা কোৱাৰ সময় বা সুযোগ এতিয়াও উপস্থিত হোৱা নাই।

ভাৰতবৰ্ষৰ কমিউনিষ্ট আন্দোলনে সদায় মূল ধাৰাৰ কমিউনিজমৰ অনুসৰণ কৰি আহিছে। একাধিক দল ষ্টালিন আৰু মাও-চে-তুঙৰ ওপৰত বিশেষ ভাবে আস্থাশীল। আন এটা মহলে ক্ৰুশ্চেভৰ পৰৱৰ্তী ছোভিয়েত পন্থাক অভ্ৰান্ত বুলি বিবেচনা কৰে। পিছপৰা দেশৰ মাৰ্ক্সবাদী ৰাজনীতি সম্পৰ্কে লুকাচে ১৯২৯ চনত যিঁ তত্ত্ব দাঙি ধৰিছিল সেইটো অনুসৰণ কৰা হ'লে ভাৰতৰ জাতীয় আন্দোলনৰ লগত ভাৰতীয় কমিউনিষ্ট সকলৰ সম্পৰ্ক সম্পূৰ্ণ বেলেগ ধৰণৰ হ'লহেঁতেন আৰু তেতিয়া হ'লে ভাৰতীয় কমিউনিষ্টসকল জনগণৰ আস্থা অৰ্জন কৰাত অধিক সফল হ'লহেঁতেন। কিন্তু কমিন্টাৰ্ণ লুকাচৰ তত্ত্ব বাতিল কৰাৰ কাৰণে ভাৰতীয় কমিউনিষ্ট সকলেও তাক বৰ্জন কৰিলে। ফলত আজি যেতিয়া মূল ধাৰাৰ কমিউনিজমে বিশ্বৰ বিভিন্ন প্ৰান্তত মাৰ খাবলৈ আৰম্ভ কৰিছে, তেতিয়া এই দেশৰ কমিউনিষ্ট সকল বিভ্ৰান্তিৰ মেৰপাকত আবদ্ধ হৈ পৰিছে। স্বাধীন ভাবে মাৰ্ক্সবাদৰ বিচাৰ কৰাৰ আদৰ্শ এই দেশত আৰম্ভণিৰে পৰাই পৰিত্যক্ত হৈছিল। ফলত আজি আনকি গ্ৰামশ্চীৰ ইতিহাস তত্ত্বকো কোনোবো মাৰ্ক্সবাদী ঐতিহাসিকে যদি কামত লগাবলৈ চেষ্টা কৰে তেতিয়া সি যান্ত্ৰিক পশুশ্ৰমতহে পৰিণত হয়! সি কোনো নতুন দিগন্তৰ উন্মোচন নকৰে। পশ্চিম ইউৰোপৰ মাৰ্ক্সবাদী চিন্তাত ভাৰতৰ কমিউনিষ্ট দলবোৰে আৰম্ভণিৰে পৰাই 'টাবু' (Tabu) হিচাপে চিহ্নিত কৰিছে। ফলত আজি তেওঁলোকৰ পক্ষে নতুন আশ্ৰয়ৰ সন্ধান কৰাটো প্ৰায় অসম্ভৱ।

মাৰ্ক্সবাদ জ্যোতিষবিদ্যা নহয়। সি গৱেষণাগাৰ অভ্যন্তৰত প্ৰমাণ কৰিব লগা বিজ্ঞানসন্মত সিদ্ধান্তও নহয়। সমাজ বিজ্ঞানে সদায় চৌপাশৰ নিত্য-পৰিবৰ্তনশীল গতিৰ পিনে দৃষ্টি ৰাখি তাৰ সিদ্ধান্ত আৰু পদ্ধতি নিৰূপণ কৰে। মূল ধাৰাৰ কমিউনিজমে এই সত্যটো পাহৰি গৈছিল। মাৰ্ক্সবাদৰ মূল সূত্ৰটো মনত ৰখা হ'ল এনে ঘটনা নঘটিলহেঁতেন। উৎপাদন পদ্ধতিৰ নিয়ামক ভূমিকাৰ ওপৰত মাৰ্ক্সে সদায় সমধিক গুৰুত্ব আৰোপ কৰিছিল। আজি পশ্চিমীয়া জগতত উৎপাদন পদ্ধতিৰ ক্ষেত্ৰত যান্ত্ৰিকীকৰণ এনে এটা পৰ্যায়ত গৈ উপনীত হৈছে যে উনৈছ শতিকাৰ মাৰ্ক্সবাদী দৰ্শনৰ পক্ষে সেই কথা কল্পনা কৰাও অসম্ভৱ আছিল। স্বয়ংক্ৰিয় (automation) উৎপাদন পদ্ধতিত যি বৈপ্লৱিক পৰিবৰ্তন আহিছে তাৰ ফলত ফেক্টৰী চিষ্টেমৰ মাধ্যমত টলিটোৰিয়ত শ্ৰেণী ব্যাপক উদ্ভৱৰ পথটোৱেই বন্ধ হৈ গৈছে। সেই কাৰণে এতিয়া জৰুৰী হৈ পৰিছে মাৰ্ক্সীয় তত্ত্বৰ নৱ-ৰূপায়ণ আৰু কালসিদ্ধ বিশ্লেষণ। এই সত্যটো মূল ধাৰাৰ কমিউনিজমে সকলো সময়তে পাহৰি থাকে। কিন্তু পশ্চিম ইউৰোপৰ মাৰ্ক্সবাদী সকলে এই সত্যটো স্বীকাৰ কৰি লৈয়েই তেওঁলোকৰ পৰীক্ষা নিৰীক্ষা চলাই আছে। সেই পৰীক্ষা এতিয়াও সত্যৰ দুৱাৰডলিত গৈ উপনীত হোৱা নাই সঁচা; কিন্তু সেই পথত দ্ৰুত গতিৰে আগবাঢ়ি যোৱাৰ বাধাবোৰো আজি আগতকৈ বহুতখিনি আঁতৰিছে। সেই কাৰণে কোনে ক'ব পাৰে আজি যাক মাৰ্ক্সবাদৰ পৰাজয় বুলি বিবেচনা কৰা হৈছে সিয়েই হয়তো এদিন যথাৰ্থ মাৰ্ক্সবাদী সমাজ বিপ্লৱক প্ৰাৰম্ভিক পৰ্ব হিচাপেও ইতিহাসত চিহ্নিত হৈ থাকিব পাৰে।

লেখক পৰিচিতিঃ কৰিমগঞ্জৰ ৰবীন্দ্ৰ সদন ছোৱালী কলেজৰ বুৰঞ্জীৰ অধ্যাপক আৰু লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক ড০ সুজিৎ চৌধুৰী উত্তৰ-পূব ভাৰতৰ এজন নেতৃস্থানীয় বুদ্ধিজীৱী আৰু মনস্বী লেখক।

# বিশ্ব কমিউনিষ্ট আন্দোলনৰ সংকটৰ উৎসৰ সন্ধানত

অচিন্ত্য ভট্টাচাৰ্য

আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলন বৰ্তমানে গভীৰ সংকটৰ সন্মুখীন হৈছে। পূব ইউৰোপৰ দেশ সমূহত ঘটি যোৱা পৰিবৰ্তন আৰু আনুষঙ্গিক ঘটনা-সমূহ আছিল সমাজতান্ত্ৰিক বিশ্বৰ কাৰণে অতি হতাশজনক। আনকি ছোভিয়েত ইউনিয়নৰ ঘটনাৰ সাম্প্ৰতিক গতিও বিশ্ব কমিউনিষ্ট আন্দোলনৰ কাৰণে গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। তাত কেৱল ৰাজনৈতিক আৰু ভাবাদৰ্শগত সমস্যায়েই সংকটাপন্ন হৈ পৰা নাই, অৰ্থনীতিও সংকটৰ হেঁচাত নিথৰ হৈ পৰিছে। যোৱা সাতোটা দশক সময়ৰ ভিতৰত এই প্ৰথমবাৰ ফেডাৰেল আৰু বহুজাতিক ছোভিয়েত ৰাষ্ট্ৰৰ কিছুমান অংগৰাজ্যত জাতিগত বিক্ষোভ দেখা গৈছে আৰু আজিলৈকে চাৰিখন ৰাজ্যই নিজৰ পৃথকত্বৰ দাবী ঘোষণা কৰিছে। বৃহত্তম অংগ ৰাজ্য ৰুছ ফেডাৰেছনত জনগণৰ ৫৭ শতাংশই ৰাজ্যিক চৰকাৰৰ সভাপতি পদত এজন কমিউনিষ্ট বিৰোধী নেতাক বহুৱাইছে। বিপ্লৱৰ স্মৃতিকাগৃহ লেনিনগ্ৰাড চহৰৰ নাম পৰিবৰ্তনৰ সিদ্ধান্ত গণভোটেৰে গৃহীত হৈছে। সংকট ক্ৰমাৎ অতলস্পৰ্শী আৰু বহুমুখী হৈ পৰিব ধৰিছে।

পূব ইউৰোপৰ অধঃপতন আৰু ছোভিয়েত ইউনিয়নৰ বিসদৃশ ঘটনা প্ৰবাহে বিশ্ব কমিউনিষ্ট আন্দোলনৰ কাৰণে জটিল সমস্যাৰ সৃষ্টি কৰিছে। '৮৯ৰ পূব ইউৰোপৰ ঘটনাৰ পিছত পশ্চিম ইউৰোপৰ প্ৰায়বোৰ কমিউনিষ্ট পাৰ্টিয়ে নিজৰ নিজৰ নামৰ পৰা কমিউনিষ্ট অভিধা বৰ্জন কৰিছে আৰু এই শতিকাৰ আৰম্ভণিতেই কমিউনিষ্ট সকলৰ লগত মতাদৰ্শগত যুদ্ধত সম্পূৰ্ণ বিধ্বস্ত হোৱা ছোচিয়েল ডেম'ক্ৰেটিক দলৰ নাম (আৰু ভাবাদৰ্শ) আকৌ আকোঁৱালি লৈছে। শেহতীয়া বাতৰি মতে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে সাধাৰণ সম্পাদক গৰ্বাচভৰ প্ৰস্তাৱ মানি লৈ, দলৰ নাম সলনি কৰি ছোচিয়েল ডেম'ক্ৰেটিক দল ৰাখিবলৈ থিৰাং কৰিছে। নৱেম্বৰ মাহত পাৰ্টিৰ মহাসন্মিলনত এই প্ৰস্তাৱ অৱশ্যে অনুমোদিত হ'ব লাগিব।

এই মতবিৰোধ আৰু পৰিবৰ্তন কিন্তু বিশ্ব কমিউনিষ্ট আন্দোলনৰ বাবে আকস্মিক ভাবে অহা নাই। দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰাৰ পিছতেই কমিউনিষ্ট শিবিৰত পৰিবৰ্তনৰ দাবী তোলা হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক ব্ৰাউডাৰে এই তত্ত্ব দাঙি ধৰিছিল যে বিশ্বযুদ্ধত ৰুছ-মাৰ্কিন-বৃটিছ-ফ্ৰান্স মৈত্ৰী যুদ্ধৰ পিছতো বিশ্ব পৰিস্থিতিৰ নিৰ্দেশক হৈ থাকিব আৰু বিশ্বৰ সংঘাতজনক বিষয় সমূহৰ শান্তিপূৰ্ণ সমাধানৰ পথ অৱধাৰিত ভাবে মোকলাই দিব। গতিকে এই নতুন পৰিস্থিতিত পুঁজিতন্ত্ৰৰ লগত তীব্ৰ সংঘাতৰ যুগৰ তত্ত্ব মাৰ্ক্সবাদ-লেনিনবাদ আৰু লগতে কমিউনিষ্ট পাৰ্টিক টিকাই ৰখা অৰ্থহীন হৈ পৰিছে। এই তত্ত্বৰ বলত তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিক ভাঙি দি সমাজবাদী ক্লাব এটালৈ পৰিণত কৰিছিল! অৱশ্যে অত কম সময়ৰ ভিতৰত তেতিয়াৰ বিশ্বত প্ৰাউডাৰৰ মতবাদৰ পতন হয়।

প্ৰাউডাৰৰ মতবাদ হ'ল কমিউনিষ্ট আন্দোলনৰ এটি বহুদিনীয়া ব্যাধি। এই ব্যাধি কমিউনিষ্ট মহলত সংস্কাৰবাদ নাইবা সোঁ-পন্থী সুবিধাবাদ নামেৰে খ্যাত। পুঁজিবাদৰ লগত শ্ৰমিকশ্ৰেণীৰ ভাবাদৰ্শ আৰু ৰাজনৈতিক মত আৰু পথৰ ঐতিহাসিক শ্ৰেণী সংগ্ৰামক সুযোগ পালেই অস্বীকাৰ কৰা আৰু সমাজতান্ত্ৰিক মতাদৰ্শক 'সংস্কাৰ'ৰ নামত পুঁজিবাদী শ্ৰেণীৰ ওচৰত গ্ৰহণযোগ্য কৰি তুলিবলৈ প্ৰয়াস কৰাটোৱেই এই ব্যাধিৰ লক্ষণ।

স্তালিনৰ মৃত্যুৰ পিছত ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ বিংশ মহাসন্মিলনত সমাজতান্ত্ৰিক শিবিৰ আৰু বিশ্ব কমিউনিষ্ট আন্দোলনৰ নেতা ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ওপৰত নিকিতা ক্ৰুশ্চভৰ নেতৃত্বত প্ৰত্যক্ষ আক্ৰমণৰ সূত্ৰপাত হয়। পাৰ্টিৰ নীতি, কৰ্মপন্থাত আৰু কামৰ পদ্ধতিত পৰিবৰ্তনৰ দাবী দাঙি ধৰি ক্ৰুশ্চভে পুঁজিবাদৰ লগত শান্তিপূৰ্ণ সহ-অৱস্থান আৰু সমাজতন্ত্ৰলৈ শান্তিপূৰ্ণ উত্তৰণৰ কৰ্মনীতি আগবঢ়ায়।

ক্ৰুশ্চভে জানিছিল যে কমিউনিষ্ট মতাদৰ্শৰ স্ৰষ্টা সকলে শান্তিপূৰ্ণ উত্তৰণ আৰু শান্তিপূৰ্ণ সহঅৱস্থান সদায় বিচাৰি থকা সৰ্ত্তেও, পুঁজিবাদী শ্ৰেণীয়ে সমাজতান্ত্ৰিক বিপ্লৱক তেজত বুৰাই দিয়াৰ চেষ্টাৰ পৰা কতোৱেই বিৰত হৈ থকা নাছিল। ঊনৈশ শতিকাৰ সত্তৰৰ দশকত, বিশ্বৰ প্ৰথম শ্ৰমিক শ্ৰেণীৰ বিপ্লৱ আৰু ৰাষ্ট্ৰ প্যাৰী কমিউনক ফৰাচী বুৰ্জোৱা শ্ৰেণীয়ে উচ্ছেদ কৰিছিল সত্তৰ হেজাৰ শ্ৰমিকক হত্যা কৰি। আমাৰ যুগত, ৰুছ বিপ্লৱৰ শান্তিপূৰ্ণ বিকাশক ধ্বংস কৰাৰ বাবে চৈধ্যখন পুঁজিবাদী ৰাষ্ট্ৰই মাৰবান্ধি পুঁজিবাদৰ মহাগুৰু চাৰ্চিলৰ নেতৃত্বত শিশু ছোভিয়েত ৰাষ্ট্ৰক আক্ৰমণ কৰিছিল। ১৯১৯ চনত হাংগেৰীৰ কমিউনিষ্ট ৰাষ্ট্ৰক সাম্ৰাজ্যবাদীইঁতে তেজৰ নৈ বোৱাই উচ্ছেদ কৰিছিল। উত্তৰ কোৰিয়াৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ বিৰুদ্ধে জেনেৰেল ম্যাকআৰ্থাৰৰ নেতৃত্বত মাৰ্কিন অভিযানৰ কথা কোনেও পাহৰা নাই। ক্ষুদ্ৰ ভিয়েতনামৰ সমাজতান্ত্ৰিক অৰ্ধাংশক ধ্বংস কৰাৰ বাবে








*লেনিনৰ দ্বাৰা স্থাপিত ছোভিয়েত ৰাছিয়াৰ পৰা লেনিন নিৰ্বাসিত*

মাৰ্কিন সাম্ৰাজ্যবাদে বাৰলাখ সৈন্য নিয়োজিত কৰি দহ বছৰ ধৰি যুঁজিছিল।

ক্ৰুশ্চেভ আৰু তেওঁৰ সমৰ্থক সকলে এইবোৰ সমকালীন ইতিহাসৰ কথাৰ লগত, যুদ্ধোত্তৰ যুগত ন্যাটো, শীতল যুদ্ধ, আণৱিক আৰু নক্ষত্ৰ যুদ্ধৰ ভাবুকি আৰু সমাজতন্ত্ৰী বিশ্বকে চূৰ্ণ কৰাৰ বাবে বিশ্বৰ সৰ্বত্ৰ চাৰি হেজাৰৰো অধিক সামৰিক আৰু আণৱিক ঘাটি পতাৰ ঘটনাবোৰো জানো সঁচাকৈ পাহৰি গৈছিল! অতি সম্প্ৰতি ১৯৮৯-ত মাৰ্কিন নেতৃত্বই সমাজতান্ত্ৰিক চীনতো হস্তক্ষেপ কৰি তাত অন্তৰ্ঘাতী গৃহযুদ্ধ সৃষ্টিৰ চেষ্টা কৰিছিল।

হিটলাৰ, মুচোলিনী, ফ্ৰাঙ্কো, ছালাজাৰ, পিনেচেত আদিক সমাজতান্ত্ৰিক বিপ্লৱৰ সম্ভাৱনাৰ বিৰুদ্ধে যুঁজাৰু হিচাপে কোনে ডাঙৰ দীঘল কৰিছিল আৰু তাৰ ফলাফল কি হৈছিল, এই ইতিহাস ক্ৰুশ্চেভ আদি সংস্কাৰপন্থীয়ে নাজানিছিল নে?

গতিকে ক্ৰুশ্চেভ আদিৰ শান্তিপূৰ্ণ উত্তৰণৰ তত্ত্ব আছিল মাৰ্ক্সবাদ পৰিত্যাগ কৰাৰ ইংগিত আৰু ছোভিয়েত সংস্কাৰৰ প্ৰকৃত লক্ষ্য সম্পৰ্কত মাৰ্কিন আদি পুঁজিবাদৰ বৰমূৰীয়া সকললৈ আগজাননী মাথোন।

ক্ৰুশ্চেভে স্তালিনৰ ত্ৰুটি-বিচ্যুতিৰ সমালোচনাৰ নামত, ছোভিয়েতৰ বিপ্লৱোত্তৰ চাৰিদশকৰ অসামান্য সাফল্যক মচি পেলাবলৈ প্ৰয়াস কৰিছিল। স্তালিনৰ শেষ বয়সত ব্যক্তিপূজা, গণতান্ত্ৰিকতাৰ অভাৱ আদি বিচ্যুতি আছিল ক্ষতিজনক আৰু সমাজতন্ত্ৰৰ বিকাশৰ পৰিপন্থী। এই বিচ্যুতিবোৰৰ সমালোচনাৰ নামত স্তালিনৰ নেতৃত্বত ছোভিয়েতৰ অভূতপূৰ্ব কৃতিত্বক লোপ কৰাৰ প্ৰয়াসক কোনো অৰ্থেই সমৰ্থন কৰা সম্ভৱ নহয়। অতি পশ্চাদপদ দেশত মাত্ৰ পোন্ধৰ বছৰৰ ভিতৰত বিশ্বৰ সকলো পুঁজিবাদীৰ চূড়ান্ত প্ৰতিকূলতাৰ মাজতে ছোভিয়েত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ শিল্পোন্নত দেশ আৰু সামৰিক শক্তিত পৰিণত কৰা, মানুহৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শ্ৰেণী বিভাজন আৰু শ্ৰেণীগত শোষণ-পীড়নৰ পৰা সমাজক মুক্ত কৰি, জনগণৰ খাদ্য, বাসস্থান, জীৱিকা, শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ সামাজিক আৰু আইনগত গ্যাৰান্টি সৃষ্টি কৰিছিল ছোভিয়েত ইউনিয়নে।

সৰ্বোপৰি স্তালিনৰ পোনপটীয়া নেতৃত্বত ছোভিয়েত হিটলাৰ-ফেছিবাদক পৰাস্ত কৰি আৰু লগতে বিশ্বৰ উপনিবেশবাদক উচ্ছেদৰ পথ মোকলাই দি যি অক্ষয় কীৰ্তি স্থাপন কৰিলে, এই সত্যকো ৰুছ সংস্কাৰপন্থী সকলে বিকৃত কৰিছে। ভুল সংশোধনৰ নামত এই সকলো অস্বীকাৰ কৰি, ছোভিয়েতৰ আলোচ্য যুগটোক স্তালিনৰ স্বৈৰাচাৰ, বৰ্বৰ দমনপীড়ন আৰু নিৰ্বিশেষ অত্যাচাৰৰ যুগ বুলি তেওঁলোকে চিহ্নিত কৰিছে।

বিশ্ব সাম্ৰাজ্যবাদী পুঁজিবাদী শিবিৰে এই সুযোগৰ বাবেই বাট চাই আছিল। সিহঁতে এইবোৰ কুৎসামূলক সমালোচনাক ইচ্ছামতে ৰং চৰাই, সমাজতন্ত্ৰৰ নীতি আৰু তত্ত্বক বৰ্বৰতাৰ নামান্তৰ বুলি আজিলৈকে লেথাৰি নিছিগাকৈ প্ৰচাৰ চলাই গৈ আছে। সমাজবাদক উচ্ছেদ কৰাৰ বাবে ছোভিয়েত্ সংস্কাৰপন্থী সকলৰ লগত বিশ্ব-পুঁজিবাদৰ আটাইতকৈ আগ্ৰাসী প্ৰতিনিধি-বৃন্দই হাত মিলাই পুঁজিবাদী শোষণক চিৰস্থায়ী কৰাৰ বাবে যি অভিযান চলাইছে, সমগ্ৰ বিশ্বতে শোষক শ্ৰেণীবোৰে তাক চুকেকোণে দোহাৰি ফুৰিছে।

কমিউনিষ্ট আন্দোলনৰ সাম্প্ৰতিক সংকটৰ এই পটভূমিৰ কথা ইয়াত হয়তো কিছু বহলভাবে আলোচনা কৰা হ'ল। কাৰণ আজি নব্বৈৰ দশকত ইউৰোপত মাৰ্ক্সবাদ-লেনিনবাদক বিসৰ্জন দি ছোচিয়েল ডেম'ক্ৰেছীৰ মৰ্যাদাহীন পতাকাখনকে আকৌ তৰিবলৈ যি যো-জা চলি আছে, ক্ৰুশ্চেভৰ ওপৰোক্ত কপট সমালোচনা আৰু সমাজতন্ত্ৰৰ বিপুল কৃতিক মচি পেলোৱাৰ প্ৰচেষ্টাই তাৰেই ভিত্তি ৰচনা কৰিছিল।

(২)

ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ বিংশ কংগ্ৰেছৰ পৰৱৰ্তী কালছোৱাত বিশ্ব কমিউনিষ্ট আন্দোলনত ব্যাপক মতবিৰোধে দেখা দিয়ে। মতবিৰোধ আঁতৰ কৰাৰ বাবে ১৯৫৭ আৰু ১৯৬০ চনত বাৰ্লিন আৰু মস্কোত দুখন আন্তৰ্জাতিক বৈঠক অনুষ্ঠিত হয়। এই দুয়োখন বৈঠকত সমকালীন যুগটোৰ বৰ্তমান কালছোৱাৰ বৈশিষ্ট্য সম্পৰ্কত ঐক্যমত প্ৰতিষ্ঠিত হয়। বৈঠক দুখনৰ মতে, বৰ্তমান যুগটো হ'ল পুঁজিবাদৰ চূড়ান্ত সংকট আৰু পতন আৰু বিশ্ব জুৰি সমাজতন্ত্ৰবাদৰ বিজয়ৰ যুগ। ই উপনিবেশীয় ব্যৱস্থাৰ বিলোপ আৰু জাতীয় মুক্তিৰো যুগ।

ফেছিবাদৰ বিৰুদ্ধে ছোভিয়েতৰ যুগান্তকাৰী বিজয়, উপনিবেশ সমূহৰ মুক্তি আৰু উপনিবেশবাদৰ পতন, বিশ্বৰ এক তৃতীয়াংশত সমাজতন্ত্ৰৰ প্ৰতিষ্ঠা, পুঁজিবাদ-সাম্ৰাজ্যবাদৰ গভীৰ সংকট আদি সমকালীন পৰিস্থিতিৰ ভিত্তিত কমিউনিষ্ট পাৰ্টি সমূহে ওপৰোক্ত নিৰ্ভুল সিদ্ধান্তলৈ উপনীত হৈছিল। আজিৰ দিনতো এই সিদ্ধান্তৰ মৰ্মাৰ্থ সঠিক।

তথাপি এই সিদ্ধান্ত কিছুমান বিভ্ৰান্তিৰ কাৰণ হৈ পৰিছিল। সমাজবাদ আৰু

পুঁজিবাদৰ দীৰ্ঘস্থায়ী ঘাত-প্ৰতিঘাতৰ পৰিপ্ৰেক্ষিতত, এই সিদ্ধান্ত বিশ্বৰ বিভিন্ন দেশ আৰু অঞ্চলত কি পৰিস্থিতিৰ মাজেদি বাস্তৱায়িত হ'ব, এই পৰিবৰ্তনৰ গতিবেগ কিহে নিয়ন্ত্ৰণ কৰিব, এইবোৰ সম্ভাব্য সমস্যা গমিপিতি চোৱাৰ সলনি কমিউনিষ্ট আন্দোলনে এই পৰিবৰ্তনক ভেটা দিওঁতা নাই বুলি ধৰি লৈ নিশ্চিন্ত আৰু কিছু পৰিমাণে বৈপ্লৱিক কাজ-কামত নিশ্চেষ্ট হৈ গুৰুতৰ ভ্ৰান্তিৰ কৱলিত হ'ল।

এই ভুলৰ মাচুল দিবলগীয়া হ'ল। কমিউনিষ্ট আন্দোলনত পুঁজিবাদৰ অন্তিম সংকটক এই ব্যৱস্থাৰ আসন্ন পতন বুলি ধৰি লোৱা হ'ল। আনফালে সমাজতন্ত্ৰলৈ উত্তৰণে আসন্ন হৈ পৰিছে বুলিও ধৰি লোৱা হ'ল। কালৰ গতি যে সদায় কুটিল, এই সনাতন সত্যৰ অৰ্থ তেওঁলোকে উপলব্ধি কৰিব নোৱাৰিলে।

ইতিহাসৰ গতিত পৰিবৰ্তন অপ্ৰতি-ৰোধ্য হলেও এই পথ সদায় জটিল, সদায় খলাবমা। এই পথত আগুৱাই যোৱাটো সাধাৰণ নিয়ম হলেও, মাজে সময়ে পিছুৱাই অহাটোও এৰাব নোৱৰা বাস্তৱতা। নৈৰ প্ৰবাহৰ দৰে সময় প্ৰবাহৰ গতিৰ লগত স্থিতি, খৰস্ৰোতাৰ লগত কৰ'বাত ওভটনি সোঁত, কৰ'বাত চাকনৈয়া, এই সকলো অপৰিহাৰ্য।

উল্লেখ বাহুল্য যে যাঠি আৰু সত্তৰৰ দশকত পুঁজিবাদৰ অন্তিম সংকট আৰু সমাজতন্ত্ৰবাদৰ বিজয়ৰ অভ্ৰান্ত তত্ত্বৰ ওপৰোক্ত সৰলীকৃত ব্যাখ্যাৰ ভুল দিশবোৰ ওলাই পৰিছিল। সমগ্ৰ যুগৰ চূড়ান্ত বৈশিষ্ট্যক দেশকাল পাত্ৰ নিৰ্বিশেষে সমকালীন বাস্তৱতা বুলি গণ্য কৰাৰ ফলত এই ভুলৰ সৃষ্টি হ'ল। ফলত কমিউনিষ্ট আন্দোলনৰ নেতৃত্বৰ দৃষ্টিভংগীও সমকালীন বাস্তৱতাৰ পৰা আঁতৰ হৈ পৰিল।

যুদ্ধৰ ক্ষয়ক্ষতি আৰু পৰৱৰ্তী সংকট চম্ভালি লৈ পুঁজিবাদে যে নতুন অৱস্থাৰ লগত খাপ খুৱাই নিজৰ উৎপাদন ব্যৱস্থা আৰু সমগ্ৰভাবে অৰ্থনীতিক আকৌ আগবঢ়াই লৈ যাবলৈ সক্ষম হৈছে, আনকি নতুন কৌশলেৰে আকৌ প্ৰাক্তন উপনিবেশ সমূহৰ অৰ্থনীতিত থোপনি লবলৈ সক্ষম হৈছে, এই বাস্তৱতা কমিউনিষ্ট আন্দোলনৰ নেতৃত্বৰ চকুত নপৰিল!

পুঁজিবাদৰ এই পুনৰ জাগৰণৰ শক্তিৰ উহ ক'ত? লক্ষ্য কৰা প্ৰয়োজন যে বিশ্বত সমাজতান্ত্ৰিক বিপ্লৱ উন্নত পুঁজিবাদী দেশ সমূহত ঘটা নাই আৰু সমাজতান্ত্ৰিক সমাজো এইবোৰ দেশত প্ৰতিষ্ঠিত হোৱা নাই। দুয়োবিধৰ পৰিবৰ্তন ঘটিছে পুঁজিবাদৰ পশ্চাদপদ দেশসমূহত। পুঁজিবাদৰ উন্নত আৰু মূল ঘাটিবোৰত সমাজতন্ত্ৰৰ 'আক্ৰমণ' ঘটা নাছিল। দ্বিতীয়তে পৃথিৱীৰ দুই তৃতীয়াংশ (বৰ্তমানে কিছু অধিক) আজিও ৰৈ আছে পুঁজিবাদী শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থাৰ তলত। তৃতীয়তে আধুনিক বিজ্ঞানৰ অভূতপূৰ্ব শক্তিক কামত লগোৱাৰ বাবে যি আৰ্থিক সংগতি আৰু শিক্ষা দীক্ষাৰ প্ৰয়োজন সকলোখিনি উন্নত পুঁজিবাদী দেশ সমূহত আছে। সংকটৰ হেঁচাৰ পৰা আত্মৰক্ষাৰ কাৰণে পুঁজিবাদে বিজ্ঞানৰ শক্তিক দক্ষতাৰে কামত লগাই উৎপাদনৰ ক্ষেত্ৰত দ্ৰুত আগবাঢ়ি গৈছে আৰু লোপ হৈ যোৱা নেতৃত্বক আকৌ ঘূৰাই আনিছে। তাৰ উপৰি, সদ্যমুক্ত উপনিবেশীয় দেশৰ প্ৰায় পৌনে দু'শ কোটি জনগণে নিজৰ বিকাশৰ আকাংক্ষাক বাস্তৱায়িত কৰাৰ বাবে যি পুঁজি, আহিলাপতি আৰু প্ৰযুক্তিৰ অভাৱ অনুভৱ কৰিছিল, তাক যোগান ধৰাৰ ক্ষমতা, ঋণ যোগান ধৰা, পুঁজি বিনিয়োগ, যন্ত্ৰপাতি সৰবৰাহ কৰা আৰু প্ৰযুক্তি ৰপ্তানী কৰাৰ ক্ষমতা ছোভিয়েতক বাদ দিলে একমাত্ৰ উন্নত পুঁজিবাদী দেশসমূহৰে আছিল। গতিকে পুঁজিবাদী শিবিৰৰ বৰমূৰীয়া সকলে প্ৰত্যক্ষ উপনিবেশ দখলৰ ডকাইতিৰ পথ এৰি, নতুন উপায়েৰে আৰু নতুন উদ্যমেৰে আকৌ প্ৰাক্তন উপনিবেশীয় বজাৰ, সস্তীয়া শ্ৰমশক্তি আৰু কেঁচা মালৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈ সংকট নিৰসনৰ এটা মূল্যবান পথ উলিয়াই লয়।

ভাৰতৰ দৃষ্টান্তলৈ মন কৰক। প্ৰাক্তন উপনিবেশ আৰু বৰ্তমান তৃতীয় বিশ্বৰ দেশ সমূহৰ ভিতৰত আটাইতকৈ অগ্ৰগামী হোৱা সত্বেও ভাৰতে নিজে উপযাচি সম্প্ৰতি দেশৰ আত্মনিৰ্ভৰ অৰ্থনীতিক বিসৰ্জন দি মাৰ্কিন নেতৃত্বত পৰিচালিত উন্নত পুঁজিবাদী দেশৰ জোঁটৰ হাতত ভাৰতৰ বজাৰ, শ্ৰমশক্তি আৰু শিল্প-বাণিজ্যৰ ঘাই দিশবোৰ সঁপি দিবলৈ ওলাইছে!

উৎপাদনৰ ক্ষেত্ৰত সাময়িকভাবে হলেও সংকটৰ পৰা হাত সাৰি উন্নত পুঁজিবাদী দেশ সমূহে উৎপাদনৰ ক্ষেত্ৰত যি বিস্ময়কৰ সাফল্য লাভ কৰিছে, সি সমগ্ৰ সমকালীন সমাজক প্ৰভাৱান্বিত কৰিব এই সম্পৰ্কত সন্দেহ নাই।

উৎপাদন ব্যৱস্থাৰ নিয়ন্ত্ৰণৰ বাঘজৰি ডাল যি শ্ৰেণীৰ হাতত থাকিব, সমাজ আৰু ৰাষ্ট্ৰৰ মূল দিশবোৰত তাৰেই প্ৰাধান্য বৰ্তিব ই ইতিহাসৰ এটি সাধাৰণ নিয়ম।

বিশ্ব পৰিস্থিতিৰ এই দিশবোৰ সমাজতান্ত্ৰিক শিবিৰৰ তাত্ত্বিক সকলৰ দৃষ্টিগোচৰ কিয় হোৱা নাছিল, আগতে ব্যাখ্যা কৰা হৈছে।

স্পষ্টতঃ বিশ্ব সমাজতান্ত্ৰিক শিবিৰৰ নেতা সকলে সংকটৰ হেঁচা চম্ভালি লৈ পুঁজিবাদী দুনিয়াই যে বিস্ময়কৰ দ্ৰুততাৰে আগবাঢ়িব পাৰিব, এই কথাষাৰকে বিশ্বাস কৰা নাছিল। বিপৰীত ফালে, তেওঁলোকে বৰ্তমান কালছোৱাত বৈপ্লৱিক শক্তিৰ অগ্ৰগতিৰ সম্ভাৱনাক যথেষ্ট বঢ়াই দেখিছিল।

ক্ৰুশ্চেভৰ পৰা ইউৰো-কমিউনিজমৰ বিচ্যুতিৰ ফলত, কমিউনিষ্ট আন্দোলনৰ গুৰুতৰ ক্ষতি হৈছিল; সমাজতন্ত্ৰবাদক পুঁজিবাদীৰ ওচৰত গ্ৰহণযোগ্য কৰি তুলিবলৈ বিচ্যুতিবাদী সকলে বহুতো দিনৰ পৰা এই তলসুঁতীয়া প্ৰচাৰ চলাইছিল, তাৰ ক্ষতিকাৰক প্ৰভাৱক কমিউনিষ্ট শিবিৰৰ নেতা সকলে কমাই দেখিছিল।

তাৰ উপৰি কমিউনিষ্ট আন্দোলনৰ বিভিন্ন খাপৰ বৰ্তমান নেতৃ স্থানীয় ব্যক্তি সকল যোৱা বিশ্বযুদ্ধৰ পিছতহে জন্মিছে। এই বিশাল কৰ্মীবাহিনীৰ প্ৰাকবিপ্লৱ যুগৰ পুঁজিবাদী আৰু ভূস্বামী সকলৰ চৰম শোষণ, সম্ৰাট ৰজা আৰু ডাঙৰ ভূস্বামীবৰ্গৰ শাসনৰ নামত চলোৱা উৎপীড়ন আৰু স্বৈৰাচাৰ, জনগণৰ সৰহ ভাগৰ দাৰিদ্ৰ্য, মৰ্যাদাহীন জীৱনযাত্ৰা আৰু সামাজিক অৰাজকতা সম্পৰ্কত কোনো প্ৰত্যক্ষ অভিজ্ঞতা সঞ্চয়ৰ সুযোগ নাছিল। তেওঁলোকে সমাজতান্ত্ৰিক ব্যৱস্থাৰ মাজতে ডাঙৰ দীঘল হৈছে আৰু শিক্ষা, জীৱিকা, স্বাস্থ্য বাসস্থান আদিক অধিকাৰ স্বৰূপে ভোগ কৰিছে। গতিকে শোষণমূলক সমাজ ব্যৱস্থা ও শোষক শ্ৰেণীৰ কৰ্তৃত্বৰ অৱসানৰ বাবে তেওঁলোকৰ পূৰ্বপুৰুষে যি তেজ ঢালিলে যি ত্যাগ স্বীকাৰ কৰিলে এইবোৰ কথাক তেওঁলোকে মূল্য দিয়া নাছিল। তেওঁলোকে মাত্ৰ জীৱিকাৰ উন্নত মানৰ প্ৰশ্নটোক প্ৰধান সমস্যা বুলি ধৰি লৈ, পশ্চিম ইউৰোপ আমেৰিকাৰ উন্নততৰ জীৱনৰ দ্বাৰা প্ৰভাৱিত হৈছিল। পশ্চিমৰ জীৱনযাত্ৰা, সমাজব্যৱস্থা, ৰাজনৈতিক



গাঁথনি, ভাবাদৰ্শ আদিৰ ফালে তেওঁলোকৰ ধাউতিৰ এয়ে আছিল প্ৰকৃত তাৎপৰ্য।

সমাজতান্ত্ৰিক দেশ সমূহৰ নেতৃত্বই, নতুন চামৰ নাগৰিক সকলক ভাবাদৰ্শগত শিক্ষা দি সচেতন কৰাৰ কামত গুৰুত্ব দিয়া নাছিল। গতিকে তৰুণ চামে সমস্যাৰ প্ৰকৃত আৰু ঐতিহাসিক ৰূপ উপলব্ধি কৰিব পৰা নাছিল। নেতৃত্বৰ এই ব্যৰ্থতাৰ বাবে সমাজতান্ত্ৰিক শিবিৰে কঠোৰ মূল্য দিবলগীয়া হৈছে।

(৩)

অৰ্থনৈতিক ক্ষেত্ৰত পুঁজিবাদৰ তুলনামূলক অগ্ৰগতি আৰু সমাজতান্ত্ৰিক দেশৰ জঠৰ অৱস্থাৰ কাৰণ সমূহ ছোভিয়েত নেতৃত্বই বাস্তৱতাৰ পোহৰত পৰীক্ষা নিৰীক্ষা কৰাৰ প্ৰয়োজন সময়ত উপলব্ধি কৰা নাছিল।

শীতল যুদ্ধ, ন্যাটোৰ যুদ্ধসজ্জা আৰু নক্ষত্ৰ যুদ্ধৰ ভাবুকিৰে পুঁজিবাদী বিশ্বৰ বৰমূৰীয়া মাৰ্কিন যুক্তৰাষ্ট্ৰই ছোভিয়েতক প্ৰতিৰক্ষাৰ বাবে বহু বছৰ ধৰি বিপুল ধন ব্যয় কৰিবলৈ বাধ্য কৰাইছিল। এই কালছোৱাত সমাজতান্ত্ৰিক শিবিৰ তথা গোটেই পৃথিৱীক আণৱিক যুদ্ধৰ বিপদৰ পৰা ৰক্ষা কৰাৰ আৰু তৃতীয় বিশ্বৰ অনুন্নত দেশ সমূহক সাম্ৰাজ্যবাদী লুণ্ঠনকাৰীহঁতৰ হেঁচাৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব ছোভিয়েতে অকলশৰে বহণ কৰিবলগীয়া হৈছিল। ফলত ছোভিয়েতৰ পুঁজিৰ নাটনি স্থায়ী হৈ পৰিছিল আৰু মূলধনৰ অভাৱৰ বাবে শিল্পত আধুনিক প্ৰয়োগ, প্ৰযুক্তি, বিশেষকৈ ভোগ্য পণ্যৰ উৎপাদনৰ ব্যাপক ব্যৱস্থা কৰাত ব্যৰ্থ হৈছিল। তাৰ ফলত জনগণৰ অসন্তোষ বাঢ়িছিল। ধনৰ অভাৱৰ বাবে নতুন প্ৰযুক্তিৰ গৱেষণাৰ সুযোগ নগণ্য হৈ পৰিছিল।

উৎপাদন আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত পিছুৱাই যোৱাৰ এয়ে আছিল মূল কাৰণ। এই পৰিস্থিতিত ছোভিয়েত ইউনিয়ন, সমাজবাদী শিবিৰ আৰু গোট-নিৰপেক্ষ তৃতীয় বিশ্বৰ কাৰণে অতি ক্ষতিকৰ আৰু সুদূৰপ্ৰসাৰী হ'ল। সম্প্ৰতি ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে মাৰ্কিনৰ হেঁচাত দেশৰ স্বনিৰ্ভৰ অৰ্থনীতিক বিসৰ্জন দিয়াৰ সপক্ষে ছোভিয়েতৰ সাম্প্ৰতিক পশ্চাদপসাৰণক এটি ঘাই কাৰণ বুলি দেখুৱাইছে! বিশ্ব সাম্ৰাজ্যবাদৰ হেঁচাৰ বিৰুদ্ধে তৃতীয় বিশ্বৰ দেশ সমূহে গোট-নিৰপেক্ষতাৰ নীতিৰে আত্ম ৰক্ষাৰ যি বেহু গঢ়ি তুলিছিল, সি ইতিমধ্যে ধূলিস্যাৎ হৈছে।

সত্তৰ দশকৰ শেষ ভাগত ছোভিয়েতৰ নেতৃত্বই এই পৰিস্থিতিৰ বিপজ্জনক দিশবোৰ সম্পৰ্কে সচেতন হৈছিল। কিন্তু বাস্তৱতাৰ সমুখীন নহৈ তেওঁলোকে ব্ৰেজনেভৰ গাত অৰ্থনীতিৰ নিথৰ অৱস্থাৰ বাবে সকলোখিনি দোষ জাপি দি, সমাজতন্ত্ৰবাদক পুঁজিবাদৰ লগত খাপ খুৱাই লোৱাৰ আওবাটেদি আগবাঢ়িলে। পুঁজিবাদী আৰু সিহঁতৰ শ্ৰমিক শ্ৰেণী, শোষক আৰু শোষিত, ব্যাক্তি মালিকানাৰ সমৰ্থক পুঁজিবাদ আৰু সামাজিক মালিকানাৰ সমৰ্থক সমাজতন্ত্ৰবাদৰ অপৰিহাৰ্য দ্বন্দ্ব আৰু সংঘাত হঠাৎ যেন তেওঁলোকৰ দৃষ্টিৰ পৰা উৱলি গ'ল! ১৯৮৫ চনতে গৰ্বাচিভৰ নেতৃত্বত ছোভিয়েত ইউনিয়নত মতাদৰ্শ আৰু বাস্তৱ ৰাষ্ট্ৰনীতিৰ ক্ষেত্ৰত মৌলিক পৰিবৰ্তনৰ সূচনা হ'ল। 'পেৰেইস্ত্ৰইকা' (পৰিবৰ্তন) আৰু গ্লাচনস্ত (অবাধ মত প্ৰকাশৰ অধিকাৰ)ৰ নামত সমাজতন্ত্ৰৰ বুনিয়াদী নীতি এৰি দিয়াৰ আৰু ছোভিয়েত দেশৰ সমাজতান্ত্ৰিক ব্যৱস্থা সম্পৰ্কত অবাধে কুৎসা প্ৰচাৰৰ বাট মুকলি কৰা হয়। সমাজতন্ত্ৰক কলঙ্কিত কৰি, তাক উচ্ছেদৰ প্ৰয়াস আৰম্ভ কৰা হয়। গৰ্বাচিভে পৰিবৰ্তনৰ লক্ষ্য 'মানৱিক আৰু গণতান্ত্ৰিক সমাজতন্ত্ৰ' বুলি ঘোষণা কৰি আওপাকেদি ছোভিয়েতৰ সমাজতন্ত্ৰক ইমানদিন ধৰি 'অমানৱিক আৰু অগণতান্ত্ৰিক' আছিল বুলি কুৎসা কৰি পেলালে।

শ্ৰেণী শোষণ আৰু উপনিবেশবাদী পুঁজিতন্ত্ৰ হ'ল মানৱিক আৰু গণতান্ত্ৰিক আৰু শ্ৰেণীশোষণ বিহীন সাম্যবাদী সম্বন্ধ হ'ল অমানৱিক আৰু অগণতান্ত্ৰিক – গৰ্বাচিভৰ এই শেহতীয়া অৱদান সঁচাকৈ তুলনাবিহীন! বুৰ্জোৱা বুদ্ধিজীৱী সকলে স্বভাৱসিদ্ধ নিয়মে পুঁজিবাদৰ শোষণ পীড়নৰ কথা উল্লেখ নকৰি, বিমূৰ্ত (abstract) মানৱতা আৰু গণতন্ত্ৰৰ মনোলোভা ভাবাদৰ্শৰ কথা সদায় প্ৰচাৰ কৰি আহিছে। গৰ্বাচিভেও একেটা উদ্দেশ্য সাধনৰ বাবে এই একেটা পদ্ধতি গ্ৰহণ কৰাটো লক্ষ্যনীয়।

লেনিনে দেখুৱাইছে যে শ্ৰেণী বিভক্ত সমাজত জাতি ধৰ্ম বৰ্ণ আৰু শ্ৰেণীৰ নামত অমানৱীয় শোষণ পীড়ন চলি থাকে। একমাত্ৰ এই শোষণ পীড়নৰ অব্যাহত অধিকাৰ লোপ পালেহে সমাজত প্ৰকৃত মানৱতা আৰু গণতন্ত্ৰৰ প্ৰতিষ্ঠা সম্ভৱ হ'ব। সমাজতন্ত্ৰয়েই মানৱতাবাদী সমাজ প্ৰতিষ্ঠাৰ ফেঁহু জালি।

ছোভিয়েতৰ গৰ্বাচিভ আদি নেতাৰ বাগৰ সলোৱাৰ অৰ্থ জনসাধাৰণে অনুমান কৰাৰ প্ৰয়োজন নাই। অলপতে পাৰ্টিৰ সাধাৰণ সম্পাদক হিচাপে গৰ্বাচিভে নতুন কৰ্মসূচীৰ যি খচৰা দাঙি ধৰিছে, তাতে মূলনীতি হিচাপে মাৰ্ক্সবাদ-লেনিনবাদক বাদ দিয়া আৰু কমিউনিষ্ট পাৰ্টিকে ছোচিয়েল ডেম'ক্ৰেটিক পাৰ্টিত পৰিণত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। '৮৫ চনত পেৰেইস্ত্ৰইকাৰ নামত যি বীজবোৰ পোতা হৈছিল, ১৯৯১ চনত সেইবোৰ পোখা মেলিছে। ফচলটোনো কি, এই সম্পৰ্কত সংশয় আঁতৰ হৈছে।

লগতে এই কথাও অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে ছোভিয়েত দেশতো পৰিবৰ্তনৰ প্ৰয়োজন ৰৈ গৈছে। কালৰ আঘাতত সকলোতেই কিছু পুৰণি দিশ ক্ষয় হয়, কিছু নতুন দিশ যোগ হয়। পৰিবৰ্তন সমাজগতিৰ অৱশ্যাম্ভাবী ধাৰা।

ছোভিয়েতত দীৰ্ঘকাল ধৰি একচেটিয়া শাসনৰ ফলত শাসক পাৰ্টিৰ আত্মসন্তুষ্টিৰ ভাব ক্ৰমাৎ ব্যাপক হৈ পৰিছিল। শ্ৰমিক শ্ৰেণীৰ প্ৰাধান্যৰ তত্ত্ব ক্ৰমাৎ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বৰ একাধিপত্যত পৰিণত হৈছিল। এই পৰিস্থিতিত গণতন্ত্ৰৰ ঠাইত আমোলাতন্ত্ৰই মূৰ দাঙিছিল। এইবোৰে জনসাধাৰণক শেহত বিক্ষুব্ধ কৰি তুলিছিল। বিক্ষুব্ধ জনসাধাৰণে পৰিবৰ্তনৰ দাবীৰ প্ৰতি সমৰ্থন জনাইছিল। মানুহে ধৰি লৈছিল যে সমাজতান্ত্ৰিক ব্যৱস্থাৰ চৌহদৰ ভিতৰত থাকি আৰু তাৰ সুফলখিনি ৰক্ষা কৰি লাগতিয়াল পৰিবৰ্তন সাধন কৰা হ'ব। কাৰ্যত সি নহ'ল; পৰিবৰ্তনৰ নামত সমাজতান্ত্ৰিক ব্যৱস্থাকেই শিপাৰে সৈতে উভালি পেলাবলৈ নেতৃত্বৰ এটা অংশ আগবাঢ়ি আহিছে।

(৪)

ওপৰোক্ত আলোচনাৰ পটভূমিত পূব ইউৰোপৰ ঘটনাৱলীৰ আঁতিগুৰি সম্পৰ্কে বুজ লোৱাটো সহজ হ'ব।

আজিলৈকে পূব ইউৰোপৰ আঠখন সমাজতান্ত্ৰিক দেশৰ ভিতৰৰ সাতখনে সমাজতন্ত্ৰৰ পথ এৰি বিভিন্ন মাত্ৰাত পুঁজিবাদী আৰ্থ-সামাজিক আৰু ৰাষ্ট্ৰ ব্যৱস্থাৰ ফালে ঢাল খাই পৰিছে। ছয়খন দেশত বহুদলীয় বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থা

প্ৰবৰ্তিত হৈছে আৰু সেইবোৰত উদাৰপন্হী নাইবা সোঁপন্হী পুঁজিবাদী দলসমূহে চৰকাৰ গঠন কৰিছে। একমাত্ৰ বুলগেৰিয়াত বহু পৰিবৰ্তন সত্বেও কমিউনিষ্ট দল নিৰ্বাচনত জয়ী হৈছে। অষ্টম ৰাষ্ট্ৰ-আলবেনিয়াক 'পেৰেস্ত্ৰইকাৰ' বতাহজাকে চুব পৰা নাই।

সমাজত্মান্ত্ৰিক ব্যৱস্হা আৰু কমিউনিষ্ট পাৰ্টিৰ ভুল-ত্ৰুটি শুধৰাই লোৱাৰ নামত এই দেশসমূহত পুঁজিবাদী বহুদলীয় গণতন্ত্ৰ, পুঁজিবাদী বজাৰৰ মাধ্যমেৰে উৎপাদন বন্টন ব্যৱস্হাৰ নিয়ন্ত্ৰণ, অৰ্থাৎ উৎপাদনক মুনাফাৰ লগত যুক্ত কৰা আদি ব্যৱস্হা প্ৰবৰ্তিত হৈছে। সমাজতান্ত্ৰিক ব্যৱস্হাত শ্ৰমজীৱী আৰু নাগৰিক সাধাৰণৰ বাবে কামৰ সাংবিধানিক অধিকাৰ, শিক্ষা স্বাস্হ্য বাসস্হান আদি সামাজিক নিৰাপত্তাৰ ব্যৱস্হা আছিল, অবিশ্বাস্য দ্ৰুততাৰে সেইবোৰক বিলোপ কৰা হৈছে। কলকাৰখানা আৰু সেৱামূলক সংস্হাবোৰৰ অধিকাংশক সামাজিক মালিকানাৰ পৰা আঁতৰাই ব্যক্তিৰ, আনকি বৈদেশিক পুঁজিৰ নিয়ন্ত্ৰণত দি দিয়া হৈছে। আধুনিক যন্ত্ৰপাতি প্ৰবৰ্তন আৰু সংস্হাবোৰক লাভজনক কৰাৰ নামত নতুন মালিক পক্ষই বহুতো কাৰখানা বন্ধ কৰিছে, নাইবা শ্ৰমিক সংখ্যা ব্যাপকভাবে হ্ৰাস কৰিছে। ফলত লাখ লাখ শ্ৰমিক হঠাৎ বেকাৰ হৈ পুঁজিবাদী ব্যৱস্হাৰ নিয়ম অনুসৰি নিজৰ শ্ৰমশক্তি শ্ৰমৰ বজাৰত সৰ্বনিম্ন দৰত বেচিবলৈ ওলাই আহিবলৈ বাধ্য হৈছে। টাইমছ অব ইন্ডিয়াৰ ৰিপ'ৰ্ট মতে ৱাৰ্ছত বছ গাড়ীত এজন শ্ৰমিকে চিঁয়ৰি কৈ আছিল, 'ভালেন্সাই আমেৰিকাৰ টকা খাই গাহৰিৰ নিচিনাকৈ শকত হৈছে আৰু মই ল'ৰা-ছোৱালীৰ কাৰণে ৰুটীৰ পইছা দিব নোৱৰা হৈছো।'

পুঁজিবাদী ব্যৱস্হাৰ প্ৰবৰ্তনৰ লগত 'মাল্টি নেশ্যনেল' সংস্হাবোৰৰ অনুপ্ৰবেশ হ'ল, বজাৰ শক্তিশালী পুঁজিবাদী দেশৰ কাৰণে খুলি দিব লগীয়া হ'ল। এই দুই উপাদানৰ লগত অনিবাৰ্য ভাবে আহিল বৈদেশিক ঋণ, সহায়তা, বৈদেশিক মুদ্ৰাৰ নাটনি আৰু পশ্চিমৰ ওপৰত ক্ৰমাৎ বাঢ়ি অহা নিৰ্ভৰতা। হাঙ্গেৰীত পশ্চিমৰ পুঁজিপতি সকলে ৰেডিঅ' টিভি-ৰ চেনেল আৰু বাতৰি কাকত পৰ্যন্ত কিনি লৈছে!

এইবোৰ পৰিবৰ্তনৰ হেঁচাত মুদ্ৰাস্ফীতি, মূল্যমানৰ অভাৱনীয় বৃদ্ধি, বেকাৰী আদি শ্ৰমজীৱী মানুহৰ জীৱনৰ নিত্যসংগী হৈ পৰিছে।

পূব ইউৰোপত এইবোৰ ব্যাপক আৰু দ্ৰুত পৰিবৰ্তন সাধনত সাম্ৰাজ্যবাদী সকলৰ হাত আছে। সমাজতন্ত্ৰ নিধন যজ্ঞৰ প্ৰধান পুৰোহিত আন কোনো নহয়, স্বয়ং মাৰ্কিন যুক্তৰাষ্ট্ৰ। অৱশ্যে এই বিষয়ত ছোভিয়েত ইউনিয়নৰ নেতা গৰ্বাচিভৰ অৱদানও যথেষ্ট। পূব ইউৰোপৰ মুখ্য নেতা সকলে অপকটে স্বীকাৰ কৰিছে যে গৰ্বাচিভ আৰু তেওঁৰ সংস্কাৰৰ প্ৰোগ্ৰাম নথকা হলে তেওঁলোকৰ পক্ষে সফলতা লাভ সম্ভৱ নহ'লহেঁতেন।

আনফালে, এই পৰিস্হিতিৰ কাৰণে পূব ইউৰোপৰ শাসক কমিউনিষ্ট দলসমূহৰ দায়িত্বও কম নাছিল। লক্ষ্য কৰা প্ৰয়োজন যে এই অঞ্চলৰ কমিউনিষ্ট পাৰ্টি সমূহে ছোভিয়েত, চীন, ভিয়েৎনাম কোৰিয়া আদি দেশৰ পাৰ্টি সমূহৰ দৰে দীৰ্ঘদিনৰ বৈপ্লৱিক কাম-কাজৰ আৰু সংঘাতৰ মাজেদি সাফল্যেৰে ওলাই আহি সমাজতান্ত্ৰিক ৰাষ্ট্ৰ গঢ়ি তোলা নাছিল। হিটলাৰৰ পৰাজয় আৰু ছোভিয়েতৰ বিজয়ৰ পটভূমিত এই দেশবোৰৰ জনগণৰ সৰহভাগে কমিউনিষ্ট পাৰ্টি আৰু সহযোগী সকলক ক্ষমতাত বহুৱাইছিল। বিপ্লৱৰ অগ্নিপৰীক্ষাত উত্তীৰ্ণ হৈ পাৰ্টি সমূহে যি পৈণত ৰূপ আৰু অভিজ্ঞতা লাভ কৰে, এই ক্ষেত্ৰত তাৰ অভাৱ ৰৈ গৈছিল। তাৰ উঁপৰি এই দেশসমূহত ছোচিয়েল ডেম'ক্ৰেচী আৰু অন্যান্য উদাৰপন্হী মজলীয়া শ্ৰেণীৰ দলসমূহে এই পৰিবৰ্তন সমৰ্থন কৰিছিল আৰু বহুতো দল আৰু উপদলে কমিউনিষ্ট পাৰ্টিত যোগ দিছিল। সাম্প্ৰতিক ঘটনাৰ সময়ত পাৰ্টিসমূহৰ ভিতৰত যে প্ৰচন্ড দুৰ্বলতা আৰু দোদুল্যমানতা দেখা দিয়ে তাৰ উহ আছিল এই শেষোক্ত সহযোগী সকল।

পূব ইউৰোপৰ কমিউনিষ্ট শাসক দল সমূহৰ বৈপ্লৱিক অভিজ্ঞতা যথাযথ মাত্ৰাত নথকাৰ ফলত, তেওঁলোকে নিজ দেশৰ বাস্তৱ পৰিস্হিতিত মাৰ্ক্স-লেনিনৰ শিক্ষা প্ৰয়োগৰ পন্হা উলিয়াই নলৈ, ছোভিয়েতৰ পথ অনুকৰণৰ সহজ পন্হা গ্ৰহণ কৰিছিল। তেওঁলোকৰ পদ্ধতি ফলস্বৰূপে বহুতো ক্ষেত্ৰত যান্ত্ৰিক হৈ পৰে আৰু জনগণৰ অভিজ্ঞতা আৰু অভ্যাসৰ লগত তাৰ বিসংগতি সৃষ্টি হয়। সমাজতন্ত্ৰৰ গ্ৰহণযোগ্যতাও ক্ষতিগ্ৰস্ত হয়।

এইবোৰ কাৰণৰ লগত যুক্ত হৈছিল শাসক পাৰ্টি সমূহৰ দক্ষতাৰ অভাৱ, অপ্ৰতিদ্বন্দ্বী হৈ থকাৰ বাবে আত্ম-সন্তোষ আৰু আমোলাতান্ত্ৰিক মনোভাব। পাৰ্টি শ্ৰমিক শ্ৰেণী আৰু জনগণৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল।

পূব ইউৰোপৰ সীমান্তৰ সিপাৰত পুঁজিবাদী সাম্ৰাজ্যবাদী দেশ সমূহে বহুতো দিনৰে পৰা ঘাটি পাতি এই আটাইবোৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখিছিল আৰু ব্যাপক প্ৰচাৰৰ ব্যৱস্হা গঢ়ি তুলিছিল। মাৰ্কিন গুপ্তচৰ সংস্হা 'চিয়া'ৰ অন্তৰ্ঘাতী চক্ৰান্ত এইবোৰ দেশতে বহুদূৰলৈকে শিপা মেলিছিল। প্ৰতি বিপ্লৱৰ পিছত পোলেন্ডৰ ৰাষ্ট্ৰপতিয়ে সমাজতান্ত্ৰিক ব্যৱস্হা উৎখাত কৰাত 'চিয়া'ৰ ভূমিকাক প্ৰকাশ্যে ধন্যবাদ জনাইছিল!

পূব ইউৰোপৰ অথন্তৰৰ এইবোৰেই প্ৰধান কাৰণ। এই ঘটনাবোৰে বিশ্ব কমিউনিষ্ট আন্দোলনৰ ওপৰত এক কঠিন আঘাত হানিছে। এই প্ৰসংগত সুনিশ্চিত ভাবে কব পাৰি যে পূব ইউৰোপৰ জনগণৰ মুক্তি আৰু বিকাশৰ সংগ্ৰামৰ এইটোৱেই শেষ অধ্যায় নহয়। দাৰিদ্ৰ্য, পশ্চাদপদতা আৰু জাতিগত বিকাশৰ সমাধানৰ পথ পুঁজিবাদ নহয়। পুঁজিবাদৰ চৰিত্ৰ সম্পৰ্কে ভাৰতবাসীৰ দীৰ্ঘ অভিজ্ঞতা হৈছে। পূব ইউৰোপৰ জনগণে পুঁজিবাদী পশ্চিম ইউৰোপৰ যি বৈভৱ দেখি বিমোহিত হৈছে, সি হ'ল অতীজত বিশ্বৰ শতাধিক উপনিবেশীয় দেশক লুন্ঠনৰ আৰু নিৰ্দয় শোষণৰ ফল। আজিও ভাৰতকে ধৰি বিশ্বৰ এই পশ্চাদপদ অঞ্চলটো নয়া উপনিবেশীয় শোষণৰ চিকাৰ হৈ ৰৈ আছে।

(৫)

সামৰণিত এই কথাষাৰকে দোহাৰিব বিচাৰিছো যে বিশ্ব পৰিস্হিতিৰ পৰিবৰ্তন হোৱা সত্বেও বৰ্তমান যুগৰ মূল বৈশিষ্ট্য লোপ পোৱা নাই। এই যুগ পুঁজিবাদৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰণৰ যুগ, এই তত্ত্ব অসিদ্ধ হৈ পৰা নাই। এটা সমাজ-ব্যৱস্হাৰ পৰা মানৱ সমাজৰ আন ব্যৱস্হালৈ উত্তৰণক এটি যান্ত্ৰিক প্ৰক্ৰিয়া বুলি ধৰি ললে ভুল কৰা হ'ব। সমাজৰ মূল বৈষয়িক ভেটিটোৰ পৰিবৰ্তনৰ লগত বিপ্লৱৰ বাবে সচেতন সমাজবদ্ধ মানুহৰ ক্ৰিয়াশীলতাও আৱশ্যক আৰু অপৰিহাৰ্য। এই পথ সদায় ঘাত-প্ৰতিঘাতেৰে জটিল।

'পতন অভ্যুদয় বন্ধুৰ পন্হা, যুগ যুগ ধাবিত যাত্ৰী' – কবিৰ কন্ঠত এই মহাসত্যৰ প্ৰতিধ্বনি আমি শুনা পাইছো। মানৱযাত্ৰীয়ে যুগ যুগ ধৰি ইতিহাসৰ পথ বুলি মহতৰ পৰা মহোত্তম লক্ষ্যলৈ আগুৱাই গৈ আছে। ইতিহাসৰ এই গতিক পুঁজিবাদী, সমাজবাদী কোনেও ভেটা দিব নোৱাৰিব।





# শিল্পী-সাহিত্যিক আৰু চৰকাৰী পৃষ্ঠপোষকতা



দেশ স্বাধীন হোৱাৰ আগতেও সাহিত্যিকক পেনচন দিয়াৰ ব্যৱস্হা আছিল। ব্ৰিটিছ চৰকাৰে দুজন অসমীয়া সাহিত্যিকক পেনচন দি সন্মানিত কৰিছিল। তেওঁলোক হ'ল পদ্মনাথ গোহাঞিবৰুৱা আৰু মফিজুদ্দিন আহমদ হাজৰিকা। ব্ৰিটিছ সকলে তেওঁলোকৰ ছকুৰি বছৰীয়া শাসন-কালত মাত্ৰ এই দুজনৰ বাহিৰে আন কাকো পেনচনৰ উপযুক্ত বুলি কিয় নাভাবিলে সেই প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱা টান। যিসকল লেখকে আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্হাপন কৰিছিল তেওঁলোকৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা অগ্ৰগণ্য। সেই ফালৰ পৰা চাবলৈ গলে তেওঁ নিঃসন্দেহে এই সন্মানৰ কাৰণে অতি যোগ্য লোক। কিন্তু সাহিত্যিক অবদানৰ বাহিৰেও ব্ৰিটিছ শাসনৰ প্ৰতি তেওঁৰ অবিচল আনুগত্যয়ো বোধহয় সাহিত্যিক পেনচন পোৱাত তেওঁক সহায় কৰিছিল। কিন্তু মফিজুদ্দিন আহমদ হাজৰিকাৰ বিষয়ে বোধহয় এই কথা কব নোৱাৰি। তেওঁৰ প্ৰথম আৰু একমাত্ৰ কাব্য-গ্ৰন্হ 'জ্ঞান-মালিনী' প্ৰকাশ পোৱাৰ পিছত কিছুদিনৰ কাৰণে তেওঁ অসমৰ আটাইতকৈ জনপ্ৰিয় কবিত পৰিণত হৈছিল। সুললিত ছন্দ আৰু নিভাঁজ জতুৱা অসমীয়া ভাষাত লেখা তেওঁৰ অধ্যাত্ম-বাদী কবিতাৰ মাজত অসমীয়া পাঠকে আগতে কেতিয়াও নোপোৱা এটা নতুন সোৱাদ বিচাৰি পাইছিল। তেওঁ সাহিত্যিক পেনচন পোৱাৰ এটা প্ৰধান কাৰণ আছিল তেওঁৰ এই আকস্মিক বিপুল জনপ্ৰিয়তা। এইখিনিতে বেছিভাগ মানুহে নজনা এটা তথ্য উনুকিয়াই থব খোজো। মফিজুদ্দিন আহমদ হাজৰিকাক 'সাহিত্যিক পেনচন দিব লাগে এটা প্ৰস্তাৱ যোগে সৰ্ব-প্ৰথমে দাবী জনাইছিল অসম সাহিত্য সভাৰ ঢকুৱাখনা শাখাই। মই নিজে ঢকুৱাখনাৰ মানুহ হিচাপে এই কথা স্মৰণ কৰি গৰ্ব অনুভব কৰো।

ব্ৰিটিছ সকলে তেওঁলোকৰ ছকুৰি বছৰীয়া শাসন-কালত মাত্ৰ দুজন লোককহে সাহিত্যিক পেনচন দিছিল যদিও, আৰু অন্ততঃ এজনৰ ক্ষেত্ৰত সি যদিও আছিল ৰাজভক্তিৰ পুৰস্কাৰ, তথাপি এই কথা কেতিয়াও ক'ব নোৱাৰি যে তেওঁলোকে অযোগ্য লোকক এই পুৰস্কাৰ দি সাহিত্যৰ বা সাহিত্যিক পেনচনৰ মৰ্যাদা হানি কৰিছিল। কিন্তু অসম চৰকাৰে যোৱা কেইবছৰমানৰ পৰা কোনো গুণাগুণ বিচাৰ নকৰাকৈ যিভাবে পাইকাৰী হাৰত শিল্পী-সাহিত্যিকক পেনচন দিবলৈ লৈছে, তাৰ পৰা এনে ধাৰণাহে হয় যে চৰকাৰে শিল্পী-সাহিত্যিকক সন্মান কৰাতকৈ পুতৌহে কৰে আৰু সাহিত্যিক পেনচনটোক তেওঁলোকে ব্যৱহাৰ কৰে চৰকাৰী অনুগ্ৰহ হিচাপে।

শিল্পী-সাহিত্যিকৰ পেনচনৰ নিয়মাৱলীত স্পষ্টভাবে উল্লেখ কৰা আছে যে কোনো অভাৱ-গ্ৰস্ত শিল্পী বা সাহিত্যিকক আৰ্থিক সাহায্য দিবৰ কাৰণে এই পেনচন ব্যৱস্হাৰ প্ৰবৰ্তন কৰা হোৱা নাই। পেনচন দিয়া হয় শিল্প বা সাহিত্যৰ ক্ষেত্ৰত পাওঁতাজনে আগবঢ়োৱা তেওঁৰ অসাধাৰণ অবদানৰ (outstanding contribution) কাৰণেহে। দ্বিতীয়তে, পুৰস্কাৰৰ কাৰণে শিল্পী বা সাহিত্যিক বাছনি কৰাৰ আগতে উপযুক্ত লোকৰ সহায় লৈ তেওঁৰ অবদানৰ মূল্যায়ন কৰিব লাগিব বুলিও নিয়মাৱলীত স্পষ্টভাবে কোৱা আছে। কিন্তু এনে মহৎ উদ্দেশ্যত প্ৰবৰ্তন কৰা পেনচন-ব্যৱস্হাক চৰকাৰে আজি এনে এটা পৰ্য্যয়লৈ নমাই আনিছে যে শিল্পী-সাহিত্যিকৰ কাৰণে ই সন্মানৰ প্ৰতীক নহৈ চৰম লজ্জা আৰু অবমাননাৰ প্ৰতীকতহে পৰিণত হৈছে। আজিলৈকে পেনচন পাওঁতা আটাইবোৰ শিল্পী-সাহিত্যিকৰ তালিকাখন একেলগে মেলি চাই পৰীক্ষা কৰিলেই এই অভিযোগৰ সত্যতা প্ৰমাণিত হ'ব। উপযুক্ত লোকে পেনচন নাই পোৱা বুলি নকওঁ। কিন্তু অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ গল্পলেখক বা সমালোচকৰ লগতে একেলগে শাৰী পোনাই নেওতা-পুথি লেখা বা মফচলিয়া সাপ্তাহিক কাকতৰ দেওবৰীয়া চ'ৰাত পদ্য লিখি কবি হোৱা মানুহেও যেতিয়া সাহিত্যিক পেনচন পায়, তেতিয়া আৰু এই পেনচনৰ কিবা মৰ্যাদা বাকী থাকেনে? বা তাৰ দ্বাৰা এই পেনচন ব্যৱস্হাৰ মহৎ উদ্দেশ্য সাধিত হয়নে?

অৱশ্যে এই বছৰৰ সাহিত্যিক পেনচনৰ তালিকাখন এক উল্লেখযোগ্য ব্যতিক্ৰম বুলি কব লাগিব। পেনচনৰ কাৰণে বাছনি কৰা আটাইকেইজন ব্যক্তিয়েই নিজ নিজ ক্ষেত্ৰত লব্ধ-প্ৰতিষ্ঠ। কিন্তু কেলেংকাৰিৰ সৃষ্টি কৰিলে শিল্পী পেনচনৰ তালিকাখনে। লক্ষ্যধৰ চৌধুৰী অসমৰ শিল্প-সংস্কৃতিৰ জগতৰ এজন নমস্য ব্যক্তি। কিন্তু তেওঁ এজন প্ৰথম শ্ৰেণীৰ সাহিত্যিকো। 'মানুহ বিচাৰি' নামৰ অভিনব গ্ৰন্হখনে তেওঁক অসমীয়া সাহিত্যত এক সুকীয়া মৰ্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰিছে। গ্ৰন্হখনে কলিকতাৰ ভাৰতীয় ভাষা পৰিষদৰ সন্মান-জনক পুৰস্কাৰো লাভ কৰিছে। ৰাজ্য চৰকাৰে যদি লক্ষ্যধৰ চৌধুৰীক সন্মান জনাবই খুজিছিল, তেন্তে তেওঁক এহেজাৰ টকীয়া সাহিত্যিক পেনচনেই দিয়া উচিত আছিল। আৰু যদি ৰাজ্য চৰকাৰে ভাবে যে সাহিত্যিক লক্ষ্যধৰ চৌধুৰীতকৈ শিল্পী লক্ষ্যধৰ চৌধুৰীহে তেওঁলোকৰ বিচাৰত বেছি গুৰুত্বপূৰ্ণ, তেতিয়াহলেও তেওঁক এহেজাৰ টকীয়া শিল্পী পেনচন দিয়া উচিত আছিল। টকাৰ অংকটো এই কাৰণেই গুৰুত্বপূৰ্ণ যে তাৰ দ্বাৰাই যি কোনো বস্তুৰ আপেক্ষিক মূল্য তথা গুৰুত্ব নিৰূপণ কৰা হয়। এক কিলো ৰৌমাছৰ দাম ষাঠি টকা। কিন্তু এক কিলো গৰৈ মাছৰ দাম ত্ৰিশ টকা। অসম চৰকাৰে কৰতী পুথি লিখি সাহিত্যিক হোৱা মানুহক এহেজাৰ টকা পেনচন দি আৰু লক্ষ্যধৰ চৌধুৰীক ছশ টকা শিল্পী পেনচন দি এই কথাই প্ৰমাণ কৰিলে যে তেওঁলোকে লক্ষ্যধৰ চৌধুৰীক গৰৈ মাছ বুলিহে ভাবে; ৰৌ মাছ বুলি নাভাবে। অথচ আন বহুতে কৰাৰ নিচিনাকৈ লক্ষ্যধৰ চৌধুৰীয়ে পেনচনৰ কাৰণে দৰ্খাস্ত কৰা নাছিল বা তেওঁৰ হৈ কেনভাচ কৰিবলৈ কাকো খাটনিও ধৰা নাছিল। তেন্তে তেওঁ বিনা দোষত কিয় এই অপমানটো পাব লগা হ'ল?

লক্ষ্যধৰ চৌধুৰীৰ বিষয়ে ইমানখিনি লিখিলো যদিও আচলতে তেওঁৰ হৈ ওকালতি কৰা মোৰ উদ্দেশ্য নহয়। এই ধৰণৰ ঘটনা কিয় বা কেনেকৈ হবলৈ পায় তাৰ বিচাৰ কৰাটোহে বেছি জৰুৰী কাম বুলি মই ভাবো। ওপৰতেই কৈ অহা হৈছে যে পেনচনৰ কাৰণে শিল্পী আৰু সাহিত্যিকৰ চূড়ান্ত বাছনি কৰাৰ আগতে উপযুক্ত লোকৰ দ্বাৰাই তেওঁলোকৰ কাম-কাজৰ মূল্যায়ন কৰি লব লাগিব বুলি নিয়মাৱলীত

স্পষ্টভাবে কোৱা আছে। কিন্তু মোৰ এতিয়া সন্দেহ হৈছে যে সংশ্লিষ্ট মন্ত্ৰী বা বিষয়া কোনেও এই নিয়মবোৰ পঢ়ি নাচায়। প্ৰতি বছৰৰ ৩১ মাৰ্চৰ দিনাখন যি কোনো প্ৰকাৰে চৰকাৰী ধন খৰচ কৰি শেষ হোৱা বুলি দেখুৱাবলৈ বিভিন্ন দপ্তৰৰ কাৰ্যালয়বোৰত যি ধৰণৰ কৰ্ম-ব্যস্ততা চলে, ঠিক তেনেকৈয়ে পেনচন ঘোষণা কৰিব লগা দিনটোৰ এদিন বা দুদিনৰ আগতে মন্ত্ৰী আৰু বিষয়াই শিল্পী-সাহিত্যিকৰ এখন তালিকা লৈ বহে, আৰু তালিকাত থকা প্ৰতিজন শিল্পী-সাহিত্যিকক পেনচনৰ যোগ্য বা অযোগ্য বুলি ঘোষণা কৰিবলৈ তেওঁলোকক গড় হিচাপে এক মিনিটতকৈ বেছি সময় নালাগে। পৃথিৱীৰ আন কোনো সভ্য দেশত শিল্পী-সাহিত্যিকৰ সমগ্ৰ জীৱনৰ সাধনাৰ মূল্যায়ন কৰিবলৈ মাত্ৰ এক মিনিট সময় খৰচ কৰাৰ কথা মই নাজানো। চৰকাৰৰ এনে কাৰ্যৰ দ্বাৰা শিল্পী-সাহিত্যিকৰ প্ৰতি চৰকাৰৰ শ্ৰদ্ধাতকৈ অবজ্ঞা বা অনুকম্পাহে বেছিকৈ প্ৰকাশ পায় বুলি ভবাৰো থল আছে।

এইবাৰ লক্ষ্যধৰ চৌধুৰীয়ে চৰকাৰী পেনচন প্ৰত্যাখ্যান কৰি গোটেই ব্যৱস্থাটোৰ মাজত নিহিত হৈ থকা ত্ৰুটিবোৰৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰিছে। আমি আশা কৰো যে ভৱিষ্যতে শিল্পী-সাহিত্যিকৰ পেনচনৰ বিষয়টো বিবেচনা কৰিবৰ সময়ত চৰকাৰে নিয়মাৱলীখন ভালকৈ পঢ়ি চাব আৰু পেনচন ঘোষণা কৰিব লগা নিৰ্দিষ্ট দিনটোৰ অন্ততঃ দুমাহ আগৰ পৰা এখন বিশেষজ্ঞ কমিটিৰ দ্বাৰা পেনচনৰ কাৰণে বিবেচনা কৰা লোক সকলৰ কাম-কাজ পৰীক্ষা কৰোৱাব। সাহিত্যিক পেনচন আৰু পুৰস্কাৰ আদি বস্তুবোৰ নিয়ন্ত্ৰিত হোৱা উচিত সুচিন্তিত নিয়মৰ দ্বাৰা; কোনো ব্যক্তি-বিশেষৰ বা ৰাজনৈতিক দলৰ খেয়াল-খুচিৰ দ্বাৰা নহয়। দ্বিতীয়তে, অসমৰ নিচিনা দুখীয়া ৰাজ্যই প্ৰতিটো পইছা খুব সন্তৰ্পণে ভাবি-চিন্তি খৰচ কৰা উচিত। এতিয়া কৰি থকাৰ নিচিনাকৈ প্ৰতি বছৰে পাইকাৰী হাৰত চল্লিশ-পঞ্চাশজন মানুহক পেনচন দি থাকিবলৈ হলে ৰাজহুৱা ধনৰ অপৰাধ-সদৃশ অপচয় হোৱাৰ উপৰিও বেছিভাগ অযোগ্য লোকেই পেনচন পাই থাকিব আৰু তাৰ ফলত পেনচনৰ মৰ্যাদা বা মূল্য সমূলি নোহোৱা হ'ব। তৃতীয়তে, সাংবাদিকতাৰ বৃত্তিটোৰ বিশেষ মৰ্যাদা আৰু স্বাতন্ত্ৰ্য ৰক্ষা কৰিবলৈ হলে সাংবাদিকৰ কাৰণে চৰকাৰী পেনচনৰ ব্যৱস্থা নথকাই বেছি ভাল বুলি আমি ভাবো।

□ □ □

## ৰিচাৰ্ড বাৰ্টন



চাৰ ৰিচাৰ্ড বাৰ্টন আছিল উনৈশ শতিকাৰ এজন বিখ্যাত ইংৰাজ অভিযাত্ৰী। বহু-ভাষাবিদ বাৰ্টনে বিভিন্ন বিচিত্ৰ বিষয়ৰ ওপৰত বহুতো গ্ৰন্থ ৰচনা কৰিছিল। কিন্তু ইংৰাজী সাহিত্যৰ বুৰঞ্জীত তেওঁ ঘাইকৈ বিখ্যাত তেওঁৰ আৰব্য-ৰজনীৰ (The Arabian Nights) ইংৰাজী অনুবাদৰ কাৰণেহে। আৰবী ভাষাৰ ওপৰত বাৰ্টনৰ দখল আছিল অসামান্য। ১৮৫৩ চনত তেওঁ ছদ্মবেশত মক্কা আৰু মদিনাত প্ৰবেশ কৰে। ইছলামৰ এই দুখন পৱিত্ৰ নগৰীত প্ৰবেশ কৰা বাৰ্টনেই আছিল প্ৰথম অ-মুছলমান। যি কি নহওক, গোটেই জীৱন বিভিন্ন বিষয়ৰ ওপৰত অলেখ গ্ৰন্থ লিখিও প্ৰাপ্য স্বীকৃতি বা সন্মান নাপাই বাৰ্টনে শেষ বয়সত ক্ষোভ প্ৰকাশ কৰি এজন বন্ধুক কৈছিল – '৪৭ বছৰ ধৰি মই কঠোৰ সাধনা কৰিলো। মই সকলো প্ৰকাৰে যথাসাধ্য মোৰ কৃতিত্ব প্ৰমাণ কৰিলো। কিন্তু কাৰো পৰা মই প্ৰশংসা-সূচক এটা মাত্ৰ শব্দ, এটা মাত্ৰ ধন্যবাদ বা এটা ফুটাকড়িও নাপালো। বুঢ়া বয়সত মই এখন সন্দেহ-জনক কিতাপ ইংৰাজীলৈ অনুবাদ কৰিলো আৰু লগে লগে ১৬,000 গিনি উপাৰ্জন কৰিলো। এতিয়া যিহেতু ব্ৰিটিছ সকলৰ ৰুচিৰ পৰিচয় মই ভালকৈয়ে পালো, গতিকে এতিয়াৰ পৰা আৰু কেতিয়াও মোৰ ধনৰ অভাৱ নহ'ব।'




**শাৰদীয় সূত্ৰধাৰ**

উষ্চমান বিশিষ্ট মৌলিক প্ৰবন্ধ-সম্ভাৰ বিশেষ সংখ্যা সূত্ৰধাৰবোৰৰ প্ৰধান বৈশিষ্ট্য। কিন্তু এইবাৰৰ সূত্ৰধাৰৰ আৰু এটা প্ৰধান আকৰ্ষণ হ'ল **পদ্ম বৰকটকীৰ** এখন সম্পূৰ্ণ নতুন ধৰণৰ উপন্যাসঃ **'কণকবৰণ'**। নৈয়ে সুঁতি সলোৱাৰ দৰে পদ্ম বৰকটকীৰ উপন্যাসেও সুঁতি সলোৱাৰ উপক্ৰম কৰিছে যেন লাগিছে। এই উপন্যাসখনেই তাৰ প্ৰমাণ।

সাংবাদিক কণকবৰণে চাকৰিৰ কাৰণে লিখাখিনিত গাফিলতি নকৰে। কিন্তু তাতে তেওঁৰ অনুসন্ধিৎসা শেষ নহয়। বিভিন্ন ব্যক্তিৰ লগত পতা কথা, আড্ডাত শুনা কথা আদি দিনৌ টুকি থৈ যায়। তেনেকুৱাকৈ গোট খোৱা এসোপা কথা এদিন পঢ়িবলৈ লৈ কণকবৰণে দেখিলে, প্ৰগতিৰ বাবে ব্যাকুল হোৱা এইখিনি মানুহ বা এখন সমাজৰ আড্ডা আৰু ব্যক্তিবোৰেও অজানিতে এটা পক্ষ লয়; হয় প্ৰগতিৰ, নহলে সংৰক্ষণশীলতাৰ। সেই আড্ডা আৰু আলোচনা বোৰৰে এক ভিন্ন সুৰৰ উপন্যাস। অসমৰ সমসাময়িক পৰিস্থিতিত পৰা মনবোৰৰ এক বিবসন ছবি।

**শাৰদীয় সূত্ৰধাৰ ১ অক্টোবৰত প্ৰকাশ পাব, দাম ১৫ টকা।**








# বিক্ৰীৰ বাবে বিকলাংগ বিদ্যুৎ বোৰ্ড

দুলাল বৰা

অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ (ASEB) শোচনীয় কাম-কাজৰ অনুসন্ধান কৰাৰ উদ্দেশ্যে গণ পৰিষদ চৰকাৰৰ দিনত অসম বিধান সভাই এখন চাৰিজনীয়া তদন্ত কমিটী গঠন কৰি দিছিল। ১৯৮৯ চনত ৭ জুনৰ দিনা কমিটীখনে বিধান সভাৰ মজিয়াত প্ৰতিবেদনো দাখিল কৰিলে। ভালেমান আসোঁৱাহ আঙুলিয়াইদিয়াৰ উপৰিও কমিটীখনে ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ এক চাঞ্চল্যকৰ তথ্যও আৱিষ্কাৰ কৰিলে। প্ৰতিবেদনখনৰ মতে বিদ্যুৎ বোৰ্ডত প্ৰয়োজনতকৈ বহু বেছি সংখ্যক কৰ্মচাৰী নিযুক্ত হৈ আছে। ৪৮৪ মেগাৱাট বিদ্যুৎ উৎপাদনৰ ক্ষমতা থকা বোৰ্ডখনৰ অধীনত চাকৰিয়ালৰ সংখ্যা ২২ হেজাৰ ৮১৬ জন। তুলনামূলক ভাবে গোটেই ভাৰতৰ ভিতৰতে সৰ্বাধিক। কিয়নো সমগ্ৰ ভাৰতত (১৯৮৩-৮৪ চনৰ হিচাপমতে) প্ৰতি মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাৰ বিপৰীতে থকা চাকৰিয়ালৰ সংখ্যা গড় হিচাপত মাত্ৰ ২৭ জন। কিন্তু অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডত ৭0.৭ জন। অৰ্থাৎ ৭0 জনতকৈও অধিক সংখ্যক চাকৰিয়াল মাত্ৰ এক মেগাৱাট বিজুলী শক্তিৰ উৎপাদন ক্ষমতাৰ বাবে ৰাজ্যিক বিদ্যুৎ বোৰ্ডত নিযুক্ত হৈ আছে। সঁচা কথা কবলৈ গ'লে এই সংখ্যা সমগ্ৰ বিশ্বৰ ভিতৰতে সম্ভৱতঃ সৰ্বাধিক হ'ব।

কিন্তু তথাপিও প্ৰয়োজন অনুসৰি অসমত বিজুলীবাতি নজ্বলেহে নজ্বলে। বৈদ্যুতিকৰণ কৰা গাঁৱৰ সংখ্যা তুলাপাতত দেখুৱাই যিমানেই ফিতাহি মৰা নহওক, গাওঁবোৰত কিন্তু অহৰহ আন্ধাৰৰহে ৰাজত্ব। আকাশত মেঘৰ বিজুলীৰ চমকৰ লগতহে, বিদ্যুৎ বোৰ্ডে যোগান ধৰা বিজুলীৰ ভুমুকিক ৰিজাব পৰা অৱস্থা। ৰাজ্যখনৰ আন ঠাইৰ মানুহে ৰাজধানীলৈ আহি গুৱাহাটী মহানগৰীৰ মানুহখিনিকহে হিংসাৰ চকুৰে চায়। কিয়নো তেওঁলোকৰ তুলনাত বোলে গুৱাহাটী বাসীয়ে হেনো যথেষ্ট বিজুলীৰ পোহৰ দেখিবলৈ পায়। কিন্তু সঁচা অৰ্থত গুৱাহাটী বাসীকেই বিজুলীয়ে কিমান জ্বলা-কলা কৰি আছে সেই কথা বাসিন্দা সকলেহে জানে। আনবোৰ অঞ্চলত যদি গুৱাহাটীৰ পৰিমাণো বিজুলী নাই, তেন্তে অৱস্থা কেনেধৰণৰ হ'ব সেয়া সহজেই অনুমেয়।

বিজুলীয়ে অসমৰ ৰাইজৰ নাকনি-কাননি অৱস্থা নকৰিবইবা কিয়? অত্যধিক কৰ্মচাৰী থকাৰ 'গৌৰৱ'হে ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ আছে, কিন্তু সেইমতে বিদ্যুৎ উৎপাদন কৰিব পৰাৰ গৌৰৱ নাই। বিদ্যুৎ উৎপাদন ক্ষমতা বোৰ্ডৰ যিমান আছে তাৰ অৰ্দ্ধেকো আজি পৰ্যন্ত উৎপাদনকে কৰিব পৰা নাই। কৰ্তৃপক্ষৰ মতেই অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ বৰ্তমান উৎপাদন ক্ষমতা ৫১২ মেগাৱাট। ৰাজ্যখনৰ চাহিদা হৈছে সৰ্বোচ্চ 800 মেগাৱাট। কিন্তু বোৰ্ডে সম্প্ৰতি উৎপাদন কৰিছে মাত্ৰ ১৮৬ মেগাৱাটহে অৰ্থাৎ উৎপাদন ক্ষমতাৰ প্ৰায় এক-তৃতীয়াংশহে। বঙাইগাওঁত থকা উৎপাদন কেন্দ্ৰটোৰ ক্ষমতা ২৪0 মেগাৱাট, অথচ উৎপাদন হৈছে মাত্ৰ ৪0ৰ পৰা ৫0 মেগাৱাটৰ ভিতৰত। তাত থকা ৪টা ইউনিটৰ ভিতৰত ৩টাই অচল। নামৰূপৰ কেন্দ্ৰটোৱে উৎপাদন কৰিব লাগে ১৩0 মেগাৱাট কিন্তু ৫0 বা ৬0 মেগাৱাটতকৈ তাত উৎপাদন হোৱা নাই আৰু তাতো তিনিটা ইউনিট অচল হৈ আছে। লাকুৱা কেন্দ্ৰটোৰ উৎপাদন ক্ষমতা ৬0 মেগাৱাট কিন্তু তাতো চাৰিটা ইউনিটৰ ভিতৰত মাত্ৰ এটাতহে উৎপাদন হৈছে আৰু ১৫ মেগাৱাটতকৈ বেছি হোৱাই নাই। তুলনামূলক ভাবে ভালকৈ কাম-কাজ চলি আছে একমাত্ৰ চন্দ্ৰপুৰ কেন্দ্ৰত। তাত বিদ্যুৎ উৎপাদন ক্ষমতা ৬0 মেগাৱাট আৰু ৫0ৰ পৰা ৫৫ মেগাৱাটৰ ভিতৰত উৎপাদন হৈ আছে। মুঠৰ ওপৰত বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰতেই এক অচলাৱস্থা আৰু অৰাজকতাই বিৰাজ কৰি আছে। গ্ৰাহকৰ মাজত বিতৰন হয় ক'ৰ পৰা?

আশ্চৰ্যজনক হলেও সত্য যে এনে অচলাৱস্থা বা অৰাজকতা হঠাৎ ঘটা এক নতুন ঘটনা নহয়। দীৰ্ঘদিন জুৰি এনে অৱস্থাই চলি আছে। কিছুদিন জুৰি কৰ্তৃপক্ষৰ পৰা যুক্তি দি থকা দেখা গৈছিল যে ৰাজ্যিক বিদ্যুৎ বোৰ্ডলৈ ভেল (BHEL) নামৰ ৰাজহুৱা প্ৰতিষ্ঠানটোৱে দিয়া যন্ত্ৰপাতিবোৰেই বেয়া। এতিয়া যুক্তি দিয়া দেখা গৈছে যে বেয়া হৈ থকা অধিকাংশ যন্ত্ৰপাতিয়েই কানাডা, জাপান আদি দেশৰ। সেইবোৰ ভাল কৰাৰ ক্ষমতা ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ নাই। গতিকে কোনোবাটো মেচিন ভাল কৰিবৰ বাবে বিদেশৰ পৰা যন্ত্ৰপাতি বিচৰা হৈছে, কোনোবাটোৰ বাবে বিদেশৰ পৰা ইঞ্জিনিয়াৰ অনা হৈছে, কোনোবাটো মেচিন বিদেশলৈকে (যেনে কানাডালৈ) মেৰামতিৰ বাবে পঠোৱা হৈছে ইত্যাদি ইত্যাদি। যেন সমস্ত দোষ যন্ত্ৰবোৰৰহে। বিদ্যুৎ বোৰ্ডৰ দায় মুঠেই নাই।

কথাটো সঁচা যে 'ভেল' (BHEL)ৰ পৰা কিনা যন্ত্ৰপাতিবোৰৰ কিছু ত্ৰুটি-বিচ্যুতি আছিল। একমাত্ৰ বঙাইগাওঁ কেন্দ্ৰৰ

যন্ত্ৰপাতিহে এই ৰাজহুৱা প্ৰতিষ্ঠাটোৰ পৰা অনা হৈছিল। কিন্তু অসম বিধান সভাৰ ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ কমিটীখনে বিষয়টো অনুসন্ধান কৰিবলৈ মহাৰাষ্ট্ৰলৈ গৈছিল। কিয়নো মহাৰাষ্ট্ৰৰ বিদ্যুৎ বোৰ্ডকো যোগান ধৰা ভেলৰ যন্ত্ৰপাতিবোৰ বেয়া বুলি সমালোচনা হৈছিল। অসমৰ কমিটীখনে আৱিষ্কাৰ কৰিলেগৈ যে মহাৰাষ্ট্ৰ বিদ্যুৎ বোৰ্ডলৈ ত্ৰুটিপূৰ্ণ যন্ত্ৰপাতি যোৱাৰ কথা সঁচা। কিন্তু বোৰ্ড কৰ্তৃপক্ষই সেই ত্ৰুটিৰ কথা আঙুলিয়াই দি লগে লগে আপত্তি তোলাত ভেল কৰ্তৃপক্ষই নিজৰ তৰফৰ পৰাই সেইবোৰ ঠিক কৰি দিছিল। অসমৰ ক্ষেত্ৰত কিন্তু কাৰ হেমাহিৰ বাবে এনে নহল সেই কথা অজ্ঞাত হৈয়েই ৰ'ল।

এই কথাও সঁচা যে অসমৰ কেইটা বিদ্যুৎ উৎপাদন কেন্দ্ৰই হৈছে তাপ অৰ্থাৎ থাৰ্মেল ভিত্তিক। স্বাভাৱিক কাৰণতেই এনে বিদ্যুৎ উৎপাদন কেন্দ্ৰই নিয়মীয়াকৈ আৰু পৰ্যাপ্ত পৰিমাণৰ বিদ্যুৎ উৎপাদন কৰিব নোৱাৰে। তদুপৰি এইবিলাক অত্যন্ত ব্যয়-সাপেক্ষ আৰু অত্যন্ত দক্ষতা বা কাৰিকৰী কুশলতা নেথাকিলে চলাই ৰখা টান। কিন্তু অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ এই প্ৰাথমিক গুণখিনিকে আজিকোপতি আহৰণ নহ'ল। বিধান সভাৰ তদন্ত কমিটীখনেই কৈ থৈছে যে কাৰিকৰী সূক্ষ্মতাসম্পন্ন অনেক যন্ত্ৰপাতি অদক্ষ পৰিচালনাৰ হেতুকে আৰু তাৰ বাবে ইঞ্জিনিয়াৰ সকলৰ প্ৰয়োজনীয় ট্ৰেইনিঙৰ অভাৱৰ বাবে তাপবিদ্যুৎ কেন্দ্ৰ সমূহ নিয়াৰীকৈ চলিব পৰা নাই। শুনিলে আচৰিত হ'ব লগীয়া কথা যে ইয়াৰ বাবে বিদ্যুৎ বোৰ্ডৰ বিশেষ উৎকন্ঠাও নাই। থকা হলে, ১৯৫৮ চনৰ পৰা কাৰ্যনিৰ্বাহ কৰি থকা বিদ্যুৎ বোৰ্ডৰ অধীনত ৩৩ বছৰে এটা নিজা ট্ৰেইনিঙ ইন্সটিটিউট্ গঢ়ি নুঠিল। তদন্ত কমিটীখনৰ আগত, বঙাইগাঁৱত থকা বিদ্যুৎ বোৰ্ডৰ পদাধিকাৰী নিৰ্মল দাসে নিজেই সাক্ষ্য দি কৈছিল যে আমাৰ ইয়াত (বঙাইগাওঁত) যি ৯টা বয়লাৰ পাম্প জ্বলি গৈছে, ক'ল (COAL) বাউল্ মিল্‌চ নষ্ট হৈছে তাৰ বাবে পৰিষদ কৰ্তৃপক্ষই দায়ী। কাৰণ অনভিজ্ঞ ইঞ্জিনিয়াৰৰ দ্বাৰা সেইবোৰ চলাই থাকে। যি ইঞ্জিনিয়াৰে বাউলচ্ মিল কেতিয়াও দেখাই নাই তেওঁলোকে তাত কাম কৰি থকাৰ ফলতেই মেচিনবোৰ নষ্ট হৈ গৈ আছে। কাৰিকৰী দিশত অভিজ্ঞতা থকা কৰ্মচাৰীৰ অভাৱৰ কাৰণে যথেষ্ট অসুবিধা হৈছে, যাৰ ফলত বিদ্যুৎ উৎপাদনৰ যথেষ্ট ক্ষতি হৈছে। তদন্ত কমিটীখনে, ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ কৰ্মচাৰী সকলৰ বাবে বিশেষকৈ থাৰ্মেল বিষয়ক ট্ৰেইনিঙৰ ব্যৱস্থা নোহোৱা কথাটোত যথেষ্ট উদ্বেগ প্ৰকাশ কৰিছে। যি দুই এজন ইঞ্জিনিয়াৰক বিশেষ ট্ৰেইনিঙৰ বাবে ৰাজ্যৰ বাহিৰলৈ পঠোৱা হয়, তেওঁলোককো পিছলৈ পৰিকল্পিত ধৰণে প্ৰশিক্ষণ লৈ অহা কাম-কাজত নিযুক্ত নকৰি আন ঠাইতহে (হয়তো মনে বিচৰা) দায়িত্ব দিয়াৰ নিৰ্দশনো বিদ্যুৎ বোৰ্ডত আছে। গতিকে দেখা যায় কম পৰিমাণৰ বিদ্যুৎ উৎপাদনৰ বাবে ৰাজ্যখনৰ যি দুৰ্ভোগ চলি আছে তাৰ বাবে মূলতঃ দায়ী ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ চিন্তাৰ দীনতা, পৰিকল্পনা আৰু দূৰদৃষ্টিৰ অভাৱ।

কিন্তু সেইবুলি যে বিদ্যুৎ উৎপাদনক বাদ দি আনবোৰ যেনে প্ৰশাসনিক আৰু অৰ্থনৈতিক দিশত যে বিদ্যুৎ বোৰ্ডখন সুকলমে চলি আছে, সেইটোও নহয়। অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ড গঠিত হৈছে ১৯৪৮ চনৰ বিজুলী যোগান আইনখনৰ অধীনত আৰু সেইমতে বোৰ্ডৰ হিচাপপত্ৰ পৰীক্ষা কৰাৰ সমুদায় দায়িত্ব ন্যস্ত হৈ আছে ভাৰত চৰকাৰৰ কম্পট্ৰেলাৰ এন্ড অডিটৰ জেনেৰেলৰ (CAG বা চমুকৈ কেগ) হাতত। কিন্তু ১৯৮৯ চনৰ ৩১ মাৰ্চ লৈকে সামৰি কেগৰ যি প্ৰতবেদন অলপতে প্ৰকাশিত হৈছে, তাৰ পৰা দেখা যায় যে বিদ্যুৎ বোৰ্ডে ১৯৮৫-৮৬ চনলৈকেহে হিচাপপত্ৰ দাখিল কৰিব পাৰিছে। অৰ্থাৎ এতিয়ালৈকে ৫ বছৰ পিছুৱাইয়েই আছে। বিধান সভাৰ তদন্ত কমিটীয়েও আনকি বোৰ্ডৰ হিচাপ পত্ৰ ৰখাৰ ক্ষেত্ৰত বিস্তৰ আসোঁৱাহ আৱিষ্কাৰ কৰিছে। বোৰ্ডৰ নাৰেংগীত থকা মুখ্য কাৰ্যালয়টোৱে আনকি তদন্ত কমিটীৰ সমুখত, টকা-পইছাৰ হিচাপপত্ৰ দেখুওৱাৰ কথা বাদেই নিজৰ কৰ্মচাৰী সকলৰ ৰেকৰ্ড, গাড়ী-মটৰৰ ৰেকৰ্ড আদি দেখুৱাব নোৱাৰিলে আৰু সি কম দুৰ্ভাগ্যৰ কথা নহয়। কমিটীখনৰ মতে – বিদ্যুৎ বোৰ্ডৰ বিত্ত বিভাগটোৰ, খৰচ কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ বাজেটীয় নিয়ন্ত্ৰনেই নাই। কষ্ট্ মেনেজমেন্ট আৰু কষ্ট্ কন্ট্ৰলৰ একো ব্যৱস্থা নাই। কোনো বিত্তীয় পৰিকল্পনা নাই। বিত্তীয় অনুশাসনবিধিও নাই। নিজাববীয়াকৈ থকা অডিট ব্যৱস্থাটোও তেনেই নিশকতীয়া। বোৰ্ডৰ পাৰ্চনেল এডমিনিষ্ট্ৰেচনত চলি আছে অৰাজকতা। প্ৰয়োজনতকৈ অধিক কৰ্মচাৰী আছে অথচ কোনোধৰণৰ নিয়োগ-নীতি বা মেন পাৱাৰ পলিচি বোৰ্ডত নাই। ইঞ্জিনিয়াৰৰ সংখ্যাৰে গোটেই বোৰ্ডখন ওপৰ-গধুৰ, কৰ্ম সংস্কৃতিৰ অভাৱ ইত্যাদি ইত্যাদি।

বিদ্যুৎ বোৰ্ডত কাম-কাজ কেনেভাবে চলিছে তাৰ ইংগিত কেগৰ প্ৰতিবেদনতেই স্পষ্ট। তাত কোৱা হৈছে যে নিৰ্মাণৰত অৱস্থাত থকা কাৰ্বি-লাংপি বিদ্যুৎ কেন্দটোৰ প্ৰাথমিক কাম-কাজবোৰ নোহোৱা বাবে ১৯৮২-৮৩ চনত ১ কোটি ৪৮ লাখ টকা দি কিনা ৭টা বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ ৭ বছৰতকৈও অধিক কাল এনেয়েই পৰি থাকিল আৰু তাৰ বাবে অতিৰিক্ত ভৰণি হলগৈ ১ কোটি ১৪ লাখ টকা। ৩ কোটি ২০ লাখ ৯৪ হেজাৰ টকা মূল্যৰ কুৰিটা ট্ৰেন্সফৰ্মাৰ আকৌ কাম আৰম্ভ নোহোৱাৰ হেতুকে পৰি থাকিল ৩ বছৰৰ পৰা ৯ বছৰ পৰ্যন্ত আৰু তাৰ বাবে অতিৰিক্ত ভৰণি হলগৈ ২ কোটি ৩৭ লাখ ৭৯ হেজাৰ টকা। আকৌ ২ কোটি ৪৩ লাখ ৬১ হেজাৰ টকা মূল্যৰ ২১৯৬ টা ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফমাৰ আৰু ১৭ লাখ ৭৮ হেজাৰ টকাৰ ১০টা পাৱাৰ ট্ৰেন্সফৰ্মাৰ নিতান্ত অৱহেলাৰ বাবেই জহি-পমি নষ্ট হ'ল। ট্ৰেন্সফৰ্মাৰ বিলাক ব্যৱহৃত হলেও নিৰ্দিষ্টকৈ ২৫-৩০ বছৰ কাল ঠিকে-ঠাকে চলি থকাৰ নিয়ম। কিন্তু বিদ্যুৎ বোৰ্ডৰ অধীনত ৪৯৫ টা ডিষ্ট্ৰিবিউশ্যন আৰু ৬ টা পাৱাৰ ট্ৰেন্সফৰ্মাৰ ১০ বছৰ নৌ-ওকলোতেই অচল হৈ গ'ল। ২ কোটি ৮ লাখ ৭২ হেজাৰ টকাৰ ২৪৯ টা ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফৰ্মাৰ আৰু ১ লাখ ৮৭ হেজাৰ টকাৰ এটা পাৱাৰ ট্ৰেন্সফৰ্মাৰ গ্যাৰান্টি কালৰ ভিতৰতে বেয়া হ'ল। ৰাজ্যখনৰ সৰ্বমুঠ ২২টা বিদ্যুৎ বোৰ্ডৰ ডিভিজনত এইবোৰ ট্ৰেন্সফৰ্মাৰ আছিল। যোগানকাৰীয়ে নিয়মমতে এইবোৰ বিনামূল্যে ঠিক কৰি দিয়াৰ বাবে দায়বদ্ধ আছিল। কিন্তু সময়মতে বোৰ্ডৰ পৰা যোগানকাৰীক ট্ৰেন্সফৰ্মাৰবোৰ বেয়া হোৱাৰ খবৰকে দিয়া নহ'ল। কেৱল এয়ে নহয়। নিৰ্দিষ্ট কৰি দিয়া সময়ৰ ভিতৰত যোগানকাৰীয়ে ৬৫১টা ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফৰ্মাৰ দিব নোৱাৰা হেতুকে বিদ্যুৎ বোৰ্ডে কেন্দ্ৰীয় এক্সাইজ ডিউটি ভৰিব লগা হ'ল সৰ্বমুঠ ৩ লাখ ২০ হেজাৰ টকা। বোৰ্ডৰ অধীনত থকা মেৰামতি কাৰখানা দুটালৈ, ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৮-৮৯ চনলৈ, এই ৫ বছৰীয়া কালছোৱাত সৰ্বমুঠ ২৫১টা ট্ৰেন্সফৰ্মাৰ ভাল



কৰিবৰ বাবে আহে। কিন্তু তাৰ মাত্ৰ ১১৬ টাহে মেৰামতি কৰা হয়। ১৯৮৭-৮৮ চনত যোৰহাটৰ ইন্ডিয়ান লাইভৱায়াৰ কৰ্পৰেশ্যন নামৰ ব্যক্তিগত কাৰখানা এটালৈ ৬২টা ট্ৰেন্সফৰ্মাৰ বোৰ্ডে মেৰামতিৰ বাবে পঠায় কিন্তু কিমান দিনৰ ভিতৰত কামটো কৰি দিব লাগে তাৰ বাবে কোনো নিৰ্দেশেই নিদিলে। তাৰ ফলত এবছৰমানৰ মূৰত ৭টা ট্ৰেন্সফৰ্মাৰ মেৰামত হৈ ঘূৰি আহিল কিন্তু ৫৫টা ব্যক্তিগত প্ৰতিষ্ঠানটোতে ১৯৮৯ চন পৰ্যন্ত পৰি থাকিল।

বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ বোৰত ব্যৱহৃত হোৱাৰ তেল পুনৰ পৰিশোধন কৰিব পাৰি অথবা বিক্ৰীও কৰিব পাৰি। কিন্তু বোৰ্ডে এই কাম-ফেৰা নিয়মমতে নকৰে। ১৯৮৭ চনৰ জানুৱাৰীত, ইন্দ্ৰলুব্ৰিকেন্টছ নামৰ প্ৰতিষ্ঠান এটাই প্ৰতি লিটাৰ ব্যৱহৃত তেল শোধনৰ বাবে দুটকাকৈ বা বিক্ৰী কৰিলে প্ৰতি লিটাৰত ৬ টকাকৈ দিবৰ বাবে উপযাচি বোৰ্ডৰ ওচৰ চাপিছিল। কিন্তু বোৰ্ডৰ গা-নলৰিল। লৰিবইবা কেনেকৈ? ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৮-৮৯ চনলৈকে এই কালছোৱাত প্ৰায় ৮ লাখ ৮৭ হেজাৰ লিটাৰ ব্যৱহৃত তেলৰ কোনো হিচাপেই নাই। অথচ বজাৰত (সেইখিনিৰ মূল্য) কমেও ৫৩ লাখ ২২ হেজাৰ টকা পালেহেঁতেন। কেগৰ প্ৰতিবেদনতহে এইবোৰ কথা ধৰা পৰিছে। ইয়াৰ মাজেদি বিদ্যুৎ বোৰ্ডত চলা কাম-কাজৰ কিঞ্চিত আভাসহে পোৱা যায়। প্ৰকৃতাৰ্থত যি অৰাজকতা, অপদাৰ্থতা আৰু অনিয়মৰ মহাপংকত বিদ্যুৎ বোৰ্ড নিমজ্জিত হৈ আছে সেইবোৰ উদ্ঘাটন কৰাটো এক প্ৰকাৰ দুৰূহ। অৱশ্যে এই কথাও সত্য যে আঙুলি মূৰত লিখিব পৰা কিছু সংখ্যক নিষ্ঠাবান কৰ্মীও বিভাগটোত আছে। কিন্তু তেখেত সকলৰ নিষ্ঠা বা সাধনাই অনিয়মৰ মহাসাগৰখনত কোনো ঢৌৰ সৃষ্টি কৰিব পৰা নাই আৰু সি অসম্ভৱো।

কিন্তু সবাতোকৈ উদ্বেগজনক কথাটো হ'ল যে অনিয়ম আৰু অৰ্কমন্যতাৰ সাগৰত ডুবি থকা বিদ্যুৎ বোৰ্ডৰ লগত অসমৰ ৰাইজৰ ধন লগ্নী হৈ আছে। ঋণ হিচাপে ৰাজ্য চৰকাৰৰ পৰা বিপুল পৰিমাণৰ ধন বিদ্যুৎ বোৰ্ডত নিয়োজিত। উল্লেখযোগ্য যে ১৯৮৭-৮৮ চনৰ এক হিচাপ মতে বিদ্যুৎ বোৰ্ডে চৰকাৰৰ পৰা পোৱা ধনৰ পৰিমাণ সৰ্বমুঠ ১১৯৩ কোটি ৩২ লাখ টকা। ইয়াৰ উপৰিও ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানৰ পৰাও বোৰ্ডে বিপুল পৰিমাণৰ ধন ঋণ হিচাপে সংগ্ৰহ কৰে।

১৯৪৮ চনৰ বিদ্যুৎ বোৰ্ড আইনৰ মতে –সকলোধৰণৰ ৰাজহ সংগ্ৰহ আৰু খা-খৰচ কৰাৰ পিছত ৰাজ্যিক বিদ্যুৎ বোৰ্ডে প্ৰতিটো বিত্তীয় বছৰত নিজৰ নিৰ্দ্ধাৰিত সম্পদৰ (Fixed assets) যি মূল্য তাৰ শতকৰা ৩ ভাগ হলেও লাভ দেখুৱাব পাৰিব লাগিব। কিন্তু অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ ক্ষেত্ৰত ইয়াৰ একেবাৰে ওলোটা ঘটনাহে ঘটিছে। বছৰি বছৰি ঘাটিহে বাঢ়িছে। ১৯৯১-৯২ চনৰ বাৰ্ষিক প্ৰতিবেদনমতে ১৯৯০-৯১ চনতেই আয়ৰ তুলনাত ৮৪৮৮ লাখ টকা অধিক ব্যয় হৈছে। অৰ্থাৎ ঘাটি হৈছে। ১৯৯১-৯২ চনৰ আৰম্ভণি সৰ্বমুঠ ২২৩ কোটি ২০ লাখ টকাৰ ঘাটিৰে আৰম্ভ হৈছে। অথচ চৰকাৰৰ পৰা ঋণ হিচাপে পোৱা টকা পৰিশোধ কৰাৰ বাবে কোনো বিশেষ কাৰ্যকৰী ব্যৱস্থা বিদ্যুৎ বোৰ্ডে লোৱা নাই আৰু তাৰ ফলত ৰাজ্যৰ বিত্তীয় পুঁজিৰ ওপৰত এই বিপুল পৰিমাণৰ ধন এক বোজা স্বৰূপ হৈ পৰিছে বুলিও বিধান সভাৰ তদন্ত কমিটীখনে উল্লেখ কৰা কথা এই ক্ষেত্ৰত প্ৰনিধানযোগ্য।

শক্তি বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কল্পনাথ ৰায়ে অলপতে স্বীকাৰ কৰিছে যে সমগ্ৰ দেশখনত থকা সৰ্বমুঠ ১৭ খন ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ মাত্ৰ চাৰিখনেহে এতিয়ালৈকে কিছু লাভ দেখুৱাবলৈ সমৰ্থ হৈছে। সেই কেইখন হৈছে – মহাৰাষ্ট্ৰ, অন্ধ্ৰ, তামিলনাড়ু আৰু কেৰালা। সমগ্ৰ দেশখনৰ সৰ্বমুঠ বিদ্যুৎ উৎপাদন ক্ষমতাৰ মাত্ৰ ৫৬ শতাংশহে সঁচা অৰ্থত উৎপাদিত হৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত অচল বা বিকলাংগ বিদ্যুৎ বোৰ্ড সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰি দিয়া সম্পৰ্কেও আলোচনা-বিলোচনা আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে অলপতে ঘোষণা কৰা নতুন অৰ্থনৈতিক নীতি মতেও বিদ্যুতৰ উৎপাদন, সৰবৰাহ আৰু বিতৰণৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডক সুবিধা দিয়াৰ কথা কোৱা দেখা গৈছে। সেই উদ্দেশ্যে প্ৰতিৰক্ষা মন্ত্ৰী শাৰদ পাৱাৰ, পেট্ৰোলিয়াম মন্ত্ৰী বি শংকৰানন্দ, শক্তি মন্ত্ৰী কল্পনাথ ৰায় আৰু স্বাস্থ্য মন্ত্ৰী মাখন লাল ফোটেদাৰক লৈ এটি পৰামৰ্শদাতা গোট মন্ত্ৰী সভাই গঠন কৰিছে। বাতৰি মতে বিদ্যুতৰ উৎপাদন আৰু সৰবৰাহৰ ক্ষেত্ৰ ব্যক্তিগত আৰু আনকি বিদেশী পুঁজিৰ বাবেও মুকলি কৰি দিয়া হ'ব বুলি গোটটোৱে পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰী সভাই এই পৰামৰ্শ গ্ৰহণ কৰিলেই, বিদ্যুৎ খণ্ডত ব্যক্তিগত পুঁজিৰ আৱিৰ্ভাৱ ঘটিব।

এনে অৱস্থাত, অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ড সম্পৰ্কে অসম চৰকাৰেও এক সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হৈছে। অক্ষমতাৰ যি অটল গহ্বৰত ৰাজ্যিক বিদ্যুৎ বোৰ্ড পতিত হৈ আছে তাৰ পৰা উদ্ধাৰৰ আশা কোনো পধ্যেই কৰা নেযায়। অথচ একবিংশ শতিকাৰ সমুখত অসমৰ দ্ৰুত উন্নয়নৰ বাবে বিজুলী শক্তি অন্যতম অপৰিহাৰ্য বিষয়বস্তু। ইয়াৰ অবিহনে ঔদ্যোগী-কৰণকে ধৰি ৰাজ্যখনৰ আন সমস্ত উন্নয়নৰ গতি ব্যাহত হবলৈ বাধ্য।

বিশ্বজুৰি প্ৰযুক্তিগত বিজ্ঞানৰ যি চমকপ্ৰদ আৰু দ্ৰুত পৰিবৰ্তনৰ ধুমুহা বলিছে, দেখা গৈছে, ভাৰত, চীন, ছোভিয়েত ইউনিয়ন আদি কোনো দেশেই তাৰ পৰা নিলগত থাকিব পৰা নাই। নিঃসন্দেহে অসমো তাৰ পৰা নিলগত থাকিব নোৱাৰে আৰু থকাতো সম্ভৱো নহ'ব। ৰাজ্য বা দেশখনৰ বাবে ৰাজহুৱা খণ্ডৰ প্ৰয়োজন নিঃসন্দেহে শেষ হৈ যোৱা নাই। কিন্তু ৰাজহুৱা খণ্ডৰ নামত যিবোৰে ৰাইজৰ ধন হোৱাহোৱে খাই শেষ কৰিছে, পৰিবৰ্তনৰ কোনো লক্ষণ বা সম্ভাৱনাও নাই, সেইবোৰ কেৱলমাত্ৰ নীতিৰ খাতিৰত আগচি ধৰি ৰখাটো নিতান্তই মূৰ্খামি আৰু আবেগ সৰ্বস্ব। সেইবুলি ব্যক্তিগত খণ্ডতো যে কেতিয়াও লোকচান নহব বা অনিয়ম নহব তেনে যুক্তি নাই। কিন্তু ৰাইজৰ ধন জানিশুনিও বছৰৰ পিছত বছৰ ধৰি পানীত পেলাই গৈ থকাৰ দৰে ঘটনা ঘটিলে সি হ'ব এক মাৰাত্মক অপৰাধ, হাতী এটা পুহি ৰাখিব পৰাটো গৌৰৱৰেই কথা। কিন্তু সেই হাতীয়ে কাম-কাজ কৰিবলৈ এৰি যদি এটা সময়ত গিৰিহঁতকে গিলিবলৈ আহে, তেতিয়াও তাক জানো কোনোবাই পুহি ৰাখে। বিদ্যুৎ বোৰ্ডৰ ক্ষেত্ৰতো সম্প্ৰতি ঠিক এই ঘটনাটোৱেই ঘটিছে।

অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ড ব্যক্তিগত খণ্ডলৈ হস্তান্তৰকৰণ এক প্ৰশাসনিক প্ৰক্ৰিয়া হ'ব নোৱাৰে। ই হ'ব পৰিপূৰ্ণভাবেই এক ৰাজনৈতিক সিদ্ধান্ত। ইয়াৰ বাবে এহাতেদি মতান্ধতাৰ গোড়ামি বাদ দিব পাৰিব লাগিব আৰু আসন্ন ভৱিষ্যতৰ স্বপ্নও দেখিব লাগিব। অসম চৰকাৰে এই ৰাজনৈতিক সাহসকণ জানো দেখুৱাব পাৰিব?

# বুদ্ধিভ্ৰষ্ট বুদ্ধিজীৱীৰ যুৱশক্তিলৈ আহ্বান

ড০ পবিত্ৰ কুমাৰ শৰ্মা

বিভিন্ন সময়ত আল্‌ফাৰ কাৰ্যপন্থাক সমালোচনা কৰাৰ বাবে বুদ্ধিজীৱী আৰু সাংবাদিকক সংগঠনৰ ফালৰ পৰা সাবধান কৰা দেখা গৈছে। শেহতীয়া ভাবে অসমৰ সচেতন বুদ্ধিজীৱী সকলক চহৰ অঞ্চলৰ শীততাপ নিয়ন্ত্ৰিত কোঠাত বহি 'তত্ত্বগধুৰ' কিতাপ পঢ়ি আল্‌ফাক বিৰূপ সমালোচনা কৰাৰ পৰিবৰ্তে অসমৰ গাওঁ অঞ্চললৈ আহি ভাৰতীয় গণতন্ত্ৰৰ ৰক্ষক বাহিনীয়ে অসমৰ জনসাধাৰণৰ ওপৰত চলোৱা অমানৱীয় অত্যাচাৰৰ কাহিনী নিজে প্ৰত্যক্ষ কৰি প্ৰচাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। বুদ্ধিজীৱী বা সচেতন বুদ্ধিজীৱীনো কোন? বুদ্ধিজীৱীৰ অভিধানিক অৰ্থ যুক্তি সিদ্ধ আলোচনা কৰিব পৰা জ্ঞানৰ অধিকাৰী। বুদ্ধিজীৱী বুলিলে আইনবিদ, সাহিত্যিক, শিক্ষক সকলোকে সামৰে। আল্‌ফাই শীততাপ নিয়ন্ত্ৰিত কক্ষত বহা বুদ্ধিজীৱীক নিৰ্দিষ্ট কৰিছে। কিন্তু তেনে সুবিধা বুদ্ধিজীৱী সকলৰ হৈছেনে? গুৱাহাটী বিশ্ববিদ্যালয়তে ৩00 জন প্ৰবক্তা, ৰীডাৰ, অধ্যাপক আছে। অসমৰ কলেজ সমূহত কেবা হাজাৰো প্ৰবক্তা আছে। অসমৰ চুকে কোণে সমাজ সচেতন বুদ্ধিজীৱীৰ বিস্তৃতি হৈছে। গুৱাহাটীৰ প্ৰতিখন আলোচনী, সংবাদপত্ৰ, আলোচনা চক্ৰত তেওঁলোকৰ বিভিন্ন চিন্তাধাৰা জনসাধাৰণৰ মাজত প্ৰচাৰ হৈছে। আনকি আল্‌ফাৰ যিখিনি সীমিত চিন্তাধাৰা প্ৰচাৰ কৰা হৈছে তাকো বাতৰি কাকত, আলোচনী আৰু অন্যান্য প্ৰচাৰ মাধ্যমত অকল অসম বা ভাৰততে নহয় পৃথিৱীৰ শক্তিশালী প্ৰচাৰ মাধ্যমৰ অনুগ্ৰহত সমগ্ৰ পৃথিৱীতে ব্যাপ্ত হৈছে।

বুদ্ধিজীৱী বা যিকোনো শান্তিপ্ৰিয় আৰু ন্যায়নিষ্ঠ নাগৰিকেই ৰাষ্ট্ৰীয় বা ব্যক্তি সন্ত্ৰাসবাদ সমৰ্থন কৰিব নোৱাৰে। হত্যা, বলপূৰ্বক ধন আদায় আদি কাৰ্যই জনসমৰ্থন লাভ কৰিব নোৱাৰে। ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ আৰু ব্যক্তি সন্ত্ৰাসবাদ দুয়ো শান্তিপ্ৰিয় নিৰীহ জনসাধাৰণক যুগে যুগে বিপদৰ

> বৰ্তমান ভাৰতত নৈতিক বিপ্লৱৰ অবিহনে আৰ্থ-সামাজিক উন্নয়নৰ জৰিয়তে দৰিদ্ৰ সৰ্বহাৰাৰ জীৱনৰ মান উত্থান সম্ভৱ নহয়। ভাৰতীয় ৰাষ্ট্ৰীয় ৰাজনৈতিক দল সমূহো ক্ষমতা দখলৰ অন্ধ মোহত ৰাষ্ট্ৰৰ বিপৰ্যয়তো মুঠ বান্ধি থিয় হ'ব পৰা নাই। ৰাজনৈতিক দল সমূহৰ নৈতিক স্খলনে যিকোনো ধৰণৰ দুৰ্নীতিক প্ৰশ্ৰয় দিছে। এনে পৰিস্থিতিত ভৱিষ্যতৰ দেশৰ দায়িত্ব লব লগা যুৱ শক্তিক বিপথে পৰিচালিত কৰা হৈছে।

মাজলৈ ঠেলি নিছে। সেই বাবেই অন্যায়, শোষণ আৰু আঞ্চলিক বৈষম্যৰ প্ৰতিকাৰ কৰিবলৈ বিকল্প পন্থাৰ প্ৰয়োজন হৈছে। ইয়াক উদ্ভাৱন কৰিব লাগিব সংগঠিত যুৱশক্তিয়েই।

পৃথিৱীত ৫00-তকৈও অধিক সন্ত্ৰাসবাদী সংগঠন আছে। ভাৰততে কাশ্মীৰ, পাঞ্জাব আৰু উত্তৰ পূৰ্বাঞ্চলত একুৰি (২০) সন্ত্ৰাসবাদী সংগঠন সক্ৰিয় হৈ আছে। ইয়াৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ আশে-পাশেও একুৰি এনে সংগঠন থকা বুলি জনা যায়। কাশ্মীৰ, পাঞ্জাব বা অসমত স্বাধীন ভাৰতৰ পৰা পৃথক হৈ স্বাধীন ৰাষ্ট্ৰ গঠন কৰাই সন্ত্ৰাসবাদী সংগঠনৰ লক্ষ্য। ইয়াৰ ফলত হাজাৰ হাজাৰ যুৱকৰ জীৱন বিপৰ্যস্ত হৈছে। এক বিপদ সংকুল পথেৰে স্বাধীন দেশৰ কাৰণে এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ পৰা ফালি অহাৰ বাস্তৱতাৰ সম্ভাৱনাক কাৰ্যকৰী কৰিবলৈ কৰা এনে প্ৰয়াস বছৰৰ পাছত বছৰ চলি থাকিলেও এনে সন্ত্ৰাসবাদে তেওঁলোকৰ উদ্দেশ্য সাৰ্থক কৰিব নোৱাৰে। নতুন পুৰুষৰ আশা-আকাংক্ষাক প্ৰচলিত ৰাজনৈতিক বা এক নায়কত্ববাদী শাসনে বিভিন্ন ৰাষ্ট্ৰত উপলব্ধি কৰিবলৈ সচেষ্ট নহৈ ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ বিভীষিকাৰে এনে বিস্ফোৰণক মষিমূৰ কৰিবলৈ চেষ্টা কৰাত সৰ্বসাধাৰণৰ দুৰ্যোগৰ সীমাসংখ্যা নোহোৱা হৈছে গৈ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ আধাৰত দেশৰ উন্নয়ন ক্ষিপ্ৰ কৰি যুৱশক্তিক সম্পূৰ্ণ সদব্যৱহাৰৰ পথ উলিয়াবলৈ সচেষ্ট নহলে এনে সন্ত্ৰাসবাদ নিৰ্মূল হোৱাৰ আশা কৰিব নোৱাৰি। মানৱ শক্তিৰ প্ৰচুৰ সম্ভাৱনাক তথা যুৱ শক্তিক উপযুক্ত পথৰ সন্ধান দেখুৱাইহে মানৱ সভ্যতাক আগবঢ়োৱা সম্ভৱ। আইন শৃংখলাৰ ভাবুকিৰে শান্তি-সম্প্ৰীতিৰ বাতাবৰণ গঢ়িব নোৱাৰি। সমগ্ৰ পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰৰে ঐতিহাসিক গতিধাৰাক বিশ্লেষণ নকৰাকৈও বিশ্ব ইতিহাস পৰ্যবেক্ষণ কৰিলে দেখা যায় যে যুদ্ধ বিগ্ৰহ আৰু বিপ্লৱৰ ফলত পৃথিৱীত নগৰ ৰাষ্ট্ৰৰ পৰা ব্যাপক সাম্ৰাজ্য গঠন হৈছিল। ৰোমান সাম্ৰাজ্য, ছোভিয়েত ৰাছিয়া বা চীনৰ অভ্যুত্থান এনেকৈয়ে হৈছিল। ইয়াৰ পাছত নব্বৈ দশকত পূব ইউৰোপৰ দেশ সমূহত ছোভিয়েত ৰাছিয়াত, যুগোশ্লাভিয়াত শেহতীয়া ভাবে গোষ্ঠী ৰাষ্ট্ৰৰ আধাৰত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ জোৱাৰ উঠিছে। বাষ্প ইঞ্জিনৰ যুগৰ ঔদ্যোগিক সভ্যতাৰ পাতনিত উদ্ভৱ হোৱা মাৰ্ক্সবাদী চিন্তাধাৰাই পৃথিৱীত বিকল্প সমাজ ব্যৱস্থাৰ পৰীক্ষাক স্থায়ী কৰিব নোৱাৰিলে। সত্তৰ বছৰৰ ভিতৰতে মাৰ্ক্সবাদ-লেনিনবাদৰ ভেটি ছোভিয়েত ইউনিয়নৰ পৰা উফৰি গ'ল। এতিয়া ৰাছিয়া আৰু অন্যান্য ৯ খন ৰাষ্ট্ৰৰ যুটীয়া গোটত বজাৰ অৰ্থনীতিৰ পৰীক্ষা আৰম্ভ হৈছে। চীনত অৱশ্যে এতিয়াও মাৰ্ক্সবাদ-লেনিনবাদ-মাওঁবাদ চিন্তাধাৰাক ওফৰাই পেলোৱা নাই। কিন্তু সাম্যবাদ চীনতো সম্ভৱ হোৱা নাই। আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পুঁজি চীন, ছোভিয়েত ৰাষ্ট্ৰ, পূব ইউৰোপ সকলোকে প্ৰয়োজন হৈছে। আফ্ৰিকা, লেটিন আমেৰিকা আৰু এছিয়াৰ উন্নয়নশীল দেশবিলাকতো IMF আৰু বিশ্ব বেংকৰ ঋণৰ আৱশ্যক। ছোভিয়েত ইউনিয়ন বিশ্ব শক্তি হীন হোৱাৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰই পৃথিৱীৰ সৰ্বময় কৰ্তা হৈ পৰিছে। কিউবাত কেনে ধৰণৰ চৰকাৰ গঠন হলে বা ইৰাকত কি কি চৰ্ত মানি ললে অৰ্থনৈতিক অৱৰোধ খুলি দিয়া হ'ব তাকো নিৰ্ণয় কৰে আমেৰিকাই। ৰাষ্ট্ৰ সংস্থা নিমিত্ত মাত্ৰ। ভাৰতত কি কি চৰ্তত IMFৰ পুঁজি দিয়া হ'ব তাক নিৰ্দেশ কৰে আমেৰিকাই। ঔদ্যোগিক বিপ্লৱৰ পূৰ্ণ সুযোগ লৈ আমেৰিকা যুক্তৰাষ্ট্ৰই এতিয়া তৃতীয় ঔদ্যোগিক বিপ্লৱৰ পথেদি আগবাঢ়িছে। এই বিপ্লৱত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ভাবিব নোৱৰা প্ৰয়োগ সম্ভৱ হৈছে।

আনহাতে ভাৰতত নতুন ঔদ্যোগিক নীতি, বাজেটৰ নতুন দিশ আদি মুকলি অৰ্থনীতিৰ ধাৰণাৰে ভাৰতৰ শতকৰা ৮0 ভাগ কৃষিজীৱী আৰু 80 ভাগ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা জনসম্পদলৈ আমেৰিকান আৰ্হিৰ উদ্যোগ গঢ়ি জীৱনৰ মান সকলো স্তৰতে সমান কৰা সম্ভৱনে? বিদেশী বহুৰাষ্ট্ৰীয় নিগম বা প্ৰবাসী ভাৰতীয়ৰ টকাৰ ওপৰত নিৰ্ভৰ কৰি এখন দেশৰ স্বাধীন অৰ্থনীতি গঢ়িব পৰা হ'বনে? যোৱা ৪৩ বছৰে ঘাইকৈ কংগ্ৰেছ দল শাসক দল হিচাপে ভাৰতৰ উন্নয়ন গণতান্ত্ৰিক সমাজবাদৰ আধাৰত গঢ়াৰ নীতি নিৰ্ধাৰক। কিন্তু এতিয়া প্ৰকৃততে গণতন্ত্ৰৰ গঢ়া খহনীয়াহে হৈছে। সৰ্বভাৰতীয় ঐক্য, সংহতিৰ পৰিবৰ্তে প্ৰতিখন প্ৰদেশেই নিজৰ সা-সুবিধাৰ প্ৰতি অধিক সচেতন হৈছে। ভাৰতৰ মৌলিক সমস্যা সমূহ সমাধানৰ মৌলিক নীতি ৰাষ্ট্ৰীয় ৰাজনৈতিক দল সমূহে উদ্ভৱ কৰিব পৰা নাই। পৃথিৱীৰ ইতিহাসৰ গতিধাৰাত ভাৰততো একবিংশ শতিকাত ক্ষুদ্ৰ ৰাষ্ট্ৰৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰৰ ভেটিত ফেডাৰেল গাঁথনিৰ প্ৰদেশ গঠন হ'ব লাগিব।

মানুহ সামাজিক প্ৰাণী। কোনো মানুহেই সমাজৰ পৰা আঁতৰি বিচ্ছিন্ন হৈ সমাজ উন্নয়ন কৰিব নোৱাৰে। সমাজৰ প্ৰতিজন ব্যক্তিৰে নৈতিক মূল্যবোধ দৃঢ় কৰি সামাজিক দায়বদ্ধতাৰ প্ৰতি জনসচেতনতা নিশ্চিত কৰিব লাগিব। প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগত প্ৰচলিত বস্তুবাদী সমাজৰ মূল্যবোধৰ আধাৰত সামাজিক প্ৰগতি ভাৰতীয় ঐতিহ্যত এতিয়াত খাপ খোৱা নাই। সেই কাৰণেই ভাৰতীয় বুদ্ধিজীৱীয়েও স্বাধীনোত্তৰ কালত মৌলিক চিন্তা-চৰ্চাৰ নতুনত্ব আনিব পৰা নাই। পশ্চিমীয়া সভ্যতা আৰু পশ্চিমীয়া চিন্তা-চৰ্চাৰ বিকল্প মৌলিক আৰ্থ-সামাজিক উন্নয়নৰ নীতি পশ্চিমীয়া শিক্ষাৰে শিক্ষিত বুদ্ধিজীৱীয়ে দিব পৰা নাই। বিদেশী ঋণৰ পৰিমাণ বঢ়াৰ দৰে আমাৰ চিন্তা-চৰ্চাই বিদেশী সকলে নিৰ্ণয় কৰা পথকে প্ৰগতিৰ সোপান বুলি গণ্য কৰে। স্বাধীনোত্তৰ কালত ভাৰতীয় বুদ্ধিজীৱীৰ মৌলিক বিকল্প আৰ্থ-সামাজিক আৰু ৰাজনৈতিক নীতি উদ্ভাৱনত বিফলতাই বৰ্তমান ভাৰতৰ সামাজিক স্খলনৰ কাৰণ।

বৰ্তমান ভাৰতত নৈতিক বিপ্লৱৰ অবিহনে আৰ্থ-সামাজিক উন্নয়নৰ জৰিয়তে দৰিদ্ৰ সৰ্বহাৰাৰ জীৱনৰ মান উত্থান সম্ভৱ নহয়। ভাৰতীয় ৰাষ্ট্ৰীয় ৰাজনৈতিক দল সমূহো ক্ষমতা দখলৰ অন্ধ মোহত ৰাষ্ট্ৰৰ বিপৰ্যয়তো মুঠ বান্ধি থিয় হ'ব পৰা নাই। ৰাজনৈতিক দল সমূহৰ নৈতিক স্খলনে যিকোনো ধৰণৰ দুৰ্নীতিক প্ৰশ্ৰয় দিছে। এনে পৰিস্থিতিত ভৱিষ্যতৰ দেশৰ দায়িত্ব লব লগা যুৱ শক্তিক বিপথে পৰিচালিত কৰা হৈছে। সন্ত্ৰাসবাদ নিয়ন্ত্ৰণৰ নামত যুৱক সকলক ঘৃণীয়া, অকামিলা কৰি সমাজৰ বোজা বঢ়োৱা হৈছে। বিশেষকৈ গাওঁ আৰু অনগ্ৰসৰ অঞ্চলত বাস কৰা যুৱক ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বলি হৈছে। আৰ্ণল্ড টইনবিয়ে পৃথিৱীৰ যুৱ শক্তিক বিশ্ব একনায়কত্ব বাদৰ গ্ৰাসত মাথোন এমুঠি ধনী আৰু মুষ্টিমেয় জনসাধাৰণে দুখীয়া আৰু অনগ্ৰসৰ সংখ্যা গৰিষ্ঠৰ উন্নয়নৰ প্ৰত্যাশাক দমন কৰাৰ প্ৰতি চকু দি হিংসা আৰু হত্যাৰ পৰিবেশৰ পৰা আঁতৰি থাকি সংগঠিত হৈ অহিংসাৰ পথেৰে সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছে। তেওঁ লিখিছে – "If young people resort to violence, then the people in power will use counter violence, and they are likely to better armed and better organized than you can be. If the demonstrating students throw stones, grenades or bombs or arm themselves with whatever other weapons are agailable to them, the riot police and national guard will have more, and more deadly weapons with which they will be able to repress you. Then there will be evil war, and the forces of reaction are likely to be the victors. The maintenance of 'law and order' will then be given priority over the redressing of the evils to which you are drawing attention, and in the end we shall have a fascist world state." সেই কাৰণেই ধৰ্ম আৰু দৰ্শনৰ ন্যায় ভিত্তিক পথ অৱলম্বন কৰি বিশ্ব শান্তিৰ পথ ৰচনা কৰিব লাগিব।

অসমৰ যুৱ শক্তিয়ে একমুঠ হৈ অসমৰ সামগ্ৰিক উন্নয়নৰ কাৰণে আগবাঢ়ি আহিলে কোনেও তেওঁলোকৰ মহৎ উদ্দেশ্যক বাধা দিব নোৱাৰে। সদৌ অসম ছাত্ৰ সংস্থা, আল্‌ফা, সদৌ বড়ো ছাত্ৰ সংস্থা আৰু অন্য সকলো যুৱ শক্তিয়ে এখন উমৈহতীয়া মঞ্চৰ পৰা অসমৰ সকলো যুৱকৰ নতুন পথৰ সন্ধান দিয়ক। যি পথত হিংসা, সন্ত্ৰাস, হত্যা, ভাবুকিৰ প্ৰয়োজন নহ'ব। আল্‌ফাৰ অসম জাতীয় উন্নয়ন পৰিষদক অসমৰ সকলো যুৱ শক্তিয়ে আদৰণি জনাওক। সমাজ সেৱাৰ বাবে বিনামূলীয়া স্বেচ্ছা সেৱী শ্ৰমৰ গুৰুত্ব অসীম। ছোভিয়েত ৰাছিয়াত কমছমল সংগঠনে ছাত্ৰ শক্তিক একমুঠ কৰি তেওঁলোকৰ নিয়ম-শৃংখলা তদাৰক কৰাৰ বাহিৰেও স্বেচ্ছা সেৱী কামত আত্মনিয়োগ কৰিবলৈ নেতৃত্ব দিয়া নিজ চকুৰে দেখিছো। যুৱক সকলে প্ৰতি সপ্তাহত এদিন সমাজ সংগঠনৰ কামত নিয়োজিত হওক। অসমৰ শিক্ষা ব্যৱস্থাত তৃণমূল পৰ্যায়ৰ পৰা পৰিবৰ্তন কৰি সমাজ হিতকৰ উন্নয়নশীল কামত যুৱশক্তি নিয়োজিত হওক। যুৱশক্তি একমুঠ হৈ সমাজৰ দৰিদ্ৰ জনসাধাৰণৰ জীৱন ধাৰাত বিপ্লৱ আনক। হিংসা আৰু হত্যাৰ পৰিবেশত সমাজৰ দৰিদ্ৰ আৰু নিষ্পেষিত শ্ৰেণীৰেই দুৰ্যোগ বাঢ়িছে। ই ঐতিহাসিক সত্য। এখন স্বাধীন স্বাৱলম্বী অসম ফেডাৰেল গাঁথনিৰ মাজেদিয়েই সম্ভৱ। ইয়াৰ বাবে বিস্তৃত অধ্যয়ন আৰু চিন্তা-চৰ্চা যুৱ শক্তিয়ে আৰম্ভ কৰক। যুৱ কৰ্ম শক্তিৰ সুশৃংখল কাৰ্যপন্থাৰেই অসমৰ উন্নয়ন হ'ব পাৰে। ■

# দস্যু দানৱৰ হাতৰ পৰা শিক্ষানুষ্ঠানক বচাওক

মুনীন চৌধুৰী

তিনিটা মৃত্যুৰ খবৰ। ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত সৌৰভ বৰাৰ মৃত্যু। বজালী মহাবিদ্যালয় চৌহদত সতীশ কলিতাৰ মৃত্যু। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত প্ৰশান্ত মজুমদাৰৰ মৃত্যু। তিনিওটা আচলতে হত্যা। সংঘটিত হ'ল শিক্ষানুষ্ঠানত। উচ্চ শিক্ষাৰ উচ্চ স্থানত।

অন্য প্ৰসংগ। সৌ সিদিনাৰ কথা। পুৱতি নিশা গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত মিলিটাৰী সোমাল। নিশ্চিদ্ৰ তালাচী চলিল ছাত্ৰাবাসবোৰত। তাৰ পিছত ৰাজ্য জুৰি আলোড়ন। বাতৰি কাকতৰ পৃষ্ঠা ভৰি পৰিল গৰিহণাৰে। উপাচাৰ্যক ঘেৰাও কৰা হ'ল। একেই হৈ চৈ লাগিছিল অসম আন্দোলনৰ সময়ত কটন কলেজত পুলিচৰ প্ৰবেশক লৈ।

হোমেন বৰগোহাঞিদেৱৰ এটা সম্পাদকীয় পঢ়াৰ পিছত আমাৰ মনত থুনুপাক লাগি থকা বহু কথাই যেন কোৱাৰ হেঁপাহ জাগিছে।

পুলিচৰ প্ৰবেশ হ'লেই সৰস্বতীৰ পীঠস্থান কলুষিত হয়। কলুষিত হয় আই গোঁসানীৰ সন্তান সবৰ মন। বৰ বেয়া কথা। কিন্তু আৰম্ভণিতে উনুকিওৱা হত্যাকাণ্ডবোৰৰ বেলিকা? তেতিয়া? তেতিয়া কিয় হানি নহয় তথাকথিত পৱিত্ৰতাৰ? আৰু ছাত্ৰ নামধাৰী মাস্তান সকলৰ প্ৰবেশত? কাৰ অদৃশ্য হাতৰ নিৰ্দেশত এই দস্যু, দানৱ, মদপী সকলে উচ্চ শিক্ষাৰ এই পীঠস্থানত বছৰৰ পিছত বছৰ ধৰি ৰাজত্ব চলাই থাকিব পাৰে! যোৱা এটা দশকত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল গুৱাহাটী বিশ্ববিদ্যালয় এজাক সমাজ বিৰোধী, সন্ত্ৰাসবাদী আৰু ছদ্মবেশী ছাত্ৰ নেতাৰ ঘাটি হৈ পৰা নাইনে?

অপ্ৰিয় সত্য ক'বলৈ ওলাইছো। আমি লিখি যাওঁতে কলমত লেকাম ধৰাৰ কথাও ভবা নাই। অসমৰ সমাজ জীৱনলৈ চিৰকালৰ বাবে অন্ধকাৰ নমাই অনা আৰু সাম্প্ৰদায়িকতাৰ বিষ বাষ্পৰে অসমৰ আকাশ চিৰদিনৰ বাবে মেঘাচ্ছন্ন কৰি ৰখা অসম আন্দোলন পৰিচালনা হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ ধ্বংস কৰাৰ গুৰিয়েই হ'ল এই আন্দোলন। সেই সময়ছোৱাতে অসমৰ বিভিন্ন অংশৰ তেনেই নিকৃষ্ট মনোবৃত্তিৰ ছাত্ৰ নেতা অসংখ্যজনে কূট চক্ৰান্ত কৰি বিশ্ববিদ্যালয়ত প্ৰবেশ কৰিলে। বিশেষকৈ কেইটিমান নিৰ্দিষ্ট বিভাগত। কাৰোবাৰ মূৰ গৰম হ'লেও উপায় নাই। ইয়াৰ বাবে ছাত্ৰ নেতা সকলৰ হিটলাৰী মনোবৃত্তিৰ লগতে সমানে দায়ী বিশ্ববিদ্যালয়ৰ একাংশ কৰ্তৃপক্ষৰ কাপুৰুষালি। আমি দাবী কৰো, ৰাইজেও দাবী কৰা উচিত– বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই যোৱা দশকৰ এই ছাত্ৰ নেতা সকলৰ শিক্ষাগত অৰ্হতাৰ বিতং তথ্য প্ৰকাশ কৰিব লাগে। আমাৰ ওচৰত থকা তথ্য মতে শিক্ষা দীক্ষা বাদ দি তামোল-চুপাৰিৰ ব্যৱসায়ত নমা বহুজন ছাত্ৰ নেতাই পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয়লৈ আহি উঠি ৰজা বহি ৰজা হ'ল। অকল সেয়াই নহয়. বিগত আন্দোলনৰ সময়ছোৱাত বিভিন্ন কূটাঘাতমূলক কাৰ্যত লিপ্ত অসংখ্যজনৰ আশ্ৰয় স্থল আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুটিমান নিৰ্দিষ্ট ছাত্ৰাবাস।

> আমি নিৰুপায় যে এই আলোচনা গুৱাহাটী বিশ্ববিদ্যালয় কেন্দ্ৰিক হ'ল। ইয়াৰ অন্যতম কাৰণ প্ৰশান্ত মজুমদাৰৰ মৃত্যু। আজিও গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ নেতাৰ ৰম্যভূমি। গুলিৰ শব্দ হৈছিল সেই হত্যাৰ সময়ত। ছাত্ৰ নেতাসকল ক'ত আছিল? পুলিচ প্ৰবেশৰ দিনা যে সদলবলে গৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক ঘেৰাও কৰিছিল, সেইদিনা নিশা একে ধৰণৰ উত্তাল ঢৌ উঠিছিল নে? প্ৰশান্ত মজুমদাৰৰ হত্যাৰ প্ৰতিবাদ কেই ঘন্টামানৰ বন্ধতেই ইতি পৰিল কিয়?

গুৱাহাটী বিশ্ববিদ্যালয়েই হওক বা কটন কলেজৰ দৰে ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানেই হওক, যোৱা দহ বছৰত ছাত্ৰ একতা সভাৰ নিৰ্বাচনলৈ কম শ্বাসৰুদ্ধ পৰিবেশৰ জন্ম হোৱা নাই। এই শ্বাসৰুদ্ধ পৰিবেশৰ জন্মদাতা সকল কোন? সতীশ কলিতাৰ মৃত্যু হৈছিল এই নিৰ্বাচনক কেন্দ্ৰ কৰি। যোৱা বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আকাশ গোমা হৈ গৈছিল। কটন কলেজৰ নিৰ্বাচন কিছু দিনলৈ পিছুৱাব লগীয়া হৈছিল। তাৰ উপৰি ঘটিছিল ছুৰিকাঘাতৰ দৰে ঘটনা। ইয়াতকৈ আৰু পৰিতাপৰ বিষয় আন কিবা আছেনে?

সবাতোকৈ নিৰ্মম সত্য এই যে অসমৰ শিক্ষানুষ্ঠান সমূহৰ আজিৰ এই ব্যাধিগ্ৰস্ত অৱস্থাৰ বাবে আংশিকভাৱে জগৰীয়া এজাক শিক্ষক – বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত প্ৰশাসনৰ একাংশ মুৰব্বীও। নিজৰ ব্যক্তিগত দুৰ্নীতি, স্বজন তোষণৰ দৰে নগ্ন স্বৰূপ ঢাকি ৰাখিবলৈ তেওঁলোকে হকে বিহকে ছাত্ৰ নেতাসকলক তোষামোদ কৰি আহিছে। এই অপৰাধত অপৰাধী সকলে সময় থাকোতেই নিজৰ ভুল স্বীকাৰ কৰা উচিত। সকলোবোৰ শিক্ষানুষ্ঠানৰে এক বৃহৎ অংশ ছাত্ৰ কিন্তু স্বাভাৱিকতে সৎ বুলি আমি জানো। আনহাতে তেওঁলোকে সকলো কথাই জানে, নিভৃতে আলোচনাও কৰে। আমি আশা কৰো অচিৰেই এইবোৰ বিবৃত হব। অন্যথা সামাজিক ব্যাধিলৈ পৰ্যবসিত হোৱা এই অপৰাধৰ প্ৰত্যেকেই অপৰাধী হব।

আমি নিৰুপায় যে এই আলোচনা গুৱাহাটী বিশ্ববিদ্যালয় কেন্দ্ৰিক হ'ল। ইয়াৰ অন্যতম কাৰণ প্ৰশান্ত মজুমদাৰৰ মৃত্যু। আজিও গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ নেতাৰ ৰম্যভূমি। গুলিৰ শব্দ হৈছিল সেই হত্যাৰ সময়ত। ছাত্ৰ নেতাসকল ক'ত আছিল? পুলিচ প্ৰবেশৰ দিনা যে সদলবলে গৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক ঘেৰাও কৰিছিল, সেইদিনা নিশা একে ধৰণৰ উত্তাল ঢৌ উঠিছিল নে? প্ৰশান্ত মজুমদাৰৰ হত্যাৰ প্ৰতিবাদ কেই ঘন্টামানৰ বন্ধতেই ইতি পৰিল কিয়?

প্ৰশ্ন উত্থাপন হব পাৰে প্ৰশান্ত মজুমদাৰ নকল আল্‌ফা আছিল। আল্‌ফাৰ নাম লৈ ধন সংগ্ৰহ কৰিছিল। কিন্তু আমাৰ প্ৰশ্ন হত্যাৰ এই নগ্ন খেলখন বিশ্ববিদ্যালয়ত কিয়? ধন সংগ্ৰহ কৰাতো যেনে ধৰণৰ অপৰাধ – সমান্তৰাল অপৰাধ অধ্যয়নৰত অসংখ্য ছাত্ৰ-ছাত্ৰীৰ মানসিকতাক বিধ্বস্ত কৰিব পৰা সেই হত্যাকাণ্ডও নহয়নে? এই গুলিৰ শব্দ বা তেজৰ চেঁকুৰাই এজন তৰুণৰ ধীশক্তিক ধ্বংস কৰিবওতো পাৰে। হত্যাকাৰী সকল তাৰ বাবে দায়ী নহয়নে? ছাত্ৰ নেতা সকল, ভীৰু-কাপুৰুষ নহব– একেই ঘটনাৰ আকৌ পুনৰাবৃত্তি ঘটিব পাৰে। প্ৰত্যেকৰে একোখন মনোজগত আছে। এই মনোজগত কলুষিত কৰাৰ অধিকাৰ কাৰো নাই।

অসমৰ শিক্ষানুষ্ঠান সমূহক দস্যু-দানৱৰ হাতৰ পৰা বচাব লাগে। এই আহ্বান আজিৰ সময়ৰ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শেহতীয়া ঘটনাৱলীয়ে প্ৰমাণ কৰিছে যে আমাৰ এই দাবী সন্দেহাতীত ভাবেই সত্য। নকল আল্‌ফা, নকল পেড, নকল ষ্টাম্প– আকৌ আচল আল্‌ফা, অপহৰণ, অত্যাচাৰ। (অপহৃত ছাত্ৰ কেইজনৰ গাত হেনো গজাল মাৰিছে আৰু ব্লেডেৰে সকলো অংশ ফালি দিছে) – এতিয়া প্ৰশ্ন হ'ল মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনে?

বহুকেইটা কলংকিত আন্দোলনৰ নেতৃত্ব দিলেও অসমৰ ছাত্ৰ সমাজৰ এক গৌৰৱময় ঐতিহ্য আছে। বহুজন ছাত্ৰই নিজস্ব মেধাৰে ৰাজ্যখনলৈ খ্যাতি আনিছে। আনহাতে চিমেন্ট, বালি, ইটা, শিলকেই জীৱন বুলি নভবা শিক্ষকৰো অভাৱ নাই। তাৰ উপৰি আছে অসমৰ বিদ্বৎ সমাজ। সকলোৱে মাৰ বান্ধি থিয় হবনে? গুৱাহাটী বিশ্ববিদ্যালয়তে ইয়াৰ পাতনি তৰা যায়নে? পুনৰোল্লেখ যে এটা কলমৰ শক্তি এটা এ কে– ৪৭ বন্দুকতকৈ বহুত বেছি। ■



# সমসাময়িক বড়ো সাহিত্য

মনোৰঞ্জন লাহাৰি

সমসাময়িক বড়ো সাহিত্যৰ কালছোৱা ১৯৫২ চনৰ পৰা বৰ্তমান কাললৈ। কোকৰাঝাৰ জিলাৰ বাসুগাওঁত ১৯৫২ চনৰ ১৬ নবেম্বৰৰ শুভদিনত বড়ো সাহিত্য সভা প্ৰতিষ্ঠা হোৱাৰ পৰাই আধুনিক বড়ো সাহিত্যৰ সূচনা হয়। আৰু লগে লগে বড়ো সাহিত্যৰ নৱদিগন্ত উদয় হয়। নতুন পুৰুষৰ মাজৰ পৰা ন' ন' বড়ো লেখকৰ আৱিৰ্ভাৱ হ'ব ধৰে। বড়ো সাহিত্যই বড়ো জন-গোষ্ঠীৰ জাতীয় চেতনা জগাই দিয়াৰ উপৰিও সমসাময়িক বড়ো সাহিত্যই আনি দিলে ভাতৃত ভাব, জাতীয় ভাষা, সাহিত্য, সমাজ আৰু সংস্কৃতিৰ প্ৰতি গভীৰ ভালপোৱা আৰু শ্ৰদ্ধা। কবিতা, গদ্য, চুটি গল্প, উপন্যাস, সমালোচনা, জীৱনী আৰু নাটকৰ মাধ্যমেয়েদি বড়ো জাতিৰ আশা-আকাংক্ষা, সপোন, কল্পনা, সৃষ্টিমুখী কলা আদি প্ৰকাশ পাবলৈ ধৰে। সবাতকৈ ডাঙৰ কথা –সমসাময়িক বড়ো সাহিত্যই প্ৰাচীন ঐতিহ্যপূৰ্ণ বড়ো জাতিৰ স্বকীয় বৈশিষ্ট্য জীয়াই ৰাখিবলৈ বড়ো সকলক অনুপ্ৰেৰণা জগাই তুলিলে।

প্ৰাচ্য আৰু পাশ্চাত্যৰ ডাঙৰ ডাঙৰ সাহিত্যৰ দৰে বড়ো সাহিত্য আৰম্ভ হৈছিল কবিতাৰ পৰা। পুৰণি বড়ো সাহিত্য অৰ্থাৎ প্ৰাক ১৯৫২ বড়ো সাহিত্যত কবিতাই প্ৰাচুৰ্যতা লাভ কৰিছিল। সমসাময়িক বড়ো সাহিত্যতো কবিতাৰ সংখ্যা সবাতকৈ বেছি বুলি কব পাৰি। প্ৰয়াত জাহোলাও নীলেশ্বৰ ব্ৰহ্মৰ 'বালাবগানৈ' (১৯৫২) কবিতা পুথিৰ পৰা ১৯৭৮-৮৮ চনলৈ বহু বড়ো কবিয়ে বড়ো কবিতা ৰচিলে। এই কালছোৱা বড়ো কবিতাৰ সোণালী যুগ খবা 'সোণালী মুগা' (golden age) বুলি কব পাৰি। ঈশ্বৰ ব্ৰহ্ম আৰু কামাখ্যা ব্ৰহ্ম নাৰ্জাৰীয়ে 'গুথাল'ত প্ৰতীক (symbol) ব্যৱহাৰ কৰি বড়ো সকলৰ জীয়াই থকাৰ ব্যৰ্থ প্ৰয়াস ব্যক্ত কৰে। এই প্ৰতীকবাদ ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ 'অখ্ৰাং গংচে নাংগৌ' (১৯৭৫) আশাবাদ আৰু নিৰাশাবাদ দুয়ো প্ৰখৰ হৈ উঠে। ধৰণীধৰ ওৱাৰীৰ 'মৌদৈ' (১৯৭১) আৰু ৰামদাস বড়োৰ 'ফৈকিন' (১৯৭৬)ত জীৱন দৰ্শন প্ৰকাশ পাইছে। মনোৰঞ্জন লাহাৰীৰ 'মাব্লাবা' (১৯৭৭)ত —Romanticismৰ পূৰ্ণাংগ ব্যক্ত হলেও কবিয়ে নিৰাশাবাদৰ ওপৰত বেছি জোৰ দিয়া দেখা যায়। বানেশ্বৰ বসুমতাৰীৰ 'জাগ্নিবান' এটি জাগৰণ মূলক কবিতাপুঞ্জ। বিহুৰাম বড়োৰ 'গিবি বিখাই' (১৯৮৪) বাথৌতত্ত্ব আৰু সৃষ্টিতত্ত্ব ৰহস্যভেদৰ গভীৰ অনুসন্ধান-মূলক কাব্য। গুণেশ্বৰ মুছাহাৰীৰ 'হা-ফিছা হোৱা' (১৯৮১) আৰু 'ফেৰেংগা দাও' (১৯৮৪) তো বিয়োগী আৰু দুখ-যাতনাগ্ৰস্ত বড়ো মাতৃৰ কৰুণ কাহিনীমূলক কাব্যমালা। নন্দেশ্বৰ বড়োই 'সুবুংনি ৰাহা' (১৯৮৪) 'গৌসৌনি বাৰহুংখা' (১৯৭৬) ৰচি পোন প্ৰথমৰ বাবে বড়ো পদ্য সাহিত্য লিমেৰিক কবিতা সৃষ্টি কৰিছে। শচীন বসুমতাৰীৰ 'সিমাংনি খৈনা' (১৯৭৭) কেইটামান চনেটৰ সংকলন। ৰামনাথ ব্ৰহ্মৰ 'জিখানচে অখাফৌৰ' (১৯৮৫) জন্মে জয় ব্ৰহ্মৰ 'হাইনা মৌনাবিলি' – আদি কল্পনা জগতৰ মধুৰ সৃষ্টি। অনজুৰ 'নৌংনি জীওঃ আংনি বিবুংথি' (১৯৮২), প্ৰদীপ ৰাভা ব্ৰহ্মৰ 'থিম দাওদৈ' (১৯৮৪) আধুনিক বড়ো কবিতাৰ পুথি। ইয়াৰ বাহিৰেও বহু বড়ো কবিতা পুথি আৰু বহু বড়ো কবি আছে যিবোৰক আৰু যিসকলক এই প্ৰবন্ধত উল্লেখ কৰা সম্ভৱপৰ নহয়। মুঠতে, সমসাময়িক বড়ো কবিতাৰ Trend উৰ্দ্ধমুখী আৰু ই আধুনিক জীৱন আৰু জীৱন ৰহস্যৰ মুখপত্ৰ।

১৯৫২ চনৰ পৰা বড়ো গদ্য সাহিত্যই আশাতীত ভাবে আগবাঢ়ে। লক্ষ্যনীয় বিষয়টো হ'ল – বেছিভাগ বড়ো কবি সকলেই প্ৰবন্ধকাৰ। প্ৰাক্ ১৯৫২ বড়ো সাহিত্যই গদ্য সাহিত্যত সিমান আগবাঢ়িব পৰা নাছিল। সমসাময়িক বড়ো সাহিত্যত বড়ো আলোচনী কাকতৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে বড়ো প্ৰবন্ধকাৰ সকলৰ ৰচনাৱলী আলোচনী কাকতবোৰত প্ৰচুৰ পৰিমাণে প্ৰকাশ পাবলৈ ধৰে। সমসাময়িক বড়ো সাহিত্যৰ গদ্য-সাহিত্যবোৰৰ উল্লেখনীয় বিষয় হ'ল – (১) বড়ো লোক-

OKDISCD

সাহিত্যক আধুনিক সাহিত্যৰ আধাৰ হিচাপে ধৰি পূৰণি আচাৰ-বিচাৰ আৰু সংস্কৃতিক পোহৰলৈ অনা।

(২) বড়ো লোক-গীত, সাধু-কথা, কিংবদন্তী, উপাখ্যান আদিবোৰক পুনৰ উদ্ধাৰ কৰা।

(৩) ৰচনা, প্ৰবন্ধাদিৰ যোগেদি বড়ো জন-গোষ্ঠীৰ সমাজ, সংস্কৃতি, অৰ্থনীতি আদি ব্যাখ্যা কৰা।

(৪) ৰচনাৱলীৰ বিষয়-বস্তুবোৰ বড়ো সমাজৰ পৰা বুটলি লোৱা।

(৫) ৰচনাৱলীৰ যোগেদি বড়ো সমাজলৈ সমাজনৈতিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক চেতনা জগাই তোলা।

(৬) প্ৰবন্ধকাৰ সকলৰ সাহিত্যিক ৰস, অলংকাৰ, ৰুচি; অভিৰুচি, মত, অভিমত দৰ্শন, আদৰ্শ আদি প্ৰকাশ কৰা।

বড়ো লোক সাহিত্যৰ অনুসন্ধান বিচাৰি বহুমূলীয়া তথ্য সংগ্ৰহ কৰি কিছুমান বড়ো লেখকে কেইখনমান গৱেষণামূলক কিতাপ লিখিছে। তাৰ ভিতৰত উল্লেখযোগ্যবোৰ হ'ল – মোহিনী মোহন ব্ৰহ্মৰ 'বড়ো খুগা-মেথায়' আৰু 'বড়ো খুগা-চলো', সুকুমাৰ বসুমতাৰীৰ 'বড়ো খুগা-মেথায়', 'খৌনাফেৰৈ চলো', 'আবৌ-আবৈনি চলো', ৰোহিনী কুমাৰ ব্ৰহ্মৰ 'সেৰ্জাচিকুং' (১৯৫৮) আৰু ডঃ কামেশ্বৰ ব্ৰহ্মৰ 'বড়োনি হাৰিমু' (১৯৮৮), অধ্যাপক লক্ষেশ্বৰ ব্ৰহ্মৰ 'বৈশাগু আৰু হাৰিমু' (১৯৮৩)।

ওপৰত উল্লিখিত কিতাপবোৰত বড়ো লোক সাহিত্যৰ উৎস, বড়ো সংস্কৃতিৰ উৎপত্তি আৰু প্ৰাচীন বড়ো সকলৰ ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আৰু সমাজ গাঁথনিৰ সম্পৰ্কে বিতংভাবে জানিব পৰা যায়। সাহিত্য আৰু ইয়াৰ অলংকাৰ বিষয়ে সংজ্ঞাসহ আলোচনা দাঙি ধৰা কিতাপবোৰ হ'ল – এই লেখকৰ 'থুনলাই আৰৌ গহেনা' আৰু ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ 'থুনলাই আৰৌ সানশ্ৰী'। বড়ো সকলৰ সমাজ, সংস্কৃতি, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক সমস্যা আৰু বড়ো জাতিয়ে সন্মুখীন হোৱা নানা ধৰণৰ বাধা আৰু সমস্যাবোৰৰ ওপৰত আলোচনা দাঙি ধৰা কিতাপখন হ'ল – এই লেখকৰ 'গৌদান বড়ো' (১৯৮২)। ইয়াৰ উপৰিও সমসাময়িক বড়ো সাহিত্যলৈ ৰচনা সম্ভাৰ যোগান ধৰিছে বহুতো নতুন আৰু পুৰণা বড়ো প্ৰবন্ধকাৰ সকলে। এই লেখক সকলৰ ৰচনা কৌশল, বিষয়-বস্তু বিশ্লেষণ আৰু লগতে সাহিত্যৰ বিভিন্ন ৰস প্ৰদান মন কৰিব লগীয়া।

১৯৬২ চনৰ পৰা সমসাময়িক বড়ো সাহিত্যত বড়ো শিশু-সাহিত্য সূচনা মেলে। কিয়নো ১৯৬৩ চনৰ পৰা প্ৰাথমিক শিক্ষা পৰ্যায়ৰ পৰা বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাপে অসম চৰকাৰে প্ৰচলন কৰে। শিক্ষাৰ মাধ্যম হোৱাৰ লগে লগে বড়ো ভাষাত শিশু সাহিত্যৰ জন্ম হয়। 'সোণা বিদাং' 'খনদায় বিদাং', 'খন্হায় বিদাং', 'ৰায়থায় বিদাং' আদি নামকৰণেৰে পাঠ্যপুথি ওলোৱাৰ লগে লগে স্কুলীয়া আৰু কলেজীয়া ল'ৰা-ছোৱালীৰ বাবে কবিতা, গদ্য, জীৱনী, আলোচনা, নাট আদি সৃষ্টি কৰি সমসাময়িক বড়ো সাহিত্যক চহকী কৰা হয়। তাকে কৰিবলৈ গৈ ন' ন' বড়ো লেখক, কবি, সমালোচক আৰু নাট্যকাৰৰ আৱিৰ্ভাৱ হ'ল।

সমসাময়িক বড়ো সাহিত্যলৈ আটাইতকৈ ডাঙৰ অবদান হ'ল – বড়ো আলোচনী কাকতবোৰ। প্ৰাক ১৯৫২ যুগৰ প্ৰথম আলোচনী কাকত আছিল 'বিবাৰ' (১৯২৪)। ইয়াক লেখক, নাট্যকাৰ, সমাজনেতা প্ৰয়াত সতীশ বসুমতাৰীয়ে সম্পাদনা কৰিছিল। সমসাময়িক বড়ো সাহিত্যৰ আগৰণুৱা বড়ো আলোচনী কাকতখন হ'ল – কটন কলেজৰ পৰা ওলোৱা আৰু বড়ো ৰাজনৈতিক নেতা প্ৰয়াত ৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী সম্পাদনা কৰা 'অখাকাৰ' (১৯৫৩-৫৪)। তেতিয়াৰ পৰাই মালিগাওঁৰ পৰা ওলোৱা 'লাইমোন আফাত'ৰ 'চিকুং'ৰ পৰা ধৰি বৰ্তমানৰ 'আৰ' নাই আৰু 'খাজিনি'লৈ ধাৰাবাহিক ভাবে পঞ্চাশ, ষাঠী, চৌহাত্তৰ আৰু আশী দশক ধৰি বড়ো আলোচনী কাকত ওলাই আহিছে আৰু এতিয়ালৈ ওলাই আছে। মুঠতে, কবলৈ গলে – বড়ো আলোচনী কাকতবোৰ বড়ো জাতিৰ আশা-আকাংক্ষা, সপোন, কল্পনা, বাস্তৱ, সুখ-দুখ, হঁহা-কন্দা, সমস্যা, বাধা, চিন্তাধাৰা, দৰ্শন আৰু সাহিত্যৰ মুখপত্ৰ হিচাপে কাম কৰি আহিছে। সমসাময়িক বড়ো চুটি গল্প আৰু উপন্যাসে নিজৰ বৈশিষ্ট্য বজাই ৰাখি দ্ৰুত গতিৰে আগবাঢ়ি আছে। বড়ো চুটি গল্প আৰু উপন্যাসবোৰ বিষয় বস্তুবোৰ বড়ো সমাজৰ আধাৰৰ পৰা লোৱা। প্ৰাচ্য আৰু পাশ্চাত্য দেশৰ গল্প আৰু উপন্যাসবোৰৰ প্ৰভাৱ বড়ো গল্প আৰু উপন্যাসৰ ওপৰত প্ৰভাৱ পৰা নাই। সমসাময়িক বড়ো চুটি গল্পৰ আগৰণুৱা আৰু প্ৰথম শ্ৰেণীৰ লেখক হ'ল – নীল কমল ব্ৰহ্ম। তেওঁৰ গল্পবোৰত আধুনিক ৰুচি, ভাবধাৰা, প্ৰগতিবাদী আদৰ্শ আদি বৈশিষ্ট্য পোৱা যায়। তেওঁ গল্পৰ সমাজখন বড়ো সমাজ, নায়ক-নায়িকাবোৰ আধুনিক সভ্যতামুখী। 'হাগ্ৰা গুদুনি মৈ', 'শিলিংখাৰ', আৰু 'হিৰিনায় মান্দাৰ বিবাৰ' – কেইটিমান গল্প সংকলনৰ বাহিৰেও নীল কমল ব্ৰহ্মই বহু সংখ্যক গল্প ৰচিছে। গল্পকাৰ হিচাপে হৰিভূষণ ব্ৰহ্মই বৰ্তমান নিজকে প্ৰতিষ্ঠা কৰিছে। তেওঁৰ 'শ্ৰীমতী দুলহি' এটি উৎকৃষ্ট গল্প সংকলন। 'ৰৌনাও পাগ্লা' নামৰ গল্প কিতাপখনো বড়ো পঢ়ুৱৈ সমাজৰ সমাদৰ পাইছে। বড়ো সমাজ গাঁথনি, বড়ো সামাজিক অৰ্থনৈতিক সমস্যা, বড়ো সংস্কৃতিক বিকাশ, বড়ো সকলৰ সপোন, আশা-আকাংক্ষা – এইবোৰ ওপৰত আলোকপাত কৰা কেইটিমান উল্লেখযোগ্য গল্পবোৰ হ'ল – (১) গহীন বসুমতাৰীৰ 'উনদাহা', (২) মাইক্লেল বসুমতাৰীৰ 'বাথুৱা', (৩) মনোৰঞ্জন লাহাৰী 'লদ্ৰাইনি সিমাং' আৰু 'বাৰহুংখানি উনাও', (৪) লীলৱতী ব্ৰহ্মৰ 'বুহুল যানায়', (৫) সিকেন ব্ৰহ্মৰ 'জাউনি মৌদায়', (৬) ৰামদাস বড়োৰ 'সংগ্ৰেমা', (৭) জগদীশ ব্ৰহ্মৰ 'লাজি গৈয়ে', দানীৰাম বসুমতাৰীৰ 'মাদৈ থৌপচে' বিনয় ব্ৰহ্মৰ 'জীউ আৰু হাংমা', জনীল কুমাৰ ব্ৰহ্মৰ 'আলাচী'। সমসাময়িক বড়ো সাহিত্যৰ কেইখনমান লেখত লবলগীয়া গল্প পুথিবোৰ হ'ল – এই লেখকৰ চলো-বিদাং (১৯৭৪), বানেশ্বৰ বসুমতাৰীৰ 'অননাই' (১৯৮৫), ৰূপনাথ মুছাহাৰী সম্পাদিত 'মুংখ্লোং', যতীন্দ্ৰ বসুমতাৰীৰ সম্পাদিত 'বাদাৰী' (১৯৮৭) আৰু নীল কমল ব্ৰহ্মৰ সম্পাদিত 'ফুংখা'। 'কলাগুৰু' বিষ্ণু প্ৰসাদ ৰাভাই 'ফুংখা' গল্পত পোন প্ৰথমৰ বাবে বড়ো সাহিত্যলৈ আনি দিছে সাম্যবাদী উপাদান আৰু সামন্তীয় ভাবধাৰা। বড়ো গল্পকাৰ সকলে পটভূমি চৰিত্ৰ ৰূপায়ণ আৰু উপস্থাপন characterisation and Presentation – এই দিশটোৰ ওপৰত বেছি জোৰ দিয়া দেখা যায়।

বড়ো চুটি গল্পৰ পিছত সমসাময়িক বড়ো সাহিত্যলৈ বৰঙণি দিছে বড়ো উপন্যাসে। বড়ো উপন্যাসৰ ওপৰত প্ৰাচ্য বা পাশ্চাত্য দেশৰ কোনো ঔপন্যাসিকৰ প্ৰভাৱ পৰা নাই। নিজস্ব ভাবধাৰা, আদৰ্শ, দৰ্শন, সৃষ্টিমুখী কলা আৰু অলংকাৰৰ ওপৰত প্ৰতিষ্ঠিত বড়ো উপন্যাসবোৰ বড়ো সমাজৰ চিত্ৰ বিচিত্ৰৰ প্ৰতিফলন। সমসাময়িক বড়ো সাহিত্যৰ বড়ো উপন্যাসৰ কৰ্ণধাৰ হ'ল – চিত্তৰঞ্জন মুছাহাৰী।





তেওঁৱেই সৰ্বাধিক বড়ো উপন্যাস লেখক। তেওঁৰ উল্লেখযোগ্য উপন্যাসবোৰ হ'ল – 'জুজাইনি অৰ', 'বিখায়া গাওফৗ খুগায়া গেওয়া', 'গলমি হোষ্টেল', 'আং অনিমামৌন' আৰু 'কল-গাৰ্ল'। তেওঁৰ উপন্যাসবোৰ বাস্তৱ ধৰ্মী, সমাজ চেতনাপূৰ্ণ, আবেগী আৰু স্পষ্টবাদী। তাৰ কিছুমান উপন্যাসত গল্পৰ প্লটবোৰ দুৰ্বল হলেও চৰিত্ৰ অংকনত নতুন শিল্পীৰ পৰিচয় দিয়ে। সমসাময়িক বড়ো সাহিত্যৰ উল্লেখযোগ্য উপন্যাসবোৰ হ'ল – এই লেখকৰ 'খাৰলুং' (১৯৭৪) আৰু 'হায়নামুলি' (১৯৮৫) ধৰণীধৰ ওৱাৰীৰ 'মৈহুৰ', বীৰেশ্বৰ বসুমতাৰী 'জৌমৌলনি বৰ্ষা', নন্দেশ্বৰ বড়োৰ 'মঞ্জুবালা দেৱী', কান্তেশ্বৰ ব্ৰহ্মৰ 'ফাল্গুনী', নবীন ওৱাৰীৰ 'বৌইসিনি দেংখৌ'

সমসাময়িক বড়ো সাহিত্যত বড়ো নাট্য সাহিত্যই পঞ্চাছ, ষাঠি আৰু সত্তৰৰ দশকবোৰত পূৰ্ণাংগ ভাবে বিকশিত হৈছে। ১৯৫২ চনৰ পাছৰ বড়ো নাট্য সাহিত্যৰ একাংশ নাটক, পূৰ্ণাংগ নাটক আৰু নাটিকাই নৱৰূপে সৃষ্টি হৈছে। ৰাইজৰ মনোৰঞ্জনৰ বাহন হিচাপে বড়ো নাট্য সাহিত্যক ধৰি ললেও ই এটা সাহিত্য সৃষ্টি। সাহিত্যৰ মূল্যবোধ বড়ো নাট্য সাহিত্যত যথেষ্ট পৰিমাণে নিহিত হৈ আছে। ই এটা বড়ো জাতীয় অভিৰুচিৰ মুখপত্ৰ। বড়ো নাট্য সাহিত্যত আগভাগ লোৱা লেখক জন হ'ল কমল কুমাৰ ব্ৰহ্ম। এওঁৰ উল্লেখযোগ্য নাটকবোৰ হ'ল –'গৌদান ফৈছালী', 'ৰাজা ইৰাগদাও', আৰু 'আগুৱা-পাওৱা'। 'গৌদান ফৈছালী' আৰু 'ৰাজা ইৰাগদাও' – যথাক্ৰমে সামাজিক আৰু ঐতিহাসিক নাটক। সমসাময়িক বড়ো নাট্য সাহিত্যৰ অন্যান্য নাটকবোৰ হ'ল –এই লেখকৰ 'হাংমা-হাংসা', 'আনাৰী', 'মাওৰিয়া স্ত্ৰৌন', 'হিঞ্জাও নায়নৗ থাংনায়াত', 'অৰংনি বিৰাৰ', 'মোহৰগিৰিনি সিমাং', 'বাৰচে বিচাৰ ছিৰিনায়', মংগল সিং হাজোৱাৰীৰ 'সিমান সম্বধন কছাৰী' আৰু 'জাওলীয়া দেৱান'। ১৯৫০, ১৯৬০, আৰু ১৯৭০ এই তিনি দশকৰ ভিতৰত বড়ো যাত্ৰা আৰু থিয়েটাৰৰ বাবে বহুতো একাংক আৰু পূৰ্ণাংগ নাটক ৰচিত হ'ল। এনেকুৱা সময় আছিল যেতিয়া বড়ো যাত্ৰা এবা 'গায়ন' নহলে বড়ো বিয়া উৎসৱটো সম্পূৰ্ণ হোৱা বুলি ধৰি লোৱা নহৈছিল। বিয়াৰ দিনাখন বড়ো নাটক মঞ্চস্থ কৰাটো একপ্ৰকাৰ বাধ্যতামূলক আছিল।

জীৱনী সাহিত্যৰ ক্ষেত্ৰত সমসাময়িক বড়ো সাহিত্যই সিমান গা কৰি উঠিব পৰা নাই যদিও কেইজনমান বড়ো কৰ্ণধাৰ সকলৰ ওপৰত জীৱনী পুথি প্ৰকাশিত হৈছে।

মুঠতে, সকলো শাখা প্ৰশাখাতেই সমসাময়িক বড়ো সাহিত্যই সৃষ্টিমুখী কদমেৰে আগবাঢ়ি আছে। আঞ্চলিক ভাষাৰ মৰ্যাদা নোপোৱাকৈ, সংবিধানত Eight Schedule অত অন্তৰ্ভুক্ত নোহোৱাকৈ, কোনো প্ৰতিবেশী সাহিত্যৰ পৃষ্ঠপোষকতা নোপোৱা ইমান কম দশকৰ ভিতৰত যে বড়ো সাহিত্যই পূৰ্ণাংগ উন্নতিৰ পৰিসীমালৈ আগুৱাই আছে – ই এটা পৃথিৱীৰ সাহিত্যৰ বুৰঞ্জীত বিৰল ঘটনা।

১৯৮৮ চনত ভাৰত চৰকাৰে সাহিত্যৰ বাবে পোন প্ৰথমৰ বাবে 'পদ্মশ্ৰী' প্ৰদান কৰে সাহিত্যিক মদাৰাম ব্ৰহ্মক। সমসাময়িক বড়ো সাহিত্যৰ কাৰণে ই এটা উল্লেখযোগ্য ঘটনা। সমসাময়িক বড়ো সাহিত্যলৈ অৱদান দিয়া সাহিত্যিক অধ্যাপক মধু বড়োৰ নাম উল্লেখ কৰা যায়। বৰ্তমান ডেকা চামৰ ভিতৰত আশাবাদী সাহিত্যিক সকলৰ ভিতৰত নাম উল্লেখ কৰিব পাৰি এই সকলৰ – বিজয় বাগলাৰী, কাতিন্দ্ৰ স্বৰ্গীয়াৰী, মতীন্দ্ৰ স্বৰ্গীয়াৰী, বীৰেশ্বৰ বসুমতাৰী, গিৰিন্দ্ৰ ব্ৰহ্ম দৈমাৰী, বৰুণ বড়ো, খগেন লাহাৰী, লিপেন্দ্ৰ সিংহ, মহেশ্বৰ ব্ৰহ্ম আৰু বহুতো। ১৯৮৫ চনত স্থাপন হোৱা 'বড়ো ৰেবগ্ৰা জথুম' (Bodo writers' Academy)ৰ প্ৰচেষ্টাত বড়ো সাহিত্যই ক্ষিপ্ৰ গতিৰে নতুন ৰূপ লব ধৰিছে। আজি প্ৰতিজন বড়োই উপলব্ধি কৰিছে যে একমাত্ৰ বড়ো সাহিত্যই বড়ো জাতিক জীৱিত ৰখাৰ উপৰিও বড়ো সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক বিকাশৰ প্ৰধান সহায়ক হৈ থাকিব।


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।
সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।
সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেকস ক্লিনিক**
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)


OKDISCD

সূত্ৰধাৰ □ ১-১৫ ছেপ্তেম্বৰ, ১৯৯১

# অসমৰ সমস্যা সমূহ সম্পৰ্কে শইকীয়া চৰকাৰৰ দৃষ্টিভংগী

(যোৱা সংখ্যাৰ পিছৰ পৰা)

### আমোলাসকল

মুখ্য মন্ত্ৰীঃ "মই এটা কথা কব খুজিছো। নকওঁ বুলিয়েই ভাবিছিলো। এতিয়া আমি কেৰাণী মহৰীক দুষিছো। আগতে বুৰক্ৰেচিৰ দ্বাৰাই শাসন কৰোতে গ'ল। এতিয়া চৰকাৰ কেনেকৈ চলিব। বুৰক্ৰেচি, বুৰক্ৰেট সম্বন্ধে কবলৈ গ'লে, চেক্ৰেটাৰী সকলেই চৰকাৰ এখন পৰিচালনা কৰে। মন্ত্ৰী সকল কেৱল আহে আৰু যায়। বিধায়ক সকলো আহে আৰু যায়। কিন্তু চেক্ৰেটৰীয়েটৰ বিষয়া সকল, আই এ এছ, আই পি এছ সকল স্থায়ীভাবে চৰকাৰত থাকি যায় আৰু তেওঁলোকে চৰকাৰ চলায়। আজি কিছুদিনৰ আগতে এগৰাকী আই এ এছ বিষয়াক পণবন্দী কৰি লৈ যোৱা সম্পৰ্কত উচ্চ পদস্থ আই এ এছ বিষয়া সকলৰ এখন সভা বহিছিল। সভাত তেখেত সকলে কেইটামান প্ৰস্তাৱ লৈছিল। সেইখিনি বাতৰি কাকতত ওলাইছে। এটা প্ৰস্তাৱত তেখেত সকলে কৈছে– মই বাতৰিটো গাই দিছো–

Government of Assam have not taken appropriate steps to arrange the release of hostages. It appears that no conscious efforts have been made to establish contacts with the militant group. It urged the government to play a positive role. The members expressed concern over the failure of the Government of Assam to provide security to the members.

এঠাইত তেখেত সকলে কৈছে যে তেখেত সকলে প্ৰটেকচন পোৱা নাই। প্ৰটেকচন কোনে দিব! যদি হোম কমিচনাৰে কয় প্ৰটেকচন পোৱা নাই – ভগবানেহে জানে হোম কমিচনাৰক প্ৰটেকচন কোনে দিব। যদি ডি জি পি-য়ে কয়, মই প্ৰটেকচন পোৱা নাই –ভগবানেহে জানে ডি জি পি-ক কোনে প্ৰটেকচন দিব! তেনে এছোচিয়েচন কৰি এচপেক্ট কৰি থাকিলে নহ'ব।

They must take the responsibility. It is their Government........ They must protect themselves.

এনেকুৱা ভাবে মই আশা কৰা নাই। দেশখন কাৰ। যোৱা পাঁচোটা বছৰত ঘটা বহু ঘটনাৰ কাৰণে আমি এতিয়া পুনৰ শাসনলৈ ঘূৰি আহি মন্ত্ৰী হৈছো।"

### ছপা আৰু লেখন সামগ্ৰী

মুখ্য মন্ত্ৰীঃ "প্ৰিন্টিং এণ্ড ষ্টেচনাৰি ডিপাৰ্টমেন্টটো মই হাতত ৰাখিছো। এটা ফাইল চাইছো। এই বিভাগত বাজেটৰ প্ৰভিজন আছে ৫০ লাখ টকা। ৫০ লাখ টকা বাজেটত প্ৰভিজন থকাৰ পিছতো যদি কমিচনাৰ চাহাবে ৫ কোটি ২৩ লাখ টকাৰ অৰ্ডাৰ দিয়ে, এই চৰকাৰক কোনে ৰক্ষা কৰিব! প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰকেই বা কোনে ৰক্ষা কৰিব। এনেকৈ এখন চৰকাৰ চলিবলৈ দিব পাৰিনে? এইখিনিতে অন্য এটা কথা কব বিচাৰিছো, অসমত কেৰাচিন তেলৰ হকাৰৰ সংখ্যা কিমান আছে। গুৱাহাটীত প্ৰায় এহেজাৰমান আছে। অসমত প্ৰায় দহ হাজাৰমান আছে। এই হকাৰ বিলাকৰ কাৰণে হেনো আইডেনটিটি কাৰ্ড ছপা কৰিছে আৰু খৰচ হৈছে ১৪ লাখ ৫৩ হাজাৰ টকা। টকা কিন্তু নাই। ১৪ লাখ ৫৩ হাজাৰ ৪০০ টকা খৰচ কৰি আইডেনটিটি কাৰ্ড ছপা কৰিছে হকাৰ বিলাকৰ কাৰণে। কোন বিলাক হকাৰৰ কাৰণে? কেৰাচিন তেলৰ হকাৰৰ ওপৰত কোনোবাই লক্ষ্য কৰেনে কোনোবা দিনা? কেৰাচিনৰ হকাৰৰ কাৰণে কোনোবা দিনা তেল নাইকিয়া হৈছেনে? খৰচ হৈছে ১৪ লাখ টকা। এতিয়া কৈছে টকা নাই। খৰচ কৰিব কৰ পৰা? প্লেনৰ টকাৰ কথা কব খুজিছো। প্লেনৰ টকা দিছে উন্নয়নৰ কাৰণে কাৰ্ড ছপাবৰ বাবে নহয়। এইদৰে চৰকাৰ চলেনে? মহন্তই বা কি কৰিব? এই চৰকাৰেই বা কি কৰিব? মই কেইটামান ফেক্টচ্ দাঙি ধৰিলো। গোটেই কথাটো চিন্তা কৰি চাব। আমি ভীষণ জ্বলন্ত সমস্যাৰ মাজত সোমাই আছো।"

### বনবিভাগ

মুখ্য মন্ত্ৰীঃ "মই এতিয়া ফৰেষ্ট বিভাগৰ কথা কব বিচাৰিছো। এই বিভাগত মোকো আচামী কৰি থৈছে। মই মোৰ ডিপাৰ্টমেন্টক সুধিছো ৰেভিনিউৰ কথা, দুখৰ কথা যে ১৯৮০-৮১ চনত ৰেভিনিউ আহিছে ১২ কোটি ৪৩ লাখ টকা। ১৯৮১-৮২ চনত ১৫ কোটি ৩৩ লাখ, ১৯৮২-৮৩ চনত ১৭ কোটি ৫১ লাখ, ১৯৮৩-৮৪ চনত ২২ কোটি ৩২ লাখ টকা, ১৯৮৪-৮৫ চনত ২৪ কোটি ১২ লাখ, ১৯৮৫-৮৬ চনত ২১ কোটি ৫৫ লাখ টকা, ১৯৮৬-৮৭ চনত ১৬ কোটি ১০ লাখ, ১৯৮৭-৮৮ চনত ১৭ কোটি ১৩ লাখ, ১৯৮৮-৮৯ চনত ১৫ কোটি। ১৯৮৯-৯০ চনত মুঠ ১১ কোটি টকা মাত্ৰ। বস্তুৰ দাম বাঢ়িছে। সেই অনুপাতে টেক্স বাঢ়িব লাগে। টকা কিন্তু কমি আহিছে। ২৪ কোটিৰ পৰা ১১ কোটি পালেগৈ। এই চৰকাৰ কেনেকৈ চলিব? দৰমহা দিব কৰ পৰা। এই অৱস্থাত অসমত অৰ্থনীতি কেনেকৈ চলিছে। মোৰ বুৰক্ৰেচিৰ বিৰুদ্ধে কোনো শত্ৰুতা নাই। মই কব খুজিছো বুৰক্ৰেচিৰ বিষয়ে। কিন্তু বুৰক্ৰেচিক মই কেতিয়াও সহ্য নকৰো। যি বুৰক্ৰেচিৰ চকুৰ আগত ২৪ কোটি টকা ৰাজহ সংগ্ৰহ হৈছিল এটা ডিপাৰ্টমেন্টত, তাৰ ঠাইত মাত্ৰ ১১ কোটি টকা সংগ্ৰহ হ'ল কেনেকৈ? যি বিভাগত ৫০ লাখ টকাৰ বাজেটত ৫ কোটি খৰচ কৰিব পাৰে কেনেকৈ? এইটোত মই সহ্য কেতিয়াও নকৰো।"

### জাতীয় মুক্তি বাহিনী

মুখ্য মন্ত্ৰীঃ "জাতীয় মুক্তি বাহিনীৰ কথা কবই লাগিব। আমাৰ শ্ৰীশৰ্মা ডাঙৰীয়াই মোক গেষ্ট হাউচত লগ ধৰিছিল। জাতীয় মুক্তি বাহিনী কোনোবাই কৰিছে। তাৰ কাৰণে আমাক জগৰীয়া কৰিছে। কোনোবাই নজনাৰ বাবে তিনিচুকীয়াৰ এম এল এ-ক জগৰীয়া কৰিছে। জাতীয় মুক্তি বাহিনী গঠন হৈছে, এওঁলোকে আল্‌ফাৰ বিৰুদ্ধে কিছু কথা কৈছে। নেচনেল লিবাৰেচন ফ্ৰন্ট কোনে কৰিছে? যদি জাতীয় মুক্তি বাহিনী মই কৰিছো বা কোনোবাই কৰিছে, এইটো কোনে কৰিছে, সেই বিষয়ে সদনত কোনেও নকলে। এইবিলাক কথা আমি চাব লাগিব। আমি কোনেও একো কৰা নাই। জাতীয় মুক্তি বাহিনী কংগ্ৰেছে কৰা নাই। কংগ্ৰেছে অহিংসা নীতিত বিশ্বাস কৰে। আমাৰ বহুতক মাৰিলে। যোৱা পাঁচোটা বছৰত ১২৩ জন কংগ্ৰেছ কৰ্মীক মাৰিছে। মোৰ ভাতৃৰ মৃত্যু হৈছে। ভতিজাৰ মৃত্যু হৈছে। আমি কোনো ধৰণৰ প্ৰতিশোধ লব বিচৰা নাই। আমি প্ৰতিশোধ লবলৈ ইয়ালৈ অহা নাই। অসমৰ মংগলৰ বাবে আমি অহিংসাক বিশ্বাস কৰো। নেচনেল লিবাৰেচন ফ্ৰন্ট যে হৈছে আমাৰ সন্দেহ হৈছে। কোনেও কনডেম কৰা নাই। কোনোবাই যদি জাতীয় মুক্তি বাহিনী কৰিছে, আল্‌ফাৰ বিৰুদ্ধে কৈছে, কমপেয়াৰ কৰিছে আৰু বদনাম দিছে কংগ্ৰেছক। এই সদনত বহুখিনি কথা উল্লেখ কৰিছে, ৰেকৰ্ড কৰা হৈছে। সময় তাকৰ বাবে আমি আৰু কব খোজা নাই। আৰু কিছুমান ৰিয়েকচনেৰী কথা আছে। সেইবোৰ নোকোৱাই ভাল। এইবিলাক কথালৈ বহু কিছু চলিছে। এই সম্পৰ্কে কবলৈ গলে বহু সদস্যাই নিশ্চয় দুখ পাব। যি কি নহওঁক সেইবিলাক বেয়া কথা। আমি সহ্য নকৰো, আইন-শৃংখলা নিশ্চয় আছে। এটা চৰকাৰ আছে যেতিয়া আইন-শৃংখলাই নিশ্চয় চাব আৰু ৰাইজক সন্তুষ্ট কৰি ৰাখিব। আমি সেইখিনি কৰিম। মোৰ বক্তব্য দীঘলীয়া কৰিব খোজা নাই। মই তেখেত সকলৰ সহযোগিতাৰ বাবে আন্তৰিকতাৰে কামনা কৰিছো। আজি সঁচাকৈয়ে অসমৰ যিখিনি সমস্যা আছে, সেই সমস্যা সমাধান কৰিবলৈ আমি একেলগে কাম কৰিব লাগিব। ইয়াত আমাৰ দলৰ পাৰ্থক্য থাকিব পাৰে। আগ্ৰহ থাকিব লাগিব অসমৰ স্বাৰ্থৰ কাৰণে। অসমৰ ঐক্য সম্প্ৰীতিৰ কাৰণে। এই চৰকাৰৰ তৰফৰ পৰা তেখেত সকললৈ পূৰ্ণ সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি থাকিল।

সজাওঁতা – হৰেন বুঢ়াগোহাঞি







# ৰাজনৈতিক দলসমূহত সংকট

হিতেন মহন্ত

বাতৰি কাকতৰ সৈতে জড়িত থকাৰ কথা জানিব পাৰিলেই যি কোনো এজন ব্যক্তিয়েই এতিয়া প্ৰশ্ন কৰেঃ কি হ'ব হে? চৰকাৰে কি কৰিব? আল্‌ফা সমস্যা সমাধানৰ পথ উলিয়াব পাৰিবনে? চৰকাৰে ভিতৰি ভিতৰি কিবা সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি? ইত্যাদি। সৰ্বসাধাৰণ মানুহৰ ধাৰণা যে বাতৰি কাকতৰ সৈতে জড়িত থকা ব্যক্তি বা সাংবাদিকে এনেবোৰ সমস্যাৰ সন্দৰ্ভত কিছু কথা বেছিকৈ জানে। কিন্তু এইবোৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ দিব নোৱাৰি। এক কথাত কবলৈ গলে এনেবোৰ প্ৰশ্নৰ সমিধান এতিয়া কাৰো হাততেই নাই। ফলস্বৰূপে এনেবোৰ প্ৰশ্নৰ উত্তৰত ইটো সিটো কৈ মূল বিষয়টো এৰাই চলিব লগা হয় নাইবা চালে-বেৰে কোবোৱাৰ অৱস্থা হয়।

আনহাতে এনেবোৰ প্ৰশ্নৰ সন্মুখীন হোৱাৰ পৰা এটা কথা দৃঢ়ভাবে ক'ব পাৰি যে সকলো শ্ৰেণীৰ ৰাইজে ৰাজ্যখনত চলি থকা বৰ্তমান পৰিস্থিতিৰ অৱসান বিচাৰিছে। কিন্তু সমাধানৰ পথ নেদেখি সৰ্বসাধাৰণ ৰাইজে নিৰাশাত ভুগিছে।

আচলতে সমগ্ৰ দেশতেই এতিয়া এনে এটা পৰিস্থিতি বিদ্যমান। পাঞ্জাব, কাশ্মীৰৰ সমস্যা সমাধানৰ পৰিবৰ্তে জটিল ৰূপহে ধাৰণ কৰিছে। কিন্তু এনেবোৰ সমস্যা সমাধানৰ ক্ষেত্ৰত দেশৰ প্ৰধান ৰাজনৈতিক দলবোৰৰ ভূমিকা নিৰাশ-জনক। দেশৰ এই জ্বলন্ত সমস্যাবোৰৰ সমাধানৰ পথ উলিওৱাত ব্ৰতী হোৱাৰ পৰিবৰ্তে ৰাজনৈতিক দলবোৰে দলীয় অন্তৰ্কন্দলত ব্যস্ত। কোৱা বাহুল্য নেতা সকলৰ ক্ষমতাৰ লোভেই দলীয় অন্তৰ্কন্দলৰ মূল কাৰণ। দেশৰ জ্বলন্ত সমস্যাবোৰৰ প্ৰতি পিঠি দি নেতা সকল এতিয়া ক্ষমতাৰ বাবে খোৱা-কামোৰাত ব্যস্ত। বৃহত্তৰ স্বাৰ্থ বোলা কথাষাৰৰ এতিয়া কোনো মূল্য নাই। সংকীৰ্ণ ৰাজনীতি, সংকীৰ্ণ স্বাৰ্থত এতিয়া ৰাজনৈতিক দলৰ নেতা সকল ব্যস্ত। ৰাষ্ট্ৰীয় বা বহল দৃষ্টিভংগীৰ কথা কলেও সংকীৰ্ণ বা ঠেক গণ্ডীৰ পৰা তেওঁলোকে এতিয়াও মুক্ত হ'ব পৰা নাই।

কংগ্ৰেছ দলৰ কথাকেই ধৰা যাওঁক। দেশৰ পৰিবৰ্তিত ৰাজনৈতিক ধাৰাৰ পটভূমিত কংগ্ৰেছ দলে কেন্দ্ৰত এখন সংখ্যালঘু চৰকাৰ গঠন কৰিবলৈ সুবিধা পাইছে। প্ৰধান মন্ত্ৰী নৰসিংহৰ নেতৃত্বত গঠন হোৱাৰ চৰকাৰখনে এতিয়া বিৰোধী পক্ষৰ তুলনাত নিজ দলৰ একাংশ নেতাৰ পৰাহে বেছিকৈ ভাবুকিৰ সন্মুখীন হৈছে। কংগ্ৰেছ দলৰে একাংশই এতিয়া প্ৰধান মন্ত্ৰী ৰাওক নেতৃত্বৰ পৰা ওফৰাবলৈ প্ৰাণপনে চেষ্টা কৰিছে। ৰাওৰ পৰিবৰ্তে এই সকলে প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ পত্নী ছোনিয়া গান্ধীক নেত্ৰী পাতিবলৈ উঠিপৰি লাগিছে। এনে এটা পটভূমিতেই স্বয়ং প্ৰধান মন্ত্ৰীয়ে নিজৰ ভৱিষ্যত সম্পৰ্কে অনিশ্চয়তাত ভুগিছে। কেৱল সেয়ে নহয়, নেতৃত্বত থাকিও প্ৰধান মন্ত্ৰীয়ে দলীয় সিদ্ধান্ত নিজ দলৰ সংসদী সদস্য সকলৰ ওপৰতে কাৰ্যকৰী কৰিব পৰা নাই। এইক্ষেত্ৰত এটা উদাহৰণেই যথেষ্ট। লোক সভাৰ উপাধ্যক্ষ নিৰ্বাচনত কংগ্ৰেছ আৰু বিজেপি দল ঐক্যমতত উপনীত হয়। অৰ্থাৎ অধ্যক্ষ পদৰ নিৰ্বাচনত বিজেপি-য়ে কংগ্ৰেছক ভোট দিয়াৰ দৰে উপাধ্যক্ষ নিৰ্বাচনত কংগ্ৰেছ দলে বিজেপি-ৰ প্ৰাৰ্থী জনৰ সপক্ষে ভোটদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। আনকি কংগ্ৰেছ দলৰ সংসদ সদস্য সকলে যাতে বিজেপি দলৰ প্ৰাৰ্থী জনৰ সপক্ষে ভোট দান কৰে, তাৰ বাবে ৰাওৰ নিৰ্দেশত সংসদী পৰিক্ৰমা মন্ত্ৰী গোলাম নবী আজাদে তিনিবাৰ 'হুইপ' জাৰি কৰিছিল। কিন্তু সেই হুইপ অমান্য কৰি ৩৩ জন সংসদী সদস্যাই বিজেপি দলৰ সপক্ষে ভোটদান নকৰিলে। তেওঁলোকে ভোটদানৰ পৰা বিৰত থাকে। কেৱল সেয়ে নহয় উক্ত সংসদী সদস্য সকলে ৰাওৰ নেতৃত্বত কংগ্ৰেছ দলে বিজেপি-ৰ দৰে সাম্প্ৰদায়িক দলৰ





OKDISCD

সৈতে হাত মিলাইছে বুলি পৰোক্ষ ভাবে অভিযোগ কৰিছে।

প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ অনুচৰ বুলি জনাজাত সকলে ৰাওক কংগ্ৰেছ দলৰ নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে যে অহৰ্নিশে চেষ্টা চলাই আছে, সেইটো এতিয়া কাৰো অবিদিত নহয়। নীতিগত বা আদৰ্শগত কাৰণৰ পৰিবৰ্তে ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবেই যে উক্ত অনুচৰ সকলে ৰাওক নেতৃত্বৰ পৰা আঁতৰাব বিচাৰিছে, সেই বিষয়ে কোনো সন্দেহ নাই।

আনহাতে কংগ্ৰেছ দলেই দেশৰ একমাত্ৰ ৰাষ্ট্ৰীয় দল বুলি দাবী কৰা হয়। কিন্তু দাক্ষিণাত্যৰ কাবেৰী নদীৰ পানী ভাগ-বতৰাক কেন্দ্ৰ কৰি তামিলনাড়ু আৰু কৰ্ণাটক চৰকাৰৰ মাজত যি সংঘৰ্ষ হ'ল, সেইটোৱে কংগ্ৰেছৰ দাবীৰ যথাৰ্থতা নোহোৱা কৰিছে। কিয়নো কাবেৰী নদীৰ পানী ভাগ-বতৰা লৈ তামিলনাড়ুৰ আঞ্চলিক দল অল ইণ্ডিয়া আন্না ডিমকে-ৰ চৰকাৰে যি সংকীৰ্ণ ৰাজনীতিৰ আশ্ৰয় ল'লে, কৰ্ণাটকৰ কংগ্ৰেছ দলৰ চৰকাৰেও তাকেই অনুসৰণ কৰিলে। উল্লেখযোগ্য যে কেন্দ্ৰত অল ইণ্ডিয়া আন্না ডি এম কে কংগ্ৰেছৰ মিত্ৰ দল। তৎসত্বেও সমস্যাটো আলোচনাৰ জৰিয়তে সমাধানৰ পৰিবৰ্তে দুয়োখন চৰকাৰে সংঘৰ্ষৰ পথহে গ্ৰহণ কৰিলে। আনকি কেন্দ্ৰীয় মন্ত্ৰী ৰাম মূৰ্ত্তিয়ে ইয়াৰ বাবে পদত্যাগো কৰিলে। কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰম অপমানিত হ'ব লগা হ'ল। তামিলনাড়ুত বন্ধ পালন কৰাৰ পিছত কৰ্ণাটকতো বন্ধ পালন কৰা হ'ল। আনহাতে এই সংঘৰ্ষৰ ৰাজনীতি চলি থকাৰ সময়ত কেন্দ্ৰীয় চৰকাৰে অসহায়ৰ দৰে হাত সাবটি বহি থাকিল। আচলতে কেন্দ্ৰীয় চৰকাৰ নীৰৱ হৈ থাকিব লগীয়া বিষয়টোৱে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগীত চূড়ান্ত আঘাত হানিছে।

প্ৰায় এঘাৰ মাহ শাসন ক্ষমতাত থকা জনতা দলৰ নেতা সকলো এতিয়া দলীয় অন্তৰ্কন্দলত ব্যস্ত। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অজিত সিঙে দলীয় নেতৃত্বৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ ঘোষণা কৰিছে। সিঙে দলীয় নেতৃত্বৰ গাঁথনি সলনি কৰিবলৈ দাবী জনাইছে। ইয়াকে নকৰিলে তেওঁ পদত্যাগ কৰিব বুলিও হুমকি দিছে। সিঙে এইটোও ঘোষণা কৰিছে যে তেওঁ পদত্যাগ কৰিলে, জনতা দলত বিভাজন হোৱাটো নিশ্চিত।

আনহাতে প্ৰাক্তন প্ৰধান মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে জনতা বিধায়িনী দলৰ নেতা হিচাপে পদত্যাগ কৰাৰ পিছত দলৰ সংকট অধিক ঘনীভূত হৈছে। কোৱা বাহুল্য দেশৰ স্বাৰ্থৰ পৰিবৰ্তে দলৰ শীৰ্ষস্থানীয় নেতা সকলৰ ব্যক্তিগত মান-মৰ্যাদাটোৰ প্ৰশ্নটোৱে দলীয় অন্তৰ্কন্দলৰ মূল কাৰণ।

দেশৰ বাওঁপন্থী দলবোৰৰো সেই একেই অৱস্থা। বাওঁপন্থী দলবোৰৰ সংগ্ৰামী ভূমিকা এতিয়া প্ৰায় লুপ্ত বুলি ক'ব পাৰি। আনহাতে যিকোনো সমস্যাৰ সন্দৰ্ভত দলৰ শীৰ্ষস্থানীয় নেতা সকলৰ মাজতেই অস্পষ্ট ধাৰণা বিদ্যমান। এইক্ষেত্ৰত এটা উদাহৰণ দিয়া যাওক। ছোভিয়েত ইউনিয়নত ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচেভক গোড়া কমিউনিষ্ট পন্থী ক্ষমতাৰ পৰা অপসাৰণ কৰাৰ ২৪ ঘন্টাৰ ভিতৰতে চি পি আই (এম) দলৰ পলিটব্যুৰোৰ সদস্য হৰকিষেণ সিং সুৰজিতে এইটো অৱশ্যম্ভাবী আছিল বুলি প্ৰকাৰান্তৰে অভ্যূত্থানটোৰ প্ৰতি আদৰণি জনায়। কিন্তু তিনিদিন পিছতেই গৰ্বাচেভে সেই অভ্যুত্থান ব্যৰ্থ কৰি ক্ষমতালৈ যেতিয়া ঘূৰি আহিল, তেতিয়া চি পি আই (এম) দলৰ অন্যতম শীৰ্ষস্থানীয় নেতা সোমনাথ চেটাৰ্জীয়ে সংসদত বিবৃতি দি গৰ্বাচভ পুনৰ শাসন ক্ষমতালৈ ঘূৰি অহাত সন্তোষ প্ৰকাশ কৰিলে।

আচলতে প্ৰধান ৰাজনৈতিক দলবোৰৰ এই সংকটে দেশৰ সমস্যা তথা পৰিস্থিতি অধিক সংকটজনক কৰি তোলাত সহায় কৰিছে। দেশৰ ঐক্য আৰু সংহতিৰ প্ৰতি ভাবুকি স্বৰূপ জ্বলন্ত সমস্যাবোৰ সমাধানৰ মনোনিবেশ কৰাৰ পৰিবৰ্তে দলীয় অন্তৰ্দ্বন্দ্ব দলীয় সংঘৰ্ষত নেতা সকল ব্যস্ত।

অসমৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য। অসমৰ সমস্যা সমাধান বিচাৰি ৰাজনৈতিক দলবোৰ যেন এতিয়া দিশহাৰা হৈছে। সমস্যাৰ বাবে কেৱল এটা ৰাজনৈতিক দলে আনটো ৰাজনৈতিক দলক দোষাৰোপ কৰিছে। কিন্তু সমাধানৰ পথ কোনেও দিব পৰা নাই। বয়-বস্তুৰ মূল্য প্ৰতিদিনে হো-হোৱাই বাঢ়িছে। কিন্তু মূল্যবৃদ্ধি প্ৰতিৰোধৰ বাবে কাৰো যেন কৰিব লগীয়া একো নাই। সকলোৱে হাত সাবটি বহি আছে। কেৱল বাতৰি কাকতত এটা বিবৃতি দিছে। বচ্ তাতেই কৰ্তব্য শেষ।

ৰাজনৈতিক দলবোৰৰ এনে ভূমিকাই জনগণক নিৰাশ কৰিছে। সমগ্ৰ ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰতি জনগণৰ আস্থাহীনতা বৃদ্ধি কৰাত সহায় কৰিছে। ৰাজনৈতিক দলবোৰে এই বিষয়টো ভাল দৰে লক্ষ্য কৰা উচিত। ■

অষ্টাশী বছৰত ভৰি দি অতীতলৈ ঘূৰি চাই মই অনুভব কৰো যে মই আচলতে জীৱনত একোৱেই কৰিব নোৱাৰিলো। মই হাজাৰ হাজাৰ প্ৰবন্ধ নিলিখি কেৱল পিঙ্ পঙ্ খেলি সময়খিনি কটাই দিয়াহেঁতেনো সাতাৱন্ন বছৰৰ আগতে পৃথিৱী আৰু মানৱ-জাতিৰ অৱস্থা যি আছিল আজিও সি একেই থাকিলহেঁতেন। মই মোৰ সুদীৰ্ঘ জীৱনৰ প্ৰায় আঢ়ৈ লাখ ঘন্টা সময় সমূলি নষ্ট কৰিলো।

*লিওনাৰ্ড উল্‌ফ্*

যি মানুহে কথা কওঁতে খোকোজা লগায়, কিন্তু কামৰ বেলিকা ক্ষিপ্ৰ আৰু সংকোচ-বিহীন, তেনে মানুহক সহজে বিশ্বাস কৰিবা। কিন্তু আনহাতে যি মানুহে দীঘলীয়া তৰ্ক কৰে আৰু দীঘল দাড়ি ৰাখে তেনে মানুহৰ ক্ষেত্ৰত সতৰ্ক হৈ চলিবা।

*জৰ্জ ছান্টায়ানা*

যি কোনো প্ৰকাৰৰ নিচাৰ প্ৰতি আসক্তিয়েই বেয়া – তেহেলৈ লাগে সি মদ-ভাং-কানিয়েই হওক বা যি কোনো ধৰণৰ আদৰ্শবাদেই হওক।

*গুস্তাভ কাৰ্ল ইয়ুং*

পৰিণত হোৱাৰ বিদ্যাটো এটা কষ্ট-সাধ্য কলা। গোটেই জীৱন ধৰি তাৰ অনুসৰণ কৰিব লগা হয়। মানুহে জীৱনত যিটো হ'ব খোজে সেইটো হবলৈ জীৱনৰ প্ৰথম পঞ্চাশটা বছৰৰ দৰকাৰ হয়। পঞ্চাশ বছৰত ভৰি দি কোনোবাই যদি আৱিষ্কাৰ কৰে যে তেওঁ যি হ'ব খুজিছিল ঠিক তাকেই হ'ব পাৰিছে, তেন্তে তেওঁৰ বাকী জীৱনটো যৌৱন কালতকৈয়ো বেছি সুখকৰ হ'ব।

*মেৰিয়া মানেছ*

হত্যাকাৰী বা সমকামীৰ প্ৰতিও স্নেহ অনুভব কৰাটো সম্ভৱ বুলি মই ভাবো। কিন্তু যি মানুহৰ মুখৰ পৰা অনবৰত দুৰ্গন্ধ ওলাই থাকে তেনে মানুহৰ প্ৰতি স্নেহ অনুভৱ কৰা একেবাৰেই অসম্ভব।

*জৰ্জ অৰৱেল*

তুমি যদি এটা পৰিয়ালৰ বিষয়ে ভালকৈ জানিব খোজা তেন্তে প্ৰথমে তেওঁলোকৰ শৌচাগাৰটো পৰীক্ষা কৰিবা।

*পোপ ত্ৰয়োদশ জন্*

ছুঁই খাঁও

অনিল বৰুৱা

# উল্‌ফাৰ সমুখত চূড়ান্ত পৰীক্ষা

উল্‌ফাই বিচৰাটো শইকীয়া চৰকাৰে দিব নোৱাৰে আৰু শইকীয়া চৰকাৰে দিয়াটো উল্‌ফাই বিচৰা নাই আৰু গ্ৰহণ কৰিব নোৱাৰে। এটা প্ৰায় অচলাৱস্থা। আগেয়েও এবাৰ লিখিছো, তথাপি আকৌ কওঁ যে ভাৰতৰ এখন অংগৰাজ্য অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ সম্পৰ্কত প্ৰশ্ন তুলি আলোচনা কৰিবলৈ বিচাৰিলে তাত হিতেশ্বৰ শইকীয়ায়ো ভাগ লব নোৱাৰে আৰু নৰসিংহ ৰাৱেও ভাগ লব নোৱাৰে। তেওঁলোকৰ বাবে বিষয়টো আলাপ-আলোচনাৰ যোগে মীমাংসা হবলৈ থকা খোলা বিষয় নহয়; ভাৰতৰ স্বাধীনতাৰ দৰে চূড়ান্ত হৈ থকা কথা। বিষয়টো চূড়ান্ত বুলিহে তেওঁলোক মুখ্য মন্ত্ৰী আৰু প্ৰধান মন্ত্ৰী হৈছে। হয়, ক্ষণস্থায়ী বা দীৰ্ঘস্থায়ী যুদ্ধ এখন কৰি অসমক 'দখল মুক্ত' কৰিব লাগিব, নহয় ৰাজ্যখনৰ জনগণক মুক্তিৰ আদৰ্শত সৰ্বাত্মক ৰূপত সংগঠিত কৰি পূব ইউৰোপীয় দেশবোৰৰ বা ছোভিয়েত ৰাছিয়াৰ ৰিপাব্লিকবোৰৰ আৰ্হিত আগবাঢ়িব লাগিব। কিন্তু বৰ্তমান যিটো দেখা গৈছে, উল্‌ফা তাৰ এটাৰ বাবেও উপযুক্ত হৈ উঠা নাই। আনকি, তেওঁলোক বিপ্লৱীয়েই বুলি সকলো শ্ৰেণীৰ মাজত প্ৰত্যয় জন্মাকৈ পৰিচয়টোৱেই গঢ় লৈ উঠিবলৈ এতিয়াও বাকী। গতিকে এবাৰ আলোচনাৰ মেজত 'অসম চুক্তি'খন পোৱা দি আকৌ আলোচনাৰ মেজতে 'মুক্তিৰ চনদ' এখনো পোৱা যাব পাৰে বুলি ভবাটো খুব ভদ্ৰ ভাষাত কবলৈ গ'লে বাতুলতা মাত্ৰ।

সেইদৰে শইকীয়া চৰকাৰৰ ক্ষমাদানো (সেইটো প্ৰকৃতপক্ষে কি বস্তু, সেইটো 'দান'ৰ অধিকাৰ কাৰ আছে, সিদ্ধান্ত নে প্ৰস্তাৱ, আঁৰৰ উদ্দেশ্যটো কি, সদিচ্ছা আৰু আন্তৰিকতা আছে নে নাই – সেইবোৰ সুকীয়া কথা) উল্‌ফাই গ্ৰহণ কৰিব নোৱাৰে – অন্ততঃ নিজৰ পৰিচয় বিপ্লৱী বুলি দি থকালৈকে। উল্লেখযোগ্য যে উল্‌ফাই বৈৰীতাৰ ক্ষেত্ৰত কোনো ধৰণৰ সন্ধি বা বিৰতি 'বিচৰা' নাই। মাৰ্ক্সবাদ-লেনিন বাদত বিশ্বাস কৰা সকলে প্ৰতিপক্ষৰ ক্ষমাদান গ্ৰহণ কৰাৰ নজিৰ মই এই পৰ্যন্ত ক'তো বিচাৰি পোৱা নাই। ক্ষমাদান গ্ৰহণ কৰিলে, এহাতে প্ৰতিপক্ষৰ সমস্ত অপৰাধ পাহৰি যোৱাৰ দৰে হয় আৰু আনহাতে নিজে কৰি অহা সমস্ত কাৰ্যকলাপ অপৰাধ বুলি প্ৰকাৰান্তৰে স্বীকাৰ কৰি দিয়াৰ দৰে হয়। এইটো প্ৰকৃত বিপ্লৱীৰ পক্ষে কোনো পধ্যেই মানি লব পৰা অৱস্থা নহয়।

তেনেহলে কি হ'ব? এই প্ৰায়-অচলাৱস্থা দূৰ কৰাৰ উপায় কি?

এই প্ৰসংগতে ভাবিবৰ মন যায়ঃ এই গোটেই কাৰবাৰটো সময় লোৱাৰ কৌশল নেকি – দুয়ো পক্ষৰে? সাধাৰণতে এনেকুৱা ক্ষেত্ৰত দেখাতেই গ্ৰহণৰ অযোগ্য অৱস্থাৰ সৃষ্টি কৰি সময় লোৱা হয়।

□ □ □

## অপহৰণ, পণবন্দী আৰু বিপ্লৱী

কেতিয়াবা বিপ্লৱী সংগঠনেও যে এক বা একাধিক লোকক অপৰহণ কৰি নি পণবন্দী কৰি ৰাখি থৈ কাৰ্যোদ্ধাৰ কৰাৰ অৰ্থাৎ প্ৰতিপক্ষৰ হাতত বন্দী হৈ থকা তেওঁলোকৰ লোকক মোকোলাই লোৱাৰ চেষ্টা নকৰে এনে নহয়; তেনে নজিৰ আছে আৰু অ'ত ত'ত পঢ়া মনত পৰে। কিন্তু এনে ঘটনা কদা-কাচিৎহে হয়। তাৰ কাৰণ, বিপ্লৱীৰ হাতত পণবন্দী হৈ থাকিলে বিচক্ষণ প্ৰতিপক্ষ সাধাৰণতে বিতত নহয় – প্ৰকৃত বিপ্লৱীয়ে নিৰপৰাধী পণবন্দীক হত্যা কৰাত অসুবিধা আছে বুলি থকা বিশ্বাসটোৰ কাৰণে। যিটো প্ৰচলিত নিয়ম আৰু আদৰ্শৰ ফালৰ পৰা হোৱা উচিত মই অৱশ্যে তাৰ কথাহে কৈছো। ব্যতিক্ৰমো ঘটে। এসময়ত কিছুমান নক্সালপন্থীৰ হাতত খাকি পোছাকত থকা পুলিচৰ চিপাহী বজাৰ লমাৰ কৰিবলৈ যাওঁতেও নিহত হৈছিল 'শ্ৰেণীশত্ৰু' বুলি –সেই সময়ৰ এভাগ নেতৃত্বই শ্ৰেণীশত্ৰু সম্পৰ্কে কৰা ভুল আৰু বিকৃত মূল্যায়নৰ কাৰণে। উল্‌ফাৰো কোনো কোনো মহলে আৰম্ভণিৰ সময়তে 'প্ৰচাৰৰ কাৰণে' হত্যাৰ প্ৰয়োজন হয় বুলি কৈ আমাক স্তম্ভিত কৰি দিছিল আৰু সেই কাৰণেও আমি তেতিয়াৰ পৰাই তেওঁলোকৰ সম্পৰ্কত অনবৰতে সন্দিহান হৈ থাকিব লগা হৈছে।

ধাৰণা হয়, বিপ্লৱীয়ে দুবিধ লোকক হত্যা কৰাৰ অধিকাৰ পায়ঃ 'একচন' চলি থাকোতে অৰ্থাৎ যুদ্ধ বা সংঘৰ্ষৰত অৱস্থাত প্ৰতিপক্ষৰ লোকক আৰু সুনিৰ্দিষ্ট বিপ্লৱী আদৰ্শত ব্যাপকভাবে সংগঠিত হোৱা সচেতন জনগণৰ অগ্ৰণী অংশই সকলো দিশ চালিজাৰি চাই বাৰম্বাৰ বিচাৰ কৰাৰ মূৰত 'জনগণৰ শত্ৰু' বুলি চিহ্নিত কৰা লোকক। এই যে মানুহ এটা হত্যা কৰি মৃতদেহটোৰ কাষত পেলাই থৈ যোৱা কাগজ এখন বা দিনদিয়েকৰ পাছত কাগজত এজনে দিয়া বিবৃতি এটা পঢ়িহে সৰ্বসাধাৰণ ৰাইজে জানিবলৈ পায় নিহতজন 'জনগণৰ শত্ৰু' আছিল বুলি – সেইটো এটা বৰ আচহুৱা অভিজ্ঞতা। মোৰ ধাৰণা, সেইটো এটা সাংঘাতিক ধৰণৰ বিকৃতিহে, কেতিয়াও বিপ্লৱী কাৰ্য নহয়।

□ □ □

## কেইটামান সম্ভাৱনা

উল্‌ফাই নতুনকৈ দিয়া চৰ্ত কেইটা ২৭ আগষ্টৰ ভিতৰত চৰকাৰে মানি নল'লে পণবন্দী কৰি ৰখা কেইজনক এজন এজনকৈ হত্যা কৰিব বুলি ঘোষণা কৰাৰ পাছত আন বিষয় লৈ লিখাৰ কথা ভাবিব পৰা নাই। ২৭ আগষ্টৰ পৰা প্ৰকৃত পক্ষে কিবা অঘটন ঘটিলে, এই লেখা প্ৰকাশ হোৱালৈ ঘটা আৰম্ভ হৈ যাব। এই প্ৰসংগত মই ভাবি পাওঁতে কেইটামান সম্ভাৱনাঃ এক – সময়সীমা আকৌ বঢ়াই দিব পাৰে। দুই –



OKDISCD

চৰকাৰে চৰ্তবোৰ মানি ল'ব পাৰে। তিনি –চৰকাৰে নিৰ্বিকাৰ হৈ থাকি উল্‌ফাই যি কৰে কৰিবলৈ দিব পাৰে। চাৰি – চৰকাৰে প্ৰতিশোধ লোৱাৰ পথ অৱলম্বন কৰিব পাৰে।

অপহৰণ কৰি নি পণবন্দী কৰি ৰখাৰ উদ্দেশ্যটো যদি সময় লোৱাটোৱেই, তেতিয়াহলে সময়সীমা বঢ়াই দি থকাৰ সম্ভাৱনাই বেছি। ইয়াৰ পৰা উল্‌ফাৰ এটা লাভ হৈছে; বিপ্লৱৰ কাৰণে পৰিস্থিতি সৃষ্টি কৰিবলৈ যিখিনি ব্যাপক কৰ্মকাণ্ডৰ প্ৰয়োজন তাৰ বাবে যথেষ্ট সময়, কষ্ট আৰু শ্ৰম লাগে। অকল স্বপ্ন দেখাৰ প্ৰতিভা থাকিলেই বিপ্লৱ নহয়, বিপ্লৱৰ বাবে তপস্যাও লাগে। উল্‌ফাৰ হাতত জনদিয়েক লোক পণবন্দী হৈ থকা ঘটনাটোৱে এনে এটা পৰিবেশ জাগ্ৰত কৰি ৰাখিছে যিটো মধুৰ অভাৱত গুৰৰ দৰে হৈছে অৰ্থাৎ বিপ্লৱৰ কাৰণে পৰিস্থিতি সৃষ্টি কৰিবলৈ প্ৰয়োজন হোৱা ব্যাপক বিপ্লৱী কৰ্মকাণ্ডৰ অভাৱটো পূৰাই ৰাখিছে। এটা সংগঠনে যেতিয়া নিজে বিপ্লৱী বুলি ঘোষণা কৰে, কিন্তু তাৰ বাবে প্ৰয়োজনীয় জটিল আৰু কঠিন কামখিনি নকৰে বা কৰিবলৈ ইচ্ছা নকৰে, তেতিয়া তেওঁলোকে অপহৰণ কৰা, পণবন্দী ৰখা, হত্যা কৰা আদিৰ লেখীয়া চাঞ্চল্যকৰ কাম কিছুমান কৰি নিজৰ অস্তিত্ব জাহিৰ কৰি পৰিবেশ জাগ্ৰত কৰি ৰাখিব লগা হয়। দুৰ্গম পথ এৰি সহজ পথ লোৱাৰ দৰে; মূল পাঠ নপঢ়ি অকল সহায়িকাৰ জোৰত পৰীক্ষাত উত্তীৰ্ণ হবলৈ বিচৰাৰ দৰে কথা।

চৰকাৰে চৰ্তবোৰ মানি লব পাৰে বুলিছো এই কাৰণেই যে ভাৰতীয় তেল নিগমৰ কাৰ্যবাহী সঞ্চালক কে দোৰাই স্বামীৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যথেষ্টখিনি চৰ্ত মানি লোৱাৰ পাছত অসমৰ ক্ষেত্ৰত ভিন্ন স্থিতি লোৱাৰ থল কমিল। মুখ্য মন্ত্ৰী শইকীয়াই অসমৰ বেলিকাও একেধৰণৰ সমাধানকে বিচাৰিব আৰু সেইটোৱেই খুব স্বাভাৱিক।

□ □ □

## বিপ্লৱীৰ বাধ্যবাধকতা

উল্‌ফাই যি কৰে কৰক বুলি চৰকাৰ নিৰ্বিকাৰ হৈ থাকিব পাৰে এই কাৰণেই যে পণবন্দীক হত্যা কৰিলে উল্‌ফা কিছু বিপদত পৰিব। কিয়নো 'উল্‌ফা'ই বিপ্লৱৰ কথাবাৰ্তা কৈ আছে আৰু বিপ্লৱৰ কথাবাৰ্তা কোৱা ব্যক্তি, দল বা সংগঠনৰ কেতবোৰ বাধ্যবাধকতা থাকে – যিবোৰ মানি নচলিলেই নহয়। প্ৰকৃত বিপ্লৱীৰ কিছুমান কৰ্তব্যও থাকে আৰু কিছুমান দায়িত্বও থাকে। তেওঁলোকে প্ৰতিটো খোজত, প্ৰতিটো উশাহ-নিশাহত অনবৰতে পৰীক্ষা দি থাকিব লগা হয়। তেওঁলোকৰ পক্ষে জীৱন দিয়া আৰু জীৱন লোৱা – দুয়োটাই ব্যাপক আৰু গভীৰ চিন্তা-চৰ্চাৰ মূৰত লোৱা সিদ্ধান্তৰ মৰ্মে কৰা কাম। তেওঁলোকে শইকীয়াক 'এশিকনি' দিওঁ বুলি 'এজন এজনকৈ' পণবন্দীক হত্যা কৰিব নোৱাৰে। উল্‌ফাক এদিন নহয় এদিন ব্যাপক জনগণক লগত লাগিবই – আজি জাগি উঠা কিবা এটা উন্মাদনাত কাইলৈৰ কথা তেওঁলোকে পাহৰি যাব নোৱাৰিব।

আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত কোনো কোনো দেশে পণবন্দীক মোকোলাবলৈ আটক কৰি ৰখা সন্ত্ৰাসবাদীক এৰি নিদিয়াৰ উদাহৰণো আছে। তাৰ চৰম উদাহৰণটো ইটালীৰ; তাৰ এজন প্ৰাক্তন প্ৰধান মন্ত্ৰী আল্ড' ম'ৰ'ক (Aldo Moro) সন্ত্ৰাসবাদীয়ে হত্যা কৰিবলৈকে এৰি দিছিল, তথাপি চৰকাৰে সন্ত্ৰাসবাদীৰ দাবীৰ ওচৰত নতি স্বীকাৰ কৰা নাছিল। ইজৰাইলৰ উদাহৰণ আৰু সাংঘাতিক। সন্ত্ৰাসবাদীৰ হাতত নিহত হোৱা প্ৰতিজন নাগৰিকৰ মূৰে সন্ত্ৰাসবাদী হত্যা কৰি প্ৰতিশোধ লোৱাৰ ঘটনা আছে তাত।

□ □ □

## শেষৰ হাঁহিটো

সিদিনা এজন জনাবুজা লোকে ক'লেঃ উল্‌ফাই কেইজন পণবন্দীক হত্যা কৰিব? দুজনমানক মাৰি পেলাবলৈ এৰি দিলেই তেওঁলোকৰ ভৰিৰ তলৰ মাটি নোহোৱাৰ দৰে হ'ব; পাৰ দিবলৈ ধৰণী নোহোৱা হ'ব। তেওঁলোকে অপহৰণ কৰি নি পাছত হত্যা কৰা দেখিলেই – দুই এটা তেনে ঘটনাৰ পাছতে জনগণ উল্‌ফাৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰামত নামি যাব।

মানুহজন পুলিচৰ যেন লাগিব পাৰে, কিন্তু তেওঁ এসময়ত অধ্যাপক আছিল। মই কথা বঢ়াব নুখুজিলো। বজাৰৰ মাজত এই ধৰণৰ কথাৰে আলোচনা কৰিবলৈ অসুবিধা। মই যিটো বিশ্বাস কৰো আৰু দহজনক কৈ আহিছো তাকে ক'লোঃ উল্‌ফা চূড়ান্ত পৰীক্ষাৰ সন্মুখীন হৈছে – তেওঁলোক যদি প্ৰকৃতপক্ষে বিপ্লৱীয়েই তেতিয়াহলে তেওঁলোকে পণবন্দী কেইজনক কেতিয়াও হত্যা কৰিব নোৱাৰে।

তেওঁ হাঁহি এটা মাৰি আঁতৰি গ'ল।

শেষৰ হাঁহিটো কোনে মাৰে হয়তো ২৭ বা ২৮ আগষ্টত ঠিক হ'ব, আজি ২৪ আগষ্ট।

□ □ □

## প্ৰতিবাদী সাংবাদিকঃ বিশ্বাসযোগতা

সম্ভৱ ৬১/৬২ চনমানৰ কথা। মই তেতিয়া কাম কৰা যোৰহাটৰ সাপ্তাহিকখনৰ দিখৌমুখৰ সংবাদদাতা আছিল কমলা শইকীয়া; বলিষ্ঠ দেহ-মনৰ অধিকাৰী তেওঁ এগৰাকী শিক্ষক, আদৰ্শবাদী আৰু সমাজতন্ত্ৰত বিশ্বাসী লোক তেতিয়া। তাৰ পাছতো সৌ সিদিনালৈকে গুৱাহাটীত নিলগে নিলগে দেখিছিলো, কিন্তু চিনাকি হেৰোৱাৰ দৰে হ'ল।

কমলা শইকীয়াক হত্যা কৰা ঘটনাই প্ৰায় ত্ৰিছ বছৰৰ আগৰ বহু কথালৈ মনত পেলাই দিছে। বৃত্তিটোত বিপদ আপদ আছে বুলি জানিছিলো, কিন্তু এদিন অসমৰ সাংবাদিক হাতৰ মুঠিত জীৱটো লৈ থকা যুদ্ধৰ সৈনিকৰ দৰে হবগৈ লাগিব বুলি ভবা নাছিলো। তেওঁক হত্যাৰ কাৰণটো এতিয়াও সম্পূৰ্ণ স্পষ্ট হৈ ওলাবলৈ বাকী আছে; পাছত কি হ'ল নাজানো, কিন্তু মই লগ পোৱা সময়ত তেওঁ এগৰাকী ঘোৰ আদৰ্শবাদী আৰু শ্ৰদ্ধেয় লোক আছিল। অকল সাংবাদিকতাৰ কাৰণেই যদি তেওঁ এইদৰে নিহত হ'ব লগা হ'ল, তেতিয়াহলে সকলো সাংবাদিকৰ কাৰণেই তেওঁৰ স্মৃতি সদায় শ্ৰদ্ধেয় আৰু প্ৰেৰণাদায়ক হৈ থাকিব।

অৱশ্যে কমলা শইকীয়াক হত্যাৰ ঘটনা আৰু ৰাজ্যৰ সাংবাদিক মহলত হোৱা তাৰ প্ৰতিক্ৰিয়াই কিছুমান কথা গুৰুত্ব সহকাৰে চিন্তা কৰি চাবলৈ এটা অৱকাশ দিছে। –

(১) যদি সাংবাদিক সকলে তেওঁলোকৰ কলমটোও 'বন্দুক' কৰি লয় আৰু তাৰ পৰাও হিংসা, বিদ্বেষ আৰু সন্ত্ৰাসক কথাবাৰ্তাৰ উদ্‌গিৰণ হৈ থাকিবলৈ দিয়ে, তেতিয়াহলে এটা যুদ্ধাৱস্থাই সৃষ্টি হৈ যাব আৰু 'যুদ্ধৰত অৱস্থাত হত্যা কৰা'ৰ অধিকাৰ লৈ বন্দুকধাৰী সকল সদায় সাৰি যাব।

(২) এবছৰ মানৰ আগলৈকে (মই জনা এটা ঘটনা নৱেম্বৰ মাৰ্চৰ) গুৱাহাটীৰ বহু সাংবাদিকে, বিশেষকৈ জয়াল সম্পাদক সকলে (তাৰে কেইজনমানে সিদিনাৰ 'মৌন সমদল'তো যোগ দিছিল) এনেকৈ নিহত হোৱা লোকৰ পৰিয়ালৰ বিবৃতিও নছপাইছিল, আনকি সেই সময়ৰ সাহিত্য সভাৰ সভাপতিৰ অনুৰোধো প্ৰত্যাখ্যান কৰিছিল আৰু তেনে পৰিয়ালে বিজ্ঞাপন দিহে পৰিয়ালটোৰ পক্ষৰ কথাখিনি ৰাইজক জনাব লগা হৈছিল। এতিয়াও নিহত বা আক্ৰান্ত পক্ষৰ বক্তব্য ৰিপৰ্টাৰ পঠিয়াই অনোৱা নহয় আৰু প্ৰকাশ কৰা নহয়।

(৩) এই 'সূত্ৰধাৰ'ৰ সম্পাদক হোমেন বৰগোহাঞিক যোৱা ১১/১২ বছৰৰ ভিতৰত কেইবাবাৰো জীৱন বিপন্ন বুলি নিৰাপত্তা-ৰক্ষী দিব লগা হৈছিল; কিন্তু গুৱাহাটীৰ এই সাংবাদিক মখাই সভা পাতি, প্ৰস্তাৱ লৈ, সমদল উলিয়াই বা চৰকাৰলৈ সঁজাতী পঠিয়াই তেওঁক তেনে অৱস্থাত পেলোৱাৰ প্ৰতিবাদ কৰা নাছিল কোনো দিনে; আনকি বিয়াগোম সকলে তেওঁৰ খবৰ এটা লোৱাৰো প্ৰয়োজন বোধ কৰা নাছিল।

(৪) গুৱাহাটী প্ৰেছ ক্লাবত যোৱা ২১ আগষ্টত হোৱা কমলা শইকীয়াৰ স্মৃতি-সভাত কেইবাজনো সম্পাদকৰ উপস্থিতিত শৰৎ চন্দ্ৰ সিংহই কোৱা কথা কেইটা (এখন অসমীয়া দৈনিকত গুৰুত্ব সহকাৰে প্ৰচাৰ কৰা হৈছে) কমলা শইকীয়াৰ বুকুত সোমোৱা গুলি কেইটাৰ সমানেই বিপজ্জনক; তাৰ 'সৰৱ' প্ৰতিবাদ হ'ব লাগিছিল আৰু উপস্থিত সম্পাদক কেইজনে সেইটো তেতিয়াই কৰিব লাগিছিল।

অতি দুৰ্ভাগ্যৰ কথা যে 'হত্যা আৰু সন্ত্ৰাসৰ' বিৰুদ্ধে থিয় দিয়া বুলি কোৱা সাংবাদিক সকলৰ সৰহভাগ মূৰৰ ফালৰ পৰা গেলিছে যোৱা বহু বছৰ ধৰি – এতিয়া দুৰ্গন্ধ ওলাইছে (শৰৎ সিংহক সেই কদৰ্য আৰু নীচ কথাবোৰ কবলৈ দিয়াটো এটা প্ৰমাণ)। তেওঁলোকৰ যে বিশ্বাসযোগ্যতা নাই, তেওঁলোক যে নীতিনিষ্ঠ নহয় তাৰ ডেধাৰ নিদৰ্শন দি আহিছে যোৱা ১১/১২ বছৰে – শেহতীয়াটো দিছে, ৰাষ্ট্ৰপতি শাসনৰ নামত দিয়া সামৰিক শাসনক ঢোলে-ডগৰে অভ্যৰ্থনা জনাই। বিশ্বাস-যোগ্যতা নথকা, নীতিনিষ্ঠ নোহোৱা সাংবাদিকক ৰক্ষা কৰোতা কোনো নাই। তেওঁলোক আওমৰণে মৰে – মৰি আছে আৰু মৰি থাকিব।

কমলা শইকীয়াৰ স্মৃতিয়ে আমাক যদি এবাৰলৈও অন্তৰ্দৰ্শন কৰিবলৈ উদ্‌গায়, তেতিয়াহলে তেওঁ জীৱন দিয়া সাৰ্থক হ'ব। ◼






# বিশ্ববিদ্যালয়ত ধান পকে মানে টুনিৰ মৰণ

নকৈ নোৱাৰি ফটা মুখ, কলেও লাগে ভকতৰ দোষ। এটা বৃহৎ ৰাজহুৱা অনুষ্ঠান সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ হলে সকলো শ্ৰেণীৰ নাগৰিকৰ গঠনমূলক সমালোচনাৰ প্ৰয়োজন। তাৰেই অভাৱ হলে অনুষ্ঠান দিনক দিনে অধঃপতনৰ ফালে ঢাল খোৱাৰ সম্ভাৱনা অধিক। কিন্তু আজিকালি যি কোনো অনুষ্ঠান বা সংগঠনক সমালোচনা কৰিলে তাক নানান টুলুঙা যুক্তিৰে খণ্ডন কৰিবলৈ বিচৰা দেখা যায়। বহু সময়ত কওঁতা বা লিখোতাক ভাবুকিও দিয়া হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদো এই দায়ৰ পৰা মুক্ত নহয়। সেয়ে বহু সময়ত বহু লোকে বিশ্ববিদ্যালয়ৰ দুৰ্নীতি বা দোষ-গুণ আঙুলিয়াই দিবলৈ কুণ্ঠাবোধ কৰা দেখা যায়। কাৰণ তেনে কৰিবলৈ যাওঁতে কেতিয়াবা কওঁতাজন পৰোক্ষভাৱে বা প্ৰত্যক্ষ ভাবে বহু আহুকালৰ সন্মুখীন হ'ব লগা হয়। কিছুমানৰ বাবে সেইবোৰ অতিক্ৰম কৰিবলৈ কঠিন হৈ পৰে। কাৰণ সকলোৱে এটা লক্ষ্য লৈ উচ্চ শিক্ষা লবলৈ আহে। কিন্তু বিশ্ববিদ্যালয়ৰ দোষৰ কথা কবলৈ গৈ ৰোষত পৰিব লগা হলে নিজৰ লক্ষ্যত উপনীত হোৱাত ব্যাঘাত জন্মে। সেয়ে মনে মনে থাকিবলৈ বাধ্য হয়। মাহৰ মাৰ দেখি তিলে বেট মেলাৰ দৰে এজনৰ অৱস্থা দেখি বাকী সকলো মনে মনে থাকে।

এইদৰে থাকোতে থাকোতে বিশ্ব-বিদ্যালয়খনত বহুতো অবাঞ্ছিত ঘটনাই ঘটিবলৈ ধৰিলে । চাৰিওফালে দুৰ্নীতিৰে ভৰি পৰিল বুলিও অভিযোগ উঠি আহিছে। বিশ্ববিদ্যালয়খনৰ উন্নয়নৰ বাবে সকলোৱে গা এৰা দিবলৈ ধৰিলে। ছাত্ৰ কৰ্তৃপক্ষ সকলো নিজৰ নিজৰ স্বাৰ্থত ব্যস্ত হৈ পৰিল। কৰ্তব্যতকৈ স্বাৰ্থই আগস্থান পালে। যেতিয়া ছাত্ৰৰ দাবী নাথাকে, কৰ্তৃপক্ষৰ উচ্চ মহলৰ হেঁচা নাথাকে, আগ্ৰহ নাথাকে তেতিয়া মাজৰ শ্ৰেণীৰ কৰ্মচাৰীয়েও প্ৰতিক্ষেত্ৰতে অৱহেলা কৰা দেখা যায়। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিজৰ কোনো ধৰণৰ House Journal প্ৰকাশ নাপায়। গতিকে বিশ্ববিদ্যালয়খনৰ অৱস্থাৰ বিষয়ে জনসাধাৰণে আনকি চৌহদৰ আবাসী ছাত্ৰ কৰ্মচাৰী সকলৰো জনাৰ কোনো উপায় নাই। গতিকে বিশ্ববিদ্যালয়খনৰ অভাৱ-অভিযোগ বা উন্নয়ন কোনো ক্ষেত্ৰতেই কোনো লোক সচেতন নহয়। কাৰণ জনমত গঠন কৰিব নোৱাৰিলে কোনো কামতে সফলতা লাভ কৰিব পৰা নাযায়। জনমত গঠন কৰাৰ একমাত্ৰ উপায় হ'ল প্ৰচাৰ মাধ্যম। কিন্তু অসমৰ আটাইতকৈ পুৰণি আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ শিক্ষানুষ্ঠান প্ৰথম



শ্ৰেণীৰ নাগৰিকৰ বাসস্থান গুৱাহাটী বিশ্ববিদ্যালয়ত কোনো ধৰণৰ প্ৰচাৰ মাধ্যম নাই। এনেকুৱা এটা বৃহৎ অনুষ্ঠানৰ বৃহৎ চৌহদত এখন House Journalৰ অতি প্ৰয়োজন। তেতিয়াহে বিশ্ববিদ্যালয়ৰ প্ৰতিটো ব্যৱস্থা, প্ৰতিটো সম্পদ, প্ৰতিটো সমস্যাৰ লগত প্ৰতিজন নাগৰিকৰ আত্মীয়তা প্ৰতিষ্ঠা হোৱা সম্ভৱ। এনে ব্যৱস্থাৰ যোগেদি বাসিন্দা সকলৰ মাজত একতাও সুদৃঢ় হৈ উঠিব। এইদৰে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী

আৰু সেই সকলৰ পৰিয়ালৰ প্ৰতিজন ব্যক্তিয়েই সচেতন হৈ পৰিব, আত্মীয়তা গঢ়ি উঠিব আৰু প্ৰতিভা বিকাশৰো এক মাধ্যম হ'ব। লগে লগে বিশ্ববিদ্যালয়ত এটা সুস্থ পৰিবেশ গঢ় লৈ উঠাত সহজ হৈ পৰিব।

১৯১৭ চনৰ পৰা যুঁজি যুঁজি ১৯৪৮ চনত গঢ় লৈ উঠা বিশ্ববিদ্যালয়খনৰ বাবে প্ৰতিষ্ঠাপক উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ আৰু পঞ্জীয়ক ফণীধৰ দত্তই যিমান দেহে কেহে খাতিছিল তেনেদৰে বিশ্ববিদ্যালয়-খনৰ বাবে চিন্তা কৰা লোক আজিলৈকে এজনো ওলোৱা নাই বুলি বহুতেই কব খোজে। ইয়াৰ সত্যতা নিশ্চয় আছে। প্ৰয়াত ফণীধৰ দত্ত পঞ্জীয়ক হৈ থাকোতে বিশ্ববিদ্যালয়খনৰ বাবে তেওঁ ৰাতিক দিন কৰি খাতিছিল। আনকি বিশ্ববিদ্যালয়ৰ ঘৰবোৰ নিৰ্মাণ কৰি থাকোতে তেওঁ নিজে প্ৰায়েই গৈ তদাৰক কৰিছিল। তেতিয়া নিৰ্মাণ কৰা গৃহ সমূহ হ'ল ৰসায়ন ভৱন, পদাৰ্থবিজ্ঞান ভৱন, বৃহত্তম কলাভৱন, প্ৰধান কাৰ্যালয় ভৱন, এক নং ছাত্ৰাবাস, বিশ্ববিদ্যালয় হস্পিটাল, ১নং ছাত্ৰী আবাস, ২নং ছাত্ৰাবাস, ৬৫টা অধ্যাপকৰ বাসস্থান আৰু ৫০টা কৰ্মী বাসস্থান। ১৯৫৭ চনত নিৰ্মাণ কৰা এই নিৰ্মাণ কাৰ্য ইমানেই নিখুঁত আছিল যে সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ আৰু প্ৰধান মন্ত্ৰী নেহেৰুৱেও ভূৰি ভূৰি প্ৰশংসা কৰিছিল। ফণীধৰ দত্তৰ বিশ্ববিদ্যালয়ৰ বাবে কৰা কষ্ট দেখি অন্যান্য কৰ্মী সকলেও নিষ্ঠাৰে কাম কৰিবলৈ বাধ্য হৈছিল। কিন্তু ১৯৫৬ চনৰ পৰাই বিশ্ববিদ্যালয়খনত কিছু কেৰোণ সোমাবলৈ আৰম্ভ কৰিলে। সেয়ে কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই বিশ্ববিদ্যালয়-খনৰ ভৱিষ্যতৰ প্ৰতি সন্দিহানহৈ অৱশেষত ১৯৫৭ চনত বিশ্ববিদ্যালয় এৰি গুচি যায়। আৰু যাবৰ সময়ত ফণীধৰ দত্তক কৈ গ'ল –'ফণী, তুমিও ইয়াৰ পৰা সোনকালে ওলোৱা, ইয়াত এতিয়া বৰ বেয়া মানুহ সোমাইছে।' পাছলৈ দত্ত উপাচাৰ্য হয়গৈ যদিও বিশ্ববিদ্যালয়ত সোমাই পৰা এক ৰাজনৈতিক কু-চক্ৰান্তৰ বলি হৈ ১৯৬২ চনত পদত্যাগ কৰিবলৈ বাধ্য হয়। তেতিয়াই বিশ্ববিদ্যালয়ত যি সক্ৰিয় ৰাজনীতি সোমালে তাৰ আজিলৈকে অন্ত নপৰিল। লাহে লাহে সেইবোৰ ছাত্ৰ সমাজৰ মাজলৈ বিয়পি পৰিল। উচ্চ পদৰ অধিকাৰী ব্যক্তিয়ে ছাত্ৰ সকলক নিজৰ স্বাৰ্থৰ হকে মাত মাতিবলৈ উচটনি দি ৰাজনীতিৰ পথাৰত নমাই দিলে।

বিশ্ববিদ্যালয়ৰ প্ৰশাসনত সোমোৱা ক্ষমতাৰ অৰিয়া অৰি আৰু চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱে বিশ্ববিদ্যালয়ক মূল লক্ষ্যৰ পৰা আঁতৰাই নি থাকিল। বিশ্ববিদ্যালয় ইয়াতকৈও বেছি লক্ষ্যভ্ৰষ্ট হ'ল তেতিয়াৰ পৰাই যেতিয়া অসমৰ ৰাজনৈতিক নেতা সকলৰ নিৰ্লিপ্ততাই ছাত্ৰ সকলক এমুঠি অন্ন বিচাৰি, নিজৰ মাতৃভাষা বিচাৰি, জাতিৰ অস্তিত্ব বিচাৰি ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য কৰালে। তেতিয়াই বিশ্ববিদ্যালয় শিক্ষা আৰু সংস্কৃতি (Culture)ৰ ঘাটি হৈ নাথাকি আন্দোলনৰ ঘাটি হৈ পৰিল। অসমত অসমীয়াৰ প্ৰতিটো প্ৰাপ্য বিচাৰি মাত মাতিব লাগে ছাত্ৰ সমাজে। ইয়াৰ বাবে দায়ী কোন? ইয়াৰ একমাত্ৰ দায়ী অসমৰ প্ৰতিখন চৰকাৰ, অসমৰ প্ৰতিজন সচেতন নাগৰিক। তেওঁলোকেই ছাত্ৰ সকলৰ ডিঙিত চিপজৰি লগাই দিলে। ১৯৭৯ চনৰ পৰা চলা অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত ছাত্ৰ সমাজে নেতৃত্ব দিব লগা হোৱাত সমগ্ৰ অসমত শৈক্ষিক পৰিবেশ পকী মজিয়াত কাঁচ পৰি থানবান হোৱাৰ দৰেই থানবান হৈ পৰিল। যিহেতু সুদীৰ্ঘ ৬টা বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই এই আন্দোলনৰ নেতৃত্ব দিয়া হৈছিল সেয়ে ইয়াত তাৰ প্ৰভাৱ বেছি ক্ষয়িষ্ণু হৈ পৰিল। কিন্তু আন্দোলনৰ সমাপ্তিৰ পাছত সেই হেৰোৱা শক্তি ঘূৰাই আনিবলৈ চেষ্টা কৰাতো বাদেই কোনেও চিন্তাও নকৰিলে। তেতিয়াৰ উপাচাৰ্যজনও চৰকাৰৰ অনুগত ব্যক্তি হোৱাৰ বাবে তেওঁ বিশ্ববিদ্যালয়ৰ উন্নয়ন বা আঁচনি চিন্তা কৰাতকৈ ৰাজনৈতিক দলৰ উন্নয়ন, আঁচনি তৈয়াৰ কৰা আৰু দিহা পৰামৰ্শ দিয়াতেই ব্যস্ত থাকিল। UGCৰ পৰা এক কোটি টকাৰ অনুদান এটা আহিল যদিও সুসন্মত ভাবে সদ্ব্যৱহাৰ নহ'ল। দিনে দিনে বিশ্ববিদ্যালয় নিস্তেজ হৈ যাবলৈ ধৰিলে। শিক্ষা সংস্কৃতি সাহিত্য একোৰে চৰ্চা নাইকিয়া হ'ল। বিভিন্ন অভাৱ অভিযোগেৰে ভৰি পৰিল। এতিয়া ছাত্ৰ, কৰ্মচাৰী সকলো অসন্তুষ্ট। কৰ্মচাৰী সকলে ইতিমধ্যে বিভিন্ন দাবীত আন্দোলন আৰম্ভ কৰিছে। ছাত্ৰ সকলেও আন্দোলনৰ ভাবুকি দিছে।

যোৱা ডিচেম্বৰ মাহত নতুন উপাচাৰ্যই কাৰ্যভাৰ লোৱাৰ পাছত পানী পিয়া চৰায়ে পিয়াহত আতুৰ হৈ পানীৰ বাবে মেঘলৈ বাট চোৱাৰ দৰে সকলোৱে নতুন উপাচাৰ্য জনলৈ আশাৰে বাট চাই আছিল। কিন্তু আজি ৮ মাহে কোনো নতুন পৰিবেশ বিশ্ববিদ্যালয়খনত দেখিবলৈ নোপোৱাত সকলোকে পুনৰ আন্দোলনৰ পথেই চিন্তা কৰিবলৈ বাধ্য হৈছে। এতিয়া বিশ্ববিদ্যালয়খনত কিছুমান শ্ৰেণী বহিবৰ বাবে কোঠালিৰ অভাৱ। ফলত ছাত্ৰ সকল বিক্ষুব্ধ হৈ পৰিছে। আবাসৰ অভাৱত বহু ছাত্ৰ-ছাত্ৰী ঘৰমুখী হৈছে। কিছু সংখ্যক উচ্চাভিলাষী ছাত্ৰ-ছাত্ৰীয়ে মহানগৰীৰ অলিয়ে গলিয়ে আশ্ৰয় লব লগাত পৰিছে। বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহি এই মহানগৰীতে কোনোবা ভাৰা ঘৰত আশ্ৰয় লোৱা ছাত্ৰীয়ে সতীত্ব ৰক্ষাৰ বাবে উজাগৰে উচুপি থাকি পূৰা প্ৰাণ লৈ পলাব লগা হৈছে। অথচ কৰ্তৃপক্ষৰ গা লৰা নাই। ছাত্ৰাবাস-ছাত্ৰীনিবাস বনোৱাৰ আশ্বাস দি আছে যদিও আজিলৈকে ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ নামত এচপৰা ইটাও পেলোৱা নাই। ধান পকে মানে টুনিৰ মৰণ। আনহাতে কৰ্তৃপক্ষই আলহী আবাসী নাৰাখিবৰ বাবে কঠোৰ নিৰ্দেশ জাৰি কৰি আছে। ছাত্ৰী নিবাসৰ আলহী আবাসীক অধীক্ষিকাই মানসিক অত্যাচাৰ আৰম্ভ কৰিছে। মুহূৰ্তৰ ভিতৰত ছাত্ৰীনিবাস এৰি যাবলৈ নিৰ্দেশ দিছে। কিন্তু তেওঁলোক যাব কলৈ? ঘৰলৈ নে মহানগৰীৰ ৰাজপথলৈ? ইয়াৰ উত্তৰ কোনে দিব? থাকিবলৈ আবাসৰ সুবিধা নাই। অথচ পৰীক্ষা দিবৰ বাবে ৫০% উপস্থিতি লাগে, ছাত্ৰীনিবাস পাবলৈ হলেও উপস্থিতি লাগে। কিন্তু উপস্থিত দিব ক'ৰ পৰা।

এতিয়া বিশ্ববিদ্যালয়ত এইদৰে ভাৰসাম্যহীন কাৰ্যকলাপ চলি আছে। কিন্তু তাৰ বিশ্লেষণ কৰোতা কোনো নাই। এইবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী পাই অহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ এগৰাকী ছাত্ৰীয়ে দুখেৰে ক'লে – বিশ্ববিদ্যালয়ত এনেকুৱা এটা ৰাস্তা নাই য'ত আমি হোষ্টেলৰ চিট বিচাৰি ঘূৰি আহোতে চকুপানী পৰা নাই। প্ৰতিটো হোষ্টেল, প্ৰতিজন ছাত্ৰ-নেতা প্ৰতিগৰাকী অধীক্ষক, প্ৰতিগৰাকী ছাত্ৰী অধীক্ষিকাৰ ওচৰত কাকুতি মিনতি কৰি ঘূৰি ঘূৰি শ্ৰেণীত বহি পঢ়াত মন দিয়াতো দূৰৰে কথা নিজৰ ৰোল নম্বৰটোৱেই পাহৰি যাওঁ।

স্বপ্না বেজবৰুৱা






# মই, মোৰ প্ৰতিবেশী আৰু পৃথিৱী

কৌশিক দাস

*[শ্ৰীযুত প্ৰসেনজিৎ চৌধুৰীৰ হাতত]*



(১)

থৰক-বৰক খোজেৰে থিয় হ'লো
বুঢ়ী-আইৰ দাপোণৰ আগত
বিচাৰি পালো এখন বহল পৃথিৱী
টোপনিয়ে টানি নিয়া দুচকুৰে দেখিছিলো হবলা
চিঞৰি উঠা এজাক মানুহৰ অনুজ্জ্বল প্ৰতিচ্ছবি

সন্মোহিত দুখনি হাত থৈছিলো দাপোণৰ গাত।

বিমোহিত সত্তা থান-বান কৰি এদিন গৰজি উঠিল
উজ্জীৱিত এক অন্তৰ্দাহী নিৰ্ঘোষ–
'দাপোণৰ সোঁহাত তোমাৰ বাওঁহাত,
তোমাৰ বাওঁহাত দাপোণৰ সোঁহাত',
সাৰ পাই উঠিল বুকুৰ মাজত অন্তহীন জিজ্ঞাসা–
প্ৰতিবিম্বটোক সাবটিব পাৰি নে নোৱাৰি

নিঃশব্দে আঁতৰি আহিলো দাপোণৰ পৰা
সমুখত এতিয়া মোৰ পৃথিৱীৰ জীৱন্ত পৃথিৱী

(২)

কুৰি বছৰীয়া দুখনি হাতেৰে
আলফুলে আঁকিছিলো আলসুৱা ছবি
ৰঙা ৰং, নীলা ৰং, বাৰে-বৰণীয়া
অজানিতে এচুকত লেখিছিলো এটি নাম–
চেন্ট হেলেনা

ই এক অদ্ভুত পাঠশালা
যোগৰ পাছতেই শিকাই দিলে মোক
বিয়োগৰ নিৰ্ভুল নেওতা

(৩)

নঙলা খুলি আগবাঢ়িছিল মৰুভূমি
চপৰা-চপৰে সৰি পৰিছিল মাটিৰ চপৰা
উদং ইকৰাৰে নাঙঠ হৈ পৰিছিল
চৌকাষৰ বেৰবোৰ

দুচকু বন্ধা ৰাতি তৃষ্ণাৰ্ত মনৰ অৰ্থহীন অতীত পৰিক্ৰমা
পিৰামিডৰ ছায়াত তেতিয়াও এই উৰলা পঁজা
চপৰা-চপৰে সৰিছিল মাটিৰ চপৰা



ধোঁৱা হৈ উৰি গ'ল উপকথাৰ স্বপ্নোদ্ভৱ মোহনীয়
মৰুদ্যান

তৰা ভৰা আকাশলৈ মূৰ তুলি চালো–
যাত্ৰীবাহী আকাশীযানৰ পাছে পাছে উৰি যায়
ৰণোন্মাদ বোমাৰু বিমান

মগজুত হৃদয় দাহনৰ দুঃসহ ছুৰিকাঘাত

(৪)

ঘৰৰ সমুখেদি পাৰ হৈ গ'ল
এটা দুটাকৈ সিহঁতৰ এশ এটা সমদল,
কম্পিত পৃথিৱীৰ ওপৰত উজলি উঠিল
বিজুলিৰে পূৰ্ণ এখন উদাৰ আকাশ

খিৰিকিখন লাহে লাহে খুলি দিলো–
বতাহজাক কঁপাই সোমাই আহিল
বুৰঞ্জীৰ সহস্ৰটা ঘামৰ টোপাল

নিৰ্বাক নিস্পন্দ হৈ সেইদিনা অনুভৱ কৰিলো
উষ্ণ দুপৰীয়া গোট মৰা বৰফৰ অস্ফুট বেদনা

শামুকৰ খোলাত বন্দী নিস্তৰংগ জীৱন

(৫)

অসহ্য এই মহাদেশৰ পৰা বিচ্ছিন্ন দ্বীপৰ নিঃসংগতা!
বান্ধ ভাগি উদ্দাম হৈ উঠিব খোজে
বুকুজত অৱৰুদ্ধ খৰস্ৰোতা নৈ


এখোজ দুখোজকৈ পালোগৈ যুদ্ধৰ উন্মুক্ত প্ৰাংগণ
দেহৰ অংগে অংগে অনুভূত হ'ল
নিৰ্বাপিত প্ৰদীপৰ উন্মীলিত উজ্জ্বলতা

পিঠিত পৰা অজস্ৰ চাবুকৰ কোবে দি গ'ল মোক
হাতেৰে এডাল চাবুক তুলি লোৱাৰ
দুৰন্ত মানসিকতা

আলোক-মগ্ন মনৰ এতিয়া উৎসুক পৰিশীলন
সমুখত সময় প্ৰদত্ত দুৰূহ সাঁথৰ □

# কবি নৱকান্ত বৰুৱা

# মোৰ স্ববিৰোধৰ জড়তা আৰু গতিৰ কাহিনী



কুমুদ বৰুৱা

এক

'It is only shallow people who donot judge by appearances. The mystery of the world is the visible and not the invisible.' (OSCAR WILDE, quoted by SUSAN SONTAG in her essay 'AGAINST INTERPRETATION')।

আজিৰ পৰা কিছুদিন আগতে যশস্বী কবি শ্ৰীযুত নীলমণি ফুকনদেৱে হাতী ভুক্কাত ভৰাবলগীয়া হোৱা বাবেই হয়তো আত্মপ্ৰত্যয়ৰ সুৰতে কৈছিল যে আজিৰ জটিল দিনত আধুনিক কবিতা জটিল হবলৈ বাধ্য। নিজৰ কথা নকওঁ, 'বিপ্লৱী কবি বন্ধু'ৱে কিন্তু সেই কথাত আপত্তি দৰ্শাইছে; চাফ কথাত তেওঁ কবি এলিয়টক সমৰ্থন কৰিব নোৱাৰে। আধুনিক অসমীয়া কবিতাৰ জটিলতা (complication certainly!) তেওঁ চকু পাৰি দেখিব নোৱাৰে। আধুনিক অসমীয়া কবিতাৰ পৰিবৰ্তন আৰু বিবৰ্তন তেতিয়া হ'লে তেওঁৰ কামত অহাকৈ কেতিয়া সম্ভৱ হব? সেই জটিল আৰু অভিজ্ঞ জ্ঞান-সাধনাৰ দায়তেই, যন্ত্ৰণাকাতৰ আৰু দ্দ্ব্মুখৰ পৃথিৱী-প্ৰেম লাভৰ অপূৰণতাৰ মাজতেই, সেই 'অনিবাৰ্য' ট্ৰেজেডী অথবা সাৰ্থকতাৰ মহত্ব নেকি?

আমাৰ 'বিপ্লৱী কবি বন্ধু'ৰ প্ৰায়ে বিভ্ৰান্তিৰ সৃষ্টি হয়। বিদেশী খেদা আন্দোলনৰ সময়ত হয়তো প্ৰকৃত ৰাজনীতিৰ আওভাও নোপোৱা নিৰ্বোধ, সহজ-সৰল ছহিদ এজনৰ বেদীত যেতিয়া তেওঁ আৱিষ্কাৰ কৰে এইফাকি কবিতা, 'মৃত্যুওতো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য! ('সুগন্ধি পখিলা'ত সন্নিবিষ্ট শ্ৰীযুত হীৰেণ ভট্টাচাৰ্যদেৱৰ কবিতা) তেতিয়াই তেওঁ নিথৰ হৈ ৰয়। সেই মৃত্যুওতো আছিল এক স্বতঃস্ফূৰ্ত শিল্প, কথাষাৰ মিছাওতো নহয়! বুজো নুবুজোকৈ তেওঁ বুজিব খোজে, সেই মানৱীয় ট্ৰেজেডীৰ স্বৰূপ কি? সৃষ্টিৰ দাবী আৰু অসম্পূৰ্ণতাৰ ৰূপ পৰিগ্ৰহণ কৰা এয়াও আছিল হয়তো এক সবল তেজৰঙা প্ৰত্যয়।

আৰু শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবিতাবোৰ?

আন কোনোবা 'বিপ্লৱী ডেকা কবিয়ে' হয়তো তাচ্ছিল্যৰ সুৰত সেইবোৰ কবিতা মধ্যবিত্তৰ ষ্টাডি ৰূমত দ্বিধাগ্ৰস্তৰ হাহাকাৰ বুলি ৰসিকতা কৰিব। তেখেতৰ 'তনুজ' কবিতাটোৰ চৰিত্ৰবোৰনো কোন, বুলি নিজেই প্ৰশ্ন তুলি, তাৰ উত্তৰ তেওঁ নিজেই দিব, – পেৰেম্বুলেটৰত বৃদ্ধ কবিক বহু ৱাই মহানগৰীৰ আলিয়ে গলিয়ে ঠেলি লৈ ফুৰা তেওঁলোক হ'ল মধ্যবিত্তৰ সুবিধাবাদী গুণগ্ৰাহী। সিহঁতেই কবিৰ ঐতিহ্যবাহক উত্তৰাধিকাৰী, তোষামোদকাৰীৰ দল। তাৰ পিছত ৰসিকতা কৰি ক'ব,– 'নামী কবিৰ গুণগ্ৰাহী হব পৰাটোও ৰসজ্ঞ পাণ্ডিত্যৰে পৰিচয়!'

আমাৰ শ্ৰদ্ধাভাজন কবিয়ে কিন্তু বুজিব পাৰিছে। তেওঁ তেওঁৰ কবিতাৰ লেখক নে পাঠক ধৰিব পৰা নাই। হয়তো তেওঁ নিজেই কেতিয়াবা তেওঁৰ কবিতাৰ একমাত্ৰ-পাঠক, বিচ্ছিন্ন। আনকি তেওঁৰ 'তনুজ' কবিতাটোৰ চৰিত্ৰবোৰৰ কিছুমানৰ ওপৰতো 'বিপ্লৱী ডেকা কবি'ৰ সন্দেহ আছে– ভাও নে ভক্তি! 'বিপ্লৱী ডেকা কবি' ইমানেই 'অকৃতজ্ঞ' যে 'মুখাৰ সাঁকো' ডালো তেওঁ দেখা নেপায়: 'ব্যৰ্থতাও যে কৃতকাৰ্যৰ নিচিনাকৈ এক বাস্তৱ অভিজ্ঞতাহে মাধোন'। 'বিপ্লৱী কবি বন্ধু'ৱে কিছুসময় তভক মাৰি থকাৰ পৰা মৌনতা ভংগ কৰি ক'লে: 'নামী কবিৰ পিছত থাকিলে লাভ নহ'লেও, লোকচান নাই। নকল অনুভূতিৰ দেশত 'পুণ্যক্ষয়'ৰ কালাবৰ্ত ইমানেই চমু যে বঞ্চিতৰ হৈ কৰা কৰ্ম-সাধনা প্ৰায় ক্ষেত্ৰতে অসহায় হৈ পৰিছে; বিকল্পৰূপে, জ্ঞান-সাধনাই জানো আশানুৰূপ সফলতাৰ মুখ দেখা পাইছে? দুয়োটা ব্যৰ্থতা একেই নে? হ'লেও ব্যৰ্থতা। জ্ঞান-সাধনাৰ ব্যৰ্থতাৰ ন্যায্যতা আৰু তাৰ গুণানুকীৰ্তন আমাৰ দিনত হৈছে, ই তাৰেই উদাহৰণ'। ইফালে 'বিপ্লৱী ডেকা কবি'য়ে আপত্তি তুলিছে: শ্ৰীপ্ৰদীপ আচাৰ্যই হেনো পাণ্ডিত্যাভিমানৰ চাক্‌চিক্য দেখুৱাই সিহঁতৰ নিচিনা উদ্ধত, 'আবৰ্জনাবোৰক' আচলতে বিস্মিত আৰু লজ্জিত কৰিবলৈহে বিচাৰিছে। তাতকৈ হেনো 'তনুজ' কবিতাটোৱেই উজু। সি প্ৰশ্ন কৰিছে–'কবিৰ স্বচ্ছ মুখাত সেইবোৰ কাৰ অস্পষ্ট প্ৰতিবিম্ব?'

বোধহয় সূক্ষ্ম বুদ্ধিৰ, অনুশীলনপ্ৰিয় 'সুশীল' পাঠকৰ সংখ্যা কমি গৈছে। ইয়াৰ দ্বাৰা হাততালি বজোৱাৰ সংখ্যা বুজাব খোজা নাই। ডঃ হীৰেণ গোহাঁইদেৱ ভদ্ৰলোক, নিৰহংকাৰী অধ্যয়নশীল ভদ্ৰলোক, সেয়ে হয়তো টানকৈ একো কথা ক'ব নোখোজে। তেওঁ 'ফেচন'ৰ হাৱা লগা অত্যুৎসাহী বিপ্লৱী কবি বা সমালোচকো নহয়। তেখেতে হতাশাগ্ৰস্ত, অথচ অম্লান্ত, অৱলম্বনহীন কবিক সান্ত্বনা দিবলৈ কৈছে– 'অৱশ্যে অতীতৰ স্মৃতিয়ে মোহগ্ৰস্ত বৰ্তমানৰ দাস হোৱাৰ পৰা তেওঁক দূৰত ৰাখিছে।' অথবা যেতিয়া তেখেতে লিখে যে, – 'কিন্তু যি অসাফল্যৰ বেদনা আৰু অপ্ৰাপ্তিৰ হুমুনিয়াহে; স্বপ্নভংগৰ যি তুহিণ বতাহে, তেওঁৰ কবিতাৰ মাজত হাহাকাৰ কৰি ফুৰিছে, সি কেৱল ব্যক্তিগত জীৱনৰ দুখ নহয়। তাৰ মাজেদি প্ৰকৃততে প্ৰকাশ পাইছে এক বঞ্চিত জেনেৰেশ্যনৰ আত্ম আৱিষ্কাৰ,' নাইবা কবিৰ বুৰ্জোৱা জ্ঞানৰ অসম্পূৰ্ণতা আৰু অসাৰ্থকতা দেখিও যেতিয়া লিখে যে, – "কবিৰ সাধুতা এইখিনিতে যে বাৰে বাৰে জ্ঞানৰ শিখাত আকৃষ্ট হৈ তাৰ কেউফালে গুণগুণাই প্ৰদক্ষিণ কৰি উঠিও শেহত উছাট মাৰি তেওঁ আঁতৰি গৈছে 'হেথা নয়, হেথা নয়' বুলি", তেতিয়া সমালোচকজনে কোনো এক বুজাবুজিৰে (Promotion of understanding) সান্ত্বনাকে দিব খোজে। মোৰ 'বিপ্লৱী কবি বন্ধু'ৱে আক্ষেপৰ সুৰত কয়, এই গুণী সমালোচকজনৰ সান্ত্বনাবাণীয়েও বহুত কাম কৰে। হাততালি বজোৱাৰ সংখ্যাতো বাঢ়েই, কবিক বৃদ্ধ বয়সত পেৰেম্বুলেৰেটৰত বহুৱাই মহানগৰী ফুৰাবলৈকো গুণগ্ৰাহী কাব্যামোদীৰ অভাৱ নহয়।

অসমৰ সুসন্তান স্বৰ্গীয় বিষ্ণু ৰাভাও আছিল এযুগৰ হতাশগ্ৰস্ত অথবা ব্যৰ্থ মানৱদৰদী শিল্পী। সেই ব্যৰ্থতাৰ ন্যায্যতা কোনে বিচাৰিছে? বেলেগ মানুহে। সেইবোৰো গুণগ্ৰাহী মানুহ। কিন্তু কেনেকুৱা মানুহ? বুৰ্জোৱা জীৱন আৰু সভ্যতাৰ শূন্যতা, কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱেও জুখিছে, বিষ্ণু ৰাভাদেৱেও জুখিছিল; কবি এলিয়টেও জুখিছিল– Unreal city— London, Hyacinth girl, A game of chess, টেমচ্ নদীৰ বেলাভূমিৰ কাহিনীৰ জৰিয়তে। ডঃ হীৰেণ গোহাঁইদেৱে কৈছে যে কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱে 'কিছুদূৰ মনে গঢ়া গ্ৰাম্য বা জনজাতীয় সমাজৰ ছবি দাঙি ধৰিছে।' বিষ্ণু ৰাভাদেৱে একা? আক্ষেপৰ সুৰতেই উচ্চাৰিত হব লাগিছে যে, 'বিষ্ণু ৰাভা এতিয়া অসমীয়া মানুহৰ বাবে এটা প্ৰতীকত পৰিণত হৈছে। কিন্তু সকলোৰে বাবে তেওঁ একেটা প্ৰতীক নহয়। কাৰোবাৰ বাবে তেওঁ সৈনিক-শিল্পী, কাৰোবাৰ বাবে জাতীয় সমন্বয়ৰ প্ৰতীক, কাৰোবাৰ বাবে আকৌ কলাগুৰু। আনহাতে "চহৰৰ, নগৰৰ, ভ্ৰেমপুৰীয়া" সকলে ৰাভাক এজন গানমাষ্টাৰৰ শাৰীতহে থব খোজে, ......... ৰাভাৰ দুৰ্ভাগ্য যে তেওঁক তেওঁৰ ঐতিহাসিক পটভূমিৰ পৰা লাহে লাহে বিচ্ছিন্ন কৰি পেলোৱা হৈছে ....... ৰাভা তেওঁৰ কৃতিত্বতকৈ কৃতিৰ সম্ভাৱনাৰ মাজতহে উজ্জ্বল' (বিষ্ণুৰাভা: ঐতিহ্যৰ সমস্যা, শ্ৰীহীৰেণ গগৈ)।

সেয়ে প্ৰশ্ন উঠে, কবিৰ স্বচ্ছ মুখাখনত তেওঁক দেখা পোৱাৰ উপৰিও আন বহুতো মানুহৰেই অস্পষ্ট প্ৰতিবিম্ব দেখা পাইছো। তেওঁলোক প্ৰকৃততে কোন?

'এখন স্বচ্ছ মুখাৰে' আমাৰ যুগৰ গুৰুত্বপূৰ্ণ কবি গৰাকীক পুনৰ এবাৰ নকৈ সাজিকাচি ওলোৱাত মোৰ হ'লে প্ৰসংগক্ৰমে 'অতীতৰ' কবি এলিয়টলৈহে বৰকৈ মনত পৰিছে। এইখনো এখন যেন এলিয়ট-মাৰ্কা মুখাহে, নতুন মুখা নহয়। আৰু এখন 'স্বচ্ছ' মুখাৰ কথা শ্ৰীযুত হোমেন বৰগোহাঞিদেৱৰ 'আত্মানুসন্ধান' গ্ৰন্থত পঢ়িবলৈ পাইছিলো। এটা পুৰণি Myth-ৰ আলম লৈ ইংৰাজী সাহিত্যৰ 'Great Tradition'-ৰ এজন বিখ্যাত ঔপন্যাসিক Joseph Conrad-এ ধাৰণা কৰি উলিওৱা 'Medusa of Existence' বা অস্তিত্বৰ মেদুছাৰ কাল-দৃষ্টিৰ বিৰুদ্ধে ৰক্ষা কবচ হিচাপে ব্যৱহাৰ কৰিব পৰা সেইখন আছিল Illution বা মায়াৰ মুখা। Myth-টোৰ মতে, যিয়েই নেকি মেদুছাৰ কাল-চক্ষুৰ পৰ্দাৰ সেই 'স্বচ্ছ' মুখাৰ মুখামুখি হৈছিল, তেৱেঁই হেনো শিল হৈ গৈছিল। শেহতীয়া কবিতা সংকলন 'এখন স্বচ্ছ মুখাৰে' কবিতা পুথিৰ কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱে কিন্তু 'আত্মসমৰ্পণ'হে কৰিব খুজিছে (সেয়ে 'বিপ্লৱী কবি বন্ধু'ৱে ভয় খোৱাৰ কোনো কাৰণ নাই) আৰু কৈছে: 'মই এতিয়াও কবিতা লেখি আছো সঁচা, কিন্তু মই অনুভৱ কৰো, মোৰ যেন সেই বিলাকৰ প্ৰতি, কোনো দাবীও নাই, দায়িত্বও নাই। মোৰ মৃত্যুৰ পঞ্চাছ বছৰৰ পিছত মোৰ উত্তৰ পুৰুষে মোক লৈ কি কৰিব পাৰে, তাৰেই যেন এয়া আখৰা'। অকালতে মৰহি যোৱা প্ৰতিভাবান দাৰ্শনিক, কবি, সমালোচক স্বৰ্গীয় ভবানন্দ দত্তদেৱে 'অসমীয়া কবিতাৰ কাহিনী'ৰ পাতত এইদৰে লিখিছিল– 'কিন্তু যি প্ৰকৃত কবি, তেওঁ ব্যক্তিগত ব্যৱহাৰিক সুবিধাৰ কাৰণে অন্তৰৰ সত্য গোপন নকৰে। অন্ততঃ আমাৰ বহুতো কবিৰ গুৰু এলিয়টৰ সেইখিনি সাহ আছিল। আমাৰ আগতে অসমত ৰোমান্টিক কবি গগৈ, দুৱৰা দেৱ বৰুৱাৰ সেই সাহ আছিল'। শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ এই অকপট স্বীকাৰোক্তিত, ওলোটাই আমিহে বিহ্বল হৈ পৰিছো। সেই দায়িত্ব কাৰ? তেখেতৰ হতাশাৰ প্ৰকৃত দায়িত্ব কোনে মূৰ পাতি লব? তেখেতৰ জীৱন জোৰা নিষ্ঠাবান সাধনা অথলেই যাবনে? হয়তো নেযায়। গুণীৰ মোল বুজা মানুহ বিৰোধীৰ দলতো ওলাব।

আমাৰ ভালেমান অসমীয়া গুণগ্ৰাহী 'স্বাধীন' ভক্ত যিমান তোষামোদকাৰী, সিমানেই 'অকৃতজ্ঞ' বুলিও 'বিপ্লৱী কবি বন্ধু'ক কোৱা শুনো। (কবি বৰুৱাদেৱৰ 'প্ৰত্যেক ৰাতি' কবিতাত 'সকলোৱেই কিন্তু বন্ধ কৰি আছে নিজক' বাক্যাংশত কবিয়ে নিজেই এই জাতীয় বিশ্বাসঘাতকতাৰ উমান পাইছে নেকি নেজানো!) আমি আশা ৰাখিব পাৰো নে, পঞ্চাছ বছৰৰ পিছত কবি বৰুৱাদেৱো অসমীয়া মানুহৰ বাবে মধ্যবিত্তৰ ড্ৰয়িং ৰূমৰ কিতাপৰ আলমাৰী শুৱনি প্ৰতীকত পৰিণত নহব?

সামাজিক বিকাশৰ তুলনাত আপেক্ষিক ভাবে স্বাধীন সাহিত্য-কলাৰ বিশেষ ধৰণৰ বিকাশ প্ৰক্ৰিয়াত, প্ৰবহমান ঐতিহ্যৰ শৃংখলাত, ৰসজ্ঞ কবিৰ প্ৰক্ৰিয়াত আত্মোৎসৰ্গ, তেনে ধৰণৰ surrender-ৰ, তাৰ নৈৰ্ব্যক্তিকতাৰ অদ্বিতীয় আসনখনৰ প্ৰকৃত মূল্যায়ন হয়তো ভৱিষ্যতৰ হাততহে। আমি এতিয়াই কোনো Final Judgement দিয়াতো ঠিক নহব। কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ মনটো প্ৰকৃততে কি ('মোৰ মনটোক বাৰু মোৰ কবিতাই স্পৰ্শ কৰিছেনে?') বেলেগ আৰু জানিবলৈ আমাৰ কোনো সুবিধা নাই। বিশ্বাস আৰু সংশয়ৰ দোমোজাত 'প্ৰাণগংগাৰ জোৱাৰ' সৃষ্টি কৰাৰ সাধনাত কবিৰ বেলেগেও যে কিবা কৰিব লগীয়া আছে, তাৰ চেতনা নাই বুলিও আমি আশ্বস্ত নহওঁ। [ ডঃ হীৰেণ গোহাঁইদেৱৰ সহানুভূতি এইখিনিতে প্ৰণিধান যোগ্য। কবিৰ 'চেপামৰা ভয় আৰু উৎকণ্ঠা' শাসনলৈ আহিও দূৰ নোহোৱাৰ অন্তৰালত, আমাৰেই সমাজ জীৱনত প্ৰয়োজনীয় প্ৰকৃত নতুনত্বৰ হয়তো ভালকৈয়ে অভাৱ– এনে এটা কথাৰে ভিত্তিত প্ৰকাৰান্তৰে সমালোচকজনে কবিক অব্যাহতি দিয়া যেন ভাব হ'ল: 'আন নহ'লেও অলীক সৰগৰ সন্ধানত তেওঁ হাবাথুৰি খোৱা নাই। পৃথিৱীক কেৱল পৃথিৱী হিচাপেই ভাল পাবলৈ তেওঁ চেষ্টা কৰিছে।' এনে ধৰণৰ সামাজিক সমালোচনাতেই হয়তো উৎসাহিত হৈ কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱে পুনৰ উপনিষদতেই শৰণ লোৱা যেন পাইছো। ৰচিলে 'যাজ্ঞৱল্ক্য' নামৰ তেজস্বী আত্মপ্ৰত্যয়ৰ কবিতা: 'মানুহৰ প্ৰকৃত আৰু চিৰস্থায়ী কল্যাণ কৰ্মৰ দ্বাৰা সম্ভৱ হব

নোৱাৰে, জ্ঞানৰ দ্বাৰাইহে সম্ভৱ হব পাৰে'। ইয়াত কিন্তু তেখেতৰ 'আত্মসমৰ্পণ'ৰ চিন-মোকাম পৰ্যন্ত নাই। আছে সংকলনটিৰ প্ৰায়বোৰ কবিতাৰেই ঐকতান। অভিভাৱক সুলভ 'বৈষ্ণৱ' মনোভাব, খৰ খজুৱাৰ 'উপসনা'। 'তনুজ' কবিতাৰ যি সম্ভাৱনা আছিল, তাক কবিয়ে নিজৰ 'আত্মসমৰ্পণ'ৰ জৰিয়তেই খৰ্ব কৰি বুজাই দিলে, তেখেতৰ স্বচ্ছ মুখাত অস্পষ্টকৈ হ'লেও আচলতে কাৰ প্ৰতিবিম্ব প্ৰতিফলন হোৱাটো তেওঁ বিচাৰে! পাৰিবনে তেওঁলোকে কবিক জীয়াই ৰাখিব? হয়তো পাৰিব। ধন্য উপনিষদৰ জ্ঞান! সেই 'ৰহস্য'ৰ জ্ঞানৰ অৱলম্বনেই যদি আহুকলীয়া কুটিলতাৰ একমাত্ৰ পৰিত্ৰাণ, আমিও আজিৰ পৰা তাকে গ্ৰহণ কৰিম এই ঘোষণাৰে– বন্ধুসকল 'শ্ৰেষ্ঠ ব্ৰহ্মজ্ঞ'লৈ আমাৰো শতকোটি প্ৰণাম! 'বণিকৰ মূল্যমানে', 'ৰাজন্যৰ দানে' কলুষিত কৰিব নোৱৰাকৈ দুৱাৰ বন্ধ কৰিলো, জ্ঞানৰ সাধনাৰ অৰ্থে। সমালোচনাই সাহিত্যৰ সৃষ্টি কৰেনে, সাহিত্য সৃষ্টিয়ে সমালোচনাৰ সৃষ্টি কৰে? তুমিতো জানাই ছাগে গাৰ্গী? ইয়াত জ্ঞানৰ ৰাজ্যতেই সদায় জয়? নকল মানুহৰ দেশ এইখন– শূন্য গোলক!]

নিৰাশাৰ, ব্যৰ্থতাৰ, গভীৰ জীৱন বোধৰ ৰূপটো দুখানুভূতিৰ তীব্ৰতা আৰু জ্ঞান প্ৰদত্ত প্ৰশান্তিৰ ঐক্য-নিষ্ঠাৰ মাজেৰেও অনুভৱ কৰিব পৰা গৈছে যেতিয়া; তাৰ ট্ৰেজেডী বা সাৰ্থকতাৰ তৃপ্তি কবিৰ হাহাকাৰৰ মাজত দুদোল্যমান 'বিৰোধী ঐক্য' তথা তাৰ ফলশ্ৰুতি ৰূপত, কাব্যিক যথাৰ্থ অনুশীলনৰ প্ৰকৃত বিবৰ্তনৰ নিত্য-নতুন ৰূপেহে আচলতে আমাৰ নতুন কৌতূহল জাগ্ৰত কৰিব, – তেনে অনুভূতিৰ ৰস গ্ৰহণ যথা সময়ত সম্ভৱ হব বুলি আমি আশা কৰিব পাৰোনে? তেখেতৰ কবিতাবোৰ ৰাজহুৱা সম্পত্তি হব নে নহব, সেই কথাটোও আমাৰ ধাৰণাত, তেখেতৰ কবিতাবোৰৰ ক্ৰমাগত poetic progress-ৰ লগতহে জড়িত প্ৰশ্ন। পৰিবৰ্তিত পৰিস্থিতিত পাঠকৰ কৌতূহল তাতহে। 'মুখাৰ সাঁকো'ৰ ধৰণ-কৰণ লক্ষ্য কৰি, সম্পাদকৰ দাবীৰ আত্মবিশ্বাস দেখি অথবা 'প্ৰত্যেক ৰাতি', 'যাজ্ঞৱল্ক্য', 'বৈষ্ণৱ', 'ভাটৌ', 'সভ্যতাৰ মুখাগ্নি', 'সাপৰ মোট', 'টৰ্চৰ পোহৰত জোনাকী পৰুৱা' 'শেষৰ শাৰী' প্ৰভৃতি কবিতাৰ ৰস গ্ৰহণ কৰোতে ভাব হৈছে, 'হৃদয়ৰ পৰা হৃদয়লৈ সেঁতু বন্ধন কৰাৰ সৰলতম পথ' দৰাচলতে ইমান সহজ নে? এই 'নতুনত্বহীন' কবিতাবোৰ পঢ়ি সেয়ে মোৰ ডঃ হীৰেণ গোহাঁইদেৱৰ কথা কেইটাকে পুনৰ দোহাৰিবৰ মন গৈছে, (তেৱেঁই একমাত্ৰ মানুহ, যিজনে বুজে আমাৰ হৃদয়ৰ যন্ত্ৰণা): 'একালৰ প্ৰিয় কবিৰ কবিতা পুনৰ পাঠ কৰা আৰু এযুগৰ পিছত প্ৰেয়সীৰ ঘৰলৈ অহা একেই কথা। আগৰ দৰে আৰু মন চঞ্চল, হৃদয় অস্থিৰ নহয়, বৰং নঙলামুখ পৰ্যন্ত আহি ভাব হয়– থাওক। ইমানতেই উভতি যোৱাই বুদ্ধিমানৰ কাম হব।'

কিন্তু তেখেতৰ দৰেই আমাকো কৌতূহলে ঠেলি লৈ যায়। 'জীৱনক জীৱিকাৰে বন্দী কৰাৰ ধৰ্ম' অথবা এই অনিশ্চিত, জড়াগ্ৰস্ত সভ্যতাৰ 'নীৰস যান্ত্ৰিকতা'ৰ পীড়াৰ পৰা আমিওতো নিস্তাৰ পোৱা নাই, নতুনৰ বাবে আত্মোৎসৰ্গ কৰিব পৰা নাই। 'নতুন আদৰ্শ মানে কষ্ট, বিশ্বাস মানে সংশয়' (সঁচাকৈয়ে কোনো Return নাই, ই প্ৰকৃত অৰ্থত আত্মবলিদানেই!)– এনে দোমোজাৰ ভেটিত আমাৰো স্পষ্ট 'উপনিষদীয়' যুক্তি মজুত আছে! কবি এলিয়টৰ যুগাতীতৰ সমৰ্থক সকলৰ দৰেই 'কলাৰ আপেক্ষিক স্বাধীনতা' নামৰ বাদুলিটোৰ সুবিধা থাকোতেই, এই সুযোগতে আমিও কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। তেখেত, তেখেতৰ কবিতাৰ "লেখক নে পাঠক" নামৰ অসুখটোৰো, লগতে আশু আৰোগ্য কামনা কৰিলো।

পৰিবৰ্তিত পৰিস্থিতিৰ জ্ঞান কবিৰ নাই হোৱানে বাৰু? তেনেহ'লে অতদিনে তেওঁৰ কবিতাত গৌৰৱ কৰিব লগীয়া কি বস্তু আছে? কবি জীৱনৰ সম্পূৰ্ণ দিকদৰ্শী বিকাশৰ সম্ভাৱনাইহে যে নতুন আধুনিক কবিতাৰ ৰস গ্ৰহণ সম্ভৱ কৰি তুলিব পাৰিব, সেই লৈ মনলৈ সংশয় আৰু প্ৰত্যয় দুয়োটাই আহিছে। ইয়াৰ নিশ্চয় কাৰণ আছে।

ইমানখিনিলৈ পঢ়ি উঠি কবিৰ গুণমুগ্ধ সকলৰ চাগে মোলৈ খুব খং উঠিছে, কাৰোবাৰ পুতৌও উপজিছে চাগেঃ অলগৰ্ধ, এটা বেৰসিক! তেওঁলোকৰ বাবে মই কেৱল 'বেৰসিকেই নহয়, আনকি 'Fallacious'-ও হয়তো! সৃষ্টিশীল ক্ষেত্ৰত, তেওঁলোকৰ প্ৰধান অভিযোগটো হব পাৰে, কবিতা নামৰ বিশেষ প্ৰজাতিৰ প্ৰকৃত জৈৱিক আৰু স্বতন্ত্ৰ ৰূপটো আৰু তাৰ প্ৰকৃত ৰসাস্বাদনৰ প্ৰক্ৰিয়াটোৰ অস্তিত্বকেই মই কিজানি অস্বীকাৰ কৰিবলৈ চেষ্টা কৰিছো। তেনে অভিযোগ ইয়াত মৌখিক ভাবে খণ্ডন কৰি কওঁ যে, সত্যদ্ৰষ্টা, সাধু কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবিতাৰ অভিজ্ঞতা, ঐতিহ্যজ্ঞান, বৌদ্ধিক সূক্ষ্মতা (sensitivity), অনুভূতিৰ গভীৰতা আৰু তাৰ মূৰ্ত ৰূপে কেৱল তেওঁলোককেই আকৃষ্ট নকৰে, আমাৰ হৃদয়তন্ত্ৰীতো আঘাত হানে; কিন্তু তেওঁলোকৰ বহুতৰ দৰে আমাৰ জ্ঞান পুষ্ট নহয়; আমাৰ জ্ঞান পুষ্ট হয় বেলেগ ধৰণেৰে। তেনে নহ'লে কবিক লৈ টনা-আঁজোৰা কৰাৰ কি প্ৰয়োজন?

## দুই

'He must be quite aware of the obvious fact that art never improves, but that the material of art is never quite the same'. (T.S. ELIOT)

১৯৮৯ চনৰ জুন মাহৰ দ্বিতীয় পষেকৰ 'সূত্ৰধাৰ'ত শ্ৰীযুত নৱকান্ত বৰুৱা দেৱৰ এটা কবিতাৰ ওপৰত শ্ৰীযুত কবীন ফুকনদেৱৰ এটা আলোচনা প্ৰকাশ পাইছিল। ৰচনাটোৱে আমাক ৰসদান কৰাৰ লগে লগে অন্য কিছুমান ভ্ৰান্তি আৰু আশংকাৰ প্ৰতিও, এতিয়া আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। কবি শ্ৰীযুত নৱকান্ত বৰুৱাদেৱৰ কবিতাৰ আলোচনাত সেইবোৰৰো গুৰুত্ব আছে বুলিয়েই, সেই আলোচনাটিৰ সূত্ৰ ধৰিয়েই, আমাৰ আলোচনা আগবঢ়াব লগাত পৰিছে।

বস্তু জগতক (Material World) আমি ক্ষয়িষ্ণু (Decadent) বুলি নুবুজো। আধুনিক বুৰ্জোৱা সভ্যতাত বস্তুৰ সমৃদ্ধিৰ ফলত মানুহৰ বস্তুবাদী দৃষ্টিভংগীৰ (Materialist outlook) আতিশয্যই যান্ত্ৰিকতাৰ সৃষ্টি কৰাত, তেনে সভ্যতাত মানুহৰ আত্মিক পৰিচয়ৰ অৱলুপ্তিৰ কথাহে পঢ়িবলৈ পাইছো। 'ক্ষয়িষ্ণু বস্তু জগত' বাক্যাংশ কেৱল আঁভজাই নহয়, সভ্যতাত তেনে ধাৰণা বিপজ্জনকো।

পোন প্ৰথমেই কৈ লোৱা ভাল হব যে মোৰ মূল আপত্তিটো কবিতাটোৰ সাহিত্য বিচাৰতে সীমাবদ্ধ নহয়, বৰং তাৰ জ্ঞানেৰে আমাৰো জ্ঞান পুষ্ট কৰিবলৈ বিচৰা তেখেতৰ কবি-সুলভ অথচ প্ৰতিক্ৰিয়াশীল, আনুভূতিক পক্ষপাতদুষ্ট আত্মবিশ্বাসতহে। ৰচনাটোৰ কেন্দ্ৰীয় অনুপ্ৰেৰণা ৰূপত থকা 'অপ্ৰতিৰোধ্য অৱক্ষয়ৰ inexorable sequence'-টোৱেই যেন তেখেতৰ আনুভূতিক পক্ষপাতিত্বক (emotional bios) সঞ্জীৱনী প্ৰদান কৰিছে। তেখেতে যেন আশ্বস্ত হবলৈ বিচাৰিছে (লগতে আনকো পতিয়ন নিয়াব বিচাৰিছে) যে সমাজৰ আমূল পৰিবৰ্তনত আকাংক্ষী কল্পনাত হিংসাৰ দানৱীয় ৰূপটো থাকিলেও, সেই ধ্বংসৰ মাজতো সৌন্দৰ্য আৰু স্বপ্নৰ মৰ্যাদা আছে সঁচা, কিন্তু তাৰ পিছত যি মৰুভূমি লাহে লাহে, মাহে মাহে, বছৰে বছৰে আহে ('গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে/প্ৰাণৰ যিমান ৰং, সেউজী সোণালী')– সেয়াই যেন মানৱীয় 'কল্পনাৰ ঊৰ্দ্ধসীমা'! এই 'দ্বিতীয় বিশ্বৰ হেঁপাহত সৃষ্টিৰ উদ্যমৰ ধ্বংসকাৰী মাত্ৰাধিক্য নঘটে সঁচা, কিন্তু সেই কল্পনা 'সেমেকা, অক্ষম, সম্ভাৱনাহীন,। 'মতান্ধ' প্ৰগতিশীলতাৰ বিপৰীতে, লেখকৰ মনোভাৱ তেনেকুৱা ধৰণেৰেই প্ৰতিক্ৰিয়াশীল নহয় জানো? নহ'লে 'প্ৰগতিশীল' কবি অডেনৰ 'Teach the free man how to praise' উক্তিৰে আলচটি কিয় আৰম্ভ কৰিব লগা হ'ল? কবিতাৰ প্ৰশংসাতেই কেৱল এনে বিচাৰ সীমাবদ্ধ থকা হ'লে বা তাত প্ৰচ্ছন্ন অবৈজ্ঞানিক প্ৰত্যয়ৰ ওকালতিৰ উমান নোপোৱা হ'লে, আমাৰো মূল্যবান সময় বৰবাদ নহ'লহেঁতেন।

দ্বিতীয়তে, তেখেতৰ আৰম্ভণিৰ পৰিচ্ছেদটোৱেই 'আকৰ্ষণীয় ভাবে বিতৰ্কমূলক'। 'ভৱিষ্যতৰ জৰায়ুত এক কিম্ভুত কিমাকাৰ ভ্ৰূণে গঢ় লোৱাটো' নিশ্চয় চিন্তনীয় বিষয়। কিন্তু হ'লেও তেনে ধাৰণা-বিতৰ্কৰ ঊৰ্দ্ধত নহয়। কিয়নো, এনে দুৰ্ভাবনা থাকিল বুলিয়ে যে মানুহ নিৰাশ হৈ তাকেই সভ্যতাৰ culmination বুলি পতিয়ন যাব লাগিব, তাৰো কোনো যুক্তি নাই। 'ইয়াত নদী আছিল' কবিতাত যদি কেৱল মৰুভূমিৰ সেমেকা দূষিত বায়ুৱেই একমাত্ৰ গুৰুত্ব পাব লগীয়া সত্য আৰু কবিৰ বাবে যদি সিয়েই 'সক্ৰিয় কল্পনাৰ ঊৰ্দ্ধসীমা বুলি বিবেচিত হ'লহেঁতেন, তিনি দশকৰ পিছত কবিয়ে কেতিয়াও নিলিখিলেহেঁতেন 'মোৰ মৃত্যুৰ পঞ্চাছ বছৰৰ পিছত মোৰ উত্তৰ পুৰুষে মোক লৈ কি কৰিব পাৰে, তাৰেই যেন এয়া আখৰা' অথবা 'এতিয়া মই তোমালোকেই' ('তনুজ') বুলি। এনে ধৰণৰ অবৈজ্ঞানিক আনুভূতিক পক্ষপাতিত্বই প্ৰভাৱশালী সত্য দ্ৰষ্টাৰ পাঠক সমাজ সৃষ্টি কৰিব নোৱাৰে; তেনে মোহগ্ৰস্ত আনুভূতিক প্ৰত্যয়ে কবিতাৰ সত্যতহে অসত্যৰ ছেকা লগোৱাৰ সম্ভাৱনা বেছি।

আমি কবিৰ জটিল কবিতাবোৰ পঢ়ো, কিন্তু সহজকৈ বুজিবলৈ চেষ্টা কৰো। কবি শ্ৰীযুত কবীন ফুকনদেৱে, কবি শ্ৰীযুত বৰুৱাদেৱৰ 'ইয়াত নদী নাছিল' নামৰ কবিতাটিৰ 'সূত্ৰধাৰ'ৰ পাতত কৰা আলচটি কেইবাবাৰো পঢ়িছো; লগে লগে মূল কবিতাটিও ৰিজাই চাইছো। কবিতাটি যিমান সাৰ্থক হৈছে বুলি ভাব হৈছে, তাৰ আলচটিও সমানেই উৎকৃষ্ট বুলিও ভাব হৈছে। প্ৰথম অৱস্থাত প্ৰচ্ছন্ন মনোভাবৰ একো ইংগিত পোৱা নেযায়। কবিতাটোত অনুভূত আবিলতা আৰু অৱক্ষয়ৰ জীৱনধৰ্মী চেতনাই আমাৰ অনুভূতিৰ অন্তঃপুৰতেই হাহাকাৰৰ সৃষ্টি কৰি ক্ষান্ত থকা নাই; বস্তুগত তথা বাস্তৱবোধৰ মাজলৈকো সংশয়হে কঢ়িয়াই আনিছে। আনুভূতিক যোগাযোগটো এনেকুৱা যে কবিৰ লগতে সংগ্ৰামৰ বাটত পিছল খোৱাৰ ভয়েই বেছি।

এফালৰ পৰা চাবলৈ গ'লে অৱক্ষয় আৰু অসুস্থতাৰ এই সঁচা উপলব্ধি আত্মাৰ শুচিকাৰক হোৱা উচিত। কিয়নো তাৰ মাজত 'প্ৰত্যয়ৰ ৰূপ এটাও' অনুভূত নোহোৱাকৈ নেথাকে। বাস্তৱৰ, বস্তু জগতৰ এন্ধাৰতে লুকাই থকা ছবিখন, আমাক আমাৰ নিভুল, নিখুঁত জ্ঞানেহে পোহৰলৈ আনি দেখুৱাব পাৰে। যিসকল মানুহ কবি বা শিল্পী নহয়, তেওঁলোকৰ এনে জ্ঞান মুকলি হবও পাৰে, নহবও পাৰে। কিন্তু যি সত্যদ্ৰষ্টা কবি, সি সাধু কবি, তেওঁ সত্যৰ এনে অৱগুণ্ঠিত মুখো পোহৰলৈ আনিব পাৰে। শ্ৰীযুত কবীন ফুকনদেৱৰ ভাষাৰে 'কবিতাটিত থকা অনুভূতিৰ প্ৰবাহে এক ক্ষয়িষ্ণু বস্তু জগতক জীৱন ধৰ্মী চেতনাৰ পোহৰেৰে পোহৰাইছে'। পাঠকক সেই (ভ্ৰান্ত, নিৰাশাজনক?) অনুভূতিৰ অংশীদাৰ কৰাটোৱেই কবিতাৰ 'অঘোষিত উদ্দেশ্য' আৰু তাতেই তাৰ চৰম সাৰ্থকতা নেকি?

শ্ৰীযুত ফুকনদেৱে লিখিছে যে আজিৰ পৰা প্ৰায় দুটা দশকৰ আগতেই অনুভূত অৱক্ষয় আৰু অসুস্থতা, আমাৰ সমাজত আজিও বিৰাজমান। আনুভূতিক পক্ষপাতিত্বৰ প্ৰভাৱতেই কওঁ যে, ইয়াৰ এটা সহজ অৰ্থ শ্ৰীযুত ফুকনদেৱৰ মতে হ'ল, কবিতাটো যেন 'কালোতীৰ্ণ' এটা সাৰ্থক কবিতা! পাঠকক আজিও সেই অনুভূতিৰ তীব্ৰতাই মৰ্মাহত কৰি তুলিব পাৰে! আজিও সেই কবিতাই 'ক্ষয়প্ৰাপ্ত বস্তু জগতৰ' সন্ধান দি তাৰ 'অঘোষিত কৰ্তব্য' পালন কৰি আছে! সেয়ে, তাতেই কবিতাটোৰ চৰম (অথবা চিৰন্তন!) সাৰ্থকতা? ইয়াকেই প্ৰকৃত কবিতাৰ 'অনুভূতিৰ প্ৰবাহ' অথবা 'উত্তৰণ' (Development) বুলি ক'ব পাৰি নেকি? এই ভাবেই সাহিত্য কলাই তাৰ কৰ্তব্য পালন কৰে নেকি? যদি সঁচা, তেন্তে কবি এলিয়টে প্ৰকৃততে কি কৈছিল, সেই প্ৰসংগৰ অৱতাৰণা ইয়াত বিশেষভাবে প্ৰয়োজন হব। এলিয়টে কৈছিল,– 'I do not deny that art may be affirmed to serve ends beyond itself; but art is not required to be aware of these ends, and indeed performs its functions, whatever that may be, according to various theories of value, much better by indifference to them. (THE FUNCTIONS OF CRITICISM)। আৰু কাব্য আলোচনাৰ (Criticism) প্ৰসংগত এলিয়টে কৈ যোৱাৰ দৰেই শ্ৰীযুত ফুকনদেৱে 'ইয়াত নদী আছিল' কবিতাৰ ব্যাখ্যা (Elucidation) আগবঢ়াইছে। এলিয়টে বিচৰা ধৰণেই তেখেতে, কবিতাটোত অনুভূত জীৱনধৰ্মী চৈতন্যৰ অংশীদাৰ আৰু তেনে অনুভূতিৰ দ্বাৰাই পাঠকৰ বাস্তৱ সম্পৰ্কে জ্ঞানৰ শুধৰণি (correction of taste) হোৱাটো 'কামনা' কৰিছে ('কোন পঢ়ুৱৈয়ে কি সাহসত ক'ব পাৰিব যে কবিতাটোত অনুভূত আবিলতা আৰু অৱক্ষয়ৰ বাস্তৱ ভিত্তি নাই'? কি সেই বাস্তৱ ভিত্তি? 'ক্ষয়িষ্ণু বস্তুজগত'? গতিকে তাৰ পৰিত্ৰাণ হিচাপেই 'কৰ্ম সাধনা'ৰ পৰিবৰ্তে 'জ্ঞানাৰ্জন'?) শ্ৰীযুত ফুকনদেৱৰ আলচটিৰ পৰা এইখিনিকে বুজিছো বুলি দাবী কৰিছো। কিন্তু অপ্ৰিয় হ'লেও ক'বলৈ বাধ্য হৈছো যে ইয়াকে যদি শ্ৰীযুত ফুকনদেৱে কবিৰ প্ৰকৃত poetic progress বুলি ভাবিছে আৰু তাকেই যদি কবিতা সমালোচনাৰ শেষ কথা বুলি ভাবিছে, তেতিয়া হ'লে এই হীনবুদ্ধিৰ, অকবিৰ ক'ব লগীয়া একো নাই।

(অহা সংখ্যাত)





সূত্ৰধাৰ □ ১-১৫ ছেপ্তেম্বৰ, ১৯৯১

OKDISCD

# হত্যাৰ ভাবুকিৰে বিপ্লৱ নে অভিযানবাদ?

যোগানন্দ গোস্বামী

দুঃসাহসিক অভিযানকে (Adventure) বিপ্লৱ (Revolution) বুলি অনেককে প্ৰায়ে সনাপোতকা কৰা দেখা যায়। 'বিপ্লৱ' শব্দটো আজিকালি বহুজনৰ মুখত শুনা যায়। অনেকে ধাৰণা কৰি লৈছে বিপ্লৱৰ বাবে অস্ত্ৰ অপৰিহাৰ্য। অস্ত্ৰ ধাৰণ কৰি বিপ্লৱ কৰিবলৈ আগবঢ়া বহুতৰে সামাজিক, ৰাজনৈতিক পৰিবৰ্তনৰ লক্ষ্য সুস্পষ্ট যেন নালাগে। গতিকে কাৰ্যকলাপবোৰ স্বাভাৱিকতে দুঃসাহসিক অভিযানলৈ অধঃপতিত হৈছে। এনেবোৰ অভিযানত ৰোমাঞ্চকৰ মাদকতা থাকে; কোমল বয়সীয়া যুৱক সহজে আকৰ্ষিত হয়। এনেকুৱা বহু যুৱক পাইছো, যাৰ অনুপ্ৰেৰণাৰ থলি হৈছে একমাত্ৰ ছে-গুৱেভাৰাৰ ডায়েৰিখন। আকৌ বহুতৰে মনত আদৰ্শ পুৰুষ হিচাপে বিষ্ণু ৰাভাই স্থান পাইছে। বিষ্ণু ৰাভাই হেনো বিপ্লৱ কৰিছিল এহাতে তুলিকা আৰু আনহাতে ষ্টেনগান লৈ। তুলিকা আৰু ষ্টেনগান দুয়োটাই বিপৰীত ধৰ্মী। মই নিজেও বিষ্ণু ৰাভাক লগ পাইছিলো। কিন্তু মই পোৱা বিষ্ণু ৰাভাৰ হাতত ষ্টেনগান নাছিল। যি সকলে পাইছিল সেই সকলে কিন্তু বিষ্ণু ৰাভাৰ হাতৰ ষ্টেনগানত কেইটা গুলি আছিল আৰু সেই গুলিৰে তেওঁ কেইজনক হত্যা কৰিছিল সেই বিষয়ে কোৱা শুনা নাই। এতিয়া অসমৰ যুৱ-মানসিকতাত বোমা-বন্দুকলৈ তল ওপৰ লগোৱাৰ যি ভাব প্ৰবল হৈ উঠিছে আৰু ইয়াৰ ফলত সাধাৰণ ৰাইজৰ মনত যি অবুজ ভৱিষ্যতৰ শংকা জাগিছে সেইয়া ভাললৈ নে কাললৈ ভাবি চাবৰ প্ৰয়োজন হৈছে।

তত্ত্বিক মতবাদ যিমানেই শুদ্ধ নহওক কিয় জনতাৰ সমৰ্থন অবিহনে কোনো বিপ্লৱেই সাৰ্থক হ'ব নোৱাৰে। সকলো তত্ত্বই ব্যৱহাৰিক ক্ষেত্ৰত গ্ৰহণীয় আৰু ফলপ্ৰসূ হ'ব বুলি ভবাও শুদ্ধ নহয়। ভাৰতৰে বিভিন্ন প্ৰান্তত জন-সমৰ্থন লাভ নকৰাকৈ এমুঠিমান লোকে নিজস্ব মত জোৰ কৰি জাপি দিবলৈ অস্ত্ৰ লোৱাৰ ফলশ্ৰুতি হৈছে হত্যা, হিংসা, প্ৰতিহিংসা, বিশৃংখলতা, চাৰিত্ৰিক স্খলন আৰু অৰ্থনৈতিক বিপৰ্যয়। মানুহৰ লগত মানুহৰ সম্পৰ্কৰ পৰিবৰ্তিত ৰূপটো যদি ইমানেই কদৰ্য হয় তেনেহলে সাধাৰণ জীৱনৰ নান্দনিক প্ৰমূল্য বৰ্জিত এখন সমাজ 'বিপ্লৱ'ৰ যোগেদি প্ৰতিষ্ঠা কৰিলেনো উপকাৰ হ'ব কাৰ? এনে সমাজ নিবিচৰা কাৰণেইতো জনগণৰ প্ৰবল হেঁচাত পৰিবৰ্তিত বিশ্ব ইতিহাসত ফেছিবাদী শক্তি প্ৰতিহত হৈছে। বাওঁ-ফেছিবাদৰ বিৰুদ্ধে ইউৰোপত জোঁৱাৰ উঠিছে।

সমাজত জনগণৰ সামূহিক চিন্তাৰ প্ৰতিফলনেই সময়ৰ স্বাক্ষৰ। ইতিহাস ইয়াৰ বাহক। এই জনগণ অৰ্থাৎ ৰাইজৰ দোহাই দি নিজৰ মত প্ৰতিপন্ন কৰিবলৈ প্ৰতিটো ৰাজনৈতিক গোটেই প্ৰয়াস কৰা এক নিয়মত পৰিণত হোৱা দেখা যায়। এই ৰাইজনো কোন? এই সকলক সমৰ্থন কৰিছে বুলি ধৰি লোৱা এক কাল্পনিক গোট নহয়নে? এনে কাল্পনিক গোটৰ বাস্তৱ সত্যতা আছে জানো? প্ৰচলিত নিৰ্বাচন পদ্ধতিৰে সমৰ্থনকাৰী ৰাইজৰ এক সংখ্যাগত ভগ্নাংশ নিৰ্ণয় কৰিব পাৰিলেও ইয়াত আত্ম প্ৰসাদ লাভ কৰা অৰ্থহীন। কিয়নো, এনে সমৰ্থন নিতান্তই ক্ষণস্থায়ী আৰু সময় সাপেক্ষ। আচলতে জনগণ আৰু ৰাইজৰ বিশালতা উপলব্ধি কৰিব নোৱৰাৰ কাৰণেই ক্ষমতা বা অস্ত্ৰ বলেৰে জনতাক অৱদমন কৰাৰ সংকীৰ্ণ চিন্তাই মনত থিতাপি লয়। আচলতে এই সকলে ভবাতকৈ জনগণ বিশাল। জনগণ কাৰো বহতীয়া নহয়, জনগণেই ইতিহাসৰ চকৰি ঘূৰায়। কেৱল ঘূৰি থকা চকৰিয়ে গতি কৰি থাকোতে, উপযুক্ত সৰ্বসম্মত ব্যক্তিয়ে দিশ নিৰ্ণয় কৰিবহে পাৰে। জনগণ অবিহনে ইতিহাসৰ পাতত থকা ব্যক্তি চৰিত্ৰবোৰ অস্তিত্বহীন। সমসাময়িক কালত ব্যক্তিত্বৰ সন্মোহিনী শক্তিৰে জনতাক শুদ্ধ পথেৰে আগবঢ়াই নিবলৈ উপযুক্ত ব্যক্তি প্ৰতিভা আমাৰ সমাজত উদ্ভৱ হৈছে বুলিব নোৱাৰি। সেয়েহে দেখা যায় জনগণ স্বাৰ্থান্বেষী সকলৰ পৰা বিচ্ছিন্ন; সময় সাপেক্ষ স্বতন্ত্ৰ সিদ্ধান্তহে ব্যক্ত কৰে। এই সিদ্ধান্ত কোনোবাটো গোটৰ স্বাৰ্থৰ অনুকূল গলে সেই সকলে উৎফুল্লিত হৈ 'আমিয়েই জনতা' বুলি বুকু ফিন্দাই বিচৰণ কৰিব খোজে। হতাশাগ্ৰস্ত আনবোৰ গোটৰ কিছুমানে স্বাৰ্থক্ষুণ্ণ হোৱাত সমাজত বিশৃংখলতা আনিবলৈ যত্নবান হয়। বহুক্ষেত্ৰত জনগণৰ একো অংশ এই সকলৰ ৰোষৰ বলি হ'ব লগীয়াও হয়।

অসমত জনগণৰ অভিভাবকত্ব দাবী কৰা সংগঠন অসংখ্য। এইবোৰৰ চিন্তাধাৰা আৰু কাৰ্য প্ৰণালীও ভিন্ন। প্ৰত্যেকেই ভাবে 'জনগণ আমাৰ লগত'। ইয়াত দম্ভ আৰু চিন্তাৰ দীনতাই প্ৰকাশ পায়। প্ৰকৃততে বৰ্তমান অৱস্থাত অসমত জনগণৰ সামূহিক মতামত প্ৰকাশৰ পৰিবেশেই নোহোৱা হৈছে। ১৯৭৯ চনৰ পৰা হোৱা আন্দোলনটোত অৱশ্যে জনগণ জড়িত হোৱা কথাটো অস্বীকাৰ কৰিব নোৱাৰি। ইয়াত জনগণৰ সামূহিক অসন্তুষ্টি প্ৰকাশ পাইছিল। এই অসন্তুষ্টি বৰ্তমানেও বৰ্তি আছে, কিন্তু জোখতকৈ ডাঙৰ জোতা পিন্ধা কোমলমতীয়া, অদূৰদৰ্শী নেতৃত্বই আন্দোলন যি দৰে পৰিসমাপ্তি ঘটালে জনগণে ইতিবাচক কোনো ফল লাভ কৰিব নোৱাৰিলে। পৰবৰ্তী কালছোৱাত প্ৰৰোচনা, ভীতি, সংশয়, অবিশ্বাস, হিংসা, প্ৰতিহিংসা আদিৰে সমাজ আচ্ছন্ন। প্ৰকৃতাৰ্থত জনগণ এতিয়া এক অদৃশ্য কাৰাগাৰত বন্দী; মুক্ত প্ৰকাশৰ বাট বন্ধ।

জনগণৰ মনত অসন্তুষ্টি আৰু নিৰাপত্তাহীনতাৰ ভাব এবাৰ সোমালে সেইয়া সুদূৰ প্ৰসাৰী হয়। এনে ভাব অসমতে সীমাবদ্ধ হৈ থকা নাই। ভাৰতৰ অন্যান্য প্ৰান্ততো গা কৰি উঠিছে। সমগ্ৰ ভাৰতৰ ৰাষ্ট্ৰ ব্যৱস্থা এক অগ্নি পৰীক্ষাৰ সন্মুখীন হৈছে। গতিকেই এই কথা অনুধাৱন কৰিব পাৰি যে ভাৰতৰ ৰাষ্ট্ৰ ব্যৱস্থাত এনে কিছুমান কথা আছে যিবোৰৰ পৰিবৰ্তন ঘটোৱাৰ ক্ষেত্ৰত জনগণে ঐক্যমত প্ৰকাশ কৰিছে। কিন্তু স্থান-ভেদে অসন্তুষ্টিৰ কাৰণ ভিন্ন হোৱাত কোনবোৰ কথাৰ কেনে পৰিবৰ্তন হোৱা বাঞ্ছনীয় সেই কথাত উমৈহতীয়া মত গ্ৰহণীয় কৰি তোলাটো এক সমস্যা যদিও অসম্ভৱ নহয়।

এই বিষয়ত যিবোৰে মনোনিবেশ কৰিছে ক্ষেত্ৰভেদে তেওঁলোকৰ মতৰ ভিন্নতা দেখা গৈছে। এওঁলোকৰ বহুতৰে চিন্তা সংকীৰ্ণ। অসমকে ধৰি উত্তৰ-পূব ভাৰতৰ কেইখনমান ৰাজ্য, পাঞ্জাব আৰু জম্মু-কাশ্মীৰৰ কেতবোৰ সংগঠনে ভাৰতৰ ৰাষ্ট্ৰ গাঁথনিৰ বাহিৰত স্বাধীন ৰাষ্ট্ৰ হিচাপে নিজৰ জাতিগত আশা-আকাংক্ষা পূৰণ কৰিব পাৰিব বুলি বিশ্বাস কৰে। ইয়াৰ ভিতৰত অসমৰ 'আল্‌ফা' অন্যতম সংগঠন। অন্ধ্ৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰৰ নক্সালপন্থী সকলৰ উদ্দেশ্য ভিন্ন। এওঁলোকে সুকীয়া স্বাধীন ৰাষ্ট্ৰৰ কথা কোৱা নাই; বৰং মাৰ্ক্সীয় সূত্ৰানুসৰি সমাজবাদী ৰাষ্ট্ৰ গঠনত বিশ্বাসী। এইবোৰ সংগঠনে নিজৰ লক্ষ্য পূৰণৰ কাৰণে অস্ত্ৰ অপৰিহাৰ্য বুলি ভাবে। আনহাতে অসমৰ বড়ো, কাৰ্বি সকলে বিহাৰ, পশ্চিমবংগ, উৰিষ্যাৰ ঝাৰখণ্ডী সকলে পৃথক ৰাজ্যৰ দাবী কৰি জাতিগত সমস্যা সমাধানৰ কথা ভাবিছে। লক্ষ্য ভিন্ন হলেও এই সকলোবিলাক সংগঠনৰ দৃষ্টিত জাতিগত স্ববিকাশৰ পথত বাধা স্বৰূপ এনে কিছুমান কাৰণ বিচাৰি পাইছে, যিবোৰ ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰ ব্যৱস্থাই আঁতৰাব নোৱাৰে। যিহেতু উৎপাদনৰ লগত জড়িত সাধাৰণ লোকৰ অৰ্থনৈতিক অৱস্থা ভাৰতৰ সকলো ঠাইতে প্ৰায় সমপৰ্যায়ৰ কাৰণবোৰৰো উমৈহতীয়া চৰিত্ৰ নিশ্চয় আছে। কাৰণবোৰৰ নিৰপেক্ষ বিশ্লেষণ আৰু সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় সদিচ্ছাই হৈছে সময়ৰ দাবী। কিন্তু জনগণক ঐক্যবদ্ধ কৰি এক গ্ৰহণযোগ্য পথৰ সন্ধান দিব পৰা কোনো আকাশ লংঘা ব্যক্তিত্ব সমকালীন ভাৰতত উদ্ভৱ হোৱা নাই। বুৰ্জোৱাৰ মাজেদি সমূহীয়া নেতৃত্বইও দৃঢ় পদক্ষেপ লব পাৰে যদিও ব্যক্তি স্বাৰ্থ জড়িত ভাৰতৰ ৰাজনীতি বিভিন্ন দল, উপদলত বিভক্ত। নীতি বৰ্জিত ৰাজনীতিত জনগণে প্ৰায় আস্থা হেৰুৱাই পেলাইছে।

আল্‌ফাই সাৰ্বভৌম স্বাধীন অসমৰ দাবী উত্থাপন কৰিছে। এই দাবীৰ সন্দৰ্ভত ৰাজহুৱা মতামত এতিয়ালৈকে গঢ় লৈছে বুলি কব নোৱাৰি। লব কেনেকৈ! হত্যা, ভীতি প্ৰদৰ্শন, অপহৰণ আদি কাৰ্যই সমাজখনক এনে ভাবে জুমুৰিদি ধৰিছে যে মুকলিকৈ কিবা লিখা বা মুকলিকৈ কিবা কোৱাৰ সাহস বহুতেই গোটাব পৰা নাই। যিকোনো মত জনগণৰ মাজত প্ৰতিষ্ঠা কৰিবলৈ হলে গণতান্ত্ৰিক ব্যৱস্থা এটাক স্বীকাৰ কৰি লব লাগিব। বিশ্ব ইতিহাসে ইতিমধ্যে গতিমুখ সলাইছে। মনত ৰখা ভাল যে গণতান্ত্ৰিক ব্যৱস্থাক অস্বীকাৰ কৰি ক্ষমতা বা অস্ত্ৰ বলেৰে বেছিদিনলৈ জনগণক হেঁচাদি থব নোৱাৰি। দলীয় একনায়কত্ব বতহি ৰখা ইউৰোপৰ ৰাষ্ট্ৰ সমূহত আমূল পৰিবৰ্তন ঘটিছে। সাৰ্বভৌম স্বাধীন অসম প্ৰতিষ্ঠা কৰিবলৈ জনগণৰ অনুমোদন লাগিবই। জনগণে হয়তো এইটোও বিচাৰিব যে স্বাধীন অসমত মুক্ত সমাজ গঢ় দিবলৈ এক বৈপ্লৱিক ৰাজনৈতিক চিন্তাও সংশ্লেষিত হ'ব লাগিব। কিয়নো, এচাম অস্ত্ৰধাৰী সামৰিক শাসকৰ দ্বাৰা অৱদমিত হবলৈ কাৰো হেঁপাহ নাই। বৰ্তমানতকৈ উন্নত ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতিৰ প্ৰতি জনগণক আকৰ্ষণ কৰাৰ ওপৰত আল্‌ফাৰ পৰিকল্পনা বহুখিনি নিৰ্ভৰ কৰিছে। নহলে তাকৰীয়া যুৱকৰ এটি দলে চলোৱা দুঃসাহসিক অভিযানে অধিকতৰ জটিল সমস্যাৰহে সৃষ্টি কৰিব। এই সন্ধিক্ষণত ভাৰতৰ সাংবিধানিক নিৰ্বাচনত অসমৰ শতকৰা সত্তৰ ভাগ ভোটাৰে অংশ গ্ৰহণ কৰাটো একেবাৰে উলাই কৰিব লগা কথা নহয়।

নিৰস্ত্ৰ, নিৰীহ লোকক হত্যা কৰাটো সবাতোকৈ উজু কাম হলেও কোনো যুক্তিৰে সমৰ্থনযোগ্য হ'ব নোৱাৰে। শলঠেকত পেলাই উৰাজাহাজ, ৰেলগাড়ী মটৰগাড়ী আদিৰ যাত্ৰী, ঘৰ বা আলিবাটৰ পৰা নিৰীহ লোকক অপহৰণ কৰি পণ বন্দী কৰি ৰখা ঘটনা পোনতে মধ্যপ্ৰাচ্যৰ ধৰ্মীয় মৌলবাদী সকলে সংঘটিত কৰা বুলি প্ৰকাশ পাইছিল। প্ৰগতিবাদী বিপ্লৱী সংগঠনৰ দ্বাৰা এনে কাৰ্য হোৱা বুলি জনা নাযায়। আল্‌ফাৰ দ্বাৰা হোৱা অপহৰণ কাৰ্যই, সমৰ্থক সকলকো চমক খুৱাইছে। আনহাতে ব্যক্তি নিৰ্মূলৰ দ্বাৰা সমাজৰ পৰা দুষ্কৃতি নিৰ্মূল কৰা সম্ভৱ জানো? মূল কাৰণ বৰ্তি থাকিলে দুষ্কৃতিও বৰ্তি থাকিব। কিমান মানুহক হত্যা কৰা হ'ব? অসমত কেবা বছৰৰ পৰা হোৱা হত্যাবোৰৰ ভিতৰত সকলোৰে সমৰ্থনযোগ্য যুক্তি আছেনে? এনে বহুবোৰ হত্যাৰ মাজত, প্ৰতিশোধ, প্ৰতিহিংসা আদি সামন্ত সমাজত বৰ্তি থকা প্ৰবৃত্তিৰ প্ৰভাৱ থকাটো অসম্ভৱ নহয়। ক্ষমতা আৰু প্ৰতিপত্তি লাভ কৰিবলৈ সামন্ত সকলে নকৰিব লগা বহুত কাম কৰিব পাৰে। মহাভাৰতৰ যুগৰ পৰা বৰ্তমানলৈকে ভাৰতীয় ৰাজনীতিত সামন্ত চৰিত্ৰ বিদ্যমান। কিন্তু আল্‌ফাই 'বিপ্লৱ'ৰ কথা কৈছে। গতিকে কাৰ্যাৱলী সামন্ত প্ৰভাৱ দুষ্ট হোৱাটো স্বাভাৱিকতেই স্ববিৰোধী হৈছে।

আলোচনাৰ খাতিৰতে উল্লেখ কৰিব খোজো যে, আন্তৰ্জাতিক মূলধনৰ বজাৰখনত ভাৰতৰ স্বাধীনতাই বিপন্ন! এনে অৱস্থাত ভাৰতৰ পৰা অসমে কেনে স্বাধীনতা আশা কৰিব? বিশেষকৈ উপসাগৰীয় যুদ্ধখনৰ পাছত সাধাৰণ মানুহেও অনুভৱ কৰিব পাৰিছে যে, তুলনামূলক ভাবে সামৰিক শক্তি আৰু অৰ্থনীতিত অগ্ৰসৰ একোখন ৰাষ্ট্ৰৰো অকলশৰীয়া স্থিতি অবাস্তৱ। কেতিয়াবা স্বাধীন হলেও অসমৰ দৰে এখন অনগ্ৰসৰ ক্ষুদ্ৰ ৰাষ্ট্ৰৰ স্থিতি কেনে হ'ব? আন্তৰ্জাতিক সম্পৰ্কৰ কথা আল্‌ফাই বিবেচনা কৰিছেনে? সামগ্ৰিক ভাবে আল্‌ফাৰ প্ৰস্তাৱটোৰ এক বস্তুনিষ্ঠ বিশ্লেষণ হোৱা আৱশ্যক। এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশবোৰ বৃহৎ শক্তিৰ সাম্ৰাজ্যবাদী প্ৰভাৱৰ পৰা মুক্ত জানো? বিশ্ব অৰ্থনীতিত বৃহৎ শক্তিৰ একাধিপত্যই তৃতীয় বিশ্বৰ ৰাষ্ট্ৰ সমূহক প্ৰকৃতাৰ্থত দাস শ্ৰেণীভুক্ত কৰিছে। এনে অৱস্থাত স্বাধীনতা কথাটোৰ আপেক্ষিক বিচাৰহে হ'ব পাৰে। 'কোন কাতকৈ কিমান স্বাধীন?' 'স্বাধীনতা জন্ম স্বত্ব' এইষাৰ কথা এক

OKDISCD

আবেগিক ধ্বনি মাত্র। ৰাজনীতিৰ বিচাৰত ইয়াৰ গুৰুত্ব কম। সকলোৱে সমানে স্বাধীনতা উপভোগ কৰিবলৈ হলে পৰস্পৰে পৰস্পৰক অৱদমন কৰাৰ পৰা বিৰত থাকিব লাগিব। চৰ্তবিহীন অৰ্থনৈতিক সহযোগিতা হ'ব লাগিব। এইখন পৃথিৱীত সেইয়া সম্ভৱ জানো? বিভিন্ন জাতি, বিভিন্ন সম্প্ৰদায়ৰ বাসভূমি ভাৰততে সেইয়া সম্ভৱ হৈছে নে? পৰস্পৰে পৰস্পৰক অৱদমিত কৰাৰ প্ৰচেষ্টা অহৰ্নিশে চলি থকা নাইনে? অসমতনো কি দেখিছো? ক্ষমতা আৰু প্ৰতিপত্তিৰ বাবে বিভিন্ন গোটৰ মাজত প্ৰতিযোগিতা চলি থকা নাই জানো? অস্ত্ৰ হাতত লৈ অভিযানত লিপ্ত হোৱা সকলে শক্তি প্ৰদৰ্শনৰ দ্বাৰা নিজৰ প্ৰাধান্য বতহি ৰাখিবলৈকে বিচাৰে। ইয়াৰ বিপৰীতে আছে সামৰিক বাহিনীৰ দ্বাৰা সংঘটিত ৰাষ্ট্ৰীয় সন্ত্ৰাস। অপাৰেচন ব্লুষ্টাৰ, অপাৰেচন বজৰংগ, অপাৰেচন শেৰ-ই-দিল আদি বিভিন্ন নামকৰণৰে হোৱা সামৰিক অভিযান বিলাকত সামৰিক বাহিনীৰ পৰা জনসাধাৰণে শিষ্টাচাৰ পাব পাৰে জানো? বন্দুকটো ব্যৱহাৰ কৰিবলৈ দিলে কোনেনো মৰমেৰে ব্যৱহাৰ কৰে? আচলতে দেশৰ জনগণৰ বিৰুদ্ধে সামৰিক বাহিনী নিয়োগ কৰিব লগা হোৱাটোৱেই দুৰ্ভাগ্য জনক। নিৰ্দোষী, নিৰীহ লোকৰে দুৰ্দশা হয় অধিক।

অনেক ব্যৰ্থতাৰ মাজতো যোৱা দশকটোত অসমত ঘটা ঘটনাৱলীৰ এটা ইতিবাচক দিশ আছে – জনগণৰ অন্তৰত চিন্তাৰ এক জোঁকাৰণি তুলিছে। এই দিশটোক কামত লগোৱাৰ সুযোগ গ্ৰহণ কৰি অথনৈতিক অৱস্থাটো কিছু টনকিয়াল কৰিব পৰা যায়। ইয়াৰ বাবে কৰণীয় প্ৰধান কাম হৈছে–

(১) অসমত উৎপাদিত মূলধনৰ বৰ্হিপ্ৰবাহ বন্ধ কৰা। (২) মূলধন বিনিয়োগৰ থলি সম্প্ৰসাৰিত কৰি নিবনুৱা সমস্যা লাঘব কৰা। (৩) স্থবিৰ হৈ পৰা পঞ্চায়তী ব্যৱস্থা সক্ৰিয় কৰি গ্ৰাম্য অৰ্থনীতিৰ বিকাশ সাধন কৰা। (৪) (সৰ্বোপৰি) জনগণক অধিক পৰিশ্ৰমী হৈ স্বাৱলম্বী হোৱাত উদ্গনি দিয়া।

যি দলেই নহওক কোনো চৰকাৰৰ দ্বাৰা এনে কাম হোৱাটো আশা কৰিব নোৱাৰি। ইয়াৰ বাবে মূল চালিকা শক্তি হৈছে - গণচেতনা।

# অন্ধকাৰৰ বলি

ৰুদ্ৰ প্ৰসাদ কাকতী



মুহূৰ্ততে সৰু চহৰখনত এটা আলোড়নৰ সৃষ্টি হৈ গ'ল। দিগন্ত নেওগৰ অষ্টম শ্ৰেণীত পঢ়ি থকা ল'ৰাটো, অৰ্থাৎ বিশ্বজ্যোতি নেওগ পুৱা বেলা স্কুললৈ যোৱাৰ পাছত আৰু ঘূৰি নাহিল! সন্ধিয়ালৈকে মাক-দেউতাকে বাট চালে। কিজানিবা কোনোবা বন্ধুৰ ঘৰত কেৰম খেলি কটাইছে, ঘূৰি আহিব হয়তো সন্ধিয়াৰ লগে লগে। কিন্তু দেউতাকে ভবামতে একো নঘটিল। বিশ্বজ্যোতি নাহিল যে নাহিলেই! তেতিয়াহে তেওঁলোকৰ মনলৈ নানান চিন্তা আৰু দুঃশ্চিন্তাৰ সোঁত ববলৈ ধৰিলে। দিগন্ত নেওগ মানুহজন ধীৰ স্হিৰ প্ৰকৃতিৰ। কথাবোৰ তেওঁ ধীৰ স্হিৰভাবে চিন্তা কৰিবলৈ ধৰিলে। পুতেক বিশ্বজ্যোতি ক'লৈ ক'লৈ যাব পাৰে বাৰু? মিছন পট্টিৰ পেহীয়েকৰ ঘৰলৈ মাজে মাজে সি স্কুলৰ পৰা যায়। কিন্তু কোনোদিন এনেকৈ সন্ধিয়াৰ পাছলৈকে সি ঘৰৰ বাহিৰত নেথাকে! বৰ পুতেক কমলজ্যোতিও বাহিৰত আন দহজন ল'ৰাৰ দৰে ঘূৰি ফুৰা বিধৰ নহয়। সি কিতাপ পত্ৰ অথবা ফুলনি চাফা কৰা, পুলি ৰোৱা আদি কামবোৰত নিজকে ব্যস্ত ৰাখি ভাল পায়। ওচৰৰ কলেজখনৰ স্নাতক মহলাৰ ছাত্ৰ সি।

বিশ্বজ্যোতিৰ মাক আকাশীলতা নেওগ ভাগি পৰিল শোকত। আজিকালি যিহে দিন কাল পৰিছে, কেতিয়া ক'ত কি অঘটন ঘটে, কোনেও ক'ব নোৱাৰে। প্ৰতিদিন বাতৰি কাকতত অপহৰণ, হত্যা আদিৰ এটা নহয় এটা বাতৰি থাকেই! পণ বন্দীৰ বাতৰি বোৰতো আছেই! মুঠতে এক অশান্তি, অনিশ্চয়তাৰ মাজেৰে সময়বোৰ পাৰ হৈ যাবলৈ ধৰিছে।

কথাটো বন-জুইৰ দৰে বিয়পি পৰাৰ লগে লগে দিগন্ত নেওগৰ ঘৰ ওচৰ-চুবুৰীয়া আৰু চহৰৰ বহু গণ্য-মান্য লোকেৰে ভৰি পৰিল। সকলোৱেই উদ্বিগ্নতা প্ৰকাশ কৰিলে, দুখ আৰু সমবেদনা প্ৰকাশ কৰিলে। বহুতে ক্ষোভ প্ৰকাশ কৰিলে। এনেদৰে এজন চকুত লগা, পঢ়া-শুনাত চোকা ল'ৰা হঠাতে নোহোৱা হৈ যায়, এয়া কি সাধাৰণ কথা নেকি? আমাৰ সমাজ জীৱনত এনেদৰে নিৰাপত্তাহীনতাৰ সৃষ্টি হোৱাটো জানো শুভ লক্ষণ? এইবোৰ ঘটনাতো ভৱিষ্যতৰ এক ভয়াবহ বিপদৰ আগজাননী! চহৰখনৰ সংবাদদাতা বাসুদেৱ শইকীয়াৰ মন্তব্য আছিল এনেধৰণৰ।

দিগন্ত নেওগৰ ঘৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা আঠ-দহজনমান ল'ৰা ওলাল মটৰ চাইকেল আৰু স্কুটাৰ লৈ বিশ্বজ্যোতিৰ সন্ধানত।

কান্দোনত ভাগি পৰা আকাশীলতা নেওগক দুই চাৰি গৰাকী মহিলাই ধৈৰ্য ধৰিবলৈ কলে। বিপদত ধৈৰ্য এক অসীম শক্তি বুলি মহিলা কেইগৰাকীয়ে শ্ৰীমতী নেওগক বুজাবলৈ চেষ্টা কৰিলে। কিন্তু মাতৃৰ অন্তৰে এনে এটা নিদাৰুণ ঘটনা সহ্য কৰে কেনেকৈ?......

দিগন্ত নেওগে আগফালৰ বাৰান্দাৰ বেতৰ চকী এখনত বহি বহি গোটেই ঘটনাটোৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। এনেবোৰ ঘটনাই ৰাষ্ট্ৰীয় তথা সমাজ জীৱনক ধীৰে ধীৰে এক অন্ধকাৰ সুৰংগৰ মাজেৰে আগুৱাই লৈ গৈ আছে বুলি তেওঁ ভাবিলে। এই অন্ধকাৰৰ শেষ ক'ত, তেওঁ ক'ব নোৱাৰে। কিন্তু অন্ধকাৰৰ শেষ হ'বই লাগিব। এনেধৰণৰ অক্ষমনীয়, অমানৱীয় কৰ্মবোৰৰ এদিন অন্ত পৰিব লাগিব। নহ'লে সাধাৰণ মানুহৰ বাবে জীৱন-যাপন এক দুৰ্বিসহ যন্ত্ৰণাত পৰিণত হ'ব।......

বিশ্বজ্যোতিৰ দৰে অষ্টম শ্ৰেণীৰ সৰু ল'ৰা এজনক ধৰি নি কাৰ কি লাভ হব? পুলিচ থানাৰ পৰা ওলাই আহোতে দিগন্ত নেওগে ভাবি আহি থাকিল কথাবোৰ। পুতেকক কোনে, কি কাৰণত ধৰি নিব পাৰে, সেয়াও তেওঁ ভাবি একো উৱাদিহ পোৱা নাই। ব্যক্তিগত জীৱনত তেওঁ জানি-বুজি এনে কোনো কাম কৰা নাই, সি সমাজত তথা ৰাষ্ট্ৰীয় জীৱনৰ ক্ষতি সাধন কৰিছে!.......... এখন পৰিষ্কাৰ ফলিত তেওঁ নিজৰ জীৱনৰ ইতিকথা লিখি যাব খুজিছে। তদুপৰি, এজন কলেজ-শিক্ষকৰ জীৱনত দুৰ্নীতি কৰাৰেইবা থল আছে ক'ত? চহৰখনৰ কেবাটাও সামাজিক আৰু সাংস্কৃতিক সংগঠনৰ লগতো তেওঁ প্ৰত্যক্ষ অথবা পৰোক্ষ ভাবে জড়িত হৈ আছে। মানুহৰ শুভ বুদ্ধিৰ বিকাশ হওক, মানৱতাৰ জয় হওক আৰু আমি সকলো পৃথিৱীৰ মানুহ বুলি মানুহে অন্তৰেৰে ভাবিবলৈ আৰু উপলব্ধি কৰিবলৈ শিকক, –এইবোৰকে দিগন্ত নেওগৰ দৰে মানুহে ভাবি আহিছে। তেনেস্হলত তেওঁৰ পুত্ৰক কোনোবাই অপহৰণ কৰিব পাৰে, তাকে ভাবি তেওঁ আচৰিত হ'ল। কেতিয়াযে তেওঁ আহি ঘৰৰ বাৰান্দাত উঠিলহি, নিজেই ক'ব নোৱাৰে!......

দিগন্ত নেওগ ভিতৰলৈ সোমাই যাব খোজোতেই, ড্ৰয়িং ৰুমৰ পৰা ওলাই আহিল স্হানীয় যুৱ সংগঠন এটাৰ দুজন নেতা। তেওঁলোকে নেওগক নমস্কাৰ জনাই ক'লেঃ 'আহক চাৰ, আমি আপোনাৰ বাবেই অপেক্ষা কৰি আছো!'

নেওগ চোফা এখনত অলস ভাবে বহি পৰিল। তেওঁ যুৱক দুজনলৈ ক্ষন্তেক ৰ লাগি চালে। তাৰ পাছত ক'লেঃ 'কোৱাচোন, কিবা সম্ভেদ পাইছানেকি তোমালোকে? মোৰ মনৰ অৱস্হাটো তোমালোকে বুজিব পাৰিছাই চাগৈ।'

ঃ 'হয় চাৰ, আমি বুজিব পাৰিছো সকলো। আমাৰ ফালৰ পৰাও আমি ল'ৰা জনৰ সন্ধানত কেইবাজনো ল'ৰাক পঠাইছো। ওৱাটিং, মেলামৰা, কমাৰবন্ধা আলি, হামদৈ পথাৰ, বেতীয়নিৰ ফালেও আমাৰ সংঘৰ ল'ৰা গৈছে। আমি আশা ৰাখিছো চাৰ, বিশ্বজ্যোতিৰ সন্ধান আমি পামেই।'

যুৱক দুজনৰ কথাত দিগন্ত নেওগৰ ওঁঠৰ ওপৰেৰে এটা শেঁতা হাঁহি বাগৰি পৰিল। মনতে তেওঁ ভাবিলে, বিশ্বজ্যোতিক তেওঁ ঘূৰাই পাবনে? যুৱক দুজনে কোৱা মতেই, বিশ্বজ্যোতিৰ সন্ধান ওলাবনে বাৰু? এক আশা-নিৰাশাৰ দোমোজাত তেওঁৰ মন ভাৰাক্ৰান্ত হৈ পৰিল। ল'ৰা দুজন গ'লগৈ।

বিশ্বজ্যোতি সন্ধানহীন হোৱাৰ তিনিটা দিন পাৰ হৈ গ'ল। এই তিনিটা দিনেই ঘৰখনৰ বাবে তিনিটা বছৰ যেন লাগিল! মাক আকাশীলতাৰ যেন কেইবাবছৰ বাঢ়ি গ'ল। দিগন্ত নেওগৰ গাল মুখ ভৰি পৰিল কেঁচা-পকা দাড়িৰে। উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী ৰুমী, মানে বিশ্বজ্যোতিৰ বায়েক আৰু দাদাক কমল জ্যোতিও ক্ষীণাই গ'ল বহুখিনি। কিবা এক অজান ভয়ে সিহঁত দুয়োটাকে খুলি খুলি যেন খাবলৈ ধৰিলে! সিহতো বাৰু এদিন ভায়েক বিশ্বজ্যোতিৰ দৰে হেৰাই যাবলগীয়া হ'ব নেকি? চিন্তা-চৰ্চা কৰা কমলজ্যোতিয়ে ভাবিলেঃ পৃথিৱীখনত মানুহৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈ আহিছেনে কি বাৰু? মানুহ বাৰু 'মানুহ' নামৰ অযোগ্য হৈ আহিছে নেকি? প্ৰেম, দয়া, সহানুভূতি – এইবোৰ শব্দ কেৱল এতিয়া অভিধান আৰু ধৰ্ম শাস্ত্ৰতহে থাকিবগৈ নেকি?

বিশ্বজ্যোতিৰ মাক আকাশীলতাৰ মুখলৈ চাব নোৱৰা হ'ল! মানুহ গৰাকী যেন বহুত বুঢ়ী হৈ গ'ল অকালতে। প্ৰতি সন্ধিয়া গোঁসাই ঘৰত চাকি জ্বলাই 'নামঘোষা' সুৰ লগাই পঢ়া মানুহ গৰাকীৰ এতিয়া যেন কৰুণাময় ঈশ্বৰ জনাৰ প্ৰতি বিশ্বাসৰ দেউলটো খহি যোৱাৰ উপক্ৰম হৈছেগৈ! বিশ্বজ্যোতি সন্ধানহীন হৈ পৰাৰ প্ৰথম দিনাই সন্ধিয়া গোঁসাই ঘৰৰ থাপনাৰ আগত দীঘল দি পৰি কৈছিলঃ 'তোমাৰ প্ৰতি থকা গভীৰ ভক্তিৰ এয়া কি পুৰস্কাৰ দিলা, প্ৰভু! তুমি জানো সঁচাকৈয়ে কৰুণাময়, সঁচায়ে জানো দয়াময়?...... মোৰ ল'ৰাই এনে কি অপৰাধ কৰিলে যে সি এনেদৰে, ইমান কৰুণভাবে হেৰাই যাবলগীয়া হ'ল?'.......

ধীৰ স্হিৰ দিগন্ত নেওগে গোঁসাই ঘৰৰ পৰা পত্নী আকাশীলতাক উলিয়াই আনি বিছনাত শুৱাই দিলে। জীয়েক ৰুমীয়ে এখন বিচনীৰে মূৰটো বিচি দিলে। নেওগে বুজিছিল, এগৰাকী মাতৃৰ বাবে পুত্ৰ-শোক কিমান গভীৰ, কিমান হৃদয় বিদাৰক হ'ব পাৰে। পাৰোতেনো কয়নে বোলে এগৰাকী মাতৃ চিৰন্তন, যিদৰে এটি সন্তান!.... আকাশীলতাক সান্ত্বনা দিয়াৰ ভাষা তেওঁ হেৰুৱাই পেলাইছিল। পৃথিৱীত এনে কিছুমান দুখ আছে, যাৰ প্ৰতিকাৰ নাই, যাক

OKDISCD

কোনো সান্ত্বনা বাণীৰে পাঁতলাব পৰা নেযায়!

লাহে লাহে হাঁহি আৰু আনন্দেৰে মুখৰ হৈ থকা দিগন্ত নেওগৰ ঘৰখন নিজম পৰি গ'ল। এক সীমাহীন বিষাদময়তাই, এক করুণ গভীৰ নিস্তব্ধতাই ঘৰখনক যেন গ্ৰাস কৰি পেলালে। এটা সপ্তাহ পাৰ হৈ গ'ল। বিশ্বজ্যোতিৰ সন্ধান নোলাল! দেউতাকে আশা এৰি দিলে পুতেকৰ। পুলিচ থানাই মাত্ৰ 'জোৰ অনুসন্ধান' চলি থকাৰ কথা জনাই থাকিল টেলিফোন যোগে। খবৰ কৰিবলৈ অহা মানুহৰ সংখ্যাও পাতল হৈ আহিবলৈ ধৰিলে।

দহদিনৰ দিনা সদৰ থানাৰ পৰা দিগন্ত নেওগলৈ জনোৱা হ'ল যে ওৱাটিং বাগিচাৰ ফালে এটুকুৰা ভিতৰুৱা ঠাইত এজন 'সাধুবাবা' আৰু তেওঁৰ লগৰীয়া জনক গ্ৰেপ্তাৰ কৰা হৈছে! ওচৰে এটা কালী-মন্দিৰৰ কাষত এজন অচিনাকি ল'ৰাৰ মৃতদেহ পোৱা গৈছে। গতিকে তেখেত সোনকালে থানালৈ আহিব লাগে।

দিগন্ত নেওগ চমকি উঠিল। পত্নীক কথাটো জনালে আৰু লৰালৰিকৈ তেওঁ থানালৈ যাবলৈ ওলাল। ঘৰখনত পুনৰ এক শোকাকুল পৰিবেশৰ সৃষ্টি হ'ল। ওচৰ-চুবুৰীয়াৰে ঘৰখন ভৰি পৰিল পুনৰ। আকাশীলতা ঢলি পৰিল মাটিত। দুই-চাৰি গৰাকী মহিলাই তেখেতক দাঙি নি বিছনাত শুৱাই দিলে। আকাশীলতা নেওগৰ মূৰত যেন এতিয়াহে আকাশীসৰগ ভাগি পৰিল!......

ওচৰৰে যুৱক ৰমেন শইকীয়াক লগত লৈ দিগন্ত নেওগ পুলিচ থানালৈ গ'ল। থানা গৈ পাই দেখিলে, অ-চি ৰজত বৰা জীপ সাজু কৰি ৰৈ আছে। নেওগহঁত ৰ'ব লগা নহ'ল। জীপ চলিল পূৰ্ণগতিত ওৱাটিং বাগিচাৰ ফালে। বাগিচাৰ পৰা কিছুদূৰৰ এটুকুৰা আওহতীয়া ঠাইত জীপ ৰ'লগৈ পুলিচ দলৰ। নেওগৰ বুকুৱে ধান বানিবলৈ ধৰিলে। কি মৰ্মান্তিক দৃশ্যৰ তেওঁ এতিয়া মুখামুখি হ'ব লাগিব? অজানিতে তেওঁৰ চকুযুৰি সজল হৈ আহিল।

এটা লুংলুঙীয়া বাটেৰে পুলিচ দল আগবাঢ়িল। অৱশেষত এটা জৰাজীৰ্ণ কালী-মন্দিৰৰ সন্মুখত তেওঁলোকে ৰৈ গ'ল। দিগন্ত নেওগে দেখিলে, স্থানীয় পুলিচ দল এটা বহু আগৰে পৰাই তাত ৰৈ আছে। লগত আছে হাত কেৰেঁয়া লগোৱা অৱস্থাত 'সাধুবাবা' আৰু তেওঁৰ লগৰীয়া জন।



ৰঙাবস্ত্ৰ পৰিহিত সাধুবাবাজনৰ চকু-মুখত কোনো ভাবাবেগ দেখা নেপালে নেওগে। যেন একোৱেই হোৱা নাই, একোৱেই কৰা নাই তেওঁলোকে।

অ-চি ৰজত বৰাই দিগন্ত নেওগক লৈ গ'ল ঢাকি থোৱা মৃতদেহটোৰ ওচৰলৈ। ঢলংপলংকৈ দিগন্ত নেওগ আগবাঢ়ি গ'ল। পুলিচ এজনে কাপোৰখন আঁতৰাই দিলে। দিগন্ত নেওগ থৰ লাগিল! এয়া কি দেখিলে তেওঁ? এয়া যে তেওঁৰ চেনেহৰ পুত্ৰ বিশ্বজ্যোতি!..... ডিঙিটো কটা, মূৰটো কথমপিহে লাগি আছে! থিৰেৰে থাকিব নোৱাৰিলে দিগন্ত নেওগ। হুকহুকাই তেওঁ কান্দিবলৈ ধৰিলে। পুলিচ-বিষয়াজনে তেখেতক দুহাতেৰে ধৰি আঁতৰাই আনিলে। ক্ষন্তেক পাছতে বন্দী দুজন সহ, বিশ্বজ্যোতিৰ শৱদেহ লৈ পুলিচ ভান আৰু জীপ চলিল সদৰ থানা অভিমুখে।

জীপ আৰু ভানখন সদৰ থানা পাওঁতে এক চাঞ্চল্যৰ সৃষ্টি হ'ল চহৰখনত। বহুলোকৰ সমাগম ঘটিল থানাৰ ভিতৰ আৰু বাহিৰত। বহুতে অ-চি-ক ক'লেঃ 'বাবাজীক আমাৰ হাতত এৰি দিয়ক, ই কেনেকুৱা সাধু, চাই লওঁ আমি!' থানাৰ বিষয়াই হাত-যোৰ কৰি ৰাইজক শান্ত হ'বলৈ অনুৰোধ কৰিলে। আইনমতে সাধু বাবাৰ উচিত বিচাৰ হ'ব বুলিও তেওঁ উচ্চকণ্ঠে ৰাইজক জনালে। এটা সময়ত ৰাইজ শান্ত হ'ল। বিভাগীয় সকলো নিয়ম-নীতি পালন কৰাৰ পাছত বিশ্বজ্যোতিৰ শৱদেহ দেউতাকৰ হাতত গতাই দিয়া হ'ল। কেবা শ যুৱ-ছাত্ৰ আৰু ৰাইজে মৌন শোভাযাত্ৰা কৰি বিশ্বজ্যোতিৰ শৱদেহ কঢ়িয়াই লৈ গ'ল প্ৰথমে ঘৰলৈ। মুহূৰ্ততে দিগন্ত নেওগৰ ঘৰৰ আগ চোতালত কান্দোনৰ ৰোল উঠিল। মাক আকাশীলতা ঢলি পৰিল মৰমৰ পুত্ৰৰ নিঠৰ দেহৰ ওপৰত। এটা সময়ত আকৌ মৌন শোভাযাত্ৰা আৰম্ভ হ'ল শ্মশান ভূমিলৈ, য'ত বিশ্বজ্যোতি চিৰাদিনলৈ শুই ৰ'ব নীৰৱে, শান্তিৰে!.....

পাছদিনা দিগন্ত নেওগে কঁপা কঁপা হাতেৰে নিজৰ ডায়েৰিত লেখিলে – 'বিজ্ঞানৰ জয়যাত্ৰাৰ শতিকাতো কিছুমান মানুহৰ মনৰ দুৱাৰ-খিৰিকি খোল খাই যোৱা নাই কিয়? কিয় এতিয়াও মানুহে ধৰ্মৰ নামত, পুণ্য অৰ্জনৰ নামত কিছুমান পাপ, ব্যভিচাৰ আৰু অপৰাধ সংঘটিত কৰি আহিছে? মূৰ্তিৰ আগত মানুহৰ তেজৰ নৈ বোৱাই দি কৰা কামবোৰ প্ৰকৃততে ধৰ্মৰ কামনে? এয়া কেনে ধৰণৰ ধৰ্ম? এনে ধৰ্মক মই অন্তৰেৰে ঘৃণা কৰো!'

– এইখিনিলৈকে লিখি দিগন্ত নেওগ ৰৈ গ'ল। তেওঁৰ দুচকুৰ পৰা টপটপকৈ দুটোপাল চকুপানী সৰি পৰিল ডায়েৰিখনৰ ওপৰত। তাৰ পাছত অলপ কটা-কুটা কৰি তেওঁ পুনৰ লিখিলে – ......... 'মানুহৰ মনৰ অন্ধতা দূৰ নহলে এনেবোৰ ব্যভিচাৰ আৰু জঘন্যতম অপৰাধ আমাৰ সমাজ-জীৱনত ঘটি থাকিবই! এইবোৰ কু-সংস্কাৰ দূৰ কৰিবলৈ হলে এক বিজ্ঞানমুখী শিক্ষাৰ প্ৰয়োজন। বিজ্ঞানে মানুহৰ অন্তৰ জগত আলোকিত কৰি তুলিব নোৱাৰিলে, তথাকথিত বৈজ্ঞানিক প্ৰগতি এক অৰ্থহীন শ্লোগান হৈ থাকিব মাত্ৰ!...... মোৰ পুত্ৰ বিশ্বজ্যোতি মানুহৰ মানসিক অন্ধতা আৰু কু-সংস্কাৰৰ এক বলি হ'ল মাত্ৰ। – তুমি চিৰশান্তি লাভ কৰা, বাবা!........'

দিগন্ত নেওগৰ কলম ৰৈ গ'ল। ডায়েৰিখন সামৰি তেওঁ খোলা খিৰিকিৰে ৰাতিৰ তৰা-ভৰা আকাশখনলৈ চাই ৰ'ল। বুকুখন তেওঁৰ গধুৰ লাগিল আৰু টেবুলত মূৰ গুজি তেওঁ নীৰৱে উচুপিবলৈ ধৰিলে।.......





# ডাৱৰৰ মাজে মাজে

অনুৰাধা দাস

বাস্তৱ যেতিয়া কল্পনাতকৈও সুন্দৰ হৈ পৰে সেই বাস্তৱৰ মিঠা অনুভূতিয়ে মনৰ মাজত এক মৃদু শিহৰণ তোলে আৰু মনক আনন্দেৰে ওপচাই পেলায়। সুন্দৰৰ ৰূপ বৰ্ণালীয়ে যেতিয়া প্ৰকৃতিক সাতসৰীৰে সজাই তোলে এই সৌন্দৰ্যৰ গভীৰতাৰ ৰস পান কৰি সৃষ্টিৰ অপৰূপ ৰূপশিখাৰে বিলীন হৈ যাবলৈ ভাল লাগে। সেউজৰ বাস্তৱ ৰঙে যেতিয়া মনৰ মাজত আনন্দৰ হেজাৰ লহৰ তোলে মন যায় এই অনাবিল আনন্দৰ ভাগ সকলোকে বিলাই দি মুখে মুখে হাঁহি বিৰিঙাই তুলিবলৈ। এনে লাগে যেন গোটেই পৃথিৱীখনে এই সৌন্দৰ্যৰ সুধা পান কৰি তৃপ্তিৰ এক মনভৰা পুলকেৰে বিভোৰ হৈ পৰিব। লগতে পৃথিৱীৰ সকলো মানুহেই আনন্দৰ এক অসীম উৎস হৈ পৰিব। আনৰ বাবেই যে এই প্ৰকৃতিৰ জন্ম আৰু আনন্দ বিলাই দিয়াতেই প্ৰকৃতিৰ অমোঘ আত্মতুষ্টি। সেয়ে প্ৰকৃতি মোৰ বাবে সদায়েই আদৰৰ।

কহিমা এৰিছিলো – চিমেট্ৰিৰ পৰা – অসমলৈ বুলি – অসমৰ কাজিৰঙালৈ। নিশাটো কাজিৰঙাৰ 'বনশ্ৰী'তে কটাই পুৱাই উভতিম দুলীয়াজানলৈ। দুলীয়াজানৰ যান্ত্ৰিক জীৱনৰ পুনৰাবৃত্তিৰ ক্ষণ গণি বাৰে বাৰে মনটো সেমেকি উঠিছিল। কিন্তু মুহূৰ্ততে ডেউকা কোবাই মোৰ মন উৰা মাৰিছিল মনৰ খোৰাক বুটলি জীৱনৰ বাট চ'ৰা ৰঙেৰে সজাই তুলিবলৈ।


কহিমা – নগা পাহাৰৰ পাহাৰী কন্যা –ৰূপত অনুপমা – ঠিক যেন বতাহত হালিজালি থকা পাহাৰৰ বুকু জুৰোৱা কোমল কোমল লগা এজুপি পাইন। দেখিলেই হিয়াত আলফুল পৰশৰ আবেশ জগায়।

কবিতা এফাকি মনলৈ আহিছিল – কবি নিৰ্মলপ্ৰভা বৰদলৈৰ –

'আহিনৰ পথাৰৰ গোন্ধ
কেনেকৈ নাকত লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।'

ৰিণিকি ৰিণিকি ভাহি অহা এটি আপোন সুৰে মোক আমনি কৰিছিল। এসময়ত যে এই নাগালেন্ড আমাৰ লগতেই আছিল। চিনাকি চিনাকি লগা মাটিৰ গোন্ধে মনটোক উন্মনা কৰিও তুলিছিল।

ভাৰতৰ উত্তৰ পূৰ্বে থকা পৰ্বতমালাতে জন্ম নগা পাহাৰ আৰু কহিমাৰ।



*সৰু পাহাৰটোৰ পৰা দেখা লোগটাগ হ্ৰদৰ একাংশ*

এটা ওখ টিলাৰ ওপৰতে আছিল আমাৰ হোটেলখন। 'অশোক জাম্ফু'। কোঠাৰ সন্মুখতে থকা বেলকনিত থিয় হৈ অজানিতে মোৰ দৃষ্টি একেথৰে নিবন্ধ হৈ ৰ'ল কহিমাৰ মন পৰশা স্নিগ্ধ শীতল ৰূপৰ মাজত।

সুদূৰ বিয়পা ওখ চাপৰ পাহাৰ – পাহাৰৰ গাত থকা সৰু ডাঙৰ লানি নিচিগা ঘৰ – ওখ চাপৰ গছ – পাহাৰৰ গাত অকোৱা পকোৱা বাট– বতাহৰ গুণগুণনি আৰু সেই সুৰতেই তাল মিলাই ওখ পাইনৰ লয়লাস নৃত্য। বুকু মোৰ জুৰ পৰিছিল। সেউজীয়া পাহাৰবোৰ যেন নীলা আকাশৰ মৰমৰ বুকুত প্ৰশান্তিৰ উম লৈ এক ৰোমান্টিক ভাবত আনমনা। মনত পৰিল কবি জগৎ চন্দ্ৰ বৰদলৈ দেৱৰ 'নিশাৰ গীত' কবিতাৰ দুশাৰী। সেয়ে চিঞৰি চিঞৰি গাই উঠিলো–

'দূৰণিৰ সৌ গহীন বনত
গছৰ আগত বহি
বনৰ দেৱীয়ে চুমিছে আকাশ
উলাহ মনেৰে হাঁহি।'

সন্ধ্যা নামিল। কহিমাৰ দেহমন উজ্জ্বলি উঠিল। নিমিষৰ বাবে বিজুলী চাকিবোৰ তৰাৰ ধেমালি হৈ মৰ্ত্ত্যতো যেন বিয়পি পৰিল। তৰালিয়ে পোহৰোৱা কহিমাৰ দেহৰ ভাঁজত আবেগৰ বা লাগি শ্যামলী আঁচলখনি খহি পৰিল আৰু কব নোৱৰাকৈয়ে কহিমা মোৰ অনুভূতিৰ স্মৃতি হৈ ৰ'ল।

বিভিন্ন চৈধ্যটা জাতিৰে পুষ্ট এই নগাভূমি। উত্তৰে অৰুণাচল, দক্ষিণে মণিপুৰ, পূৰ্বে বাৰ্মা আৰু পশ্চিমে অসমেৰে পৰিবেষ্টিত।


নিশাৰ মনভৰা আনন্দৰ ঢৌ মাৰ নৌ যাওঁতেই পুৱাৰ হাঁহি ভৰা পোহৰে মোৰ মনত থৌকিবাথৌ লগালে। কহিমাৰ জনজীৱনৰ ছবিখনি চোৱাৰ হেঁপাহত মন মোৰ উত্ৰাৱল হৈ পৰিল। হোটেলৰ পৰা ওলাই আহিলো। দেখিলো ঠায়ে ঠায়ে আধুনিক জীৱনৰ ব্যস্ততা। মহিলা সকলৰ বেছি ভাগৰে পিন্ধনত ধুনীয়া ধুনীয়া হাতে বোৱা ফুলবছা বিভিন্ন ৰঙৰ কাপোৰ। কঁকালত মেৰিয়াই লোৱা এই ৰঙ বিৰঙৰ কাপোৰৰ ওপৰত দীঘল ব্লাউজ, জীয়ৰী ছোৱালী বোৰৰ বেছি ভাগেই তেওঁলোকৰ মিহি লাহি চুলিটাৰি দীঘলকৈ মেলি থয়। কহিমাৰ বাটেৰে গৈ থকা দুই এগৰাকী মহিলাৰ সতে কথা পতাৰ লোভকণ সামৰিব নোৱাৰিলো। তেওঁলোকৰ

পৰিচয়ত সৰলতা আৰু সাহসিকতাৰ ছবি মূৰ্তমান হৈ আছিল। হাঁহি মুখেৰে তেওঁলোকে নাগামীজ ভাষাৰে আমাৰ সতে কথা পাতিছিল। এগৰাকীয়ে নিজকে ৰেংগমা আৰু আন এগৰাকীয়ে আংগামী বুলি পৰিচয় দিছিল। তেওঁলোকে আমাক জনালে কহিমাত কুকি আৰু ছেলিয়াং নামৰ জাতিও আছে।

হোটেলৰ পৰিচাৰিকা গৰাকীৰ সতেও আগনিশা চিনাকি হৈছিলো। সৰু ফুটীয়া মৰম লগা ছোৱালী। বয়স অনুমানত ওঠৰ উনৈশ হ'ব। নাম লুলেমা। টনা চকু জুৰিৰে ধুনীয়া ওঁঠখনিয়ে অনবৰতে হাঁহি আছিল। ইংৰাজী শুৱলাকৈ কৈছিল। তেওঁ মেখেলাৰ দৰে পিন্ধি থকা কাপোৰখনলৈ মই দেখুৱাই প্ৰশংসা কৰাত কলে তেওঁলোকৰ ঘৰে ঘৰে তাঁত শালত নিজে বৈ লয়। তেওঁলোকৰ সংস্কৃতিৰ বিষয়ে জানিব বিচৰাত ছোৱালীজনী উৎফুল্লিত হৈ পৰিল আৰু আনন্দেৰে হাঁহি হাঁহি তেওঁলোকৰ এটা বিশেষ উৎসৱ 'নগাদা'ৰ কথা কলে। এই উৎসৱত তেওঁলোকে ৰেংগমা নৃত্য নাচে। এই ৰোমান্টিক নৃত্যক বহুতে আকৌ পখিলা নৃত্য বুলিও কয়। ছোৱালীজনীৰ কথা বতৰাৰ পৰা এনে লাগিছিল যে তেওঁলোকে বিভিন্ন উৎসৱ আৰু ৰঙীন নৃত্যৰ কলাকৌশল সংৰক্ষণ কৰে আৰু তাৰ উচিত মূল্য নিৰূপণ কৰিবও জানে। তেওঁ অনৰ্গল কৈ গল অৰ্কিড তেওঁলোকৰ বৰ প্ৰিয় ফুল। 'আঙলিং লক্ন্নু' নৃত্যত মন জিলাৰ পুৰুষ সকলে হেনো কাণত অৰ্কিড আঁৰি লয়। ধৰ্মৰ কথা সোধাত জনসংখ্যাৰ শতকৰা পঁচানব্বৈ ভাগেই খ্ৰীষ্টান ধৰ্মৰ প্ৰতি অনুৰাগী বুলি কলে। মোৰ মনত পৰিল আমি বাটত আহোতে ঠায়ে ঠায়ে দেখি অহা একো একোটা টিলাৰ ওপৰত ধুনীয়াকৈ সজা গীৰ্জা ঘৰবোৰ।

কহিমা এৰি অহাৰ কথা মনলৈ অহাৰ লগে লগে মনটো বেজাৰেৰে ভৰি পৰিল। প্ৰিয়জনৰ সতে বিচ্ছেদৰ সময়ত মনটো যিদৰে বেদনাৰে অস্থিৰ হয় ঠিক তেনে এক অনুভূতিয়ে মোক আমনি কৰিবলৈ ধৰিলে। লাহে লাহে সেই সময়ো ওচৰ চাপি আহিছিল।

এম্পৰিয়ামত এভুমুকি মাৰি আমি গলো ৱাৰ চিমেন্টিলৈ। দ্বিতীয় মহাসমৰৰ বীৰ মুক্তি যুঁজাৰু সকলৰ সন্মানৰ বাবে সংৰক্ষিত এই ভূমি – পৃথিৱীৰ দ্বিতীয় বৃহৎ চিমেট্ৰি। টিলা এটাৰ ওপৰলৈ উঠি গৈ গাড়ীখন ৰৈ গ'ল। গাড়ীৰ পৰা নামি আমি



'জাপ্ফু' হোটেলৰ বেলকনিৰ পৰা কহিমা চহৰৰ একাংশ

আটায়ে খাজকটা চিৰিৰে টিলাটোৰ আৰু ওপৰলৈ উঠি গলো। দেখিলো ব্ৰঞ্জৰ ফলিত খোদিত ছহিদ বীৰ সকলৰ নাম শাৰী শাৰীকৈ মাটিত সজাই থোৱা আছে। মনত পৰিল স্কুলীয়া দিনতে ইতিহাসত পঢ়া দ্বিতীয় মহাসমৰৰ কাহিনী। ১৯৪৪ চন্। জাপান, জাৰ্মানী আৰু ইটালীৰ একপক্ষীয় সৈন্যই বৃটিছ, ৰাছিয়া, ফ্ৰান্স, বৃটেইন আৰু ইউনাইটেড ষ্টেটৰ মিত্ৰ পক্ষৰে যুঁজিছিল। এই যুঁজত অগণন ভাৰতীয় সেনায়ো অশেষ বীৰত্বৰে যুঁজি মৃত্যু বৰণ কৰিছিল। কহিমাৰ আশে পাশে থকা টিলাবোৰত ভয়াবহ যুদ্ধ চলিছিল। কামানৰ গুলিত ঘৰ-দুৱাৰ ভাঙি টুকুৰা শিলবালিৰ দমত পৰিণত হৈছিল। যুদ্ধৰ বিভীষিকাৰ কথা মনলৈ অহাৰ লগে লগে মানুহৰ নীচ হিংসাত্মক মনোবৃত্তিৰ প্ৰতি মোৰ ঘৃণা উপজিল। শক্তিৰ অপচয় যে বিবেকহীন মনোবৃত্তিৰ চৰম নিদৰ্শন সেই কথা মানুহে বুজিও নুবুজা হয়। আক্ৰোশে মানুহক নিকৃষ্টতম কামৰ প্ৰতিও উদ্গনি জনায় – এইবোৰ ভাব মনলৈ অহাৰ লগে লগে বুকুখনৰ কোনোবাখিনি মোৰ বিষাই উঠিল।

কাঁহৰ ফলিত খোদিত কৰা নামবোৰ পঢ়ি আগবাঢ়িছিলো। হঠাতে চকুত পৰিল উনৈশ বছৰীয়া এজন সৈনিকৰ মৃত্যুত শোকাতুৰা পত্নীয়ে হিয়াৰ বিননি খোদিত কৰিছিল 'Love is the bridge which spans the spaces that can be divided.'

মোৰ মনত পৰিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'চমৰখণ্ড' কবিতাৰ এটা স্তৱক–

'এখন শান্ত,উপবনত সোমালো
কেৱল সেউজীয়া ঘাঁহনি
কেৱল হাঁহি কেৱল উদাৰ আলিংগন
তাৰ মাজে মাজে শুনিলো
কবৰৰ তলৰ অস্ফুট বিননি'

কোনোদিনে নেদেখা অথচ আমাৰ মৰমৰ আৰু আপোন ছহিদ সকলৰ প্ৰতি এটোপাল চকুলোৰ স্মৃতিৰে উভতিছিলো ঘৰমুৱা হৈ।

কহিমাৰ স্বতঃস্ফূৰ্ত বৈচিত্ৰ্যই মন মোৰ ফৰকাল কৰি ৰাখিছিল। ইমান সতেজ। হিয়া চুই যোৱা কহিমাৰ যৌৱনোদীপ্ত সৌন্দৰ্যই বাৰে বাৰে মোক উন্মনা কৰি তুলিছিল। মনতে ভাবিলো এইফালে ফুৰিবলৈ অহাৰ কথা আগেয়ে আমি কেতিয়াও চিন্তা নকৰাৰ কাৰণ কি? পৰীক্ষাৰ শেষত ল'ৰা-ছোৱালী দুটাই বোম্বেৰ ফালে যোৱাৰ কথা কৈ আছিল। কিন্তু গৰমৰ কথা গুণাগঁথা কৰি থাকোতেই বন্ধু পৰজ বকুল বৰুৱাই দিয়া এই প্ৰস্তাৱটো সকলোৰে মনঃপূত হ'ল। লগতে জনালে নাগালেণ্ড মণিপুৰলৈ গলে আমাৰ লগত তেওঁলোকো যাব। দুটা পৰিয়াল একেলগে গলে ফুৰাৰ মাদকতা যে কিমান বাঢ়িব এই কথাৰে ল'ৰা-ছোৱালী কেইটিৰ লগতে আমাৰ ডাঙৰ কেইজনৰ মাজতো আনন্দৰ খলকনি উঠিল।

২৫ এপ্ৰিল। আগদিনাৰ পৰাই উখলমাখল। আগনিশা বান্ধৱী নীলিমাই (গোস্বামী) 'চেণ্ড অফ' পাৰ্টিৰ আয়োজন কৰি দুয়োটা পৰিয়ালকে নিমন্ত্ৰণ জনালে। সকলোৰে আন্তৰিক শুভেচ্ছা লগত লৈ আমাৰ যাত্ৰাৰ শুভাৰম্ভ হ'ল। সূৰ্যোদয়ৰ আগতেই দুলীয়াজান এৰিলো – গাড়ীৰে।



দুলীয়াজানৰ অভ্যস্ত, নিৰাপদ আৰু গতানুগতিকতাত ৰোগাক্ৰান্ত হৈ মানসিক ভাবে প্ৰায়েই মই অচল হৈ পৰো। সময়ৰ বোকোচাত উঠি অহৰহ খোজ মিলাওঁতে মাজে মাজে উজুতিও খাওঁ। সেয়ে মুক্ত পৰিবেশলৈ ওলাই যাবলৈ মই উদগ্ৰীৱ হৈ পৰিছিলো।

আমাৰ যাত্ৰাৰ শেষ লক্ষ্য আছিল ইম্ফল। গোলাঘাট, কাৰ্বিআংলঙ হৈ নাগালেণ্ডৰ ডিমাপুৰ পালোগৈ। ডিমাপুৰৰ হোটেল চাৰমতিত ৰাতিটো কটাই কহিমা-ইম্ফল অভিমুখে আগবাঢ়িলো। মাজে মাজে সৰু সৰু গাওঁ – মেডজিফিমা, খিৰোফিমা, বিনউইমা, চুমুকেদিমা, ফেৰিমা ইত্যাদি। বতৰ ফৰকাল। পাহাৰী বাট। মনৰ মাজত এক মৃদু মন্থৰ গতিয়ে পাহাৰৰ ৰূপ লাৱণ্যৰ সম্ভেদ লবলৈ ব্যাকুল হৈ উঠিছিল। লানি নিচিগা ওখ চাপৰ বিভিন্ন পাহাৰৰ গাত ৰ'দালিৰ পোহৰ আৰু ছাঁ পৰিছিল। সেউজৰ মাজত ৰূপৰ পোহাৰ দেখি সৃষ্টি কৰ্তাৰ অপৰূপ মহিমাৰ শলাগ লৈছিলো।

কহিমা পালোগৈ। ঘূৰি আহোতে কহিমাত থকাৰ বন্দৱস্ত কৰি পুনৰ আগবাঢ়িলো আৰু দক্ষিণলৈ। মৰম, জ্বলামুখী কৰঙ, সেনাপতি কংপকপি আদি বিভিন্ন সৰু ডাঙৰ ঠাইবোৰ পাৰ হৈ গৈ আছো। সেনাপতিৰ পৰা ইম্ফললৈ প্ৰায় ত্ৰিশ কিলোমিটাৰ সমতলৰ বাট। বাটৰ দুই কাষে সৰু ডাঙৰ হাবি। হাবি পাৰ হৈ দুয়োপাৰে আঁতৰত সীমান্তৰক্ষীৰ দৰে আকাশচুম্বী পাহাৰৰ শাৰী। এনে লাগিছিল তাৰ লগে লগে যেন আমি আহি আছিলো।

তেতিয়া সাজ লগাৰ সময়। সমুখত দূৰলৈ চাই পঠিয়াই এনে লাগিছিল ঠিক যেন শঙ্কু এটাৰ শীৰ্ষৰ ফালে ভূমিৰ উলম্ব দিশত আমি আগবাঢ়ি গৈ আছো।

দূৰৰ পৰা এটি দুটিকৈ বিজুলী চাকিৰ পোহৰ আহি চকুত ধৰা দিছিল। ওৰে বাটৰ যাত্ৰাৰে ক্লান্ত শৰীৰত বহাগৰ মৃদু মধুৰ নতুন বতাহ চাটি আহি লাগিছিলহি। লগে লগে নতুন ঠাই চোৱাৰ কৌতূহলে মোৰ মন ওপচাই পেলাইছিল।

অৱশেষত উত্তৰ পূৰ্বাঞ্চলৰ দ্বিতীয় বৃহৎ নগৰ মণিপুৰৰ ইম্ফলত আমাৰ গাড়ী সোমাই পৰিল। আহল বহল পথ চাফচিকুণো। হোটেলতে আমাৰ থকাৰ বন্দৱস্ত হ'ল। পিছদিনা ৰাজধানীৰ ৰেহৰূপ চাওঁ বুলি ওলাই গলো। দেখিলো মানুহবোৰৰ চেহেৰাত স্বভাৱতেই শান্ত সৌম্য ৰূপ। কপালত বগা চন্দনৰ ফোঁটে স্পষ্টভাবে সকীয়াই দিছিল যে তেওঁলোক পূজা পাৰ্বণত বিশ্বাসী। বেছিভাগেই বৈষ্ণৱধৰ্মী। গোটেই ইম্ফলখনত মণিপুৰীৰ বাহিৰে আন ভাষাৰ প্ৰচলন নাই বুলিলেও হয়। ব্যৱসায়ত হিন্দী ভাষাৰ প্ৰচলন কম পৰিমাণে আছিল। দোকানবোৰত দেখিলো মহিলা ব্যৱসায়ীৰেই প্ৰাধান্য। বিস্তৃত অঞ্চল আগুৰি মহিলাৰ এখন বজাৰ চকুত পৰিল। সেই অঞ্চলটোত কেৱল মহিলাইহে ব্যৱসায় কৰে। নাম 'ইমা' বজাৰ। মণিপুৰী ভাষাত 'ইমা'ৰ অৰ্থ আই। পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ মহিলা বজাৰ হিচাপে স্বীকৃতি প্ৰাপ্ত বজাৰখন চাই মহিলাৰ এনে সমূহীয়া পদক্ষেপত গৌৰৱ বোধ কৰিছিলো।



কহিমাৰ চিমেট্ৰি – ব্ৰঞ্জৰ ফলিত খোদিত ছহিদ সকলৰ নাম শাৰী শাৰীকৈ মাটিত সজাই থোৱা আছে

নাগালেণ্ডৰ মহিলা সকলৰ কৃতকাৰ্যতাৰ পিছত মণিপুৰতো মহিলা সংগঠনে মদ নিবাৰণী অভিযান চলাই বিপুল সাৰ্থকতা লাভ কৰাটো সঁচাকৈয়ে প্ৰশংসনীয়। মোৰ মনলৈ আহিল আমাৰ বস্তুবাদী সমাজখনৰ মহিলা চামলৈ। য'ত আমাৰ হাতত অফুৰন্ত সময়, শিক্ষাৰো প্ৰাচুৰ্য অনন্ত। কিন্তু গঠনমূলক কামৰ প্ৰতি আমাৰ সঁহাৰি আৰু অৱসৰ তেনেই নগণ্য। মণিপুৰত মহিলাৰ উচ্চস্থান, তেওঁলোকৰ প্ৰতি সমাজত আদৰ আৰু সন্মানসূচক ব্যৱহাৰ সঁচাকৈয়ে সকলোৰে বাবেই অনুকৰণীয়।

সেইদিনাই আমি মহাবলী মন্দিৰলৈ গলো। মন্দিৰৰ চাৰিওফালে অসংখ্য বান্দৰেৰে আগুৰা। তাতে এটা আমোদজনক ঘটনা ঘটিল। আমি মন্দিৰৰ ভিতৰৰ পৰা সেৱা জনাই উভতি আহিছো। দেখিলো এটা বান্দৰে আমি খুলি থৈ যোৱা জোতাবোৰৰ পৰা ৰিণি (পৰজৰ সহধৰ্মিনী)ৰ এপাত চেণ্ডেল হাতত লৈ আমাৰ ফালে চাই বহি আছে। আমি ওচৰ চাপি অহাৰ লগে লগে চেণ্ডেলপাত মুখতলৈ বান্দৰটো ভিৰাই লৰ ধৰিলে। মুহূৰ্ততে মন্দিৰত চাৰিওফালে এটা হুলস্থূল পৰিবেশৰ সৃষ্টি হ'ল। পূজাৰীকে ধৰি মন্দিৰত থকা আটাইখিনি মানুহে বান্দৰৰ পিছে পিছে চেণ্ডেলপাত আনিবলৈ ব্যস্ত হৈ পৰিল। ইফালে বান্দৰে মন্দিৰৰ এটা মূধচৰ পৰা আনটো মূধচলৈ জঁপিয়াই জঁপিয়াই পলাব ধৰিলে। ৰিণিৰ ফালে চাই দেখিলো একেবাৰে সৰু অকণমানি ছোৱালী এজনীৰ দৰে মুখখন ফুলাই লৈ মুখৰ ভিতৰতে ভোৰ ভোৰাই আছে। পৰিবেশটো হঠাতে ইমান ৰসাল আৰু আমোদজনক হৈ পৰিছিল যে মই হাঁহি ৰখাবলৈ বহু চেষ্টা কৰিও পৰা নাছিলো। মোৰ হাঁহি দেখি ৰিণিৰ খঙ দুগুণে চৰিল। প্ৰায় পোন্ধৰ মিনিট দৌৰাদৌৰি কৰাৰ পিছত বান্দৰ টোৱে মুখৰ পৰা চেণ্ডেল পাত এৰি আমাৰ ফালে চাই পিৰিক পাৰাক চকু টিপিয়াই চুপচাপ বহি পৰিল। বান্দৰটোৰ দুষ্টামিৰ কাণ্ড আৰু মুখখনৰ ভাওভংগীমাবোৰ মনত পৰিলে এতিয়াও মই অকলে অকলেই হাঁহো।

এজন মণিপুৰী লোকৰ সতে আমাৰ আগৰে পৰিচয় আছিল। নাম জিতেন সিং। সেইদিনা গধূলিটো আমাৰ বাবে এটি স্মৰণীয় দিন আছিল। সৌভাগ্যবশতঃ আমি মণিপুৰৰ কলাকৃষ্টিৰ প্ৰত্যক্ষ নিদৰ্শন দেখিবলৈ পালো। সিঙে আমাক কিছু সংখ্যক মণিপুৰী যুৱকেৰে আয়োজন কৰা এখন

সাংস্কৃতিক অনুষ্ঠানলৈ লৈ গ'ল। তেওঁলোকৰ লোকনৃত্য থাৱেল চংবীত ল'ৰা-ছোৱালী বিলাকে ঢোলকৰ শব্দৰ তালে তালে লয়লাস ভংগীমাৰে নাচিছিল। ভঙা ভঙা অসমীয়াৰে সিঙে আমাক বিভিন্ন নৃত্যৰ বিষয়বস্তু, ভাবধাৰাৰ বিষয়ে বুজাই দিছিল। দেৱদেৱী সকলৰ আনন্দৰ বাবে নচা লাইহাৰৱা নৃত্যত জীৱনৰ কৃষ্টি, সভ্যতাৰ বিকাশ আদি প্ৰকাশিত হয়। এগৰাকী যুৱক-যুৱতীয়ে একেলগে নাচিলে এই নাচক 'খাম্বাথৈবী' বুলি কয়।

বিভিন্ন নৃত্য গীতৰ পিছত সেইদিনাৰ বাবে অনুষ্ঠানৰ সামৰণি পৰিল। উভতি অহাৰ বাটত সিঙে আমাক কৈ গ'ল। তেওঁলোকৰ উনত্ৰিশটা জাতিৰ প্ৰত্যেকৰে গীত আৰু নিজস্ব বৈশিষ্ট্য আছে। উপত্যকাৰ বিভিন্ন মন্ডপত বিভিন্ন সময়ত তেওঁলোকে বিভিন্ন ৰাসলীলাৰ আয়োজন কৰে। মহাৰাস (কাতিমাহৰ পূৰ্ণিমাত) বসন্তৰাস (চ'ত মাহৰ পূৰ্ণিমাত) কুঞ্জৰাস (আহিনৰ পূৰ্ণিমাত) সকলোৰে মূল বিষয়বস্তু হ'ল বৃন্দাবনত ভগৱান কৃষ্ণ আৰু গোপী সকলৰ মাজত ধেমালি। ইমান কম সময়ৰ ভিতৰতে সিঙে তেওঁলোকৰ সংস্কৃতিৰ যথেষ্ট আভাস আমাক দিলে। তেখেতৰ প্ৰতি কৃতজ্ঞতাৰে সেই দিনটোৰ সামৰণি পৰিল।

ইম্ফলৰ পৰা ৫৫ কিলোমিটাৰ আঁতৰত লোগটাগ হ্ৰদ – প্ৰকৃতিৰ পুত্ৰ। বিস্তৃত অঞ্চল বিয়াপি পানীয়ে ওপচাই থোৱা এই হ্ৰদ। পিছদিনা আছিল বৰষুণৰ বতৰ। বাৰিষাৰ অসমৰ বানপানীৰ সময়ত গাওঁভূই পথাৰ সমাৰ ডুবগৈ যেতিয়া বাটৰ দুয়োকাষে পানীৰে উপচি পৰে – হুবহু তেনে এক পৰিবেশ। সৰু পাহাৰ এটাৰ ওপৰলৈ উঠি গলো। তাৰ পৰা হ্ৰদৰ চাৰিওফালে দেখা যায়। কেৱল পানী আৰু পানী। ভবেন বৰুৱাৰ 'হ্ৰদ' কবিতাৰ দুশাৰী বাৰে বাৰে মনত আওৰালো–

'হ্ৰদৰ বুকুত এয়া শীতল সলিল
দিশে দিশে সপোনৰ ঘন শ্যামলিমা
সিপাৰলে আৰু একো নাই
ইয়াতেই পৃথিৱীৰ সীমা।'

পানীৰ মাজে মাজে ঠায়ে ঠায়ে সেউজীয়া কোমল ঘাঁহনিৰ অঞ্চল। দেখাত স্থিৰ কিন্তু এই ঘাঁহনি ডৰাবোৰৰ অৱস্থান দিনে দিনে সলনি হয়। এইবোৰ পানীত ওপঙি থাকে। নাৱেৰে গৈ চাৰিওফালে চোৱাৰ প্ৰবল ইচ্ছা আছিল। কিন্তু বৰষুণৰ বাবে সেই ইচ্ছা মনতেই ৰ'ল।

ইম্ফল অভিমুখে উলটি আহিলো। অলপ দূৰ গৈ মৈৰাঙ পালোগৈ। তাতেই দিনৰ সাজ মণিপুৰী ভাত খাবলৈ সিদ্ধান্ত ললো। সেয়ে এখন হোটেলত সোমাই চালো। সাধাৰণ যদিও বেছ চাফচিকুণ। কাঁহৰ থালত এজনে গৰম ধোঁৱা ওলাই থকা ভাত আনি সমুখত থলে। আগতেই শুনিছিলো মণিপুৰৰ ভাতবোৰ এঠালতীয়া। সেয়ে হাতেৰে চুই তাৰ সত্যতা মানি ললো। কাষত চাৰিটামান বাটিত বিভিন্ন আঞ্জা। দেখিলো মাছৰ প্ৰচলন বেছি। 'ঐৰাম্বা' তেওঁলোকৰ খাদ্যৰ এটা বিশেষত্ব – কলগছ, শুকান মাছ আৰু কেঁচা জলকীয়াৰ এবিধ চাট্‌নি।

তিনিৰাতি ইম্ফলত কটাই কহিমালৈ উভতিছো। দিনটো আছিল ১ মে। নতুন ঠাইৰ নতুন নতুন অভিজ্ঞতাই মনটোক দোলা দি গৈছিল। অকোৱা পকোৱা পাহাৰী বাট আৰম্ভ হৈছিল। গাড়ী সন্তৰ্পণে আগবাঢ়িছিল। ঘোৰ বাৰিষাৰ বতৰ। মাজে মাজে বৰষুণ ইমান জোৰে আহিছিল যে সমুখত একোৱেই মনিব নোৱৰা হৈ পৰিছিল। গাড়ীৰ সমুখৰ আয়নাখন মচি লৈ পুনৰ আমি আগবাঢ়িছিলো সমুখলৈ।

চৌপাশে লেথাৰি নিচিগা পাহাৰৰ শাৰী। কেতিয়াবা গাড়ীখন ওখ পাহাৰৰ ওপৰলৈ একেবাৰতে উঠিব নোৱাৰি পিছুৱাই আহিছিল। সংশয় আৰু দুঃশ্চিন্তাই সেই সময়ত মনটোক জুমুৰি দি ধৰিছিলহি। কিন্তু পিছে মুহূৰ্ততে বিপদ অতিক্ৰম কৰাৰ যি অভিজ্ঞ আমেজ সেয়া আছিল তৃপ্তিৰ পূৰ্ণতাৰে ভৰা। কেতিয়াবা তেনেই কাষতে আৰু কেতিয়াবা বহুদূৰত পানীৰে ভৰপূৰ জলপ্ৰপাতবোৰ হু হু শব্দৰে প্ৰচন্ড গতিৰে তললৈ নামি আহিছিল। মাজে মাজে বাটৰ গাতে লাগি থকা সুউচ্চ উলম্ব শিলৰ পাহাৰবোৰৰ ওপৰলৈ চাই এনে লাগিছিল যেন দুৰ্গম প্ৰাচীৰৰ অভেদ্য দেৱাল।

সৰু ডাঙৰ শিলৰ ওপৰেদি মৰম আবেগ ঢালি বৈ যোৱা পাহাৰী চঞ্চলা নদীৰ জীৱন্ত মূৰ্চ্ছনা দেখি অভিভূত হৈ পৰিছিলো। মন কৰিছিলো বাটৰ একাষেহে ওখ পাহাৰ – আনটো কাষ মুকলি দূৰলৈ বিস্তীৰ্ণ গছগছনি, পাহাৰৰ বুকুত খাজ কাটি কাটি কৰা বিভিন্ন খেতিবোৰ – কেৱল পাহাৰ আৰু পাহাৰ। মুকলি কাষৰ তললৈ চাই দেখিছিলো একাবেঁকা নদীখন কেতিয়াবা আমাৰ বাওঁফালে আৰু কেতিয়াবা সোঁফালে আমাৰ সতে আহি আছিল। ৰঙা মাটিৰে বোলোৱা পানীৰে ওপচা নদীৰ অকোৱা পকোৱা দুৰন্ত গতিৰ সতে আমিও আগবাঢ়িছিলো। পাহাৰী নদীৰ দৰেই মই বৈ গৈছিলো ক্ষন্তেকৰ বাবে। পাহাৰৰ সতে মই কথা পাতিছিলো, হাঁহিছিলো। পাহাৰী জুৰিৰ সতে মই গীত গাইছিলো। মনৰ অফুৰন্ত আনন্দেৰে মই আপোন পাহৰা হৈ পৰিছিলো। ৰূপৰ ৰসত উন্মাদ হৈ মই পাহাৰৰ প্ৰেমত পৰিছিলো।

মন কৰিলো আমাৰ গাড়ী পাহাৰৰ বহু ওপৰলৈ উঠিছে, দূৰৰ ঠাইবোৰ ডাৱৰে ঢাকি পেলাইছে। মুহূৰ্ততে ডাৱৰে আমাকো আগচি ধৰিলে। সমুখৰ শুকুলা ডাৱৰ ফালি আমাৰ গাড়ী আগবাঢ়িছিল। মেঘ কেৱল মেঘ। এনে লাগিছিল আকাশখন যেন আমাৰ মূৰৰ ঠিক ওপৰৰ পৰাই আৰম্ভ হৈছে। নতুন এই অভিজ্ঞতাৰ সোৱাদ কিমান যে তৃপ্তিকৰ আছিল সেয়া মাথো উপলব্ধিৰহে যোগ্য। উৰাজাহাজেৰে মেঘৰ বুকু ফালি যোৱাৰ অভিজ্ঞতা আছিল যদিও হাতেৰে মেঘৰ কোমল পৰশ অনুভৱ কৰাৰ আনন্দত আমি উত্ৰাৱল হৈ পৰিছিলো। গাড়ীৰ পৰা নামি আটায়ে সেই দৃশ্য উপভোগ কৰি মতলীয়া হৈ পৰিছিলো। ডঃ ভূপেন হাজৰিকাৰ 'ডাৱৰ ফালি ৰং মেলালৈ যাও' গীতটো গাই গাই আমাৰ মনৰ আনন্দক কিঞ্চিৎ ৰূপত হলেও প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিলো।

পাহাৰৰ বুকুত ৰ'দ আৰু বৰষুণ – দুটা বিপৰীত ধৰ্মী প্ৰতিক্ৰিয়া – মেঘৰ বৈচিত্ৰ্যময় মায়াৰ যুঁজ – কহিমাৰ কুন্দত কটা দেহৰ সৌন্দৰ্য – কবৰৰ তলিৰ অস্ফুট বিননিৰ সোঁৱৰণিৰে দুলীয়াজান পাইছিলোহি।

দুলীয়াজান পোৱাৰ পিছৰ পৰাই পৰজবকুল আৰু ৰিণিৰ তাগিদাৰে মই জুৰুলা হলো। আমাৰ যাত্ৰাৰ অভিজ্ঞতাক লেখাৰে প্ৰকাশ কৰাৰ তাগিদা। মোৰ নিজৰ অন্তৰ যেন লগা গ্ৰাহামগ্ৰীণৰ এখন উপন্যাসৰ এষাৰি কথা প্ৰায়েই মোৰ মনলৈ আহে। 'He wanted happiness for others and solitude, peace for himself' আনন্দ বিলাই দিয়াত এক নিৰ্মল প্ৰশান্তি আছে। সেয়ে পৰজবকুলক সুধিছিলো 'কিনো লিখিম?' 'ডাৱৰৰ মাজে মাজে আহোতে যি দেখিছিলা তাকেই লিখা।' সেয়ে মোৰ এই অভিজ্ঞতাৰ নাম দিলো 'ডাৱৰৰ মাজে মাজে'। কিয়নো প্ৰেৰণা দায়ক অকৃত্ৰিম স্নেহৰ মাজত থকা মহত্বক মই আদৰ কৰো আৰু মানুহৰ হৃদয়ত এনে মহত্বৰ চানেকি মই মনে প্ৰাণে বিচাৰো।







# শক্তি সংকট – পেট্ৰ'লিয়াম

ড০ প্ৰদীপ কুমাৰ দাস

পৃথিৱীৰ বৰ্তমান যান্ত্ৰিক সভ্যতাৰ মাপকাঠি ডাল কিহৰ ওপৰত নিৰ্ভৰশীল – সেই কথা পুনৰ দোহৰাৰ নিশ্চয় দৰকাৰ নাই। এই সভ্যতাৰ চাবি-কাঠি ডাল বৰ্তমান পেট্ৰ'লিয়ামৰ নিয়ন্ত্ৰণাধীন। কাৰণ ই হ'ল পৃথিৱীৰ প্ৰধান শক্তি ইন্ধন। বৰ্তমানলৈকে এই ইন্ধনক বাদ দি যান্ত্ৰিক সভ্যতা গঢ়ি উঠাৰ কথা ভাবিব নোৱাৰি। এই শক্তি সম্পদত চহকী দেশবোৰে আজি পৃথিৱীৰ অতি উন্নতশালী ধনী দেশবোৰকো নাকত ধৰি চাকত ঘূৰাব লাগিছে। কাৰণ মানুহৰ শিল্পোন্নয়নৰ ক্ষেত্ৰত আৰু জীৱন যাপনৰ মান বৃদ্ধিৰ ক্ষেত্ৰত পেট্ৰ'লিয়ামৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল এই যে এই অমূল্য সম্পদ একেদিনাই বা এশ-দুশ বছৰৰ ভিতৰত সৃষ্টি হোৱা নাছিল। এই সম্পদ সৃষ্টি হবলৈ হাজাৰ হাজাৰ বছৰ লাগিছিল। কিন্তু এই সম্পদক আমি মাথো দুশ বছৰৰ ভিতৰতে নিঃশেষ কৰিব ওলাইছো। এই সম্পদ শেষ হ'লে ইয়াৰ পৰিণতি কি হ'ব পাৰে, এই বিষয়ে চিন্তা-চৰ্চা হৈ আছে যদিও এই ক্ষেত্ৰত মানৱ সমাজ মুঠেই আশ্বস্ত হ'ব পৰা নাই। কাৰণ বৰ্তমানে পেট্ৰ'লিয়ামৰ ভান্ডাৰ কমি অহাৰ ফলত আমাৰ মাজত নানা ধৰণৰ জটিল সমস্যাই দেখা দিছে। পেট্ৰ'লিয়াম অবিহনে প্ৰগতিৰ কথা চিন্তা কৰা অৱস্থা এতিয়াও আমাৰ মাজত আহি পৰা নাই। সেই হেতুকে ইয়াক লৈ বৰ্তমানে পৃথিৱীৰ কিছুমান দেশৰ মাজত ৰাজনীতিৰ সৃষ্টি হৈছে।

সি যিয়েই নহওক, পেট্ৰ'লিয়াম হ'ল জৈৱ-ৰাসায়নিক ক্ৰিয়াৰ ফলত প্ৰাকৃতিক ভাবে সৃষ্টি হোৱা এবিধ অভিনব খনিজ সম্পদ। পেট্ৰ'লিয়াম যদিও কঠিন, তৰল আৰু গেছীয় অৱস্থাত পোৱা যায়, তথাপিও আমাৰ মনত পেট্ৰ'লিয়াম হ'ল প্ৰাকৃতিক ভাবে শিলৰ মাজত সংৰক্ষিত হোৱা (পেট্ৰো, শিল + অলিয়াম, তেল) এবিধ খনিজ তেলহে। সোণৰ দৰে মূল্যবান হোৱা হেতুকে ইয়াক পনীয়া সোণ বুলিও কোৱা হয়। গতিকে পেট্ৰ'লিয়ামৰ সাধাৰণতে তৰল বা তেলীয়া অৱস্থাত পোৱা যায় যদিও, ইয়াক অৰ্ধতৰল বা কঠিন আৰু গেছীয় অৱস্থাতো পাব পাৰো। কঠিন অৱস্থাত পোৱা পেট্ৰ'লিয়ামক আমি এছফালট (aspholt) বা বিটুমেন (bitumen) বুলি কওঁ। গেছীয় অৱস্থাত পোৱা পেট্ৰ'লিয়ামক আমি প্ৰাকৃতিক গেছ (natural gas) বুলি কওঁ। কেতিয়াবা যদিও গেছ বা এছফালত অকলশৰীয়া ভাবে পোৱা যায়, তথাপিও এই তিনিওবিধ ধৰণ প্ৰায়ে একেলগে পোৱা যায়। পেট্ৰ'লিয়ামৰ প্ৰধান উপাদান হ'ল হাইড্ৰ-কাৰ্বন। জীৱ দেহৰ অৱশেষৰ পৰা সৃষ্টি হয় বাবে আৰু ইয়াক পুৰিব পাৰি বাবে পেট্ৰ'লিয়ামক 'দাহ্য জীৱাশ্ম' (fossil fuel) আখ্যা দিয়া হয়। পেট্ৰ'লিয়াম শিল্পৰ আৰম্ভণি হয় আমেৰিকাত। ১৮৫৯ চনত আমেৰিকাৰ পেনচিল ভেনীয়াৰ তিতু-ছভিলত পোন প্ৰথম বাৰৰ বাবে পেট্ৰ'লিয়ামৰ সন্ধান পোৱা যায়। অৱশ্যে পেট্ৰ'লিয়াম অনুসন্ধান কাৰ্য চলোৱাৰ বাবে ১৮৫৪ চনতেই ৰক অয়েল কোম্পানী নামৰ তেল কোম্পানী এটা পেনচিল ভেনীয়াত স্থাপন কৰা হৈছিল। এই কোম্পানীটোৱে অৱশেষত ১৯৫৯ চনত তেলৰ সন্ধান দিবলৈ সক্ষম হয় আৰু খনন কাৰ্য আৰম্ভ কৰে। খনন কাৰ্যৰ ফলত পোৱা অশোধিত তেলখিনি শোধন কৰাৰ বাবে শোধনাগাৰ স্থাপন কৰি শোধন কৰি লোৱা হয়। গতিকে দেখা যায় যে আমেৰিকাক পেট্ৰ'লিয়ামৰ সন্ধান দিয়াত বাটকটীয়া বুলিব পাৰি। ইয়াৰ পাছত পৃথিৱীৰ প্ৰায়বোৰ দেশতেই তেলৰ সন্ধান কাৰ্য চলোৱা হয়। এই ক্ষেত্ৰত সকলো দেশে সাফল্য লাভ কৰিব নোৱাৰিলেও ৰাছিয়া, মধ্যপ্ৰাচ্যৰ দেশ সমূহ, ভেনেজুৱেলা, আলবেৰিয়া আদি দেশে অভূতপূৰ্ব সাফল্য লাভ কৰিবলৈ সক্ষম হয়।

বৰ্তমানে আমি পেট্ৰ'লিয়াম বুলিলে খনিজ তেলৰ কথাকে বুজো। কাৰণ পেট্ৰ'লিয়াম প্ৰধানকৈ তেল হিচাপেহে বেছিকৈ পোৱা যায়।

খনিজ তেল সকলো দেশতে সমানে নাথাকিলেও ১৯৭২ চন পৰ্যন্ত শক্তি আহৰণ আদিত সংকটে দেখা দিয়া নাছিল। কাৰণ তেতিয়ালৈ তেলৰ দাম আছিল যথেষ্ট কম। সেই বাবে পৃথিৱীৰ তেল নোহোৱা বা তেল কম থকা দেশবোৰে তেল আমদানি কৰিবলৈ বিশেষ অসুবিধাৰ সমুখীন হোৱা নাছিল। কিন্তু ইয়াৰ পাছৰ পৰাই তেল লৈ নানাৰকমৰ ৰাজনীতি আৰম্ভ হয়। বিশেষকৈ মধ্যপ্ৰাচ্যৰ তেল উৎপাদনকাৰী দেশবোৰে হঠাতে তেলৰ দাম বৃদ্ধি কৰিবলৈ মনস্থ কৰে। লগে লগে বিশ্বৰ আন তেল ৰপ্তানীকাৰী দেশবোৰেও এই সুবিধা গ্ৰহণ কৰি তেলৰ দাম বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই দেশবোৰ হ'ল ছৌদি আৰবীয়া, ইৰাণ, ইৰাক, কুৱেট, আলজেৰিয়া, কাতাৰ, লিবিয়া, গেবন, নাইজেৰিয়া, ইন্দোনেচিয়া, ইকুয়েডৰ, ভেনেজুৱেলা আদি। আনকি এই দেশবোৰে লগ লাগি সংস্থা এটা গঠন কৰিলে আৰু তাৰ নাম দিলে তেল ৰপ্তানীকাৰী দেশীয় সংস্থা (Organization of Petroleum Exporting Countries)। সংক্ষেপতে ইয়াক 'অপেক' নামে জনাজাত হ'ল। এই সংস্থাৰ মূল উদ্দেশ্য হ'ল তেলৰ দাম বৃদ্ধি কৰি তাৰ পৰা হোৱা আয়েৰে নিজৰ দেশখন উন্নীত কৰা। কাৰণ এই দেশবোৰৰ বেছিভাগেই তৃতীয় বিশ্বৰ অন্তৰ্গত। গতিকে এই দেশবোৰেও যাতে উন্নয়নশীল আৰু ধনী দেশবোৰৰ নিচিনা আৰ্থিক ভাবে স্বচ্ছলতা লাভ কৰিব পাৰে, তাৰ বাবেই এনে কৰা হয়।

সি যিয়েই নহওক, তেলৰ দাম বৃদ্ধি কৰাৰ লগে লগে প্ৰথম বিশ্বৰ ধনী দেশবোৰৰ একচেটিয়া অৰ্থনৈতিক আধিপত্যত আঘাত হানিলে। তেল আমদানি নকৰিলে তেল সংকটে দেখা দিয়ে। ফলত শক্তিৰ নাটনি হয়। ইপিনে তেল আমদানি কৰিলে তেল ক্ৰয়ৰ বাবদ বহু টকা ভৰিব লগা হ'ল। অৱশেষত বাধ্য হৈ তেল আমদানি কৰিব লগাত পৰিল। কিন্তু এইদেশবোৰেও নানা

ধৰণৰ উপায় অৱলম্বন কৰি আৰ্থিক সকাহ পাতলাবৰ বাবে ব্যৱস্হা গ্ৰহণ কৰিলে। ফলত এই দেশবোৰে ৰপ্তানীকৃত বয়-বস্তু বিশেষকৈ যন্ত্ৰপাতিৰ দাম বহুখিনি বঢ়াই দিলে। এনেকৈয়ে কিছু আৰ্থিক স্বচ্ছলতা লাভ কৰিলে।

কিন্তু এই ব্যৱস্হাত বিশেষ ভাবে ক্ষতিগ্ৰস্ত হ'ল তৃতীয় বিশ্বৰ তেল আমদানীকাৰী দৰিদ্ৰ দেশবোৰে। এই দেশবোৰত তেল নোহোৱা বাবে তেল আমদানি কৰিবলৈ বাধ্য হ'ল আৰু ফলস্বৰূপে আৰ্থিক দিশত এই দেশবোৰত প্ৰচণ্ড আঘাত পৰিল।

ইপিনে উন্নত দেশবোৰত দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ পৰা বিপুল অৰ্থনৈতিক আৰু শিল্পোন্নতি ঘটিছিল। ইয়াৰ এটা প্ৰধান কাৰণ আছিল সুলভ মূল্যত পোৱা খনিজ তেলৰ প্ৰাচুৰ্য। এই তেলৰ বেছিভাগেই আহিছিল অপেক দেশ সমূহৰ পৰা। এই দেশবোৰত তেল আছিল শক্তি উৎপাদনৰ প্ৰধান আহিলা। প্ৰায় ৪৮ শতাংশ শক্তি যোগাইছিল এই তেলে। কিন্তু হঠাতে তেলৰ দাম বৃদ্ধি পোৱাত এই দেশবোৰত আৰ্থিক দিশত যথেষ্ট হেঁচা পৰে। তথাপিও নিজৰ অৱস্হা উন্নত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। তেনে স্হলতো তেলৰ বাবে শক্তি সংকটে দেখা দিয়ে। ফলস্বৰূপে নিজৰ দেশৰ শক্তি সম্পদ বৃদ্ধি কৰাত যথেষ্টখিনি গুৰুত্ব আৰোপ কৰা হয়। ১৯৭৬ চনৰ হিচাপ মতে এই দেশবোৰে তেলৰ পৰা পোৱা শক্তি হ'ল ৫৭ শতাংশ আৰু নিজ দেশত উৎপাদিত শক্তি হ'ল ৩৭ শতাংশ। এইখিনিতে উল্লেখ কৰিব পাৰি যে অপেক দেশবোৰে তেলৰ দাম বৃদ্ধি কৰাৰ বাবে কমিউনিষ্ট দেশবোৰেও জোৰ দিছিল। ইয়াৰ কাৰণ সম্পূৰ্ণভাবে ৰাজনৈতিক। ধনতান্ত্ৰিক দেশবোৰক আৰ্থিক ভাবে হেঁচা দিয়াটোৱে ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য।

অপেক দেশবোৰে তেলৰ দাম বৃদ্ধি কৰাৰ অন্য এক কাৰণ নিহিত হৈ আছে। এই কাৰণটো হ'ল এই যে তেল বিক্ৰী কৰি পোৱা লাভাংশৰ পৰা শিল্প উদ্যোগ গঢ়ি তোলা। কাৰণ এই দেশবোৰে বুজি পাইছিল যে তেল চিৰদিন নাথাকে। এদিন শেষ হবই। তেতিয়া যাতে এই দেশবোৰত শিল্প উদ্যোগৰ দ্বাৰা আৰ্থিক অনাটন দূৰ কৰা হয় আৰু তেল অবিহনে আনি দিয়া আৰ্থিক অনাটন যাতে লাঘব হয়। ইয়াৰ বাবে পশ্চিমীয়া দেশবোৰৰ পৰা বিপুল পৰিমাণৰ কল-কাৰখানা, যন্ত্ৰপাতি আমদানি কৰা হ'ল। ইয়াৰ ফলত অপেক দেশ সমূহৰ পৰা লাভবান হ'ল পশ্চিমীয়া দেশ সমূহ।

অপেক দেশবোৰে তেলৰ দাম বৃদ্ধি কৰাত কিছু সুফলো পোৱা গ'ল। তেলৰ দাম বৃদ্ধি কৰাৰ লগে লগে যাতে তেল সংকটে দেখা দিব নোৱাৰে তাৰ বাবে ইয়াৰ ব্যৱহাৰ সীমিত কৰা হ'ল আৰু জধেমধে তেল ব্যৱহাৰ কৰাৰ ওপৰত বাধা আৰোপ কৰা হ'ল। কিছুমান দেশত আইনো কৰা হ'ল। কিছুমান দেশে শক্তিৰ বিকল্প উৎস বিচৰাত মনোনিবেশ কৰিলে। কিছুমান দেশে আকৌ নিজৰ দেশতেই শক্তি উৎপাদনৰ বাবে দেহে কেহে লাগি গ'ল। ফলত নতুন নতুন শক্তি উৎপাদনৰ উৎস পোৱাৰ লগতে কিছু পৰিমাণে তেলৰ সন্ধানো পোৱা গ'ল। তদুপৰি প্ৰাকৃতিক গেছৰ ব্যৱহাৰ পূৰ্বে সীমিত আছিল। কিন্তু তেল সংকটে দেখা দিয়াত প্ৰাকৃতিক গেছৰ ব্যৱহাৰ বঢ়াই দিয়া হ'ল। তদুপৰি আদিতে তেলৰ লগত থকা প্ৰাকৃতিক গেছক জ্বলাই দিয়া হৈছিল। কিন্তু তেল সংকটে দেখা দিয়াত এই গেছবোৰো ব্যৱহাৰ উপযোগী কিংবা সংৰক্ষণ কৰাৰ ব্যৱস্হা কৰা হ'ল।

তেলৰ দাম বৃদ্ধি কৰাৰ বাবে কিছুমান দেশে তেল কম ক্ষয় কৰা যন্ত্ৰপাতি উদ্ভাৱন কৰিলে। তদুপৰি উন্নয়নশীল দেশবোৰে তেল সংৰক্ষণৰ কলা-কৌশলো আয়ত্ত কৰিলে। ফলত তেলৰ ব্যৱহাৰ বহুখিনি সীমিত হৈ পৰিল। কিন্তু উন্নতশীল দেশবোৰে উন্নয়নৰ দিশত বেছি জোৰ দিয়া হেতুকে তেলৰ সীমিত ব্যৱহাৰৰ প্ৰতি সজাগ হোৱা দেখা পোৱা নাই। বৰঞ্চ তেলৰ ব্যৱহাৰ বাঢ়িছেহে। এই ক্ষেত্ৰত ভাৰতৰ কথাকে ধৰিব পাৰি। ভাৰতে তেলৰ সন্ধান পায় ১৮৬৭ চনতেই। অসমৰ মাৰ্ঘেৰিটা অঞ্চলত পোন প্ৰথমবাৰৰ বাবে তেল পোৱা হয়। ইয়াৰ পাছত ১৮৯০ চনত ডিগবৈ তৈল ক্ষেত্ৰ আৱিষ্কাৰ হয়। এই অশোধিত তেল শোধন কৰিবলৈ ডিগবৈ শোধনাগাৰ স্হাপন কৰা হয়। অসমত তেলৰ অনুসন্ধান আৰু শোধন কৰাৰ বাবে ১৮৯৯ চনত অসম তেল কোম্পানী (Assam Oil Company) গঠিত হয়। ইয়াৰ পাছত তেল অনুসন্ধানৰ বাবে বাৰ্মা তেল কোম্পানী (Burma Oil Company) ১৯২১ চনত ভাৰতলৈ আহে। এই দুটা কোম্পানীয়ে তেলৰ অনুসন্ধান কাৰ্য অসমতে চলাই থাকে। পাছত ১৯৫৬ চনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ (ONGC) গঠিত হয়। এই আয়োগে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে তেলৰ অনুসন্ধান চলায় আৰু কেইবাখনো তৈল ক্ষেত্ৰ যেনে ৰুদ্ৰ সাগৰ, লাকুৱা, গেলেকী আদি তৈল ক্ষেত্ৰ আৱিষ্কাৰ কৰে। লাহে লাহে এই আয়োগে তেওঁলোকৰ অনুসন্ধান কাৰ্য সমগ্ৰ ভাৰততে বিয়পাই পেলায়। অৱশেষত তেওঁলোকে গুজৰাট আৰু আৰব সাগৰত তৈল ক্ষেত্ৰ আৱিষ্কাৰ কৰে। ইপিনে বাৰ্মা তেল কোম্পানী আৰু ভাৰত চৰকাৰে যৌথভাবে অয়েল ইণ্ডিয়া লিমিটেড (Oil India Limited) নাম দি নতুন কোম্পানী এটা গঠন কৰে। এই কোম্পানীটোৰ মুখ্য কাৰ্যালয় ডুলিয়াজানত পতা হয় আৰু মৰাণ আৰু নাহৰকটীয়া তৈল ক্ষেত্ৰত তেল অনুসন্ধান কাৰ্য চলাই থকা হয়। এতিয়া অৱশ্যে এই কোম্পানীটোৱে অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাতো তেলৰ অনুসন্ধান কাৰ্য চলায় কৃতকাৰ্য হয়। ভাৰতত যিখিনি তেল উৎপাদিত হয়; সেইখিনি বিক্ৰী কৰাৰ দায়িত্ব দিয়া হয় ভাৰতীয় তেল নিগমক (Indian Oil Corporation)।

বৰ্তমানে ভাৰতত মুঠ অশোধিত তেলৰ প্ৰয়োজন ৭0 শতাংশ দেশত উৎপাদিত হয়। বৰ্তমান ভাৰতত অশোধিত তেলৰ উৎপাদন প্ৰায় ৫0 মিলিয়ন টন। ২000 চনত এই উৎপাদন গৈ ৯0 মিলিয়ন টন হোৱাৰ সম্ভাৱনা আছে।

ভাৰত এখন উন্নয়নশীল দেশ। এই উন্নতিত প্ৰধান ভূমিকা লয় খনিজ তেল বা পেট্ৰ'লিয়ামে। ইতিমধ্যে ইয়াৰ ওপৰত নিৰ্ভৰ কৰি কেইবাটাও শোধনাগাৰ আৰু পেট্ৰ'-ৰাসায়নিক প্ৰকল্প গঢ়ি উঠিছে। কিন্তু তেলৰ সংকটৰ পিনে লক্ষ্য কৰি আমি এই ক্ষেত্ৰত কিছু পৰিমাণে হলেও মিতব্যয়িতা অৱলম্বন কৰা উচিত। তদুপৰি অকল পেট্ৰ'লিয়ামৰ ওপৰতে নিৰ্ভৰ নকৰি বিকল্প শক্তিৰ ওপৰতো আমি কিছু পৰিমাণে নিৰ্ভৰশীল হোৱা উচিত। তেতিয়াহলে আমাৰ দেশখন বিশ্বত এখন উন্নতশালী দেশৰূপে পৰিগণিত হ'ব। সেয়েহে বেছিভাগ বিজ্ঞানীয়ে মত পোষণ কৰি কৈছে যে আমি উন্নতি কৰিব লাগিলে তেলৰ ওপৰত কৰা নিৰ্ভৰতা কিছু পৰিমাণে হলেও কমাই দিয়াটো আমাৰ প্ৰধান জাতীয় লক্ষ্য হ'ব লাগিব। সূ





# বিতৰ্ক, বিকৃতি আৰু বিতণ্ডা

লক্ষ্মীনাথ তামুলী

তৃতীয় বছৰ প্ৰথম সংখ্যাৰ 'সূত্ৰধাৰ'ত (১-১৫ জানুৱাৰী) মই আলোচনা প্ৰসংগত – উল্লেখ কৰা অভিযোগ দুটা আছিলঃ (১) "যতীন বৰগোহাঞিয়ে তেখেতৰ 'অসমৰ অৰ্থনৈতিক ইতিহাস' খনত আহোম ৰাজ্যৰ ইতিহাসকে অসমৰ ইতিহাস বুলি ভুল কৰাৰ কাৰণে খণ্ডিত আৰু অসম্পূৰ্ণ হৈ ৰ'ল", আৰু (২) "আহোম ৰাজ বংশৰ শাসন স্হায়ী হোৱাৰ সম্ভাৱনা দেখা শ্ৰীবৰগোহাঞিৰ সংক্ষিপ্ত ইতিহাসখনো সংকীৰ্ণ সাম্প্ৰদায়িক নষ্টালজিয়াৰ শোচনীয় সাক্ষী"।

তৃতীয় বছৰ পঞ্চম সংখ্যাৰ 'সূত্ৰধাৰ'ত (১-১৫ মাৰ্চ) শ্ৰীযতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে নিজৰেই কিতাপখনৰ কিছু নিৰ্বাচিত অংশ উদ্ধৃত কৰি প্ৰমাণ কৰাৰ প্ৰয়াস কৰি ঘোষণা কৰিলে যে 'ইয়াৰ পিছতো মোক ৰাজতন্ত্ৰ প্ৰেমী বোলাটো মই ভাবো পাগলামি। আহোম ৰাজতন্ত্ৰৰ প্ৰতি মোৰ কোনো নষ্টালজিয়া আগতেও নাছিল। বৰ্তমানো নাই। ভৱিষ্যতেও নহ'ব। মই কোনো আহোম সংগঠনৰ লগত জড়িত সাম্প্ৰদায়িকতাবাদীও নহয়। শ্ৰীতামুলীয়ে উপাধি চাই আহোম বুলি আক্ৰমণ কৰাৰ মনোবৃত্তিক মই মুক্তকন্ঠে গৰিহণা দিছো। সাৱধান শ্ৰীতামুলী, নিজৰ সাম্প্ৰদায়িকতাক ঢাকিবৰ বাবে আনক তেনে লেবেল আঁৰিবলৈ কুচেষ্টা নকৰিব।' শ্ৰীবৰগোহাঞিৰ বাকী অশালীন আস্ফালনখিনি বাদ দিছো।

মই উত্থাপন কৰা অভিযোগ দুটাৰ সাক্ষ্য প্ৰমাণ শ্ৰীবৰগোহাঞিৰ উল্লিখিত কিতাপখনৰ পৰাই 'সূত্ৰধাৰ'ৰ তৃতীয় বছৰ অষ্টম সংখ্যাৰ ৪৭ পৃষ্ঠাত উদ্ধৃত কৰি দিছিলো কাৰণে ইয়াত পুনৰাবৃত্তি পৰিহাৰ কৰিলো। শ্ৰীবৰগোহাঞিৰ সাম্প্ৰদায়িক দুষ্ট মনোবৃত্তিৰ প্ৰমাণ পৰিলক্ষিত হৈছে কাৰণেই অষ্টম সংখ্যাত (১-১৫ মে) প্ৰকাশিত চিঠিখনত তেখেতৰ কিতাপৰ পৰাই উদ্ধৃতি দি কিছু প্ৰশ্ন কৰিছিলো। একে দুষ্টবুদ্ধিৰে শ্ৰীবৰগোহাঞিয়ে সাধাৰণ পাঠকক বিভ্ৰান্ত কৰিবলৈ ঐতিহাসিক তথ্য গোপন কৰি আংশিক উদ্ধৃতি দি নিজৰ ভুল ঢাকি ৰখাৰ অপচেষ্টা কৰা দেখিহে বিস্মিত হৈছো। কিয়নো এইজনা বৰগোহাঞিয়েই প্ৰগতিবাদৰ নামত অসমত এসময়ত তালফাল লগাইছিল। বাওঁপন্হী প্ৰগতিবাদৰ পৰা নষ্টালজিক সাম্প্ৰদায়িকতাবাদলৈ শ্ৰীবৰগোহাঞিৰ পৰিবৰ্তন চমকপ্ৰদ যদিও তেখেতক চিনি পোৱা সকলৰ বাবে কোনো আকস্মিক ঘটনাও নহয়। সেয়ে শ্ৰীবৰগোহাঞিয়ে বস্তুনিষ্ঠতাৰ পৰিবৰ্তে কিমান সংকীৰ্ণতালৈ পাঠকক বিভ্ৰান্ত কৰিবলৈ যত্ন কৰিছিল সেইটো অৱগত নকৰিলে অসমৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ বিষয় এটাত আউল লাগি ৰ'ব কাৰণে তথ্য সহকাৰে তলত উল্লেখ কৰিলো। শ্ৰীবৰগোহাঞিৰ 'ওৰণি তলৰ সাম্প্ৰদায়িকতা অতি বিপদজনক' শীৰ্ষক 'সূত্ৰধাৰ'ৰ তৃতীয় বছৰ একাদশ সংখ্যাত (১৬-৩0 জুন) প্ৰকাশিত লেখাটোত প্ৰকাশ পোৱা ওৰণি তলৰ আৰক্তিম যেন লগা কোৱা ভাতুৰীয়া ওঁঠৰ অন্তৰালৰ বিষাক্ত ফণিনীৰ হাঁহিৰ চিম্ফনীটো মন কৰকঃ

'ছাত্ৰাবাসৰ সহবাসী আৰু এসময়ৰ সহকৰ্মী' প্ৰসংগটো শ্ৰীবৰগোহাঞিয়ে ভবাৰ দৰে 'অপ্ৰাসংগিক' নহয় এই কাৰণেই যে 'শ্ৰীতামুলীয়ে উপাধি চাই আহোম বুলি আক্ৰমণ কৰা' বুলি কোৱাটোৰ – অপ্ৰাসংগিকতা ইয়ে প্ৰমাণ কৰিব।

এতিয়া আধাৰবিহীন আধাৰ গ্ৰন্হৰ কথালৈ আহক। ঐতিহাসিক গ্ৰন্হ গল্প, উপন্যাস, কবিতা, নাটক আদিৰ দৰে নেলেখে। সত্যানুসন্ধানেই ইতিহাসবিদ এজনৰ একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য যদিও পৰম সত্য, চূড়ান্ত সত্যৰ দাবী বা বেহা তেওঁ নকৰে। তেওঁ প্ৰাসংগিকতা আৰু অধিকতৰ নিৰ্ভৰশীলতাৰ আধাৰত প্ৰাপ্ত তথ্যক নিজা চিন্তা আৰু মেধাৰে পৰীক্ষা-নিৰীক্ষা কৰি নিৰ্দিষ্ট ঐতিহাসিক বিষয় সম্পৰ্কে তেওঁ নিজা মতামত দাঙি ধৰে। কোৱা বাহুল্য যে এনে কৰোতে তথ্যৰ সংগ্ৰাহক বিশ্লেষক জন কেতিয়াবা তেওঁৰ অজ্ঞাতসাৰেই গুৰুত্বপূৰ্ণ ঐতিহাসিক ৰায় তথা তথ্যৰ স্ৰষ্টা হৈও পৰে। সেয়ে তথ্য নিৰ্বাচন আৰু বিশ্লেষণ ঐতিহাসিক এজনৰ পক্ষে আটাইতকৈ গুৰুত্বপূৰ্ণ মৌলিক সমস্যা। বিশ্বাসযোগ্য তথ্য সাক্ষ্য অবিহনে ঐতিহাসিক গ্ৰন্হ এখনৰ গুৰুত্ব – বস্তুনিষ্ঠ ইতিহাসবিদ এজনৰ বাবে নিতান্তই গৌণ, কেৱল প্ৰাথমিক বা মৌলিক তথ্যৰ সমৰ্থক তথ্য হিচাপেহে (corroborative evidence) আধাৰবিহীন ইতিহাস গ্ৰন্হবোৰ ব্যৱহৃত হয়। শ্ৰীবৰগোহাঞিয়ে তেখেতৰ কিতাপত আৰু সূত্ৰধাৰত যিখন গ্ৰন্হৰ তালিকা দিছে, তাৰ ভিতৰত ডঃ সূৰ্য কুমাৰ ভূঞাৰ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ আৰু লাচিত বৰফুকন, তীৰ্থনাথ শৰ্মাৰ আউনিআটি সত্ৰৰ বুৰঞ্জী, বেণুধৰ শৰ্মাৰ দক্ষিণপাট সত্ৰৰ বুৰঞ্জী, সুশীল কুমাৰ গগৈৰ সম্পাদিত মায়ামৰা সত্ৰ সমাজঃ ভাষণ আৰু প্ৰবন্ধ, শুক্লেশ্বৰ বৰাৰ দিহিং সত্ৰৰ বুৰঞ্জী (দুয়োখন কিতাপৰে সম্পাদক আৰু লেখকৰ নাম শ্ৰীবৰগোহাঞিৰ গ্ৰন্হৰ 'বিস্তৃত ভাবে সহায় লোৱা গ্ৰন্হসমূহৰ তালিকা' আৰু সূত্ৰধাৰত প্ৰকাশিত তালিকাতো নাই!) হিতেশ্বৰ বৰবৰুৱাৰ আহোমৰ দিন, সৰ্বানন্দ ৰাজকুমাৰৰ ইতিহাসে সোঁৱৰা ছশটা বছৰ (আন আৰু কেইখনমান বাদেই দিলো বাৰু) আদি গ্ৰন্হকো ঐতিহাসিক আধাৰ গ্ৰন্হ হিচাপে গণ্য আৰু ব্যৱহাৰ কৰিব পাৰিনে? কুৰি শতিকাত লিখা নাওবৈছা ফুকনৰ বুৰঞ্জীখন (পদ্মেশ্বৰ সিং নাওবৈছা ফুকন) সংগ্ৰহ কৰিছিল ডঃ লীলা গগৈয়ে। আলোচনা প্ৰসংগত ডঃ গগৈয়ে জনাইছিল



OKDISD

যে উক্ত পুথিখন অজস্ৰ তথ্যগত খেলিমেলিৰে ভৰা আৰু শিৱসাগৰৰ চূণ পোৱাৰ জয় গোহাঁইৰ নেৰানেপেৰা তাগিদা সহ্য কৰিব নোৱাৰি ডঃ গগৈয়ে সেই হাতে লিখা (সাঁচিপতীয়াও নহয়) পুথিখন ঘূৰাই দিয়ে। শ্ৰীবৰগোহাঞিয়ে সেইখন পুথিৰ পৰা কিদৰে তথ্য সংগ্ৰহ কৰিলে জনা নাযায়। ডঃ জন পিটাৰ ৱেদৰ An Account of Assam খনো মৌলিক গ্ৰন্থ নহয়। গেইট চাহাবৰ মতে "In reality it is a translation of three distinct historial documents or buranjis." অনুবাদো বিশ্বস্ত নহয়। উল্লেখযোগ্য যে উদ্ধৃতিৰ Catalogue সদৃশ সৰ্বানন্দ ৰাজকুমাৰৰ কিতাপখনৰ পৰাই শ্ৰীবৰগোহাঞিয়ে তেওঁৰ কিতাপ খনৰ দেৰশমান উদ্ধৃতিৰ ভিতৰৰ প্ৰায় দেৰকুৰি উদ্ধৃতি দিছে। পূৰ্ব নিৰ্ধাৰিত ধাৰণাৰ (a priory conception) সমৰ্থনত সাক্ষ্য প্ৰমাণ বিচাৰিলে এনে ভ্ৰান্তি আৱশ্যম্ভাৱী।

শ্ৰীবৰগোহাঞিয়ে লেখিছে যে – 'চুকাফাই বিবাহ কৰা নাছিল বুলিও ভবা হয়, তথাপি মোৰ গ্ৰন্থখনৰ তত্ত্বগত দিশটোত সি প্ৰভাৱ বিস্তাৰ নকৰে।'

কিন্তু তেখেতেই তেখেতৰ 'অসমৰ অৰ্থনৈতিক ইতিহাস' খনৰ আৰম্ভণি পেৰাগ্ৰাফতে উৎসৰ উল্লেখ নকৰাকৈ লেখিছে যে – 'এই কথা জনা যায় যে চুকাফাই লগত তিনি গৰাকী ৰাণী আনিছিল।'

অনুমান কৰা কঠিন নহয় যে অসমৰ আহোম ৰাজ পৰিয়ালক অবিমিশ্ৰ বিশুদ্ধ ৰক্তৰ প্ৰমাণ পত্ৰ দিয়াৰ গোপন মানসিকতাৰে ই মাত্ৰ বহিঃপ্ৰকাশ। শ্ৰীবৰগোহাঞিয়ে চুকাফাই লগত পত্নী কঢ়িয়াই নানিলেও চুকাফাই প্ৰতিষ্ঠা কৰা ৰাজবংশৰ ৰাজ ৰক্তৰ সন্দেহ ইতিহাসত তেনেই অবান্তৰ কথা বুলি বিবেচিত হবলৈ বাধ্য।

আকৌ গ্ৰন্থখনৰ আৰম্ভণিৰ দ্বিতীয় পেৰাগ্ৰাফত লেখিছে যে – 'চুকাফাই আক্ৰমণৰ উদ্দেশ্যে আহোতে অগ্ৰগামী বাহিনীত নাৰী আৰু শিশু ননাই স্বাভাৱিক।'

ই সংগত ভাবেই ইংগিত দিয়ে যে চুকাফাই অসম 'আক্ৰমণ' কৰোতে অগ্ৰগামী আৰু অনুগামী দুটা বাহিনীৰে কৰিছিল; অগ্ৰগামী বাহিনী কেৱল যুঁজাৰু সকলক লৈ গঠিত হৈছিল আৰু অনুগামী বাহিনীত নাৰী আৰু শিশু সকলোৱেই আহিছিল! তেখেতৰ গোটেইখন * কিতাপতে এনে কায়দাৰে ব্যৱহাৰ কৰা বাক্য পোৱা যায়।

তথ্যৰ উৎস বিচৰাত শ্ৰীবৰগোহাঞিয়ে স্বীকাৰ কৰিছে যে 'চুকাফাৰ পত্নীৰ কথাটো মই ডঃ পদ্মেশ্বৰ গগৈৰ The Tai and The Tai Kingdoms গ্ৰন্থৰ পৰা দিছো।' কিন্তু পৃষ্ঠা নম্বৰ উল্লেখ কৰা নাই।

পৃষ্ঠা নম্বৰ ২৫৮। ডঃ গগৈয়ে উক্ত তথ্য গ্ৰহণ কৰিছে দুখন অনিৰ্ভৰশীল অসমীয়া কিতাপৰ পৰা। বস্তুনিষ্ঠ ঐতিহাসিক গৱেষণাৰ ক্ষেত্ৰত এনে পুথিৰ পৰা নিৰ্বিচাৰে তথ্য গ্ৰহণ অবাঞ্ছিত। কিতাপ দুখন হ'ল পি কে বুঢ়াগোহাঞিৰ 'তাই সংস্কৃতি' (১৯৫৬) আৰু কৃপানাথ ফুকনৰ 'লাইলিক বুৰঞ্জী'। কিন্তু আজীৱন গৱেষক ডঃ পদ্মেশ্বৰ গগৈয়ে উক্ত তথ্য নিঃসন্দেহে গ্ৰহণ নকৰি বাক্যটো আৰম্ভ কৰিছে, 'It is also said' বুলি অৰ্থাৎ ইয়াকো কোৱা হয় বা এইদৰেও কয়, – এনে অনিশ্চিত সুৰত, যিটো তথ্যক শ্ৰীবৰগোহাঞিয়ে নিশ্চিত অৰ্থদান কৰি ৰূপ দিলে 'এই কথা জনা যায়' বুলি!

পি কে বুঢ়াগোহাঞিৰ 'তাই সংস্কৃতি'খন মই দেখা নাই; কিন্তু কৃপানাথ ফুকনৰ মালিতা ৰূপৰ লাইলিক বুৰঞ্জীখনৰ হুবহু সুদীৰ্ঘ বহু উদ্ধৃতি পঢ়িছো। বুৰঞ্জীখনৰ অনৈতিহাসিকতা সম্পৰ্কে মই কেইবছৰমান পূৰ্বে মন্তব্য কৰিছিলো। ডঃ সূৰ্য কুমাৰ ভূঞাই কৃপানাথ ফুকনৰ লাইলিক বুৰঞ্জী সম্পৰ্কে লিখিছিল যে 'আমি পোনতে শুনিছিলো যে শ্ৰীযুত ফুকনৰ হাতত লাইলিক বুৰঞ্জী নামে এখন আহোম পুথি আছিল, সেই পুথিত বোলে জয়মতী কুঁৱৰীৰ সবিশেষ বৃত্তান্ত লিপিবদ্ধ আছে। উক্ত বুৰঞ্জী পুথিখন নিজ চকুৰে চাব খোজাত জানিব পাৰিলো যে ফুকনৰ হাতত সেই পুথি নাই, তেওঁ এবাৰ শ্যাম দেশলৈ যাওঁতে বোলে শ্যাম ভাষাত লিখা পুথিত জয়মতীৰ কথা পাই তাকে মালিতা কৰি বান্ধি থৈছিল।। (জয়মতী কুঁৱৰীঃ সম্পাদকঃ শ্ৰীহেম বুঢ়াগোহাঞি, ১৯৮২, পৃঃ ২৬)।

লাইলিক বুৰঞ্জীয়ে চুকাফাৰ পত্নী তিনি গৰাকীৰ নামৰ লগতে চুকাফাৰ শহুৰ তিনিজনৰ নামো দিছে (ডঃ গগৈৰ গ্ৰন্থৰ ২৫৮ পৃঃৰ ২৪ নং পাদটীকা দ্ৰষ্টব্য)। আৰু আমি সেই ঠেকুহীন মালিতাকে নিৰ্ভৰযোগ্য ঐতিহাসিক তথ্য বুলি কৃপানাথ ফুকনৰ পৰা আৰম্ভ কৰি শ্ৰীযতীন্দ্ৰ কুমাৰ বৰগোহাঞিলৈকে সকলোৱে বস্তুনিষ্ঠ আৰু বৈজ্ঞানিক ইতিহাস চৰ্চাৰ ঢোল কোবাই আছো। কাণত আঙুলি দিয়া সকলৰ মূৰত ঢোল কোবাই ৰগৰ পোৱা সকলে সাম্প্ৰদায়িকতাৰ ওৰণি দেখিবই।

দেওধাই অসম বুৰঞ্জীৰ অন্তৰ্গত বাঁহগৰীয়া বুঢ়াগোহাঞিৰ বুৰঞ্জী মতে, "যি চুটিয়া, বৰাহী, মৰাণ ঠায়ে ঠায়ে পাই আহিল, লগত অহাবোৰত কৈয়ো তাৰেহে আপাহ হয়। সেই সময়ৰে পৰা মানুহ মিহলি হ'ল তাৰে জীয়টী-পুতটি কৰি; যিহেতু নৰাৰ পৰা আহোতে কাৰো তিৰুতা নাই ইঠাইত আহিহে তিৰুতা ললে।। (পৃঃ ৯৯)।

সাতসৰী অসম বুৰঞ্জীৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীয়ে কয়– 'যি চুটিয়া, কছাৰী, মৰাণ পাই লগত ললে, তাৰো কাৰ্য অনুৰূপে নাম থৈ গ'ল। নামি অহাতকৈ হৰাপোৱা মানুহতহে আপাহ পায়। সেইবেলাৰ পৰা মানুহ মিহলি হ'ল। তাৰে জীয়তি পুততি মিত্ৰ কৰিলে। পূৰ্বে আহোতে তিৰুতা অহা নাই। এতিয়াহে তিৰুতা হ'ল' (পৃঃ ৪-৫)।

শ্ৰীবৰগোহাঞিয়ে 'বিস্তৃত ভাবে সহায় লোৱা গ্ৰন্থ সমূহৰ' তালিকাত এই দুখন পুৰণি বুৰঞ্জী পুথিও সন্নিৱিষ্ট আছে যদিও এই তথ্য তেখেতে গ্ৰহণ নকৰাটো তাৎপৰ্যপূৰ্ণ।

'সৌমাৰত প্ৰবেশ কৰা চুকাফা অকল বিদেশীয়েই নাছিল, আক্ৰমণকাৰীও আছিল। এই ক্ষেত্ৰত আহোমে ৰচনা কৰা বুৰঞ্জীতে বিস্তৰ তথ্য আছে' – শ্ৰীবৰগোহাঞিয়ে ডাঠি কৈছে। আৰু গোলাপ চন্দ্ৰ বৰুৱাই তাই ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰা Ahom Buranji খনৰ ৪৫ পৃষ্ঠাৰ পৰা দুটা বাক্য উদ্ধৃত কৰিছে। কোৱা বাহুল্য যে কেৱল সাধাৰণ পাঠকক বিভ্ৰান্ত কৰাৰ উদ্দেশ্যেৰেহে তেখেতে তেনে খণ্ডিত উদ্ধৃতি দিছে। অৱশ্যে তেখেতে আন কোনো 'আহোমে ৰচনা কৰা' বুৰঞ্জী পুথিৰ পৰা 'বিস্তৰ তথ্য'ৰ সম্ভেদ আমাক জনোৱা নাই।

১৯৩০ চনত প্ৰকাশিত ৰায়বাহাদুৰ গোলাপ চন্দ্ৰ বৰুৱাৰ Ahom Buranji খনো মৌলিক গ্ৰন্থ নহয়, তাই ভাষাত লিখা বুৰঞ্জী এখনৰ ইংৰাজী অনুবাদহে। প্ৰাচীন বুৰঞ্জীও নহয়। পাতনিত ৰায়বাহাদুৰ বৰুৱাই লেখিছিল যে "The Buranji deals with events concerning the Ahoms only, from the earlist times to the end of their rule." বুৰঞ্জীখনৰ অন্তিম পেৰাগ্ৰাফটোত ১৮৩৮ চনৰ কাতি মাহৰ শেষ ফালে মংগলবাৰে পুৰন্দৰক ৰজা ভাঙি ৰাজ্যখন বৃটিছ ৰাজ্যৰ লগত চামিল কৰে। 'Then Mr. Bordie ruled the country' অৰ্থাৎ পুথিখন ১৮৩৮ চনৰ পৰৱৰ্তী কালৰ ৰচনা। আৱিষ্কাৰ হৈছিল ১৮৯৪ চনত শিৱসাগৰৰ খালৈঘোগোৰা মৌজাৰ দেওধাই পণ্ডিত এজনৰ ঘৰত। পুথিখন ঊনবিংশ শতিকাৰ শেষৰ ফালৰ বুলি অনুমান কৰা থল সৰহ। ৰায়বাহাদুৰ বৰুৱাৰ মতে – 'This Buranji is almost complete but it gives a very meagre account of the reign of the great Ahom King Rudra Sinha — only the dates of his enthronement and death being given.' অৰ্থাৎ ব্ৰাহ্মণ আৰু বাঙালী প্ৰীতিৰ বাবে আহোম মৌলবাদী সকলে ৰুদ্ৰ সিংহক আহোম ৰজা সকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠতাৰ আসন দিবলৈ অনিচ্ছুক। আনকি আহোম মৌলবাদৰ বিৰোধিতা কৰা ডঃ পদ্মেশ্বৰ গগৈয়েও ৰুদ্ৰ সিংহ সম্পৰ্কে চূড়ান্ত শীতল মনোবৃত্তি প্ৰমাণ কৰি থৈ গৈছে। ৰুদ্ৰ সিংহক বাদ দি ডঃ গগৈয়ে "Chao Hso — Hseng pha may be regarded as the greatest King of the early period of the Tai-Ahom rule in Assam' (P. 381), আৰু 'Gadadhar Singha.......... was the greatest King of the latter Ahom period and was undoubtedly the greatest among the rulers of the Tungkhungia Dynasty' (p. 501)

মন কৰিবলগীয়া কথা এয়ে যে চুচেংফা বা প্ৰতাপসিংহ (১৬০৩-৪১) আৰু গদাধৰ সিংহৰ (১৬৮১-৯৬) ৰাজত্ব কালৰ ব্যৱধান মাত্ৰ দুকুৰি বছৰহে।

চুকাফাক আক্ৰমণকাৰী সজাবলৈ শ্ৰীবৰগোহাঞিয়ে ৰায়বাহাদুৰ বৰুৱাৰ গ্ৰন্থৰ যিটো পৃষ্ঠাৰ পৰা উদ্ধৃতিটো দিছে, সেই নৱম পেৰাগ্ৰাফটোত চুকাফাই অসমৰ সীমা সোমোৱাৰ পূৰ্বে যাত্ৰাপথত নগাপাহাৰৰ বিভিন্ন লোকৰ লগত যুদ্ধ কৰা বুলি কোৱা কথাখিনি প্ৰকৃততে আত্মৰক্ষামূলক সামৰিক ব্যৱস্থাহে আছিল। নামৰূপ পোৱাৰ পিছৰে পৰা মৃত্যুৰ সময়লৈকে চুকাফাই ব্ৰহ্মপুত্ৰ উপত্যকাত যুদ্ধ কৰাৰ তথ্য বিচাৰি পোৱা নাযায়। ৰায়বাহাদুৰ বৰুৱাৰ গ্ৰন্থখনৰ পৰা শ্ৰীবৰগোহাঞিয়ে উদ্ধৃত বাক্য দুটাৰ ঠিক পিছৰ দশম পেৰাগ্ৰাফটোতে (পৃষ্ঠা ৪৫-৪৭) চুকাফাই নগাপাহাৰ পাৰ হৈ আহি ভৈয়াম সোমোৱাৰ পৰা চৰাইদেউঁত ৰাজধানী মনোনীত কৰি মৃত্যুৰ সময়লৈকে কৰা কামৰ বৰ্ণনা আছে। সেই একেখিনি কথাকে অসমীয়া ৰূপত পোৱা যাব দেওধাই অসম বুৰঞ্জীৰ ৮-৯ পৃষ্ঠাত, ৯৮-১০১ পৃষ্ঠাত, সাতসৰী অসম বুৰঞ্জীৰ ৩-৫ পৃঃ ৪৫-৪৭ পৃষ্ঠাত। তাৰ উপৰি অসম বুৰঞ্জী সাৰ (পৃঃ ৭-১১), পুৰণি অসম বুৰঞ্জী (পৃঃ ১০-১৪), হৰকান্ত সদৰামিনৰ অসম বুৰঞ্জী (পৃঃ ১০-১৪) আৰু সুকুমাৰ মহন্তৰ ঘৰৰ অসম বুৰঞ্জীতো (পৃঃ ৪-৬) একেখিনি তথ্য পোৱা যাব।

ৰায়বাহাদুৰ বৰুৱাৰ গ্ৰন্থৰ দশম পেৰাগ্ৰাফৰ (পৃঃ ৪৫-৪৭) ইংৰাজীখিনি বাদ দি দেওধাই অসম বুৰঞ্জীৰ অসমীয়া ভাষ্যটো তলত উল্লেখ কৰিলো।

"নগাৰ যুধাৰুবোৰক আনি কাটি কাটি মংগহক সিজাই, ককায়েকৰ মংগহ ভায়েকক, পুতেকৰ মংগহ বাপেকক, এই ক্ৰমেৰে খুৱাই দই কাউৰ পৰা নামপুং নদীৰ কাষেৰে আহি নামৰূপ পালেহি। তাৰো পৰা ভূৰ বান্ধি ঘোঁৰা সৈতে মানুহ ভটিয়াই আহিল।

'লাকুনি ভাপপ্লাও শকত দিহিংগতে ভূৰ থৈ বাম উঠি উজাই গৈ লাখেম, তেল্চা, এই দুই গাঁৱৰ কাষৰত কোঠ দি ৰহিলহি। লাকুনি ৰাইঙিগ শকত তাতে খুনতংগক থৈ চুকাফা ৰাজা দিহিঙেগ ভটীয়াই তিপাম পালেহি। লাকুনি মুংমাও, প্লেকুচি, কাচেও, এইতিনি লাকুনি তিপামতে আছিলে। পাছে তিপামৰ মাটি তল যোৱা দেখি ৰহিব নোৱাৰি বোলে – 'আত থাকিবলৈ ভাল নহয়'। এইবুলি কানংগনক থৈ চুকাফা ৰাজা দিহিঙেগ ভটীয়াই আহি দিহিং কাষৰত শলগুৰিত ৰ'লহি। লাকুনি খুতচিংগা, ৰুংমুত, তাওচান, কাৰাও, কাপমিত, এই পাছ লাকনি তাতে থাকি বোলে, – 'আত মানুহৰ লগ নাই, শূন্য ঠাই থাকিবলৈ ভাল নহয়।' এই বুলি চুকাফা ৰাজা লুইতে ভটীয়াই হাবুংগত ৰ'লহি। লাকুনি ভাপকেও, ৰাইচ্যেও, মুংপ্লাও, এই তিনি লাকুনি তাতে থাকি তিনি হালি খেতি কৰি খাই আছিলে (ইংৰাজী অনুবাদঃ The subsisted on the produce of three harvests)। পাছে সকলোৱে আলচ কৰি বোলে, 'পানীত তল যোৱা মাটি, আত থাকিবলৈ ভাল নহয়।' এই বুলি চুকাফা ৰাজা লুইতে ভটিয়াই দিখৌমুখ পালেহি। দিখৌমুখে উজাই দিলিহৰ মুখ পালেহি। দিলিহৰ পানীত হাত দি চাই এই পানী তিপামৰ পৰা আহিছে, এই জানি দিখৌৱেদি উজাই আহি চংতক পালেহি। চংতকৰ পানী জুখি চাই দুতোলা চাৰ পাই তাতে থাকি চুকাফা ৰাজাদেৱে চুখ্ৰাংফা ৰজাৰ ঠাইলৈ কটকী পঠালে, বোলে – 'আমি ই ঠাইত আছো, তাক জনাগৈ।' .......তাতে লাকুনি প্লেকঙিগ, কাতমাও, এই দুই লাকুনি থাকি তাতে তাখুনলাকক থৈ, চুকাফা ৰাজাদেৱে ভটীয়াই শিমলুগুৰি পালেগৈ। লাকুনি খুংচি, ৰুংচেও, তাওচিংগা, কামুত, কাপচান, ডাপৰাও, এই ছয় লাকনি তাতে থাকি মানুহ পঠাই চোৱালত নামদাংগত তিনি হেজাৰ পানীখোৱা ঘাট দেখিলে। চাৰিংগতো তিনি হেজাৰ ঘাট দেখি কিছুমান ভয়-সংশয় কৰি ডিমৌত আছিলেগৈ। তাকো পানীত তল যোৱা দেখি তিমাকে উজাই গৈ, লাকনি ৰাইমিতত লাংতেফাত নগৰ কৰিলে। তাকো পানীত তল যোৱা দেখি এৰিলে। লাকুনি মুংকেও শকত লাংকুৰি দেৱৰ পৰ্বতৰ কাষৰৰ সৰু পৰ্বতটিত নগৰ কৰি দেও সকলক পূজা সেৱা কৰি থাকিল। পাছে লাকুনি তাওঙিগ শকত চাওলুং চুকাফা ৰাজাদেও মৃত্যু হ'ল। এঁৱে ভোগ কৰিলে ৩৯ বছৰ।' (ৰায়বাহাদুৰ বৰুৱা আৰু কিছু বুৰঞ্জী পুথিৰ মতে ৪১ বছৰ)।

প্ৰকাশিত কোনোখন বুৰঞ্জী পুথিতেই চুকাফাক 'আক্ৰমণকাৰী' হিচাপে তথ্য বিচাৰি পোৱা নাযায়। বৰং অতি দূৰদৃষ্টিপূৰ্ণ সতৰ্কতাৰে চুকাফাই স্থানীয় বিৰোধ এৰাই চলাৰ – প্ৰমাণহে পোৱা যায়। নামদাংগ আৰু চাৰিঙত তিনি হেজাৰ মানকৈ মানুহে পানী খোৱা ঘাট দেখি 'কিছুমান ভয়-সংশয় কৰি' ডিমৌলৈ আঁতৰি যোৱাৰ তথ্য দেওধাই অসম বুৰঞ্জীত আছে। Ahom Buranjiৰ মতেও "Being a little afraid, he proceeded to Timan and Stopped there" (p. 46) চুকাফাক যেতিয়া পৰামৰ্শ দিয়া হৈছিল যে 'কছাৰীক পাছে ধৰো, আগে বৰাহী-মৰাণক ধৰো' ('মৰাণে বৰাহীয়ে ৪,০০০ মান হয়')। ৰজাদেৱে বোলে, 'যুঝ কৰিলে দুইৰো মানুহ এঠাই হৈ জিনিব পাৰিব। আমাৰ মানুহ ঠায়ে ঠায়ে থৈ অহা গৈছে কিৰিষিক মনে' (দেওধাই, পৃঃ ১০০, সাতসৰী, পৃঃ ৫)।

চুকাফাই গৃহ কন্দলত তিষ্ঠিব নোৱাৰি পলাই অহা প্ৰব্ৰজনকাৰী আৰু সৌমাৰত আশ্ৰয় প্ৰাৰ্থীহে আছিল, সেই কথা মই ওপৰত উল্লেখ কৰা তথ্যৰ উৎসতে বিচাৰি পোৱা যাব। আক্ৰমণকাৰী নোহোৱাৰ বাবেই সৌমাৰৰ স্থানীয় বাসিন্দাৰ বাবে চুকাফা আৰু তেওঁৰ সতীৰ্থ সকল অধিক গ্ৰহণীয় আছিল। স্থানীয় বিৰোধ এৰাই চলাৰ অপূৰ্ব ৰাজনৈতিক দূৰদৰ্শিতাৰ প্ৰমাণ দিয়াৰ কাৰণেই উজনি অসমত ইতিমধ্যে আৰ্যীকৰণৰ প্ৰভাৱত গঢ় লৈ উঠা অসমীয়া







OKDISCD

ভাষা-সংস্কৃতিক চুকাফা আৰু তেওঁৰ সতীৰ্থ সকলে গ্ৰহণ কৰাৰ আগ্ৰহ আৰু তাগিদা বৃদ্ধি পাইছিল। এনে পাৰস্পৰিক সহিষ্ণুতা আৰু সহযোগিতাৰ জলবায়ুতে আৰ্যীকৰণৰ লগত অবিচ্ছেদ্য ভাবে থকা সামন্ত আৰ্হিৰ শাসন-ব্যৱস্থা প্ৰতিষ্ঠা কৰাত চুকাফা আৰু তেওঁৰ পৰৱৰ্তী বংশধৰ সকলৰ বাবে সুগম আৰু সহজসাধ্য হৈ পৰিছিল, কিয়নো চুকাফাইও সামন্তীয় আৰ্হিৰ এক সমৃদ্ধ সংস্কৃতি বহণ কৰি আনিছিল।

চুকাফাই প্ৰতিষ্ঠা কৰা ৰাজনৈতিক ব্যৱস্থাটোৰ ইতিবাচক দিশটোৰ কথা মই ইতিমধ্যে তৃতীয় বছৰ প্ৰথম সংখ্যাৰ 'সূত্ৰধাৰ'ত (১-১৫ জানুৱাৰী, ১৯৯১) প্ৰকাশিত তৃতীয় প্ৰশ্নোত্তৰত উল্লেখ কৰিছো বাবেই ইয়াত পুনৰাবৃত্তি পৰিহাৰ কৰা হ'ল।

ৰায়বাহাদুৰ গোলাপ চন্দ্ৰ বৰুৱাৰ অনূদিত Ahom Buranji খন ঊনবিংশ শতিকাৰ একেবাৰে শেষৰ ফালৰ ৰচনা বুলি আগেয়ে উল্লেখ কৰা হৈছে। চুকাফাৰ লগত অহা সম্ভ্ৰান্ত পৰিয়ালৰ যি তালিকা তাই ভাষাত দিয়া হৈছে, তাৰ পৰা পৰৱৰ্তী কালৰ – পৰিয়ালবোৰৰ চিনাক্তকৰণ সিমান সহজ কথা নহয়। তাই শব্দবোৰৰ পৰা অসমীয়া প্ৰতিশব্দ কৰা হৈছিল নে অসমীয়া শব্দবোৰৰ তাই প্ৰতিশব্দ কৰা হৈছে, সেইটো মোৰ দৰে তাই ভাষাজ্ঞানহীন এজনৰ পক্ষে নিৰ্ণয় কৰা সম্ভৱ নহয়।

"The names of the families and persons who accompanied Shukapha to Mungdun (now Assam) were:- one Khunlak family, one Khuntang family, one Klangkhru family, one Klangsham family, one Shukhen Thaomung (Gohain), one Manykhum Thaomung, one Khenlung Rupak (Saikia), one Thao Masham (the forefather of the Deodhais of the family of Laokhri, the heavenly artist), and one Thaomung Mashai (the forefather of the Mahans) of Masham family." (Ahom Buranji, p. 25). বুৰঞ্জীখনে একে পৃষ্ঠাৰে শেষৰ বাক্যটোত বৰগোহাঞিৰ তাই শব্দ দিছে 'Thaomung' – তাওখ্যামাথিৰ শাসনকালত 'Tachangbing' নামৰ এজন 'Thaomung অৰ্থাৎ বৰগোহাঞি আছিলঃ কিন্তু ওপৰত 'Thaomungএ Gohain বুজাইছে।

আনহাতে গ্ৰন্থখনৰ পঞ্চম অধ্যায়ত সুকীয়া তালিকা এখন দিছে। শইকীয়া, দেওধাই, মহন আদি শব্দবোৰ তাই ভাষাৰ নহয়। শইকীয়া পদবী ১৬ শতিকাৰহে সৃষ্টি, অথচ চুকাফাৰ লগত শইকীয়াও আহিছিল বুলি কোৱা হৈছে। কেৱল সেয়ে নহয়, সাতটা বৰাহী পৰিয়ালকো চুকাফা নামি আহোতে লগত অনা বুলি কোৱা হৈছে। "In the ancient time when Shukapha, the King, came down, he brought with him the following persons of seven Barahi families." (p. 34). আৰু আছেঃ "There were seven families descended from a female slave who were called Duaras. Phrangpin family descended from a female slave or maidservant of the King. The family separated into two. The king named the families as Lukkhakhun." (p. 34) ডঃ পদ্মেশ্বৰ গগৈয়ে ১৮৪৪ চনত প্ৰকাশিত, কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীৰ ৯ পৃষ্ঠাৰ তথ্যৰ সূত্ৰ ধৰি থাওমুং ক্লিং লুন্‌মাং ৰাইক Chao-Phang-Mong (Bura Gahain) আৰু থাওমুংকানংগনক (Chao-Thao-Lung (Bor Gohain) বুলি চিনাক্ত কৰিছে (পৃঃ ২৫৭)। বাকীবোৰ বুৰঞ্জীৰ খেলিমেলিৰ উল্লেখ বাদেই দিলো। সাতসৰীৰ ১ম খন বুৰঞ্জী মতে চুকাফাই 'খামজাংগত কানখ্ৰমুং বৰুৱাক থৈ আহিল' (পৃঃ ৩) আৰু ২য় খন বুৰঞ্জীয়ে কয় 'আৰু ৰাজাৰ লগত অহা বৰা বৰুৱাৰ নাম কওঁ' (পৃঃ ৪৫)। দেওধাই অসম বুৰঞ্জীয়ে 'ৰাজখোৱা' আৰু 'চিৰিংগ' অহা বুলিও কৈছে (পৃঃ ৬)।

এনে গোলমলীয়া তথ্যৰ উৎপাতৰ প্ৰতি লক্ষ্য ৰাখিয়েই শ্ৰীবৰগোহাঞিক তথ্যৰ উৎস উদ্ধৃত কৰিবলৈ আহ্বান জনাইছিলো। মোৰ অভিযোগ আছিল, বহু লেখকে চুকাফাৰ সহযাত্ৰীৰ তালিকাত নিজৰ উপৰি-পুৰুষৰ নামভৰ্তি কৰি – 'সম্ভ্ৰান্ত' 'সাতঘৰীয়া' আদি ঠেকহীন বিশেষণ বিশেষ বিশেষ ক্ষেত্ৰত ব্যৱহাৰ কৰি আহোম জনগোষ্ঠীটোৰ বৃহদাংশটোৰ পৰা নিজৰ বংশগত শ্ৰেষ্ঠতাৰ পৰিচয় দিবলৈ অপচেষ্টা কৰাটোহে আৰু তাৰ বিৰুদ্ধে আজিৰ শিক্ষিত আৰু সচেতন চামটোক ইতিহাসৰ সত্যতাৰ প্ৰতি সজাগ কৰি তোলাই একমাত্ৰ উদ্দেশ্য আছিল।

শ্ৰীবৰগোহাঞিৰ বাকীকেইটা উত্তৰ নিৰ্ভৰযোগ্য তথ্যৰ পৰিৱৰ্তে কেৱল অনুমান ভিত্তিক হোৱা বাবে মোৰ তথ্য নিৰ্ভৰ প্ৰতিক্ৰিয়া ইয়াত প্ৰকাশ কৰাৰ পৰা বিৰত থাকিলো। বস্তুনিষ্ঠ বা বৈজ্ঞানিক অনুমানৰো বস্তুনিষ্ঠ ভিত্তি থাকিব লাগে।

আহোমৰ শাসন কালত ভূমিৰ অধিকাৰৰ কথা ওলালেই আমাৰ সকলোবোৰ লেখক ঐতিহাসিকেই হেমনাবাৰীৰ জেওৰাৰ বাধাত বিমোৰ হৈ ৰয়। পাইকৰ ভূমি স্বত্বৰ দ্বিতীয় সাক্ষ্য হিচাপে ভূমি ক্ৰয়-বিক্ৰয়ৰ শিলৰ ফলি এখনতে সকলোৱে ভূমিস্বত্বৰ আধাৰ পাঠ কৰি আহিছে।

ৰজাই ভূমিদান কৰা, পাইকৰ পৰা আৰম্ভ কৰি সৰ্বোচ্চ বিষয়ালৈকে ভূমিভোগ কৰিবলৈ দিয়া, ৰাজবংশৰ গুৰুত্বপূৰ্ণ ব্যক্তিৰ ভৰণ-পোষণ আৰু মৰ্যাদা ৰক্ষা কৰিবলৈ খেল পাতি দিয়া, নগৰ কৰোৱা, দৌল-দেৱালয় কৰোৱা, পুখুৰী খন্দোৱা, নকৈ গাওঁ আৰু খেল পতা আদিৰ পৰা সংগত ভাবে অনুমান কৰিব পাৰি যে ৰজাই ৰাজ্য আৰু ভূমিৰ মালিক আছিল।

হেমনাৰ ঘটনাটো চুক্লেংমুং গড়গঞা ৰজাৰ দিনৰ (১৫৩৯-১৫৫২)। অৰ্থাৎ চুহুংমুং দিহিংগীয়া ৰজাৰ দিনত (১৪৯৭-১৫৩৯) আৰম্ভ হোৱা আহোম ৰাজ্যৰ প্ৰথম বিস্তাৰৰ কালৰ ঘটনা। চুহুংমুঙৰ সময়লৈকে পশ্চিমে দিহিং নদীৰ পশ্চিম আৰু পূবে দিখৌ নদীৰ পূৰ্বৰ অঞ্চলৰ মাজতে আহোম ৰাজ্য সীমাবদ্ধ হৈ ৰৈছিল। হেমনা ৰাজ বংশোদ্ভৱ, কিন্তু বিষয়হীন আৰু নিঃসন্তান। হেমনাই নিজৰ বাৰী-ঘৰ এৰি দিবলৈ কৰা প্ৰতিবাদক ভূমিৰ অধিকাৰৰ দাবীতকৈ নিজেও অন্তৰ্ভুক্তি ৰাজ পৰিয়ালৰ ৰজা জনৰ ওচৰত বিষয় আৰু সন্তানহীন (আৰু খুব সম্ভৱ বৃদ্ধাৱস্থাও আছিল, কিয়নো গড়ৰ নিৰ্মাণ কাৰ্য চলি থাকোতে হেমনাৰ মৃত্যু হৈছিল বুলি সাতসৰী অসম বুৰঞ্জীৰ ৫৮ নং দফাটোৰ বক্তব্যৰ পৰা অনুমান কৰিব পাৰি। পৃঃ ২০) পৰিয়াল এটা উচ্ছেদৰ বিৰুদ্ধে প্ৰকাশ কৰা অভিমানী আবদাৰতকৈ আন একো নাছিল। বুৰঞ্জীৰ মতে হেমনাই 'ৰজাকো বৰ কথা মাতে'। ৰাজতন্ত্ৰত সাধাৰণ প্ৰজাই ৰজাক বৰকথা মতা অৰ্থাৎ ডাংকোপ মৰা বা সতৰ্ক কৰি দিব পাৰে বুলি ভাবিবই নোৱাৰি। সহিষ্ণু ৰজাই হেমনাৰ মৃত্যুলৈকে তেওঁৰ দখলী ঘৰ-মাটিৰ পৰা উচ্ছেদ নকৰি হেমনাৰ খানদানী আৱেগিক আবদাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল বুলিহে অনুমান হয়। লিখিত আইন ব্যৱস্থা অথবা অলিখিত সামাজিক পৰম্পৰা বা ৰাষ্ট্ৰীয় পৰম্পৰাৰ কোনো এটাৰ আধাৰত হেমনাই ভূমিৰ অধিকাৰ দাবী কৰিব পাৰে। আহোম যুগত ভূমিস্বত্ব সম্পৰ্কীয় কোনো লিখিত আইন আছিল বুলি জনা নাযায়। অলিখিত সামাজিক বা ৰাষ্ট্ৰীয় পৰম্পৰা অনুসৰি হেমনাৰ দাবীৰ কোনো ভিত্তিয়েই নাই।

'প্ৰাচ্য-শাসনাৱলী' গ্ৰন্থৰ ১৫৬ নম্বৰ শিলৰ ফলিখনত আহোম শাসনকালত ভূমি ক্ৰয়-বিক্ৰয়ৰ কথা উল্লেখ থকা তথ্যৰ সূত্ৰ ধৰি শ্ৰীবৰগোহাঞিয়ে লেখিছে যে আহোম যুগত 'ভূমিৰ অধিকাৰ স্থায়ী ভাবে নাপালে ক্ৰয়-বিক্ৰয় হবই নোৱাৰে।'

কেৱল এটা অপৰীক্ষিত তথ্যৰ ভিত্তিত আহোম শাসন ব্যৱস্থাত ভূমিস্বত্বৰ প্ৰকৃতিৰ দৰে গুৰুত্বপূৰ্ণ বিষয় এটাৰ সাধাৰণীকৰণ (Generalization) কৰিলে বস্তুনিষ্ঠ ঐতিহাসিক সত্যানুসন্ধান পথভ্ৰষ্ট হবলৈ বাধ্য।

প্ৰাপ্ত ফলিখনত একেলগে বিভিন্ন তিনি ঠাইৰ তিনিটা ক্ৰয়-বিক্ৰয়ৰ উল্লেখ আছে। বেচোঁতা পাঁচজন, কিনোতা দুজন, প্ৰথমটোত মাটিৰ পৰিমাণ চাৰি পুৰা, দাম ষোল টকা; দ্বিতীয়টোত মাটিৰ পৰিমাণ আৰু দামৰ উল্লেখ নাই; তৃতীয়টোত 'মাটি আদপোৱা মক (?) এপুৰা' আৰু দাম 'ৰূপ ছটকা'। এঘাৰটা শাৰী থকা ফলিখনৰ দশম শাৰীৰ একেবাৰে সোঁফালে থকা ১৭ সংখ্যাৰ পৰা ভাষ্যকাৰে ফলিখন ১৭০০ শকৰ বুলি অনুমান কৰিছে।

ফলিখন আহোম ৰাজত্বৰ ইতি পৰাৰ পিছত বৃটিছ প্ৰশাসনৰ সময়ত দেশৰ ভূমিস্বত্ব নিৰ্ণয় অভিযানৰ সময়ত খৰধৰকৈ জাল কৰা বুলি অনুমান কৰাৰ থল সৰহ। মূল পাঠলৈ চালেই বুজা যাব যে দ্বিতীয়টো ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত মাটিৰ পৰিমাণ আৰু দামৰ উল্লেখ শিলত আখৰ-কটোৱাৰ সময়ত এশাৰী বাক্য বা একাধিক শাৰী অসাৱধানতাবশতঃ বৈ গৈছিল – যাৰ কাৰণে ভূমি ক্ৰয়-বিক্ৰয়ৰ শিলৰ ফলিখন দা-কটাৰী ধৰোৱা কামত হে ব্যৱহৃত হৈছিল। এৰি যোৱা অংশটোৰ খাপছাৰা বাক্যাংশ চাওকঃ 'শ্ৰীযুত মাদুৰি[য়া]ল ছঙা জনা বড়গোহাইৰ পুত্ৰ বড় জনা গোহাই কিনে K ধন ব্যবে দিয়া ভূঞিঘাটে পোৱাঃ মেচাঘৰিয়া বেংগধন/ গোহাএ বিকে' (পৃঃ ১৫২)। পুৰণি অসমীয়া শব্দ বিন্যাস অনুকৰণ কৰিবলৈ গৈ 'গোহাএ', সাক্ষীৰ ঠাইত 'সাকি' সভাউডি আদি শব্দ ব্যৱহাৰ কৰিছে।

সাধাৰণতে ভূমি দানৰ শিলৰ ফলি বা তাম্ৰফলিত থকাৰ দৰে স্বৰ্গদেৱ জনাৰ নাম শিলৰ ফলিখনত নাই। ফলিখনৰ ভাষা তৃতীয় পুৰুষত লেখা, যেন কিনোতা আৰু বেচোঁতাৰ পৰিৱৰ্তে তৃতীয় পক্ষইহে ঘটনাটো বৰ্ণনা কৰিছেঃ শ্ৰীশ্ৰী স্বৰ্গমহাৰাজাৰ ৰাজ্যত ভূমি ক্ৰয়-বিক্ৰয় কৰে।' তাৰ উপৰি দুটা ক্ৰয়কাৰী পক্ষ আৰু তিনিটা বিক্ৰীদাৰী পক্ষই উমৈহতীয়া ক্ৰয়-বিক্ৰয়ৰ দলিল সৃষ্টি কৰাৰ কথাটোও দেখাতেই অপ্ৰাসংগিক। ২২ টকাৰ মূল্যৰ পাঁচপুৰা মাটিৰ কাৰণে দীৰ্ঘ সময় সাপেক্ষ আৰু কষ্টকৰ শিলৰ ফলিত দলিল সৃষ্টি কৰাৰ কথাটোও অবিশ্বাস্য। 'টকা' শব্দৰ প্ৰয়োগেও ফলিখনৰ অৰ্বাচীনতাৰ সাক্ষ্য বহণ কৰিছে। প্ৰাচীনতা প্ৰমাণ কৰিবলৈ সেয়ে শক তাৰিখৰ পৰিৱৰ্তে ১৭ সংখ্যাটো উদ্দেশ্যপ্ৰণোদিত ভাবে ব্যৱহাৰ কৰিছে। স্থাৱৰ সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ সময়ত সাক্ষী ৰখাৰ ব্যৱস্থা বৃটিছ শাসনৰ দিনৰহে সৃষ্টি। কিন্তু সাক্ষীৰ নাম আৰু পৰিচয়তে ফলিখনৰ অধিক শব্দ ব্যৱহাৰ কৰা হৈছে। শিলতকৈ আপেক্ষিকভাবে সহজ তামৰফলি অথবা সাঁচিপাতত ভূমি ক্ৰয়-বিক্ৰয়ৰ দলিলটো নিলিখি শিলত লিখাৰ কথাই কেইবাটাও অনুমানৰ ইংগিত দিয়ে। (১) তামৰ ফলিবোৰৰ আৰম্ভণিতে থকা প্ৰশস্তিমূলক সংস্কৃত শ্লোকটো লেখিবৰ বাবে জাল কৰোতা বা কৰাওঁটা জনৰ সংস্কৃত ভাষাৰ জ্ঞান নাছিল; (২) সাঁচিপাত প্ৰস্তুতকৰণ পদ্ধতি তেওঁৰ বাবে অজ্ঞাত আছিল অথবা সাঁচিপাত প্ৰস্তুত কৰাৰ যুগৰ ইতিমধ্যে অন্ত পৰিছে; (৩) সাঁচিপাতৰ বৰ্ণবিন্যাস তেওৰ বাবে অনুকৰণ কৰা কঠিন বা অসম্ভৱ আছিল।

সেয়ে ফলিখন ভূমিৰ মালিকানাকাংখী কোনো চতুৰ লোকৰ লালসাৰ ব্যৰ্থতাৰ স্বাক্ষৰ হৈ ৰ'ল, কাৰণ আখৰ কটাৰ সময়ত হোৱা বিজুতিৰ বাবে সেইখন ভূমি স্বত্বৰ অক্ষয় দলিল হোৱাৰ পৰিৱৰ্তে দা-কটাৰী ধৰাওঁতে ক্ষয় যাব ধৰা শিললৈ অধঃপতিত হ'ল।

সাধাৰণতে প্ৰশ্ন হ'ব পাৰেঃ শিলৰ ফলিও জাল কৰিব পাৰিনে? পাৰি। ভাৰতবৰ্ষত কেৱল তামৰ ফলিয়েই নহয়, শিলৰ ফলি জাল কৰাৰো বহু বিশ্বাসযোগ্য তথ্য আৰু সাক্ষ্য পণ্ডিত মণ্ডলীয়ে দাঙি ধৰিছে।

'ভারতের অনেক অঞ্চল থেকেই জাল তাম্র শাসন আবিস্কৃত হয়েছে। কিন্তু এই ব্যপারে কন্নড ভাষাভাষীদের দেশের দক্ষিণাঞ্চলকে প্রাধান্য দিতে হয়।কারণ সেখানকার প্রাচীন জালিয়াতেরা পৌরাণিক রাজগণের নামেও তাম্রশাসন জাল করতে কুন্ঠিত হয়নি। মহাভারতে উল্লিখিত কুরুবংশীয় রাজা জন্মেজয়ের নামে প্রদত্ত তাম্রশাসন পাওয়া গিয়েছে যদিও তার অক্ষর আদি মধ্যযুগের অক্ষর অপেক্ষা প্রাচীন নয়। জাল তাম্র শাসনটিতে বলা হয়েছে যে অভিমন্যুর পৌত্র আরু পরীক্ষিতের পুত্র ৰাজা জন্মেজয় ৮৯ যুধিষ্ঠির শকে রাম-সীতার পূজার জন্য তুংগভদ্রা নদীর তীরে ভূমিদান করেছিলেন। যুধিষ্ঠির শক বলতে ৩১০২ খ্রীষ্টপূর্বাব্দ থেকে গণিত কলিযুগাব্দ বোঝানো হয়েছে। কিন্তু জালিয়াতেরা জানত না যে কলিযুগাব্দ খ্রীষ্টীয় পঞ্চম শতাব্দীতে জ্যোতির্বিদগণের দ্বারা কল্পিত হয়েছিল এবং 'অব্দ' অর্থে 'শক' শব্দের ব্যবহার আদি মধ্যযুগের পূর্ববর্তী নয়। তাছাড়া খ্রীষ্টপূর্ব যুগে তাম্রপত্রে শাসন উৎকীর্ণ করার প্রথাও প্রচলিত হয়নি। সুতরাং শাসনটি আদি মধ্যযুগে জাল করা হয়েছিল, তাতে সন্দেহ নেই' (ডঃ দীনেশ চন্দ্র সরকারঃ শিলালেখ তাম্রশাসনাদির প্রসংগ, ১৯৮২, পৃঃ ২০২)।

"সম্প্রতি কতিপয় জাল শিলালেখের সন্ধান পাওয়া গিয়েছে।' বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ লগত সংশ্লিষ্ট 'ভাৰত কলাভৱন'ত সংৰক্ষিত শিলালেখ পৰীক্ষা কৰি ডঃ চৰকাৰে লিখিছিল যে 'লেখটি খরোষ্ঠী অক্ষরে একটি পাথরের বাটিতে উৎকীর্ণ। এই অভিলেখ জাল তাতে সন্দেহ নেই। কারণ স্পষ্টই দেখা যায় যে, এক্ষেত্রে জালিয়াতেরা খরোষ্ঠী বর্ণমালার অক্ষর এবং খরোষ্ঠী লেখের ভাষা সম্বন্ধে সম্পূর্ণ ওয়াকিবহাল ছিল না।' ডঃ চৰকাৰে জনোৱা মতে 'ঠিক একই উদ্দেশ্যে ১৯২৭-২৮ খ্রীষ্টাব্দে সুপ্রসিদ্ধ মৌর্য বংশীয় সম্রাট অশোকের (আঃ ২৭২-২৩২ খ্রীঃ পূঃ) রুম্মিনদেই শিলাস্তম্ভলেখ জাল করা হয়েছিল।' (পৃঃ ২০৩)

অসমত ভূমিৰ ওপৰত অধিকাৰৰ জ্ঞান বৃটিছ অধিকাৰৰ পৰৱৰ্তী কালৰ ধাৰণাহে। তাকো ৰোমান আইনৰ অনুকৰণত গৃহীত বৃটিছৰ মালিকানা ধাৰণাত ৰায়ত বা ভূস্বামীসকল কেৱল মাটিৰ দখলী স্বত্বৰহে অধিকাৰী। ভূমিৰ যি ক্ৰয়-বিক্ৰয় আজিও আমাৰ মাজত চলি আছে, সেয়া ভূমিৰ

চূড়ান্ত মালিকানাৰ অধিকাৰ নহয়, কেৱল ভূমিৰ দখলী স্বত্বেহে হস্তান্তৰিত কৰা হয় আৰু উপযুক্ত ক্ষতিপূৰণ দি ৰাষ্ট্ৰই যিকোনো সময়তে ৰায়তৰ মাটি অধিগ্ৰহণ কৰিব পাৰে। সেয়ে অধিকাৰ নোপোৱাকৈ আহোম যুগত পাইকে ভূমি ক্ৰয়-বিক্ৰয় কৰাৰ কথা অবান্তৰ।

মোগল যুগৰ ভাৰতত ভূমিৰ মালিকানা স্বত্বৰ নতুন ব্যাখ্যা আগবঢ়োৱা সুপ্ৰসিদ্ধ ইতিহাসবিদ ডঃ ইৰফান হবিবে মোগল যুগত ভূমিৰ মালিকানা স্বত্ব সম্পৰ্কে লেখিছে যে 'আধুনিক মালিকানা স্বত্বের এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হলো মালিকের ইচ্ছা মতো জমি ছেড়ে চলে যাওয়া বা বিক্রী করা। কিন্তু সত্যিকারের এইরকম স্বাধীনভাবে হাত বদল করার প্রশ্নই তখন উঠত না। যদি এক অর্থে জমি ছিল চাষীর অধীন, তাহলেও অন্য অর্থে আবার চাষী ছিল জমির অধীন' (মুঘল ভারতের কৃষি ব্যবস্থা, ১৯৮৫, পৃঃ ১২৪-১২৫)।

আহোম শাসন কালৰ প্ৰথম তিনি শতিকাৰ স্থবিৰতাৰ পিছত যেতিয়া ১৬ শতিকাৰ পৰা ৰাজ্য সূচনা হৈছিল, তেতিয়া প্ৰশাসনীয় সংস্কাৰৰ অংশ হিচাপে পাইক প্ৰথাৰ প্ৰৱৰ্তন কৰিছিল। পাইকক দিয়া গা-মাটি এৰি পাইক জন বৰ্তি থকাৰ কোনো বিকল্পই নাছিল আৰু পাইকৰ শাৰীৰিক সেৱা অবিহনে ৰজা বৰ্তি থকাৰ কোনো বিকল্পই নাছিল। গা-মাটিৰ লগত অবিচ্ছেদ্য হিচাপে বৰ্তি থকাটোৱে ভূমিৰ ওপৰত পাইকৰ মালিকী স্বত্বৰ কথা নুসূচায়। ৰজাও যিহেতু পাইকৰ সেৱা অবিহনে বৰ্তি থকাৰ উপায় নাছিল, সেয়ে ভূমিৰ সৰ্বোচ্চ মালিক হৈও তেওঁ পাইকৰ ওপৰত নিৰ্ভৰশীল হবলগীয়া হৈছিল। মোগলৰ যুগৰ অৱস্থাতো ডঃ হবিবৰ ভাষাত 'আর চাষী যেহেতু আইনগতভাবে কোন জমিই কোন কারণে ছেড়ে দিতে পারত না, তাই আসলে সে ছিল ভূমিদাসের সামিল। সুতরাং জমির প্রকৃত মালিকানা না ছিল রাজার, না ছিল চাষীর। অর্থাৎ ৰাইয়তী এলেকায় অন্ততঃ জমির কোন মালিকই খুঁজে পাওয়া যাবে না। জমি ও ফসলের ওপর বিভিন্ন ধরণের অধিকার ছিল বটে, কিন্তু সম্পত্তির নিরঙ্কুশ অধিকার বলতে কিছু ছিল না' (পূর্বোক্ত গ্রন্থ, পৃঃ ১২৭)।

আহোম ৰাজ্যৰ বেলিকাও ব্যাখ্যাটোৰ যুক্তিযুক্ততা অনস্বীকাৰ্য।

'পাইকে ৬ টকাৰ পৰা ৮ টকা পৰিশোধ কৰি গা-খুটাৰ পৰা ৰেহাই পোৱাৰ সুবিধা পিছলৈ পাইছিল' বুলি কোৱা শ্ৰীবৰগোহাঞিৰ জ্ঞাতাৰ্থে জনাওঁ যে প্ৰাপ্ত বুৰঞ্জীত আহোম স্বৰ্গদেৱ সকলৰ টাকশাল থকাৰ প্ৰমাণ পোৱা হোৱা নাই। আহোম ৰাজ্যত ১৮ শতিকাতেই ৮/৯ লাখ জনসংখ্যা থকা বুলি দিয়া তথ্য বিশ্বাস কৰিলে, প্ৰচলিত মুদ্ৰাৰ পৰিমাণ অনুমান কৰিব পাৰি। কিন্তু ৰজাঘৰীয়া টাকশাল অবিহনে ইমান সংখ্যক মুদ্ৰাৰ প্ৰচলন যে বাস্তৱত সম্ভৱ নহৈছিল তাক অস্বীকাৰ কৰি লাভ নাই। ডঃ যোগেন্দ্ৰনাথ ফুকনে জনোৱা মতে ১৫৪৩ চনত চুক্লেংমুঙৰ ৰাজত্ব কালৰ মুদ্ৰা ১৮৯৪ চনত ৰায়বাহাদুৰ গোলাপ চন্দ্ৰ বৰুৱাই আৱিষ্কাৰ কৰাৰ বাহিৰে আহোম ৰাজত্বৰ প্ৰথম চাৰিশ বিশ বছৰৰ আনকোনো মুদ্ৰা পোৱা নাই। তাৰ উপৰি ১৫৪৪ চনৰ পৰা ১৬৪৮ চনলৈকে এক শতিকাৰ অধিক কালৰ, মাজৰ কালছোৱাৰো মুদ্ৰা পোৱা হোৱা নাই। (Numismatic Studies in North East India, 1987, p.17) ডঃ ফুকনৰ মতে জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ, উদয়াদিত্য, চুহং আৰু গদাধৰ সিংহই সিংহাসনত আৰোহন কৰা বছৰটোতে মুদ্ৰা প্ৰচাৰ কৰাইছিল। "Coins of these rulers bearing dates other than their first regnal years have not been discovered. The chronicles or burajis do not contain any record to suggest that they had ever minted coins bearing dates other than their first regnal years" (p. 18).

এই তথ্যই ইয়াকে সূচায় যে সিংহাসনত আৰোহন কৰাৰ উপলক্ষে প্ৰতীকী ৰূপত সামান্য সংখ্যক মোহৰ মৰোৱাৰ বাহিৰে ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থ বা চাহিদাৰ কাৰণে আহোম ৰজা সকলে মুদ্ৰা তৈয়াৰ নকৰাইছিল।

বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ দৃষ্টিভংগীৰে গঠনমূলক ভৱিষ্যতৰ স্বপ্ন আগত ৰাখি অতীত মূল্যাংকন কৰাই ইতিহাস বুলি পণ্ডিত সকলৰ মত। নেমিয়েৰে (Namier) সেয়ে ঐতিহাসিক এজনে "Imagine the past and remember the future" বুলি মন্তব্য দিছিল। "Only the future can provide the key to the interpretation of the past; and it is only this sense that we can speak of an ultimate objectivity in history. It is at once the justification and the explanation of history that the past throws light on the future and the future throws light on the past."(E. N. Carr: What is History, p. 117). অধিক বস্তুনিষ্ঠ ইতিহাস ৰচনাৰ বাবে অতীত আৰু ভৱিষ্যতৰ ওপৰত দীৰ্ঘ-ম্যাদী দৃষ্টিভংগী আহৰণৰ ওপৰত কাৰে গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে "The historian of the past can make an approach towards objectivity only as he approaches towards the understanding the future." ইতিহাসক তেওঁ "a dialogue between the events of the past and progressively emerging future ends" বুলি মন্তব্য দিছিল (P. 118).।

উদ্ধৃত ইতিহাস তত্ত্বৰ আধাৰত শ্ৰীবৰগোহাঞিয়ে তেখেতৰ 'অসমৰ অৰ্থনৈতিক ইতিহাস' গ্ৰন্থখনত দাঙি ধৰিবলৈ প্ৰয়াস কৰা অসমখনৰ চাৰিসীমা অনুসন্ধান কৰক। অকালতে আকস্মিক ভাবে আহোম ৰাজত্বৰ ইতি পৰা বুলি ক্ষোভ আৰু হতাশাত ভাগি পৰা 'অসমৰ অৰ্থনৈতিক ইতিহাস'ৰ যতীন বৰগোহাঞি জনকহে মই সংকীৰ্ণ সাম্প্ৰদায়িক বুলি সতৰ্ক কৰি দিছিলো। তেখেতৰ ১৬-৩০ জুন সংখ্যাৰ 'সূত্ৰধাৰ'ত প্ৰকাশিত বিষোদ্গাৰ-মূলক লেখাটোৱে শ্ৰীবৰগোহাঞিক উৎকট সাম্প্ৰদায়িক বুলি সাক্ষ্য বহণ কৰিছে।

মই পেছাদাৰী ঐতিহাসিক নহয়। অসমত অসমৰ ইতিহাস চৰ্চাৰ বাবে তথ্যৰ দৈন্য আছে সঁচা; কিন্তু বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ইতিহাস বিশ্লেষণ কৰাৰ দৈন্যৰ কাৰণে ক্ষুদ্ৰ আঞ্চলিকতাবাদৰ কৰাল গ্ৰাসত নিঃশেষ হবলৈ ধৰা অসমখন আৰু ইয়াৰ মানুহখিনিক অতীতৰ অভিজ্ঞতাৰ আধাৰত গঠনমূলক ভৱিষ্যতৰ প্ৰতি দৃষ্টি সম্প্ৰসাৰিত কৰিবলৈ বৈজ্ঞানিক বিশ্লেষণাত্মক ইতিহাস চৰ্চা কৰা লোকৰ দৈন্য দেখিহে ক্ৰমে হতাশ হৈছো। গোষ্ঠীগত নষ্টালজিয়া বা সংকীৰ্ণ সাম্প্ৰদায়িকতালৈ আঙুলিয়াই দিলেই কলমেৰেই তৰ্জনী টোঁৱাই তৰ্জন-গৰ্জন কৰি অহালোকৰ সংখ্যাহে বাঢ়ি আহিছে। আজি সোঁৱৰাই দিয়াৰ সময় হৈ গৈছে যে আনলৈ অভিযোগৰ তৰ্জনীটো টোঁৱাই থকাৰ সময়ত বাকী তিনিটা আঙুলি কিন্তু তৰ্জনী টোঁৱাই থকাজনৰ ফালে মূৰ কৰি আছে আৰু বৃদ্ধাই সিহঁত তিনিটাক একত্ৰিত কৰি টানকৈ ধৰি আছে। ■



# মান্ধাতা

যতীন্দ্ৰনাথ শইকীয়া



অংকন: চম্পক বৰবৰা

আমি কেতিয়াবা আওপুৰণি কথাৰ প্ৰসংগত 'অ তোমালোকে তাহানি মান্ধাতা যুগৰ কথা কৈছা' বুলি কওঁ। এতিয়া এই মান্ধাতা নো কোন আছিল তাৰে পৰিচয় তলত দাঙি ধৰিলো।

স্মৰণাতীত কালত ভাৰতত যুৱনাশ্ব নামেৰে এজন সূৰ্যবংশীয় ৰজা আছিল। তেওঁ স্থিৰ-বুদ্ধি সম্পন্ন, অসীম ধৈৰ্যশীল আৰু অতি প্ৰতাপী ৰজা আছিল। তেওঁৰ পিতৃৰ নাম প্ৰসেনজিৎ আৰু মাতৃৰ নাম আছিল গৌৰী। অহিংসা, দয়া সত্যবাদিতা তেওঁৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য আছিল। এই ৰজা যুৱনাশ্ব অপুত্ৰক আছিল। তেওঁ জানিছিল যে সংসাৰত অপুত্ৰকৰ জীৱন নিষ্ফল। আৰু জানিছিল যে 'পুন্নামান্নৰকাৎ ত্ৰায়তে ইতি পুত্ৰ। পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা'। অৰ্থাৎ পুত্ৰ নামৰ নৰকৰ পৰা ত্ৰাণ কৰে দেখি পুত্ৰ আৰু পুত্ৰৰ কাৰণেই ভাৰ্যা। এখন বিশাল ৰাজ্যৰ অধিকাৰী আৰু তিলোত্তমা হেন সুন্দৰী নাৰীৰ স্বামী হৈও তেওঁ অপুত্ৰক হোৱাত তেওঁৰ মন বিষাদেৰে ভৰি আছিল। তেওঁ ভাবিছিল যে অপুত্ৰক হোৱাটোতকৈ সংসাৰত আৰু বেদনাদায়ক কথা থাকিব নোৱাৰে। এইদৰে বহু কথা ভাবি কি কৰিলেনো পুত্ৰ মুখ দেখিবলৈ পাব এই চিন্তাত তেওঁ বুৰ গৈ থাকিল। বহু চিন্তাৰ মূৰত অৱশেষত তেওঁ মুনি সকলৰ আশ্ৰমলৈ যোৱাটোকে ঠিক কৰিলে, কাৰণ তেওঁ ভাবিলে যে মুনি সকলেহে তেওঁক পুত্ৰ লাভৰ অৰ্থে কিবা এটা কৰি দিব পাৰিব। সেয়ে তেওঁ মুনি সকলৰ আশ্ৰমলৈ গ'ল আৰু মুনি সকলৰ সন্তোষাৰ্থে আশ্ৰমৰ যাৱতীয় কাম-কাজ নিয়াৰিকৈ কৰি মুনি সকলৰ সৈতে আশ্ৰমতে থাকিল। এইদৰে কিছুদিন যোৱাৰ পিছত মুনি সকলৰ মনত এটা কথা খেলাবলৈ ধৰিলে যে এই ৰাজ পুৰুষজনে কিহৰ স্বাৰ্থত কঠোৰ আশ্ৰমবাসী জীৱন কটাবলৈ আহিছে। তেতিয়াই মুনি সকলে তেওঁক মাতি আনি তেওঁৰ অন্তৰ্নিহিত উদ্দেশ্যৰ কথা সুধিলে। তেতিয়া যুৱনাশ্বই কলে যে তেওঁ অপুত্ৰক। সংসাৰত অপুত্ৰকৰ জীৱন সফল নহয়। আৰু ৰৌ ৰৌ নৰকত পৰিলেয়ো উদ্ধাৰ কৰিবলৈ কোনো নাথাকে, লগতে বংশৰো ওৰ পৰে। তেওঁৰ কথা শুনি মুনি সকলে কলে যে এটা ডাঙৰ যজ্ঞ কৰিব লাগিব আৰু তেতিয়াহে পুত্ৰ লাভ সম্ভৱ হ'ব পাৰে। এই বুলি এক ডাঙৰ যজ্ঞ আৰম্ভ কৰিলে। মাজ ৰাতি এই যজ্ঞৰ সমাপ্তি ঘটিল আৰু এটা কলহত মন্ত্ৰপূত জল পূৰ্ণ কৰি যজ্ঞৰ বেদীৰ ওপৰত থৈ মুনি সকল নিদ্ৰা গ'ল। তেওঁলোকে ভাবিছিল যে সেই কলহত থকা মন্ত্ৰপূত জল যুৱনাশ্বৰ স্ত্ৰীয়ে পান কৰি পুত্ৰ লাভ কৰিব। কিন্তু দৈৱৰ কি গতি। যুৱনাশ্বই পিয়াহত আতুৰ হৈ সেই বেদীৰ ওপৰত থকা কলহৰ মন্ত্ৰপূত জলকে পান কৰি তৃষ্ণা দূৰ কৰিলে। ৰাতিপুৱা মুনি সকলে নিদ্ৰাৰ পৰা উঠি দেখিলে যে কলহটো জলশূন্য হৈ পৰি আছে। মুনি সকলে যুৱনাশ্বক সোধাত তেওঁ সেই জল পান কৰিলো বুলি কলে। তেতিয়া মুনি সকলে সেই মন্ত্ৰপূত জল তেওঁৰ ভাৰ্যাৰ কাৰণেহে থোৱা হৈছিল আৰু সেই জল পান কৰি ৰাণীয়ে গৰ্ভ ধাৰণ কৰিলেহেঁতেন বুলি কলে। কিন্তু এতিয়া পুত্ৰ উৎপত্তিৰ কাৰণে থোৱা সেই তপসিদ্ধ জল তুমি পান কৰাত তুমিয়েই পুত্ৰ প্ৰসৱ কৰিবা। যুৱনাশ্বই তেতিয়া কি কাম কৰিলো বুলি যদিও অনুতপ্ত হ'ল তথাপি পুত্ৰ লাভৰ আশাত তেওঁ স্বস্তিৰ নিশ্বাস পেলালে। মুনি সকলে তেওঁৰ স্বীকাৰোক্তিত সন্তুষ্ট হৈ তেওঁ পুত্ৰ প্ৰসৱ কৰিলেয়ো গৰ্ভধাৰণৰ ক্লেশৰ পৰা মুক্তি পাব বুলি তেওঁক আশ্বাস দিলে। এইদৰে এশ বছৰ গৰ্ভ ধাৰণ কৰাৰ পিছত যুৱনাশ্বৰ পেটৰ পৰা এক সূৰ্যতুল্য তেজস্বী পুত্ৰ নিৰ্গত হ'ল। এতিয়া কথা হ'ল যুৱনাশ্বৰ যিহেতু স্তন নাই পুত্ৰই কি পান কৰি জীয়াই থাকিব। এইদৰে চিন্তামগ্ন হৈ থাকোতে যুৱনাশ্বৰ আগত দেৱৰাজ ইন্দ্ৰই সেই ঠাইলৈ আহি এই বালকে মোকেই ধাৰণ কৰি থাকিব। 'মাং ধাস্যতি · অয়ম' ইতি 'মান্ধাতা'। ইন্দ্ৰই তেতিয়া বালকৰ মুখত নিজৰ আঙুলি প্ৰবেশ কৰাই দিলে আৰু বালকে সেই আঙুলি চুপি থাকিবলৈ ধৰিলে। এইদৰে বালক ক্ৰমাৎ ডাঙৰ দীঘল হ'ল আৰু বাপেকৰ মৃত্যুৰ পিছত পিতৃ ৰাজ্যৰ অধিকাৰী হ'ল। আৰু মান্ধাতা নামে জনাজাত হ'ল। মান্ধাতাই নিজৰ পৰাক্ৰমৰ হেতু সমস্ত পৃথিৱী জয় কৰিবলৈ উদ্যত হ'ল। আৰু বহুত ৰাজ্য জয় কৰি শেষত লংকাৰ ৰজা ৰাৱণৰ সৈতে যুদ্ধত লিপ্ত হ'ল। কিন্তু পৰস্পৰৰ বলবীৰ্য সমান হোৱাত উভয়ৰ ভিতৰত বন্ধুত্ব স্থাপিত হ'ল। ইয়াৰ পিছত মান্ধাতাই স্বৰ্গৰাজ্য জয় কৰাৰ উদ্দেশ্যে অমৰাবতীলৈ গ'ল। অমৰাবতীত ইন্দ্ৰক লগ পালে আৰু বাসৱে তেতিয়া তেওঁক কলে যে তেওঁ এতিয়াও সমস্ত পৃথিৱী জয় কৰিব পৰা নাই। আগেয়ে সমস্ত পৃথিৱী জয় কৰিহে যেন তেওঁ স্বৰ্গৰাজ্য জয় কৰিবলৈ প্ৰয়াস কৰে। তেতিয়া মান্ধাতাই ইন্দ্ৰক সুধিলে যে এনে কোন ৰজা পৃথিৱীত আছে যি তেওঁৰ আধিপত্য অস্বীকাৰ কৰে। তেতিয়া ইন্দ্ৰই কলে 'মধুৰ' পুত্ৰ লবণাসুৰ এতিয়াও তেওঁৰ অধীন হোৱা নাই। এই 'মধু' মহাশূৰ মহাদেৱৰ পৰম ভক্ত আছিল। তেওঁৰ কঠোৰ তপস্যাত মহাদেৱ তুষ্ট হৈ এক শূল মধুক প্ৰদান কৰিছিল। মধুয়ে কেতিয়াও ব্ৰাহ্মণ আৰু দেৱতা সকলৰ বিৰোধিতা কৰিব নোৱাৰিব আৰু তেতিয়াহে এই শূল তেওঁৰ তাত থাকিব। এই শূলে মধুৰ শত্ৰুক নিধন কৰি ভস্মীভূত কৰিব আৰু পুনৰ তেওঁৰ তালৈ ঘূৰি আহিব। মধুৰ পুত্ৰ লবণে পিতৃৰ মৃত্যুৰ পিছত এই শূল লাভ কৰে আৰু ইয়াৰ প্ৰভাৱত অজেয় আৰু অবধ্য হৈ ঋষি-মুনি সকলৰ ওপৰত অত্যাচাৰ চলাবলৈ ধৰিলে। ইপিনে মান্ধাতাই ইন্দ্ৰৰ কথা শুনি লবণাসুৰ কত আছে বিচাৰি গ'ল আৰু লবণাসুৰক পাই তেওঁৰে সৈতে যুদ্ধত লিপ্ত হ'ল কিন্তু মান্ধাতা পৰাস্ত হ'ল আৰু তেওঁৰ হাততে মান্ধাতা নিহত হ'ল। লবণাসুৰ অত্যাচাৰী হৈ উঠাত চ্যবন আদি ঋষি সকলে শ্ৰীৰামচন্দ্ৰৰ শৰণাগত হ'ল। শ্ৰীৰামচন্দ্ৰই তেওঁৰ ভ্ৰাতৃ শত্ৰুঘ্নক লবণাসুৰক দমন কৰিবলৈ পঠালে আৰু শত্ৰুঘ্নই মধুবনত লবণাসুৰক পাই তেওঁক হাতত শূল নথকা অৱস্থাত আক্ৰমণ কৰি বধ কৰিলে। ■

OKDISC

# ডিক্‌টৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰবৰা

ৰেমাইঁত আৰাকানত নতুনকৈ পতা গাঁওখন পাওঁতে নিশা দুপৰেই হ'ল। সন্ধিয়া পৰত দিক্‌বলয়ত বাৰে বৰণীয়া ডাৱৰৰ সৰু সৰু থোপা আৰু উজ্জ্বলতা আছিল। তাৰ পোহৰতেই ৰেমাই তাৰ লগৰীয়া দুটাৰ লগত খোজ কাঢ়ি আহি আছিল। দুবাৰমান উজুটি খাওঁতেহে সি বুজি উঠিছিল যে তাৰ ভাগৰ লাগিছে। আঠাইশ বছৰীয়া দেহাটোৱে এই প্ৰথমবাৰৰ কাৰণে ভাগৰ অনুভৱ কৰিলে।

প্ৰকৃততে ৰেমাক ওৰে বাটটোত কিছুমান কথাই আমনি দি আহিছিল। কথাবোৰ ঘূৰ্ণিপাক খাই খাই উ ছা-ঙৰ স্বাধীনতাৰ অৰ্থলৈ পোনাইছিল। মুক্ত চিন্তা, মুক্ত কাৰ্য, শান্তি, সুৰক্ষা– এয়ে হ'ল উ ছা-ঙৰ স্বাধীনতা। তাইৰ মতে তাইৰ হেনো এয়া একোৰে অভাৱ নাই। ৰেমাই বাৰে বাৰে এই কথাবোৰ নিজৰ লগত লগৰীয়াৰ লগত তুলনা কৰিবলৈ ধৰিলে। এবছৰমানৰ আগতে অ্ৰাঙৰ প্ৰথম ল'ৰাটো গ্ৰহণীত পৰি ঢুকাল। সি আৰু যুৱালাই যিমান পাৰে সহায় কৰিলে। সিহঁতৰ চিকিৎসা ব্যৱস্থা ফাৰ্ষ্ট এইড্ বক্স আৰু কেইটামান বিশেষ বেমাৰৰ প্ৰথম পৰ্যায়ৰ চিকিৎসাৰ বাবে থকা ঔষধতে সীমাবন্ধ। সিহঁত সকলোৱে যত্ন কৰিও ল'ৰাটোক বচাব নোৱাৰিলে।

এই কথাবোৰ ভাবি থাকোতেই ৰেমাই আকৌ এবাৰ উজুটি খালে। আকাশত তেতিয়া জোনটো ওলাবলৈ ধৰিছে। লাহে লাহে পাহাৰৰ অ'ত ত'ত জোনাকবোৰ জিলিকি পৰিল।

ৰেমাৰ ছিংপুই আৰু পাঁচ মহীয়া কেঁচুৱাটোলৈ মনত পৰিল। সিহঁত দুটাক সি গাঁৱত এৰি.আহিছে। তাৰ এই কেঁচুৱাটো এদিন ডাঙৰ হব। সিহঁতৰ স্বাধীন ৰাষ্ট্ৰত সি কিৰিলিয়াই ফুৰিব। শিক্ষা-দীক্ষা লৈ এদিন ডাঙৰ মানুহ হব। কথাবোৰ ভবাৰ লগে লগে ৰেমাই নতুন উদ্যমেৰে খোজ দিবলৈ ধৰিলে।

কিছু সময় পাছতে আন কিছুমান কথা তাৰ মনলৈ আহিল। সিহঁতৰ স্বাধীনতাৰ যুঁজ যদি কেইবা বছৰলৈয়ো চলে তেন্তে তাৰ কেঁচুৱাটোৰ কি হব? সি কি শিক্ষা পাব? সি নিজে গাঁৱত যি পাইছিল কেঁচুৱাটোৱে সেইখিনিকে পাবনে? ৰেমাৰ কথাবোৰ মনলৈহে আহিল, গভীৰ ভাবে চিন্তা কৰিবলৈ লৈ সি একো উৱাদিহ নাপালে। তাৰ ধৰ্ম শিক্ষাৰ কথা মনত পৰিল। প্ৰত্যেক মানুহৰ বাবেই ভগৱানৰ পৰিকল্পনা আছে। তাৰ কেঁচুৱাটোৱেও সম্ভৱ ভগৱানৰ তেনে পৰিকল্পনাতেই ডাঙৰ হব। কথাষাৰ ভাবি ৰেমাই খোজবোৰ খৰকৈ দিবলৈ ধৰিলে।

জোনৰ পোহৰত সিহঁতৰ নতুনকৈ পতা গাঁওখনৰ ছটা ঘৰ ৰিণিকি ৰিণিকি চকুত পৰিল। বাটকুৰি বাই সিঁহতৰ পোছাকবোৰ ইতিমধ্যে ঘামত তিতি গৈছিল। মুখেৰে উশাহ-নিশাহবোৰ খৰকৈ লৈছিল। গতিকে বাটটোত সিহঁতে বিশেষ কথা পাতিব পৰা নাছিল। ঘৰটো চকুত পৰোতেহে ৰেমাই ক'লে– আমি পালোহিয়েই।

ৰেমাইঁত উভতি অহাৰ বাবে দুপৰ নিশা গাঁওখন সাৰ পাই উঠিল। খেৰৰ ঘৰ ছটাৰ এটা ডাঙৰ। অতীজৰ জলবুকৰ দৰে। ডেকা চাং। ডেকা-বৰলা যি কেইটা আছে তাতে সিহঁত একেলগে আছে। আন পাঁচোটা পাঁচোটা পৰিয়ালৰ। তাৰে এটা ৰেমাৰ।

ৰেমাই ভাবিছিল গাঁও পাই হাতমুখ নহ'লে পাৰিলে গোটেই গাটোকে ধুই জিৰণি লব৷ কিন্তু গাঁৱৰ মানুহবোৰে সিহঁতৰ খবৰ লওঁতেই এপৰ লগালে। কাষৰ পথাৰত কৰা খেতিৰ ধান প্ৰায় শেষ হৈ আহিছিল। ৰেমাইঁতে অনা চাউল-পাত পাই সিহঁতে ভাল পালে। ছিংপুইয়েও সেই চাউলেৰে ৰেমাক ভাত ৰান্ধি দিলে।

ৰেমাই হাত মুখ ধুই ভাত পানী খাই ছিংপুইক অকলে পাওঁতেহে গম পালে তাইৰ তিনিদিনৰ পৰা কুঁহকুঁহীয়া জ্বৰ। দিনত প্ৰায় নাথাকেই। সন্ধিয়ালৈ বেছি হয়। নিশাটো জ্বৰত কেঁকাই থাকে। কেঁচুৱাটো চাংখনৰ এফালে কান্দি কান্দি পৰি থাকে।

পিছদিনা পুৱালৈ ছিংপুইৰ জ্বৰ বেছি হ'ল। তাইৰ মূৰত কাপোৰ এখন তিয়াই দি কেঁচুৱাটো কোলাত লৈ ৰেমাই যুৱালাক মাতি পঠালে।

– মেলেৰিয়া হব পাৰে। – যুৱালাই ক'লে।

তাৰ ঘৰত মেলেৰিয়াৰ কুইনাইন জাতীয় ঔষধ আছে। ঔষধ কেইটা পুৰণা। তথাপি তাকে আনি সি ছিংপুইক খাবলৈ দিলে। ৰেমাই কেঁচুৱাটো লৈ ছিংপুইৰ কাষতে বহি থাকিল।

পিছদিনা পুৱা ছিংপুইৰ জ্বৰ নকমিল। যুৱালাই ডেকা এটাক মাতি আনি সাতমাইলমান আঁতৰত কেম্পটোত থকা কম্পাউণ্ডাৰটোক মাতি আনিবলৈ ক'লে। কম্পাউণ্ডাৰটোৰ লগত নানা বিধ ঔষধো আছে।

আবেলিলৈ গাঁওখনৰ আৰু দুটামানৰ জ্বৰ হোৱাৰ খবৰ পোৱা গ'ল। তেতিয়ালৈ কম্পাউণ্ডাৰটো আহিল। ইতিমধ্যে ছিংপুইয়ে মূৰৰ বিষ আৰু জ্বৰৰ বাবে ভুল বকিবলৈ আৰম্ভ কৰিলে। গাঁৱখনত থকা তিৰোতা কেইজনী তাইৰ কাষতে অনবৰতে বহি থাকিল।

কম্পাউণ্ডাৰটোৱে ছিংপুইক চাই মেলি দুটামান ঔষধ খাবলৈ দিলে। সি যুৱালাক একাষে মাতি নি ক'লে– বেমাৰটো মেলেৰিয়া কিন্তু চেৰিব্ৰেল্ জাতীয়। মোৰ তাত বেছি ঔষধ নাই। তাতে গাঁওখনৰ আন দুটামানৰো হৈছে। যদি পাৰ ঔষধ কেইটামান আমাৰ চাব্-হেড্কোৱাৰ্টাৰৰ পৰা অনাই দে।

যুৱালাই নোৱৰাৰ কাৰণেই নাই। সি গৰিলা দুটাক কামটো পাচিলে। সিহঁতে কম্পাউণ্ডাৰটোৰ পৰা কাগজ এখিলা লৈ ততালিকে যাত্ৰা আৰম্ভ কৰিলে।

কম্পাউণ্ডাৰটোৱে ৰেমাক ক'লে– তাইৰ জ্বৰ দুদিনৰ নহয়। কেইবাদিনৰো পৰা নিশ্চয় ভুগি আছে।

ৰেমাৰ মনত পৰিল সি অহাৰ দিনা ৰাতি তাই কুঁহহীয়া জ্বৰ। তাৰ দুই-তিনিদিন মানৰ আগৰে পৰা হেনো তাইৰ জ্বৰ হৈ আছে। ৰেমাই ক'লে– অঁ, তাইৰ আজি পাঁচ দিনমানেই হ'ল হবলা।

– এৰা!

যুৱালাই ক'লে– কিন্তু তাইতো আমাক এই বিষয়ে একোকে কোৱা নাই।

ৰেমাই একো উত্তৰ নিদিলে। তাই কাকনো ক'ব? সি থকা হ'লে ক'লেহেঁতেন।

ৰেমাৰ কোলাত কেঁচুৱাটোৱে কান্দি উঠিল। কান্দোন শুনি ভিতৰত ছিংপুইয়ে বেছিকৈ ছটফটাবলৈ ধৰিলে। তাইৰ কাষৰ পৰা অ্ৰাঙাৰ ঘৈণীয়েকজনী উঠি আহিল। তাই ৰেমাক ক'লে– দে, কেঁচুৱাটো মোক দে।

তাই কেঁচুৱাটো অলপ আঁতৰাই লৈ গ'ল। তাইৰো দহ মহীয়া কেঁচুৱা এটা আছে। তাইৰ বুকুখন এতিয়াও ৰসাল। কেঁচুৱাটোক তাই গাখীৰ খুৱাবলৈ চেষ্টা কৰিলে। সি অলপ সময় আমনি কৰিছিল যদিও পাছত খাবলৈ ধৰিলে। কান্দিবলৈ এৰি সি মনে মনে থাকিল।

চাব্-হেড্কোৱাৰ্টাৰৰ পৰা ডেকা দুটা ঔষধ লৈ আহি নাপালেই, পিছদিনা নিশালৈ ছিংপুই ঢুকাল। তাই ঢুকোৱাৰ অলপ আগতে চাংখনৰ কাষত খেপিয়াই আছিল। কোনোবাই কেঁচুৱাটো অলপ সময়ৰ কাৰণে তাইৰ কাষত শুৱাই দিলে। ছিংপুই ঢুকোৱাৰ সময়ত সি তাইৰ কাষত হাত ভৰি মাৰি খেলি আছিল। তাক আঁতৰাই নিয়াৰ সময়ত সি জোৰেৰে চিঞৰি কান্দিবলৈ ধৰিলে।

পিছদিনা দুপৰবেলা ছিংপুইক গাঁৱৰ কাষতে কবৰ দিয়া হ'ল। বোকোচাত

কেঁচুৱাটো লৈ ৰেমা অলপ আঁতৰতে থিয় হৈ ৰৈ থাকিল। তাৰ পোছাক মলিয়ন। মুখখন শুকান। বতাহত তাৰ মলিয়ন দীঘল চুলিখিনি অবিনষ্ট ভাবে উৰিছে। কোঁচত কেঁচুৱাটোৱে চিঞৰি চিঞৰি কান্দিছে। তাৰ দৃষ্টি স্থিৰ আৰু অস্পষ্ট।


পানীকেঁচুৱাটো লৈ ৰেমা বিপদত পৰিল। অৰাঙাৰ ধৈৰ্ণীয়েকজনীয়ে কেঁচুৱাটো নি মাজে মাজে গাখীৰ খুৱায়। তাইৰো কেঁচুৱাটো আছেই। গতিকে সকলো সময়তে তাই গাখীৰ খুৱাব নোৱাৰে। ৰাতি হৈ আহিলেই ৰেমাৰ অস্বস্তি লাগে। কেঁচুৱাটোৱে দুপৰ নিশা ভোকত ৰেমাৰ ফালে বাগৰ দি হাতেৰে খেপিয়াই থাকে। তাৰ অলপ পাছতে সি চিঞৰি চিঞৰি কান্দিবলৈ ধৰে। কান্দি কান্দি দুৰ্বল হৈ পৰিলে সি নিধাল দি টোপনি যায়।

দিনৰ দিনটো কেঁচুৱাটো ৰেমাই বুকুত অথবা বোকোচাত কপোৰ এখনেৰে বান্ধি লয়। তেনেকৈয়ে সি লাগতিয়াল কামবোৰ কৰে।

– কেঁচুৱাটো ককাক আইতাকৰ লগতে থগে– যুৱালাই এদিন ৰেমাক ক'লে।

ৰেমা কিছুসময় একো নোকোৱাকৈ থাকিল। সি কেঁচুৱাটো লৈ গ'লেই ৰাচীভেঙৰ মানুহবোৰে ছিংপুইৰ বাতৰি সুধিব। সিঁহতে তাইৰ মৃত্যুৰ কথা জানিব। কেনে দুৰৱস্থাত ছিংপুইৰ মৃত্যু হ'ল সি ক'বলৈ সক্ষম নহব। তাইক বিয়া কৰোৱাৰ পাছত সি দুবাৰ গাঁওখনলৈ গৈছে। দুয়োবাৰ মানুহবোৰৰ পৰা সেই আগৰ আদৰ সন্মান পাইছে। ছিংপুই মাক হোৱাৰ খবৰটোৱে ডাইপ'লা আৰু হুঙভুঙীক বেচ আনন্দিত কৰিছে। এতিয়া কেঁচুৱাটো তাত থবলৈ লৈ গ'লে মানুহবোৰৰ তাৰ ওপৰৰ ধাৰণা চুৰমাৰ হব। সি সেইয়া কৰিবলৈ প্ৰস্তুত নহয়। সেয়েহে যুৱালাক ক'লে– ওহোঁ। সি ইয়াতে থাকিব।

এম এন এফ-ৰ কামত হেড-কোৱাৰ্টাৰলৈ অথবা মিচনত টাউন-চহৰলৈ ৰেমা যাবই নোৱৰা হ'ল। অৰণ্যে আজিকালি এম.এন এফ-ৰ দায়িত্বও বিশেষ নাপায়। দলটোৰ কাম কাজবোৰ তেনেই কমি আহিছে। তথাপি তিনি মাহমানৰ ভিতৰত সিহঁতলৈ দুটা কামৰ দায়িত্ব আহিছে। সেইবোৰ ৰেমায়েই দায়িত্ব লৈ কৰিলেহেঁতেন। কিন্তু সি আনকহে পাঠালে। মিচনত যোৱা কেইটায়ো কেঁচুৱাটোলৈ গাখীৰৰ টিন



কেইটামান আৰু গাঁওখনৰ বাবে ঔষধ কিছুমান আনিলে।

বাহিৰে ভিতৰে চুচৰি বাগৰি কেঁচুৱাটো ডাঙৰ হ'ল। তাৰ পেটটো ডাঙৰকৈ ওলাই পৰিল। হাত-ভৰিবোৰ খীণ হৈ পৰিল। সি যেতিয়া থিয়-ডঙা দিব লাগিছিল নিদিলে। তাৰ ভৰিত জোৰেই নাই দিব ক'ৰপৰা?

ছিংপুই ঢুকোৱাৰ পাছৰ পৰা ৰেমাৰ মনটো কিবা খেলি মেলি হৈ পৰিল। তাৰ শেহতীয়া মিচনটোত লগ পোৱা লম্‌কিমা আৰু বিশেষকৈ ছা-ভীৰ কথাবোৰ বাৰে বাৰে মনলৈ আহিবলৈ ধৰিলে। পুতেকটোক চুচৰি ফুৰা দেখিলেই তাৰ ছা-ভীৰ কথাবোৰ মনত পৰে। পুতেকটোক খাদ্য-স্বাস্থ্য শিক্ষা আৰু সুৰক্ষা দিয়াটো তাৰ কৰ্তব্য। কিন্তু সদ্যহতে সি ভাল খাদ্যকে খুৱাব পৰা নাই। যদি এইখিনিকে সি কৰিব নোৱাৰে তেন্তে সিহঁতৰ যুঁজ কিহৰ বাবে? ছিংপুইক সি প্ৰকৃত চিকিৎসা দিয়াব পাৰিলেনে? পুতেকটো ভালে থাকিলে তাকনো সি কি শিক্ষা দিব? ৰেমাই আৰু কথাবোৰ বিশেষ ভাবিব নোৱাৰে। তাৰ মনটো বেছিহে খেলি মেলি লাগে। মূৰটো গৰম হৈ উঠা যেন পায়।

মাজে মাজে ৰেমাৰ লম্‌কিমা আৰু ল'মাৰ কথা মনলৈ আহে। সিহঁতৰ পথেই ঠিক নেকি? সিহঁতে অন্ততঃ চিকিৎসা দিয়াব পাৰে। ৰেমায়ো ছিংপুইক মৰাৰ আগতে চিকিৎসা কৰোৱাব পাৰিলেহেঁতেন। কোনে জানে হয়তো তাই বাচিলেহেঁতেন। এইবোৰ কথা মনত পৰিলেই ৰেমাৰ আত্মসমৰ্পণৰ কথা মনলৈ আহে। সি যদি গুলিৰ আঘাতত পৰি থাকোতেই পুলিচ মিলিটাৰী কোনোবাই ধৰি নিলেহেঁতেন, তেতিয়া কথাটো বেলেগ আছিল। এতিয়া সি আত্মসমৰ্পণৰ কথা আৰু ভাবিব নোৱাৰে।

ৰেমাৰ পুতেকটোৰ হাত ভৰি খীণোৱাই নহয় চকু দুটাও লাহে লাহে সোমাই যাবলৈ ধৰিলে। চকুৰ গুৰিবোৰ ক'লা পৰিল। তাৰ মাজত স্থিৰ ভাবে জিলিকি থকা উজ্জ্বল চকু দুটা দেখিলেই ৰেমাৰ বেয়া লগা হ'ল। সি



থিয় দি দুই এখোজ দিব পাৰে, কিন্তু বেছি দূৰ যাব নোৱাৰে, ভাগৰত বহি পৰে।

এদিন অৱাঙাই ৰেমাক ক'লে– ইয়াক ক'ৰবাত চিকিৎসা কৰাবলৈ লৈ যোৱা ভাল নেকি?

– এৰা। বল আমি তাক লৈ যাওঁ ক'ৰবালৈ। – যুৱালাই ক'লে।

ৰেমা প্ৰথম দিনা মান্তি নহ'ল। কেইবাদিনো যোৱাৰ পাছত সি যাবলৈ মত দিলে। সি ডেৰ বছৰীয়া পুতেকটোক বোকোচাত বান্ধি অৱাঙা আৰু যুৱালাৰ লগত যাত্ৰা কৰিলে। ৰেমাৰ ছিংপুইহঁতৰ গাঁওখনলৈ যাবলৈ ইচ্ছা নাই। তাৰ উপৰি না-থীয়াললৈ যাবলৈয়ো সি সাজু নহয়। লম্‌কিমা আৰু ছা-ভীৰ আগত পুতেকটোক নি সি দেখুৱাবগৈ নোৱাৰে। একো লক্ষ্য নোহোৱাকৈ সিহঁত তিনিওটাই যাত্ৰা কৰিলে।

দুদিন খোজ কাঢ়ি গৈ থকাৰ পাছত সিহঁতে মন কৰিলে ৰেমাৰ পুতেকটোৰ অৱস্থা বেয়া হবলৈ ধৰিছে। সি উশাহ-নিশাহো ভালদৰে লব পৰা নাই। ৰেমাই তাক বোকোচাত লৈ খোজ দিব নোৱৰা হ'ল।

– কাষৰ গ্ৰুপ চেন্টাৰটোলৈ বেছি দূৰ নহয়। ডেৰ দিনৰ পথ। তাৰ হস্পিটেলত ডাক্টৰো আছে। তাৰ উপৰি দুবছৰ মানৰ আগলৈকে মোৰ পেহীও ইয়াত আছিল। –অৱাঙাই ক'লে।

– বল, ইয়াক তালৈকে লৈ যাওঁ।

– বল।

ৰেমা নীৰৱে ৰ'ল। তাৰ এতিয়া মতামত একো নাই। সি যুৱালাহঁতে যি কৈছে তাকে কৰিছে।

– তাৰ পৰা ঔষধ পাতিও আনিব পৰা যাব। – যুৱালাই ক'লে।

সিহঁত কাষৰ গ্ৰুপ চেন্টাৰটোলৈকে যাবলৈ ঠিক কৰিলে। ল'ৰাটোক ৰেমাই দুয়ো হাতেৰে ডাংডোলা কৰি ল'লে। পাহাৰৰ ওখ-চাপৰ, গছ-গছনি লতাৰে ভৰা ৰাস্তাটোৰে সিহঁত লাহে লাহে আগুৱাই গ'ল। এটা দিনৰ অন্তত সিহঁতে আধাডোখৰ পথো অতিক্ৰম কৰিব নোৱাৰিলে। পুতেকটোৰ অৱস্থা কাহিল হৈ পৰিল। ৰাস্তাত সিহঁতে ল'ৰাটো সাল সলনি কৰি কোলাত আনিছিল। তাৰ উশাহ-নিশাহ দীঘল হৈ পৰাত ৰেমাই তাক নিজৰ কোলাত লৈ শিল এচপৰাত বহি পৰিল। যুৱালাই পানী অলপ ল'ৰাটোক খুৱাই দিলে। সিহঁতে কেতিয়াবাতে গোটাই অনা বিস্কুট কেইটামান ল'ৰাটোৰ কাৰণে সাঁচি সামৰি ৰাখিছিল। তাৰে এডোখৰ ভাঙি অৱাঙাই তাক খাবলৈ দিলে।

নিশাটো সিহঁতে তাক পৰ দি থাকোতেই গ'ল। কাৰো টোপনি নাহিল।

পিছদিনা পুৱা তাৰ অৱস্থা আৰু বেছি কাহিল হৈ পৰিল। সিহঁতে তাক লৈ যাত্ৰা কৰাৰ কথা ভাবিবই নোৱৰা হ'ল। অৱাঙাই তাৰ মুখত পানী অলপ বাকি দিলে। পানীখিনি সি গিলিব নোৱাৰিলে। দুই কোৱাৰিয়েদি বৈ গ'ল। এপৰ বেলাত ল'ৰাটোৱে ৰেমাৰ কোলাতে চকু মুদিলে।

পুতেক মৰাৰ পাছৰ পৰাহে ৰেমাই অনুভৱ কৰিলে যে তাৰ এই বন-জংঘলৰ জীৱনৰ উদ্দেশ্য লাহে লাহে শেষ হৈ আহিছে। যি স্বাধীনতাৰ কথা লম্‌কিমাহঁতৰ আগত সি গৰ্বেৰে কৈছিল তাৰ উৎকত সত্যটোৱে তাক চেপি খুন্দি আনিছে। সিহঁত বাস কৰা অঞ্চলটো কোনো এখন দেশৰে যেন নালাগে। কাষৰ প্ৰত্যেকখন দেশৰ গাঁওবোৰ পাবলৈ দুই তিনিদিন খোজ কাঢ়িব লাগে। ইয়াৰ বতাহ সিহঁতৰ বাবে মুক্ত। ইয়াৰ গছ-গছনি, ফল-মূল সিহঁতৰ বাবে উন্মুক্ত। কিন্তু তথাপি– ৰেমাই ভাবিলে– সিহঁতৰ স্বাধীনতাৰ আনন্দ নাই। তাৰ উপৰি সিহঁতে ঘৰ-দুৱাৰ, পিতা-মাতা, ভাই-ভনী দূৰত এৰি এনেদৰে স্বাধীন হোৱাটো কেতিয়াও নিবিচাৰিছিল। স্বাধীনতা বিচাৰিছিল সিহঁতে বাস কৰা অঞ্চলটোৰহে। উ ছা-ভৰ ধাৰণাৰ কোনোটোৱেই ৰেমাই এই উন্মুক্ত বন জংঘলত বিচাৰি নোপোৱা হ'ল।

এম এন এফ-ৰ কাৰ্যকলাপো তেনেই কমি আহিল। ৰেমাৰ হাততো একো দায়িত্ব নোহোৱা হ'ল। কেতিয়াবা কাচিৎ কিবা কামৰ দায়িত্ব সি পায়। সেই কামবোৰ কৰিবলৈ লৈ সি নিজকে প্ৰশ্ন কৰে ইয়াৰ পৰা সি কিবা পাবনে? তাৰ উত্তৰ সি কি পায় নিজেই ক'ব নোৱাৰে, কিন্তু কামবোৰ কৰিবলৈ লৈ সি বেছ ক্ৰুৰ হৈ পৰে। কেতিয়াবা কোনোবা এটাই আশাৰ ৰেঙণি আনে। সিহঁতৰ আন্দোলনৰ হয়তো সামৰণি পৰিব। কিন্তু কেইমাহমানৰ ভিতৰতে সেই আশা পুনৰ মাৰ যায়।

মাজে মাজে ৰেমাৰ আত্মসমৰ্পণৰ কথা মনলৈ আহে। কিন্তু তেনেই অলপ সময়ৰ বাবেহে। কাৰণ সি বুজি উঠিছে তাৰ আত্মসমৰ্পণৰ সময় কেতিয়াবাই উকলিল। সকলো হেৰুওৱাৰ পাছত আত্মসমৰ্পণৰ কোনো অৰ্থ নাই।

এইদৰেই আৰু সাতটা বছৰ উকলিল। আন্দোলনৰ কুৰি বছৰ পূৰ্ণ হ'ল।

তেনেতে এদিন কোনোবা এটাই ৰেমাহঁতৰ গাঁৱলৈ এটা বতৰা আনিলে। সি চিঞৰি চিঞৰি ক'লে– চৰকাৰৰ লগত এম এন এফ-ৰ চুক্তি স্বাক্ষৰিত হৈছে।

ৰেমা শিল এচপৰাৰ ওপৰত বহি নামনিলৈ চাই আছিল। তাৰ দীঘল লেতেৰা আৰু শুকান চুলিখিনি বতাহত উৰি আছিল। তাৰ মুখখনত ভৰি পৰা দাড়িতো বতাহৰ বা লাগিছিল।

ৰেমাই মানুহটোৰ চিঞৰ শুনি তাৰ ফালে চালে। মানুহটোৱে চিঞৰি কৈ গৈছে– আমি খালি প্ৰথমতে অস্ত্ৰ সম্বৰণ কৰিব লাগিব। তাৰ পাছতেই চুক্তি অনুসাৰে আমি চৰকাৰ গঠন কৰিব পাৰিম। আমাৰ চৰকাৰ, এম এন এফ-ৰ চৰকাৰ!

ৰেমাই মানুহটোৰ উচ্ছ্বসিত হাঁহি মুখলৈ চাই ৰ'ল। সি অনৰ্গল কথা কৈ গৈছে। মানুহবোৰ ঘৰৰ পৰা ওলাই তাক বেঢ়ি ধৰিছে। সিহঁতৰ মুখত আনন্দৰ হাঁহি।

ৰেমা বহু সময় শিলটোতে বহি ৰ'ল। সি মানুহটোৱে কোৱা কথাবোৰকে ভাবিবলৈ ধৰিলে। তাৰ লগৰবোৰে বাহিৰে ভিতৰে আনন্দ কৰি আছে। তাক কিন্তু মাতিবলৈ সিহঁতে সাহস কৰা নাই। ল'ৰাটোৰ মৃত্যুৰ পিছৰ পৰা সিহঁতৰ মানত ৰেমা অলপ বেলেগ।

ৰেমাই কথাবোৰ বিশ্বাসেই কৰিব পৰা নাই। কথাবোৰ যদি সত্য হয় মানুহবোৰ এই বন-জংঘলত আৰু নাথাকিব। এই গছ-গছনি, ঘৰ-দুৱাৰ, গাঁও এৰি উলটি যাব। তেতিয়া আত্মসমৰ্পণৰ বিড়ম্বনা আৰু নাথাকিব। সিহঁতৰ কুৰি বছৰৰ পৰিশ্ৰমৰ স্বীকৃতি, মান-সন্মান আৰু সামাজিক স্থান নিশ্চয় সিহঁতে আটায়ে পাব।

ৰেমাই ভাবিলে সিহঁতৰ লগতে সিয়ো উলটি যাব লাগিব। এই চুক্তিয়েই হব তাৰ বাবে অস্ত্ৰ-সম্বৰণৰ মুখ্য কাৰণ আৰু সেই অস্ত্ৰ-সম্বৰণেই হব ব্যক্তিগত ভাবে স-সন্মানিত আত্ম-সমৰ্পণ।

*ক্ৰমশঃ*

# জীয়ৰী বনাম বোৱাৰী

নিজৰা ভৰালী

গোটেই পৃথিৱীতে বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে সমাজখনৰো দ্ৰুত পৰিবৰ্তন ঘটিছে। বিজ্ঞানে মানুহৰ জীৱনধাৰণৰ মান ভালেখিনি উন্নত কৰিছে। ইয়াৰ ফলত মানুহৰ থকা মেলাৰ ধৰণ, আচাৰ-ব্যৱহাৰ সলনি হৈছে, অন্ধ বিশ্বাস কু-সংস্কাৰ আদি বহুতো কমি গৈছে। এই ক্ষেত্ৰত মহিলা সকলো পিছপৰি থকা নাই। বহুতো ক্ষেত্ৰত পুৰুষৰ সমানে সমানে মহিলাও আগবাঢ়ি গৈছে। তথাপিও বহুতো সময়ত এতিয়াও নাৰীৰ স্থান পুৰুষৰ তলত। বৰ্তমান নাৰী সংগঠন, সমাজ সংস্কাৰক আদি দলে নাৰীৰ ওপৰত চলা অন্যায় অত্যাচাৰ প্ৰতিবাদ কৰি নাৰীৰ উন্নতিৰ বাবে চেষ্টা কৰা দেখা গৈছে। নাৰীৰ শিক্ষাৰ অবিহনে সমাজৰ প্ৰগতি অসম্ভৱ এই কথা আজিকালি বহুতেই উপলব্ধি কৰা হৈছে।

ভাৰতৰ অইন ৰাজ্যতকৈ আমাৰ অসমৰ মহিলা সকল যথেষ্ট কু-সংস্কাৰমুক্ত আৰু আধুনিক ভাবাপন্ন। অইন ঠাইত ল'ৰা আৰু ছোৱালী জন্মৰ পিছত যিটো আনন্দ উছাহৰ পাৰ্থক্য পৰিলক্ষিত হয়, আমাৰ অসমত সেইটো নহয়। ল'ৰা জন্ম হলেও যিমান আনন্দ লাগে, ছোৱালী হলেও সিমান লাগে। ইয়াৰ কাৰণ আমাৰ সমাজ যৌতুক পণ-প্ৰথা আদিৰ পৰা একেবাৰে মুক্ত। অৱশ্যে সময়ৰ লগে লগে অৱস্থাৰ কিছু পৰিবৰ্তন ঘটিছে, সেই কথা পিছত আলোচনা কৰিম।

আগতে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত ছোৱালীক সুবিধা দিয়া নহৈছিল। বৰ্তমান নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সকলোৱে বুজি পোৱা হৈছে। মহিলা সকলেও সেই সুবিধা গ্ৰহণ কৰি আধুনিকতাৰ ফালে আগুৱাই গৈ আছে।

আজিৰ যুগত জীয়ৰী আৰু বোৱাৰী বুলিলে পঢ়াশুনা বা কাম-কাজৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই। এগৰাকী জীয়ৰীয়ে যিখিনি সহায় সুবিধা ঘৰখনৰ পৰা পায়, এগৰাকী বোৱাৰীয়েও সেইখিনি পায়। আগৰ দিনত এগৰাকী বোৱাৰীৰ দায়িত্ব আছিল ঘৰ-সংসাৰ চলোৱা আৰু ল'ৰা-ছোৱালী ডাঙৰ কৰা। ঘৰৰ পৰা ওলাই বাহিৰত চাকৰি কৰা মহিলাৰ সংখ্যা অতি নগণ্য আছিল। আজি আৰু সেইদিন নাই। এগৰাকী ছোৱালী আজি ঘৰখন আপোন কৰি লোৱাৰ লগে লগে সুবিধা পালেই বাহিৰত চাকৰি কৰি আৰ্থিক ভাবেও ঘৰখনক সহায় কৰে।

আধুনিক যুগত আমাৰ প্ৰায়বোৰ ঘৰতে জীয়ৰী আৰু বোৱাৰীৰ স্থান সমান। দেখাত আজিকালি শাহু আৰু বোৱাৰীৰ সম্বন্ধও বৰ মধুৰ। আগৰদৰে বোৱাৰী বুলিলে মূৰত এহাত ওৰণি টানি গোটেই দিনটো সংসাৰৰ আউল মাৰি দিন কটাব নালাগে। কিন্তু ই সম্ভৱ হয় যদি শাহুৱে অলপ এৰে আৰু বোৱাৰীয়েও যথেষ্ট এৰে। কিন্তু তথাপিও শাহু-বোৱাৰীৰ মাজত যেন এখন প্ৰাচীৰ আছে – মানসিকতাৰ প্ৰাচীৰ। আমি বোৱাৰী আৰু ছোৱালী একে বুলি ক'লেও ঠিক মাক জীয়েকৰ ব্যৱহাৰ দুই পক্ষৰ পৰাই কৰা নহয়।

আগৰ বোৱাৰী বৰ্তমান শাহু হৈ নিজৰ অতীতক মনত পেলালেই সকলো সহজ হৈ পৰে। বোৱাৰী সকলেও নিজেও যে এসময়ত শাহু হ'ব লাগিব মনত ৰখা উচিত। জীয়ৰী সকলেও এখন নতুন ঘৰলৈ আহি সকলোকে আপোন কৰিবলৈ পাৰে মানে চেষ্টা কৰিব লাগে।

এগৰাকী শাহুৱে দুই-তিনি গৰাকী বোৱাৰী থাকিলেও সকলোকে সমান চকুৰে নাচাবও পাৰে। আমাৰ দেখাদেখিকৈ যৌতুক প্ৰথা নাথাকিলেও সমাজখন যিমানেই আধুনিকতাৰ ফালে আগুৱাই গৈ আছে, সিমানেই ছোৱালীৰ লগত বস্তু দিয়া আৰু অনাৰ প্ৰকোপটো চৰি গৈছে। যি গৰাকী বোৱাৰীয়ে বেছি বস্তু বাহানি লৈ ঘৰ সোমাইছেহি, তেওঁক শাহু গৰাকীয়ে অলপ বেলেগ চকুৰে চায়। ইয়াৰ ফলত কম অৱস্থাপন্ন ঘৰৰ পৰা অহা বোৱাৰী গৰাকীৰ মনত নানা প্ৰতিক্ৰিয়া হ'ব পাৰে। আজিকালি গাওঁবিলাকতো দৰাৰ ঘৰে দেখা দেখিকৈ কইনা ঘৰৰ পৰা বিয়াৰ খৰচ, বস্তু বাহানি খোজাটো এটা নিয়মত পৰিণত হৈছে। ইয়াৰ ফলত গাওঁবিলাকত ছোৱালী বিয়া দিয়াটো এটা সমস্যা হৈ পৰিছে।

আৰ্থিক আৰু মানসিক শান্তি নাথাকিলে কোনো পুৰুষ বা মহিলাই সুখী নহয়। আৰ্থিক ভাবে সুখী হোৱা সহজ নহয় যদিও মানসিক শান্তি পৰিয়ালৰ মাজত থাকিয়েই নিজে নিজে লব পাৰি। ঘৰ-সংসাৰ চলোৱাৰ দায়িত্ব আৰু ল'ৰা-ছোৱালী ডাঙৰ কৰাৰ দায়িত্ব অকল মাকৰে নহয়। এগৰাকী মহিলাই গোটেই দিনটো বাহিৰত খাটি আহি ঘৰতো সমানে খাটিব লাগে। তেওঁৰ স্বামী আৰু শহুৰ শাহু যদি তেওঁৰ প্ৰতি সহানুভূতিশীল হয়, তেতিয়াহে তেওঁ মানসিক শান্তি লাভ কৰিব পাৰে। এইটো কথা ঠিক যে, ঘৰখনলৈ শান্তি অনাত বোৱাৰীৰ দায়িত্ব অনেক বেছি। উদাৰমনৰ শাহু-শহুৰ আৰু সা-সুবিধা পোৱা পিছতো যদি তেওঁ ঘৰখনক আপোন কৰি ল'ব নোৱাৰে বা কথাই প্ৰতি শাহুৱেকৰ দোষেই দেখি থাকে, তেওঁ কেতিয়াও নিজেও শান্তি ল'ব নোৱাৰে, ঘৰখনকো সুখী কৰিব নোৱাৰে। যুগৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ কথা-বতৰা, সাজ-পোছাকো সলনি হৈছে। আজিকালি ছোৱালীৰ দৰে বোৱাৰী সকলেও বিভিন্ন ধৰণৰ সাজ পোছাক পিন্ধি ফুৰে। শাহু গৰাকীয়ে যদি নিজৰ ছোৱালীয়ে তেনেদৰে সাজ-পোছাক কৰিলে বেয়া নাপায়, তেন্তে বোৱাৰীয়েকে কৰিলেও বেয়া পোৱা উচিত নহয়। কিন্তু বোৱাৰী গৰাকীয়ে নিজে চাব লাগে যাতে পোছাকত শালীনতা নেহেৰায় আৰু কোনটো উপলক্ষ্যত কোনটো পোছাক পিন্ধিলে নিজৰো সুৰুচিৰ চিনাকি দিয়া হয় আৰু লগতে পৰিয়ালৰ বয়সস্থ লোক সকলো সমাজত অপদস্থ হ'ব লগা নহয়।

বহুতো সময়ত লক্ষ্য কৰা যায় শাহু-শহুৰ লগত নথকা ল'ৰালৈ মানুহে ছোৱালী দিবলৈ ভাল পায়। অনেক সময়ত বিয়াৰ পিছতে পুত্ৰ আৰু বোৱাৰী মাক-দেউতাকৰ পৰা আঁতৰি বেলেগে সংসাৰ কৰে। বৈষয়িক কাৰণত এনে ব্যৱস্থাৰ প্ৰয়োজন হ'ব পাৰে। বোৱাৰীয়েকে আৰু শাহুৱেকেও চাব লাগে যাতে এনেকুৱা বিভাজন তিক্ততাৰ মাজত নহয়। পৰিস্থিতিটোৰ বিষয়ে সকলোৱে আলোচনা কৰি এনে কৰিলে বিপদে আৰু সম্পদে শাহু বোৱাৰীৰ মাজৰ সম্পৰ্ক সদায় মধুৰ হৈ থাকে।







# শুনা কথা

## নায়িকা কন্যা



পূজা ভট্ট

মহেশ ভট্টৰ নায়িকা কন্যা পূজাৰ দেউতাকৰ ওপৰত বৰ অভিমান। পূজাৰ অভিযোগ দেউতাকে হেনো নিজৰ ছবি 'দিল হ্যে কী মান্‌তা নেহী'ত পূজাতকৈ নায়ক আমিৰ খানকহে বেছি গুৰুত্ব দিলে। ইফালে পূজাৰ একান্ত লক্ষ্য স্মিতা পাতিলৰ নিচিনা অভিনেত্ৰী হিচাপে প্ৰতিষ্ঠিত হোৱা। পিছে স্মিতা বা শ্বাবানাৰ দৰে অভিনয় ক্ষমতা আৰ্জিবলৈ যে কিছু সময়ৰো প্ৰয়োজন সেই কথা অভিমানিনী কন্যাই নুবুজিলেও মহেশ ভট্টই বুজে বাবেই বোধহয় ৰোমাণ্টিক চৰিত্ৰতহে পূজাক ব্যৱহাৰ কৰিছে। অৱশ্যে 'ডেডী'ত কৰা সুন্দৰ অভিনয়ৰ পিছত পূজাক অকল ৰোমাণ্টিক নায়িকাৰ চৰিত্ৰতে আবদ্ধ কৰি ৰাখিলে নিশ্চয় অন্যায় কৰা হব।

★ ★ ★

## ছাই পৰাঞ্জপেৰ নতুন ছবি

অগতানুগতিকং ছবি 'কথা' নিৰ্মাণৰ সুদীৰ্ঘ ৬ বছৰৰ পিছত ছাই পৰাঞ্জপেৰ নতুন ছবি 'দিশা' সম্পূৰ্ণ হৈ উঠিছে। ছবিখনে ছেপ্তেম্বৰ মাহতে মুক্তি লভাৰ কথা। ছবিখন সম্পৰ্কে পৰাঞ্জপে আশাবাদী। কাহিনী, পৰিচালনা, চিত্ৰনাট্য– এই আটাইবোৰৰে ভাৰ লোৱা পৰাঞ্জপেৰ মতে 'দিশা' এখন বলিষ্ঠ ছবি। ছবিখন নোচোৱাকৈ কোনো ধৰণৰ মতামত প্ৰকাশ কৰিব নোৱাৰিলেও পৰাঞ্জপেৰ কামৰ সৈতে পৰিচয় থকা সকলে 'দিশা' এখন সুস্থ দৃষ্টিভংগীৰ ছবি হব বুলি আশা কৰিছে। ছবিখনে ইতিমধ্যে কাঁ চলচ্চিত্ৰ মহোৎসৱ আৰু জাপানৰ বিশ্ব চলচ্চিত্ৰ উৎসৱৰ বাবে 'ইন্দিয়ান পেনোৰমা'ৰ অন্তৰ্ভূক্তি লাভ কৰিছে। প্ৰসিদ্ধ মঞ্চাভিনেতা ৰঘুবীৰ যাদব আৰু স্বকীয় অভিনয় শৈলীৰে দৰ্শকৰ সমাদৰ লাভ কৰা নানা পাটেকৰে ছবিখনৰ দুটা বিশিষ্ট চৰিত্ৰত অভিনয় কৰিছে। অইন দুটা মুখ্য ভূমিকা ৰূপায়ণ কৰিছে শক্তিশালী অভিনেতা ওম পুৰী আৰু শ্বাবনা আজমীয়ে।

নিজৰ ছবি সম্পৰ্কে পৰাঞ্জপেৰ বক্তব্য এনে ধৰণৰ– "দূৰ-দূৰণিৰ পৰা সংস্থানৰ সন্ধানত বোম্বাইলৈ ঢাপলি মেলা শ্ৰমিক সকলৰ জীৱনৰ সঁচা হাঁহি কান্দোনৰ ছবি মোৰ 'দিশা'। জীৱনৰ চৰম দুখৰ মাজতো হাঁহিব পৰা, গাহৰি গৰালৰ দৰে সৰু জুপুৰি এটাত ত্ৰিশ চল্লিশজনকৈ থাকিও জীৱনৰ প্ৰতি অনুযোগ-অভিযোগ কৰিব নজনা সংগ্ৰামী সাধাৰণ মানুহেই মোৰ ছবিৰ নায়ক-নায়িকা।"

★ ★ ★

## নতুনৰ দুৰ্ভোগ

'মাচুম'ৰ সেই মৰম লগা ল'ৰাটি, যাৰ নাম যুগল হংসৰাজ– আৰু সু-অভিনেত্ৰী মালা সিন্‌হাৰ কন্যা প্ৰতিভাক লৈ মনমোহন দেশাইয়ে কৰিবলৈ লৈছিল 'অন্‌মোল'। মনমোহন দেশাইৰ দৰে পৰিচালকৰ ছবিত সুযোগ পোৱাটো দুয়ো গৰাকী নবাগতৰ বাবেই বৰ উৎসাহ দায়ক আছিল। কিন্তু ছবিখনৰ পৰা শেষ মুহূৰ্তত যুগল আৰু প্ৰতিভাক বাদ দি ঋষি কাপুৰ আৰু মনীষা কৈৰালাক লোৱা হ'ল। বোধকৰো বক্স অফিচৰ ভূতটোলৈ ভয় কৰিয়ে মনমোহন দেশাইয়ে এনে সিদ্ধান্ত ল'লে। যুগল আৰু প্ৰতিভাৰ বাবে অভিনয় জীৱনৰ আৰম্ভণিতে এনে আশা ভংগৰ ঘটনা ঘটাটো নিশ্চয় বেদনাদায়ক। অৱশ্যে প্ৰতিভাই ইতিমধ্যে এছ এছ ৰাৱেলৰ 'মেহবুব' মেৰে মেহবুব' নামৰ ছবিত সুযোগ পাইছে, য'ত নায়ক হ'ল জয় মুখাৰ্জীৰ পুত্ৰ বয় মুখাৰ্জী।

★ ★ ★

## মীনাক্ষী শেষদ্ৰীৰ বিপৰ্যয়

হিন্দী চিনেমাৰ অভিনেত্ৰী হবলৈ হ'লে বয়স যিমানেই নহওক, প্ৰাপ্ত বয়স্কৰ দৰে আচৰণ নকৰিলেই বিপদ। চেহেৰাত সৰু ছোৱালীৰ সৰলতা আৰু কোমলতা প্ৰযোজক-পৰিচালকৰ ঈপ্সিত; কিন্তু ব্যৱহাৰত? নৈব নৈব চ। অনবৰতে মাকৰ পৰামৰ্শ মতে চলাৰ বাবে 'ড্ৰিম গাৰ্ল' হেমামালিনীৰো কম দুৰ্ভোগ হোৱা নাছিল। পিছলৈ যেনিবা মাকৰ অক্টোপাছ-বন্ধনৰ পৰা হেমাই নিজক মুক্ত কৰিলে বিবাহিত ধৰ্মিন্দ্ৰৰ সৈতে বিবাহ বান্ধোনত সোমায়। এইবাৰৰ নায়িকা মীনাক্ষী শেষদ্ৰী। মাকৰ অত্যাধিক তদাৰকিৰ বাবেই ডাঙৰ বিপৰ্যয়ৰ সমুখীন হৈছে মীনাক্ষী। মীনাক্ষীৰ হিট ছবি 'ঘায়েল' খ্যাত ৰাজকুমাৰ সন্তোষীয়ে তেওঁৰ তিনিখন নতুন ছবি 'অজয়', 'ঘাতক' আৰু 'দামিনী'ৰ পৰা মীনাক্ষীৰ চুক্তি বাতিল কৰিছে। ইয়াৰে নায়িকা- প্ৰধান 'দামিনী' হেনো মীনাক্ষীৰ কথা ভাবিয়ে কৰিবলৈ লোৱা হৈছিল। সন্দেহ প্ৰৱণ মনৰ মীনাক্ষীৰ মাকে সন্তোষীক কৰা বেয়া ব্যৱহাৰেই হেনো ইয়াৰ কাৰণ। সকলো সময়তে মীনাক্ষীক চকু দিবলৈ লগত বায়েকক পঠোৱা শ্ৰীমতী শেষদ্ৰীয়ে হেনো ৰাজকুমাৰ সন্তোষীয়ে তেওঁৰ ছোৱালীৰ বাবে কিটো কৰিছে বুলি সন্তোষীৰ সহকাৰীৰ আগত মন্তব্য কৰিছিল। তেওঁ ইয়াকো শুনাইছে যে সন্তোষীয়ে মীনাক্ষীক বাদ দিলেও হেনো মীনাক্ষীৰ একো ক্ষতি নহয়। ক্ষুব্ধ ৰাজকুমাৰে কথাবোৰ শুনাৰ পিছতে মীনাক্ষীক ক্ষতিপূৰণ দি চুক্তি বাতিল কৰে। হঠাতে ঘটা এই ঘটনাত শ্ৰীমতী শেষদ্ৰী আৰু মীনাক্ষী বিচলিত হৈ পৰিছে। কেৱল মাকৰ বাবেই মীনাক্ষীয়ে অলপতে অইন এটা ডাঙৰ সুযোগ হেৰুৱাইছে। পৰিচালক ৰমেশ চিপ্পীৰ নতুন ছবি 'আকেলা'ৰ বাবে অমিতাভক লৈ দৃশ্য গ্ৰহণ কৰি থাকোতেই চিপ্পীৰ মনলৈ নায়িকা মীনাক্ষী উপস্থিত থকাটো ভাল হব বুলি ভাব আহে। লগে লগে মীনাক্ষীলৈ ফোন কৰা হ'ল। অমিতাভ বচ্চনৰ লগত এটা দৃশ্যত অভিনয় কৰিব পৰাটো প্ৰতিষ্ঠিত বহু নায়িকাৰ বাবেই সপোন যদিও মীনাক্ষীয়ে পৰিচালকৰ এই আহ্বান প্ৰত্যাখ্যান কৰিলে এই বুলি– "এতিয়াতো যাব নোৱাৰো। মা যে শুই আছে।"

★ ★ ★

## জেবাই জয় কৰিলে



জেবা বখতিয়াৰ

আৰ কে ফিল্মচৰ পূৰ্বৰ ঐতিহ্যৰ বিপৰীতে এইবাৰ ৰন্‌ধীৰ কাপুৰ পৰিচালিত বহু চৰ্চিত

'হেনা'ত পাকিস্তানী সুন্দৰী জেবা বখ্তিয়াৰে শৰীৰ প্ৰদৰ্শনৰ সলনি সুন্দৰ মুখশ্ৰী আৰু অভিনয়েৰেহে দৰ্শকৰ হৃদয় জয় কৰিলে। আৰ কে ফিল্মচৰ বেনাৰত ৰাজকাপুৰ পৰিচালিত ছবি 'মেৰা নাম জোকাৰ', 'সত্যম শিৱম সুন্দৰম', 'ববী', 'ৰাম তেৰী গংগা মেইলী' আদি প্ৰায় সকলো ছবিতে থকাৰ দৰে 'হেনা'তো নায়িকাৰ প্ৰচুৰ 'খোলামেলা' দৃশ্য থাকিব বুলি সাধাৰণ ধাৰণা এটা হৈছিল। 'হেনা'ই দৰ্শকৰ সেই ধাৰণা সঁচাত পৰিণত নকৰিলেও নায়িকা জেবাই কিন্তু নিজৰ সতেজ আৰু অভিজাত সৌন্দৰ্যৰে ভাৰতীয় দৰ্শকক মুগ্ধ কৰি পেলালে। ইতিমধ্যে দ্বিতীয়খন হিন্দী ছবি 'নাৰ্গিচ'ৰ বাবেও জেবা চুক্তি বদ্ধ হৈছে।

★ ★ ★

## চুব্বান্নাৰ মেগ্ছেছে বঁটা লাভ

এই বছৰৰ ৰামন মেগ্ছেছে বঁটা লাভ কৰিলে কৰ্ণাটকৰ হেগ্গাড়ু নামৰ অখ্যাত চহৰ এখনৰ বাসিন্দা বিখ্যাত লেখক, অভিনেতা আৰু পৰিচালক কে বি চুব্বান্নাই। ফিলিপাইনৰ প্ৰয়াত প্ৰেছিডেন্টৰ নামত প্ৰতি বছৰে প্ৰাচ্যৰ কোনো সৃষ্টি শীল প্ৰতিভাক এই বঁটা দিয়া হয়। মহীশূৰ বিশ্ববিদ্যালয়ৰ স্নাতক চুব্বান্নাই পঢ়া সাং কৰাৰ পিছত হেগ্গাড়ুলৈ আহি দেউতাকৰ 'নিনাচাম' নাট্য গোষ্ঠীৰে সৈতে জড়িত হৈ পৰে। প্ৰথমে তেওঁ ছেক্সপীয়েৰ, ব্ৰেখট আদি বিশ্ব প্ৰতিভাৰ বিখ্যাত নাটসমূহ স্থানীয় ভাষালৈ ৰূপান্তৰ কৰি মঞ্চস্থ কৰাৰ ব্যৱস্থা কৰে। পিছত প্ৰাচীন ভাৰতীয় সাহিত্য সমূহো আধুনিক ৰূপত উপস্থাপন কৰি সাধাৰণ মানুহৰ মনত সচেতন নাট্য-ভাবনা জগাই তোলে। সমাজৰ সাধাৰণ স্তৰৰ মানুহক পৃথিৱীৰ মহৎ সাহিত্য আৰু মহান লেখকৰ সৈতে চিনাকি কৰি দিয়াটোৱেই হ'ল চুব্বান্নাৰ নাট্য আন্দোলনৰ উদ্দেশ্য। কৰ্ণাটকৰ বিভিন্ন চহৰ আৰু বিশেষকৈ গাঁৱে-ভূঞে চুব্বান্নাৰ এই নাট্য আন্দোলনে বিস্তৃতি লাভ কৰে। পিছলৈ চুব্বান্নাই বোলছবি জগততো প্ৰবেশ কৰি লোক-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সৈতে জড়িত হৈ পৰে। আধুনিক বিশ্বৰ সদা-পৰিবৰ্তিত ধ্যান-ধাৰণা আৰু নাট বা



*সুব্বান্না*

বোলছবিত ব্যৱহাৰ হোৱা আধুনিক কলা-কৌশল সাধাৰণ মানুহৰ বোধগম্য কৰি তোলাত লাভ কৰা সফলতাৰ বাবেই চুব্বান্নাই মেগ্ছেছে পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে।

★ ★ ★

## মাধুৰীৰ বিপদ

হিন্দী ছবিৰ নায়িকা তালিকাৰ প্ৰথম স্থানত থাকিবলৈ শ্ৰীদেৱীৰ সৈতে যুঁজ চলাই থাকোতেই মাধুৰী দীক্ষিতে অইন এটা সমস্যাৰ মুখামুখি হব লগাত পৰিছে। অলপতে এফ এম চিয়ে মাধুৰীৰ ওপৰত নিৰ্দেশ জাৰি কৰিছে যে তেওঁৰ অসমাপ্ত ছবিসমূহ '৯১-ৰ ডিচেম্বৰৰ ভিতৰত শেষ নকৰিলে তেওঁক বোলছবি জগতৰ পৰা বহিষ্কাৰ কৰা হব। সমস্যাটো হৈছে মাধুৰীৰ ডেটলৈ। সুধাকৰ বোকাড়ে, অশোক ঠাক্ৰিয়া, প্ৰকাশ মেহৰা আদিৰ দৰে প্ৰযোজক-পৰিচালকে মাধুৰীৰ ডেটৰ ক্ষেত্ৰত হোৱা খেলি মেলিৰ বাবেই আৰ্থিকভাবে ক্ষতিগ্ৰস্ত হব লগীয়া হৈছে। সুধাকৰ বোকাড়েৰ

*মাধুৰী দীক্ষিত*



চিনেমাত মাত্ৰ দুদিনৰ কাম বাকী ৰাখি মাধুৰীয়ে হেনো বিদেশত ষ্টেজ শ্ব' কৰিবলৈ গুচি গৈছিল। কোনো কোনো জনৰ সজোৱা ছেটো হেনো মাধুৰীৰ অনুপস্থিতিৰ বাবেই ভাঙিব লগা অৱস্থাও হৈছিল। মাধুৰীৰ এনে ধৰণৰ কাম-কাজত ক্ষতিগ্ৰস্ত হোৱা বহু কেইগৰাকী নিৰ্মাতা-নিৰ্দেশকে এফ এম চিৰ ওচৰত অভিযোগ' দাখিল কৰিছে। বিষয়টো তদন্ত কৰিবলৈ গৈ মাধুৰীৰ সচিব ৰিকুৰ ডায়েৰিৰ পৰা এফ এম চিয়ে জানিব পাৰিছে যে বহুত ক্ষেত্ৰত একে ডেটকে দুজন প্ৰযোজকক একেলগে দিয়াৰ বাবেই এই খেলিমেলিবোৰ হৈছে। প্ৰযোজক সকলৰ ক্ষতিৰ পৰিমাণলৈ চাই এফ এম চিয়ে সেয়ে মাধুৰীৰ ওপৰত বহিষ্কাৰৰ দৰে কঠোৰ নিৰ্দেশ জাৰি কৰিছে। শুনা গৈছে মাধুৰীৰ এই বিপৰ্যয়ৰ বাবে প্ৰকৃত দোষী হেনো সচিব ৰিকুহে।


★ ★ ★

## দিলীপ কুমাৰৰ ৰাজনীতি

নিজৰ আনুগত্য প্ৰকৃততে কোন দলৰ প্ৰতি সেই কথা স্পষ্টভাবে প্ৰকাশ নকৰাৰ বাবেই বোধকৰো শক্তিশালী অভিনেতা দিলীপ কুমাৰ এতিয়ালৈকে সাংসদ বা বিধায়ক হব পৰা নাই। তথাপি সাধাৰণ ধাৰণা মতে তেওঁ কংগ্ৰেছ(ই)ৰ সমৰ্থক। এইবাৰ বোম্বাইত দিলীপ কুমাৰক প্ৰকাশ্য ভাবেই কংগ্ৰেছৰ নিৰ্বাচনী সভাত দেখা গ'ল। কেইবাখনো নিৰ্বাচনী সভাত দিলীপ কুমাৰে কংগ্ৰেছক ভোট দিয়াৰ হকে মুছলমান ৰাইজক ক'লে। সকলো ঠিকেই আছিল– অসুবিধা আহিল ৰাইজৰ পৰাই। ৰাজনীতিত দিলীপ কুমাৰে কেতিয়াও সক্ৰিয় ভূমিকা লোৱা নাই– গতিকে কংগ্ৰেছে নিশ্চয় ভোটৰ আশাত নকল দিলীপ কুমাৰকহে হাজিৰ কৰিছে বুলি ৰাইজৰ সন্দেহ হ'ল। সন্দেহ গাঢ় হ'ল দিলীপ কুমাৰৰ মাত শুনি। মাইক্ৰোফোনৰ বিজুতিৰ বাবে দিলীপ কুমাৰৰ গুৰু-গম্ভীৰ মাতটো শুনা গৈছিল টিংটিঙীয়া; ইফালে ভাষণতো দিলীপ কুমাৰে তেওঁৰ চিৰাচৰিত ভংগীৰে দ্ব্যৰ্থক বক্তব্যহে দাঙি ধৰিলে। কোনো বিশেষ ৰাজনৈতিক দলৰ সপেক্ষে নকৈ দিলীপ কুমাৰে ভোটাৰ ৰাইজক আহ্বান জনালে প্ৰাৰ্থীৰ উপযুক্ততাৰ ভিত্তিতহে ভোটদান কৰিবলৈ। ৰাইজে ভাবিলে দিলীপ কুমাৰে নিশ্চয় জনতা দলৰ প্ৰাৰ্থী শ্ৰমিক নেতা দত্ত সামন্তৰ কথাহে কৈছে। গতিকে কংগ্ৰেছ(আই)ৰ সভাস্থলত ৰৱ উঠিল– ভি পি জিন্দাবাদ, দত্ত সামন্ত জিন্দাবাদ, জনতা দল জিন্দাবাদ।

## স্পিলবাৰ্গৰ শেহতীয়া ছবিত হফ্মেন

বিখ্যাত চলচ্চিত্ৰকাৰ ষ্টিফেন স্পিলবাৰ্গৰ ছবিত এইবাৰ প্ৰথমবাৰৰ বাবে অভিনয় কৰিছে ডাষ্টিন হফ্মেনে। 'হুক্' নামৰ একশ্যান থ্ৰীলাৰ ছবিখনত হফ্মেন হব খলনায়ক। অভিনয় জীৱনৰ আৰম্ভণিতে মঞ্চাভিনেতা হব খোজা হফ্মেনৰ প্ৰথম উল্লেখযোগ্য ছবি হ'ল



*হফ্ম্যান*

'মিড্নাইট কাউবয়'– য'ত ডাষ্টিন হৈছিল এজন ঠগ। এইখন ছবিত হফ্মেনে পাৰিশ্ৰমিক লাভ কৰিছিল সাতাইশ হাজাৰ ডলাৰ। পিছত 'দ্য গ্ৰেজুৱেট', 'টুট্চী', 'ৰেনমেন', 'ড্ৰিক ট্ৰেচী' আদি ছবিত কৰা সফল অভিনয়ৰ লগে লগে চাহিদাও বৃদ্ধি পাই আহে। বৰ্তমান হফ্মেনে প্ৰতি ছবিৰ বাবে পাৰিশ্ৰমিক লাভ কৰে ছয় মিলিয়ন ডলাৰৰো অধিক। অহা ডিচেম্বৰ মাহত স্পিলবাৰ্গৰ 'হুক'এ মুক্তি লভিব। ছবিখনত হফ্মেনৰ বিপৰীতে অভিনয় কৰিছে মোহময়ী জুলিয়া ৰবাৰ্ট্ছে।

★ ★ ★

সবিতা লহকৰ